GRAMYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD. 1999

# সীৰলু

*The sign of ploughing...*








'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৪




'গ্ৰাম্য বিকাশ মঞ্চ'ৰ দ্বাৰা বাগচা জিলাত ৰূপায়িত বিভাজিত জলসিঞ্চন প্ৰকল্পৰ এটি দং বান্ধৰ দৃশ্য।
'জামছেড্‌জী টাটা ট্ৰাষ্ট'ৰ সাহাৰ্যত ২০০৮ চনৰ পৰা এই প্ৰকল্প ৰূপায়িত হৈ আছে।



আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংস্থা এফ.এ.ডি.ভি.ৰ সাহাৰ্যত কামৰূপ (গ্ৰাম্য) আৰু গোৱালপাৰাৰ বানপীড়িত গাঁৱত
'গ্ৰাম্য বিকাশ মঞ্চ'ৰ দ্বাৰা ৰূপায়িত সাহাৰ্য আৰু পুনঃ সংস্থাপন প্ৰকল্পৰ অধীনত নিৰ্মাণ কৰা হৈছে
গ্ৰাম্য পথ আৰু অন্যান্য আন্তঃগাঁঠনি।

# সীৰলু

*The sign of ploughing...*

## 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ

প্ৰথম বছৰ, প্ৰথম সংখ্যা, ১ জানুৱাৰী, ২০১৫

স্থান

সম্প্ৰসাৰিত কাৰ্যালয় চৌহদ-১

গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী

জিলা ঃ নলবাৰী, অসম

শুভেচ্ছাৰে—

শ্ৰীযুত/যুতা.............................................................................

.............................................................................

সম্পাদক

সীৰলু, ২০১৪

# সীৰলু
প্ৰথম বছৰ ● প্ৰথম সংখ্যা
প্ৰকাশ কাল ঃ ১ জানুৱাৰী ২০১৫
'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৪

**Siralu**
A annual journal of Gramya Vikash Mancha
published by Gramya Vikash Mancha
Extended office campus-1, Barbari, Dist. Nalbari, Assam

## সীৰলু সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | পৃথ্বিভুষণ ডেকা |
| সম্পাদক | ঃ | নয়নজ্যোতি ভূঞা |
| সদস্য | ঃ | শ্বাহ আলম আহমেদ |
| | | প্ৰদীপ মহন্ত |
| | | অৰূপজ্যোতি দাস |
| | | দীপাংকৰ চক্ৰৱৰ্তী |
| প্ৰকাশক | ঃ | গ্ৰাম্য বিকাশ মঞ্চ |
| বেটুপাতৰ স্থিৰচিত্ৰ | ঃ | জিনমনি মহন্ত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ অন্যান্য সদস্য সদস্যাসকল |
| বেটুপাত | ঃ | সমুজ্জ্বল বৰ্মন (কালাৰপ্লাছ) |
| বৰ্ণসংস্থাপন | ঃ | শ্বফিউল আহমেদ |
| অংগসজ্জা | ঃ | তৰণী কলিতা (কালাৰপ্লাছ) |
| আৰ্হিপাঠ | ঃ | দুৰ্গাপ্ৰসাদ হাজৰিকা |
| মুদ্ৰণ | ঃ | কালাৰপ্লাছ |
| | | ৰাজগড় ৰোড, গুৱাহাটী-৩, ফোন ঃ ৯৮৬৪০-৩৩৫২৯ |

## কৃতজ্ঞতা

এই মুখপত্ৰ প্ৰকাশ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা আৰু প্ৰকাশৰ বাবে লিখনি আগবঢ়োৱা প্ৰতিগৰাকী শুভাকাংক্ষী, স্থিৰচিত্ৰ গ্ৰহণকাৰী, নিবন্ধকাৰ, কবি, গল্পকাৰলৈ।

—সম্পাদনা সমিতি 'সীৰলু'।

*Dr. Om Prakash,* I.A.S.
*Deputy Commissioner*

Office of the
**DEPUTY COMMISSIONER**
Nalbari - 781335,Assam,India
Tel. No. : 03624-220496 (O)/03624-220218 (R)
Fax No. : 03624-220469 (O)/03624-220371 (R)
Mobile : 88110 19140
E.mail : dropb777@gmail.com
dc-nalbari@nic.in



# শুভেচ্ছাবাণী

'প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ' গঢ়াৰ লক্ষ্যৰে ১৯৯৯ চনৰে পৰা নিৰলস প্ৰচেষ্টাত ব্ৰতী স্বেচ্ছাসেৱী সংস্থা 'গ্ৰাম্য বিকাশ মঞ্চ'ই সফলতাৰে পোন্ধৰটা বছৰ অতিক্ৰম কৰাত অতিশয় আনন্দিত হৈছোঁ। সমাজৰ বিশেষকৈ দুৰ্বল শ্ৰেণীৰ মানুহৰ সৱলীকৰণৰ লগতে তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই বিগত সময়ছোৱাত নলবাৰীক কেন্দ্ৰ কৰি নামনি অসমৰ বিভিন্ন গাঁৱত ৰূপায়ণ কৰা উন্নয়নমূলক কাৰ্যসূচীয়ে তেনে লোকসকলৰ জীৱনত সুখ, শান্তি, সমৃদ্ধি বৃদ্ধি কৰাৰ লগতে আশাৰ ৰেঙনি কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মই এই ছেগতে গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাক আন্তৰিক অভিনন্দন যাচিছো আৰু আশা কৰিছো গ্ৰাম্য বিকাশ মঞ্চই নিৰ্দিষ্ট সপোন বুকুত লৈ আৰম্ভ কৰা এই যাত্ৰা অহা দিনবোৰত আৰু অধিক শক্তিশালী ৰূপত আগুৱাই লৈ যাব আৰু এদিন ঘোষিত লক্ষ্যত উপনীত হ'ব।

গ্ৰাম্য বিকাশ মঞ্চৰ বিভিন্ন কাম-কাজৰ লগতে উন্নয়নমূলক চিন্তা-চৰ্চা প্ৰতিফলিত কৰাৰ বাবে এই বছৰৰ পৰা অনুষ্ঠানটিয়ে 'সীৰলু' নামেৰে এখনি বছৰেকীয়া মুখপত্ৰ প্ৰকাশ কৰিব বুলি জানি অতিশয় আনন্দিত হৈছোঁ। 'সীৰলু'ৰ প্ৰতিটো পৃষ্ঠাতে মানৱ মহত্বৰ শ্ৰেষ্ঠতম সৌৰভ বিয়পাব পৰা বীজ ৰোপিত হওক আৰু তাৰ সুবাসে প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ যাত্ৰাক শক্তি প্ৰদান কৰক, তাৰেই কামনা কৰিছোঁ। শুভেচ্ছাৰে—

ওম প্ৰকাশ
(ডাঃ ওম প্ৰকাশ)
উপায়ুক্ত, নলবাৰী

তাৰিখ ঃ ২২/১২/২০১৪
স্থান ঃ নলবাৰী।

# JUVENILE JUSTICE BOARD, NALBARI

***Rajnagar , Circuit House Road***

**Nalbari :: Assam**


From: Date: 19/10/2013


**Smt. Barnani Goswami. A.J.S.**
**Principal Magistrate**


## শুভেচ্ছাবাণী

গ্রাম্য বিকাশ মঞ্চ, বৰবৰীয়ে তেখেতসকলৰ চতুৰ্দশ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে এখন স্মৰণিকা প্ৰকাশ কৰিব বুলি জানি সন্তোষ পাইছোঁ। আশা কৰিছো এনে প্ৰচেষ্টাই সমাজক সঠিক পথত আগুৱাই নিয়াৰ লগতে যুৱ প্ৰজন্মক সঠিক পথৰ সন্ধান দিয়াত এক ইতিবাচক পদক্ষেপ ল'ব। এই স্মৰণিকাখনে সকলোৰেপৰা সমাদৰ লাভ কৰাৰ লগতে এখন সৰ্বাংগসুন্দৰ স্মৰণিকা হিচাপে ৰাইজৰ ওচৰত আত্মপ্ৰকাশ কৰিব বুলি আশা কৰিলো।

(শ্ৰীমতী বৰ্নানী গোস্বামী)
প্ৰধান দণ্ডাধীশ
জুভেনীল জাষ্টিছ বোৰ্ড, নলবাৰী

তাৰিখ ঃ ১৯/১০/২০১৩
স্থান ঃ নলবাৰী।

# সম্পাদকীয়



## উন্নয়ন কি ?

সাম্প্ৰতিক সময়ত আমাৰ সমাজ জীৱনক বিশেষভাৱে প্ৰভাৱিত কৰি ৰখা শব্দটোৱে হৈছে উন্নয়ন। এই শব্দৰ অৰ্থ ব্যপকতা ইমানেই বেছি যে তাৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ আছে সমাজৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বহু সমস্যা আৰু সম্ভাৱনাৰ কথা। শেহতীয়া সময়ছোৱাত উন্নয়ন শব্দৰ ৰাজনীতিকৰণ কৰাও পৰিলক্ষিত হৈছে। যোৱা লোকসভাৰ নিৰ্বাচনটোৰ জৰিয়তে এখন নতুন চৰকাৰে দেশৰ শাসনৰ বাঘজৰী লোৱাৰ সময়তো উন্নয়ন শব্দৰ সঘন ব্যৱহাৰ, ব্যাপক প্ৰচাৰে বিশেষ প্ৰভাৱৰ সৃষ্টি কৰিছিল। কিন্তু এই সময়ত উন্নয়নৰ অৱধাৰণাই মানুহক যিমানেই মোহাচ্ছন্ন কৰি ৰাখিছে সিমানেই উত্থাপিত হৈছে কেতবোৰ প্ৰশ্ন সন্দেহ সংশয়ৰো। উন্নয়ন মানে কি? উন্নয়ন মানে কাৰ কেনেকৈ উন্নয়ন! প্ৰশ্ন উঠিছে— সমাজৰ নিম্ন মধ্যবিত্ত মধ্যবিত্ত আৰু মধ্যবিত্ত উচ্চ বিত্ত হোৱাৰ অন্তহীন প্ৰতিযোগিতাৰ অন্য নামেই উন্নয়ন নেকি?

বিষয়টো যুকিয়াই চাবলৈ আমি কেইটামান দশকৰ আগলৈ উভতি যাব লাগিব। দ্বিতীয় বিশ্বযুদ্ধৰ ঠিক পিছৰ কথা। অৰ্থনৈতিকভাৱে ইংলেণ্ডে ভয়াবহ দুৰ্যোগৰ সন্মুখীন হোৱাৰ বিপৰীতে আমেৰিকাৰ উত্থান ত্বৰান্বিত হ'ল। কাৰ্যতঃ ইয়াৰ পৰাই আৰম্ভ হৈছে আমেৰিকাৰ অধিপত্যবাদৰ ইতিহাস। কোৱা হয় যে ১৯৪৯ চনৰ ২০ জানুৱাৰীৰ দিনা আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে হেৰি এছ. ট্ৰুমানে আসন গ্ৰহণ কৰাৰ মুহূৰ্তৰ পৰাই ৰাষ্ট্ৰখনে আৰম্ভ কৰে বিশ্বজুৰি আধিপত্য বিৰাজ কৰাৰ এক অভিযান। আমেৰিকাৰ ৰাষ্ট্ৰপ্ৰধানৰ দায়িত্ব লৈয়ে ট্ৰুমানে কয়— "We must embark on a bold new program for making the benefits of our scientific advances and industrial progress available for the improvement and growth of the mean developed areas. The old imperialism– exploitation for foreign profit– has no place in our plans. What we envisage is a program of development based on the concepts of democratic fair dealing." ৰাষ্ট্ৰপ্ৰধানজনৰ এই মন্তব্য নিসন্দেহে দিক্ নিৰ্ণায়ক আছিল যদিও একে সময়তে এক বিশ্বযোৰা বিশেষকৈ অনুন্নত দেশ সমূহৰ ওপৰত দীৰ্ঘম্যাদী আধিপত্য বিস্তাৰৰ পৰিকল্পনাও যে আছিল সেই কথা স্পষ্ট হৈ পৰিছিল।

আচলতে প্ৰচলিত ব্যৱস্থাটোৱে ৰাষ্ট্ৰ ব্যৱস্থাৰ ভৌগোলিক পৰিসীমা ভাঙি ইতিমধ্যে এটা গোলকীয় মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি কৰিছে আৰু অৱধাৰিত ভাৱে তাৰ অংশ হৈ পৰিছে এক লক্ষণীয় সংখ্যক ভাৰতীয়। এই গোলকীয় মধ্যবিত্ত শ্ৰেণীৰ সদস্যসকলে বিশ্বৰ যি প্ৰান্ততে নাথাকক কিয় তেওঁলোকে প্ৰায় একেধৰণৰ খাদ্য খাই, কাপোৰ পিন্ধে, গাড়ী চলাই, ঘৰ বনাই আৰু অন্যান্য অত্যাধুনিক সা-সুবিধা ভোগ কৰে। অৰ্থাৎ বিশ্বৰ বিভিন্ন কোণত থাকিও তেওঁলোকৰ ক্ৰয় ক্ষমতা একে, তেওঁলোক একেধৰণৰ সপোন দেখিবলৈ আৰু তাক বাস্তৱ কৰিবলৈ সক্ষম।

অর্থনৈতিক বিশ্লেষকসকলৰ মতে দ্বিতীয় মহাযুদ্ধৰ ধামখুমীয়াৰ পিছত অৰ্থনৈতিকভাৱে বিশ্বজয় কৰাৰ বাবে উদ্বাউল হৈ উঠা আমেৰিকাৰ এই ৰাষ্ট্ৰপতিগৰাকীয়েই প্ৰথমে 'অনুন্নত' (Underdeveloped) শব্দটো অতি অৰ্থপূৰ্ণভাৱে ব্যৱহাৰ কৰি তাৰ ৰাজনৈতিক আৰু আৰ্থসামাজিক গুৰুত্বক আঙুলিয়াই দিয়ে। আচলতে, ইয়াৰ আগতে ৰাষ্ট্ৰসংঘৰ এটা অন্যতম সংস্থা 'ইণ্টাৰনেচনেল লেবাৰ অৰ্গানাইজেছন'ৰ সচিবালয়ৰ এগৰাকী সদস্য উইলফ্ৰেড বেনছনে এক বিশেষ প্ৰেক্ষাপটত অনুন্নত শব্দটো ব্যৱহাৰ কৰিছিল যদিও তাৰ অৰ্থপূৰ্ণ আলোচনা তেওঁ আগবঢ়াই আনিব নোৱাৰিলে।

'অনুন্নত' (Underdeveloped) আৰু 'উন্নয়ন' (development)— এই দুটা শব্দই যোৱা প্ৰায় সাতটা দশকত বিশ্ব ৰাজনীতিৰ অন্যতম চাবিকাঠি ৰূপে ক্ৰিয়া কৰি আছে। এই দুই শব্দৰ অনুসঙ্গৰে আৰম্ভ হৈছে বিশ্ব জাতিৰ ভৱিষ্যৎ গঢ়াৰ প্ৰতিযোগিতা। কাৰ্যতঃ আমেৰিকাই পোষকতা কৰি অহা মুক্ত বাণিজ্য কিম্বা বজাৰ অৰ্থনীতিত এনে কছৰতে অভিন্ন অংগ। উল্লেখ নিস্প্ৰয়োজন যে গোটেই বিশ্বখনকে একেটা ব্যৱস্থাৰে পৰিচালিত কৰাৰ উল্লিখিত ব্যৱস্থাৰ আমিও ইতিমধ্যে অংশ হৈ পৰিছো। কিন্তু প্ৰশ্ন উঠে এনে 'উন্নয়নমুখী' প্ৰতিযোগিতাৰ বৰ্তমানত বিশ্ব সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠাৰ দিশটো কিদৰে নিশ্চিত কৰা হ'ব? এই ক্ষেত্ৰত আমি উল্লেখ কৰিব পাৰো ১৯৭৪ চনত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা এক পদক্ষেপৰ কথা। 'New International Economics Order, 1974' শীৰ্ষক ১৯৭৪ চনৰ ১ মে'ত ৰাষ্ট্ৰসংঘই অসমতা আৰু উন্নয়ন সন্দৰ্ভত এক ঘোষণা আগবঢ়ায়। তাত কোৱা হয়— 'New International Economic Order shall correct ineequalities and redress existing injustices, making it possible to eliminate the widening gap between the developed and developing countries and ensure steadily accelerating economic development.' অৰ্থাৎ বিশ্বায়ন ব্যৱস্থাৰ প্ৰেক্ষাপটত অসমতা আৰু অন্যায় দমন কৰাৰ পোষকতা আজিৰপৰা চাৰিটা দশকৰ আগতেই ৰাষ্ট্ৰসংঘৰ মজিয়াৰপৰা উচ্চাৰিত হৈছিল যাৰ প্ৰাসংগিকতা আজি অধিকভাৱে ঘনীভূত হৈছে।

মুক্ত বজাৰ অৰ্থনীতি আৰু সামগ্ৰিকভাৱে বিশ্বায়ন ব্যৱস্থাই সৃষ্টি কৰা অভিজ্ঞতাই ইতিমধ্যে এই সত্য প্ৰতিষ্ঠা কৰিছে যে এই ব্যৱস্থাত ৰাষ্ট্ৰৰ ভূমিকা দ্ৰুত হাৰত কমি আহিছে। এখন কল্যাণকামী আৰু মিশ্ৰ অৰ্থনীতিৰ ৰাষ্ট্ৰৰ বাসিন্দা হিচাপে ভাৰতীয় সকলৰ বাবে এই অভিজ্ঞতা অতি লক্ষ্যণীয়। আচলতে প্ৰচলিত ব্যৱস্থাটোৱে ৰাষ্ট্ৰ ব্যৱস্থাৰ ভৌগোলিক পৰিসীমা ভাঙি ইতিমধ্যে এটা গোলকীয় মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি কৰিছে আৰু অৱধাৰিত ভাৱে তাৰ অংশ হৈ পৰিছে এক লক্ষণীয় সংখ্যক ভাৰতীয়। এই গোলকীয় মধ্যবিত্ত শ্ৰেণীৰ সদস্যসকলে বিশ্বৰ যি প্ৰান্ততে নাথাকক কিয় তেওঁলোকে প্ৰায় একেধৰণৰ খাদ্য খাই, কাপোৰ পিন্ধে, গাড়ী চলাই, ঘৰ সাজে আৰু অন্যান্য অত্যাধুনিক সা-সুবিধা ভোগ কৰে। অৰ্থাৎ বিশ্বৰ বিভিন্ন কোণত থাকিও তেওঁলোকৰ ক্ৰয় ক্ষমতা একে, তেওঁলোক একেধৰণৰ সপোন দেখিবলৈ আৰু তাক বাস্তৱ কৰিবলৈ সক্ষম। দেখা গৈছে যে এনে ব্যৱস্থাত ৰাষ্ট্ৰৰ ভূমিকা দ্ৰুতহাৰত কমি তাৰ বিপৰীতে উত্থান ঘটিছে ব্যক্তিবাদ আৰু বহুজাতিক গোষ্ঠীৰ অভিযানৰ। এই ক্ষেত্ৰত নীতি নিৰ্দ্ধাৰকৰ ভূমিকা লৈছে গোলকীয় মধ্যবিত্ত শ্ৰেণীৰ অংশীদাৰসকলে।

এতিয়া এনে প্ৰেক্ষাপটত আমি একোগৰাকী ভাৰতীয় হিচাপে কেনেকুৱা বাস্তৱৰ সন্মুখীন হৈছো আৰু আমাৰ সমাজৰ ভৱিষ্যতনো কি? প্ৰতিগৰাকী সচেতন নাগৰিক আৰু সমাজ কৰ্মীৰ সন্মুখত নিসন্দেহে ই এটা ডাঙৰ প্ৰশ্ন। দেখা গৈছে যে উল্লিখিত ধৰণৰ এক ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থাৰ অংশীদাৰ হ'বলৈ বাধ্য হোৱা আমাৰ দেশৰ ৰাজনীতিকসকলেও এতিয়া উন্নয়ন শব্দটোৰ ৰাজনীতিকৰণ কৰি তাৰ পৰা মুনাফা লাভৰ অভিযান আৰম্ভ কৰিছে। এই প্ৰৱণতা আৰু কৌশল অতি শেহতীয়া হ'লেও সেয়াই আমাৰ দৰে দেশৰ চুকে কোণে থকা জন সমাজকো প্ৰভাৱিত কৰিছে। কিন্তু এই ৰাজনৈতিক ব্যৱস্থাই কি উন্নয়ন কৰিব বিচাৰিছে, কিদৰে কাৰ উন্নয়ন কৰিব বিচাৰিছে! পথ-পদূলি কিম্বা তথ্য প্ৰযুক্তি উন্নয়নেই প্ৰকৃত উন্নয়ন নে! দেখা গৈছে যে পৰিবৰ্তিত পৰিস্থিতিত বিশ্বায়নে যিখন ছবিৰ সৃষ্টি কৰিছে সেই ছবিখন আমি আমাৰ গাঁওবোৰত দেখিবলৈ নাপাওঁ। অনুভৱ হয় আমাৰ গাঁওবোৰৰ উপান্ত মানুহবোৰ যেন আৰু অধিক দুদৰ্শাৰ মাজলৈ আগবাঢ়িছে। আজি হয়তো গাঁৱৰ পথ-পদূলী পকী হৈছে, বিজুলী বাতিও সংযোজিত হৈছে। কিন্তু তেনে উন্নয়নৰ প্ৰেক্ষাপটতো অব্যাহত আছে জীৱিকাৰ হাহাকাৰ, শিশু-কিশোৰৰ পুষ্টিহীনতা, ঘৰৰ চাৰিবেৰৰ পৰা ৰাজধানীৰ ৰাজপথলৈ সকলোতে নাৰী নিৰ্যাতন আৰু লক্ষ লক্ষ মানুহক ভাৰাক্ৰান্ত কৰি ৰখা সীমাহীন দীনতা। আমি ওপৰত বিশ্বৰ অনুন্নত, উন্নয়নশীল আৰু আগবঢ়া ৰাষ্ট্ৰৰ নাগৰিকৰ মাজত সমতা সৃষ্টিৰ বাবে চাৰিটা দশকৰ আগতে বিশ্ব সমাজৰ উমৈহতীয়া সংস্থা ৰাষ্ট্ৰসংঘই পোষকতা কৰা নীতিৰ কথা উল্লেখ কৰিছো। কিন্তু সেই নীতিয়ে বাস্তৱতঃ চুবগৈ পাৰিছেনে আমাৰ নীপিড়িত, উপান্ত মানুহবোৰক! আমি ভাবো চাৰিকাষৰ সমাজখনক ইয়াৰ দৈনন্দিন পৰিঘটনাক সন্মুখত লৈ আমি এবাৰলৈ হ'লেও নিজকে এই প্ৰশ্ন কৰা উচিত। উন্নয়ন মানে সমতা প্ৰতিষ্ঠা, ই কেতিয়াও ধনী-দুখীয়া কিম্বা শক্তিশালী-দুৰ্বলীৰ মাজত ব্যৱধান বৃদ্ধিৰ কছৰৎ হ'ব নোৱাৰে। সকলোৱে যদি এই বিষয়লৈ লক্ষ্য ৰাখি চৰকাৰী, অনা চৰকাৰী সকলো উন্নয়ন প্ৰক্ৰিয়া কিম্বা পদক্ষেপৰ পৰ্যবেক্ষণ কৰি যায় তেতিয়াহে হয়তো প্ৰতিখন গাঁৱতে একো একোখন শোষণমুক্ত, সমতাপূৰ্ণ আৰু সমৃদ্ধিশালী সমাজ গঢ়াৰ বাস্তৱায়িত হ'ব পাৰে।

(নয়নজ্যোতি ভূঞা)
২৪ ডিচেম্বৰ, ২০১৪
সম্পাদক, সীৰলু

## সভাপতিৰ আসনৰ পৰা



# সীমাবদ্ধতা আৰু প্ৰত্যাহ্বান নেওচি আগবাঢ়িব লাগিব

**যো**ৱা শতিকাৰ শেষৰটো দশকৰ কথা। সমগ্ৰ ৰাজ্যখনৰ লগতে নলবাৰী জিলাতো চলিছিল এক অশান্তময় পৰিস্থিতিৰ। অন্যায়, অবিচাৰে তীব্ৰ ৰূপ ধাৰণ কৰিছিল। কৰ্মসংস্থাপনহীনতাই চৰম ৰূপ লৈছিল, উন্নয়ন প্ৰক্ৰিয়া বিশেষকৈ গ্ৰাম্যাঞ্চলত স্তব্ধ হৈ পৰিছিল, যুৱ-প্ৰজন্মক হতাশাই ছানি ধৰিছিল, পৰিস্থিতিৰ সুযোগ লৈ এচামে কৰা শোষণ বঞ্চনাই বিকটৰূপ ধাৰণ কৰিছিল... এক কথাত ক'বলৈ গ'লে সমাজৰ প্ৰগতি ৰুদ্ধ হৈ পৰিছিল। আনফালে, আন্তঃ ৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজনৈতিক আৰু অৰ্থনৈতিক নীতি, পৰিৱেশ আৰু পৰিস্থিতিৰ ব্যাপক ৰূপত সালসলনি হৈছিল। ভাৰতবৰ্ষ নব্য উদাৰীকৰণ অৰ্থনীতিত প্ৰৱেশ কৰিছিল। তেনে বহু ঘটনা, পৰিৱেশ, পৰিস্থিতিৰ বাবে যোৱা শতিকাৰ বিশেষকৈ শেষৰ দশকটো অতি বৈশিষ্ট্যপূৰ্ণ আৰু ঐতিহাসিক ঘটনাবহুল দশক হিচাপে চিহ্নিত কৰিব পৰা যায়; ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আটাইকেইটা স্তৰতে। আমাৰ প্ৰজন্মৰ কৈশোৰ আৰু যৌৱন সেই দশকটোৰে পাৰ হৈছিল। দুটা বিপৰীতমুখী অৰ্থনৈতিক নীতি, পৰিস্থিতিৰ আৰু প্ৰভাৱত এফালে শেষ আৰু আনফালে আৰম্ভণিৰ তিতা, কেহা, মিঠা অভিজ্ঞতা হৈছিল। চিন্তা চেতনাৰ এক দোমোজাময় অৱস্থাৰ মাজেৰে গতি কৰিছিল সেই সময়ৰ অধিকাংশ যুৱক-যুৱতীৰ জীৱন যাত্ৰা।...

তেনে এক পৰিস্থিতিৰ মাজতে দক্ষিণ-পূব নলবাৰী অঞ্চলৰ কেইজনমান যুৱক-যুৱতী সমবেত হৈছিলো পৰিস্থিতি সলনিৰ কিছু চিন্তা-চৰ্চা কৰাৰ বাবে। ঋণাত্মক পৰিৱেশৰ মাজতো ধনাত্মক মানসিকতা আৰু যুৱ উদ্যম আছিল আমাৰ প্ৰধান শক্তি। কিন্তু অতি সীমিত তথ্য আৰু জ্ঞানে আমাক স্তব্ধপ্ৰায় কৰিছিল, আমি উৱাদিহ পোৱা নাছিলো, কেনেকৈ আগুৱাম ইমান প্ৰত্যাহ্বান আগত লৈ, কোনে আমাক প্ৰেৰণা যোগাব, কেনেকৈ তিষ্ঠি থাকিম সাম্প্ৰতিক হতাশাময় পৰিস্থিতিত, ঋণাত্মক মানসিকতাই প্ৰাধান্যতা লাভ কৰা সমাজৰ পৰিবৰ্তন সম্ভৱনে... ইত্যাদি ইত্যাদি বহু সংশয়ে আগচি ধৰিছিল আমাক। সেই মুহূৰ্তত আমাৰ কাষত থিয় দিছিল বিশিষ্ট চিকিৎসক ডাঃ সুৰেন্দ্ৰ মজুমদাৰ, এগৰাকী চিকিৎসক হৈও সমাজৰ বিভিন্ন ঘটনা প্ৰবাহৰ লগত ওতঃপ্ৰোতঃভাৱে জড়িত এগৰাকী ব্যক্তি, দক্ষিণ পূব নলবাৰী অঞ্চলৰ সকলো আপদ বিপদত সেই সময়ত থিয় দিয়া এজন ব্যক্তি। আমাৰ লগত ঘূৰি পকি সৃষ্টিৰ সপোন ৰচনাত নেতৃত্ব দিছিল... আমাৰ মন মগজুত দৃঢ়তাৰে গুজি দিছিল এক সপোন... 'প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ সংকল্প। সেই সপোন আগত লৈয়ে ১৯৯৯ চনৰ ৭ ডিচেম্বৰত জন্ম হৈছিল 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ, প্ৰগতিশীল চিন্তা চৰ্চাৰ এক সমন্বিত মঞ্চ হিচাপে। সেয়াই আছিল এক দীঘলীয়া যাত্ৰাৰ আৰম্ভণি।...

সীমিত তথ্য, জ্ঞান আৰু অভিজ্ঞতাৰে গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱক/সেৱিকাসকল সোমাই পৰিল মানুহৰ মাজত, বিশেষকৈ সমাজৰ অতি দুৰ্বল মানুহৰ মাজত, তেওঁলোকক সমাজ পৰিবৰ্তনৰ দায়িত্ব ল'ব পৰাকৈ সৱলীকৰণৰ বাবে, তেওঁলোকৰ সতে প্ৰতিখন গাঁৱতে এখন সমাজ সৃষ্টিৰ লক্ষ্যৰে আগবাঢ়ি গ'ল, য'ত তেনে লোকসকল মৰ্যাদাসহ জীয়াই থাকিব পাৰে, য'ত শান্তি, সমৃদ্ধি, সমতা আৰু ভাতৃত্ববোধ শক্তিশালী হ'ব। লাহে লাহে অনুষ্ঠানটোৰ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাৰ সংখ্যা বৃদ্ধি হ'ল, বিভিন্ন অভিজ্ঞতাসম্পন্ন আৰু শিক্ষায়তনিক দিশৰপৰা অহা স্বেচ্ছাসেৱক/সেৱিকাই আগবঢ়াই লৈ গ'ল সেই যাত্ৰা। দক্ষিণ পূব নলবাৰী অঞ্চলক কেন্দ্ৰ কৰি আৰম্ভ হোৱা সেই যাত্ৰা নলবাৰী, কামৰূপ আৰু বাকসা জিলাৰ বিভিন্ন প্ৰান্তলৈ আগবাঢ়ি গ'ল। ...এনেদৰে অনুষ্ঠানটোৱে ইতিমধ্যে পোন্ধৰটা বছৰ অতিক্ৰম কৰিলে বহু ঘাট, প্ৰতিঘাট, প্ৰত্যাহ্বান, সীমাবদ্ধতা নেওচি। সফলতা, বিফলতা দুয়োটাই আছে বিগত সময়ছোৱাৰ

যাত্ৰাত।

এজন ব্যক্তিৰ জীৱনত বিকাশৰ যেনেকৈ কেবাটাও ঢাপ থাকে, এটা অনুষ্ঠানেও তেনেকৈ কেইবাটাও ঢাপ অতিক্ৰমি আগুৱাই যায়। সুনিৰ্দিষ্ট সীমাৰেখা বা মাত্ৰা নাথাকিলেও প্ৰতিটো ঢাপতে ব্যাপ্ত হৈ থাকে সময়, নিহিত থাকে উত্থান-পতন, সফলতা-বিফলতা, ঘটনা-পৰিঘটনাৰ ইতিহাস। গ্ৰাম্য বিকাশ মঞ্চও তাৰ ব্যতিক্ৰম নহয়। যোৱা পোন্ধৰটা বছৰত অনুষ্ঠানটোৰ নেতৃত্বৰ, স্বেচ্ছাসেৱক/সেৱিকাসকলৰ মাজত সমাজৰ বিভিন্ন উপাদানৰ জটিল সম্পৰ্কৰ বিষয়ে, সামাজিক ঘটনা প্ৰতিঘটনাৰ কাৰক প্ৰভাৱ সম্পৰ্কে সমাজ-সংস্কৃতিৰ আন্তঃসম্পৰ্ক আৰু পৰিবৰ্তনশীল গতি সম্পৰ্কে মানুহৰ জীৱন জীৱিকাৰ সংগ্ৰাম সম্পৰ্কে... ইত্যাদি অলেখ বিষয়ত জ্ঞান, অভিজ্ঞতা তথা উপলব্ধি কিছু পৰিমাণে হ'লেও হ'ল। এই সময়ছোৱা আমাৰ বাবে 'Formation and Learning Phase' আছিল। এই সময়ছোৱাত আহৰণ কৰা জ্ঞান, অভিজ্ঞতা, উপলব্ধিক ভিত্তি হিচাপে লৈ আগুৱালে অহা দিনবোৰত গ্ৰাম্য বিকাশ মঞ্চ সফলতাৰে আগবাঢ়ি যাব পাৰিব বুলি মই বিশ্বাস কৰোঁ।

জ্ঞান আৰু অভিজ্ঞতা আহৰণৰ এই সময়ছোৱাত বিভিন্ন উন্নয়নমূলক প্ৰক্ৰিয়াৰে গ্ৰাম্য বিকাশ মঞ্চই সংখ্যাত অতি নগন্য হ'লেও নলবাৰী, বাক্সা আৰু কামৰূপ জিলাৰ অন্তৰ্গত বিভিন্ন গাঁৱৰ কিছু সংখ্যক পৰিয়ালক সুখ আৰু সমৃদ্ধিৰ বাটত আগুৱাই নিবলৈ আৰু জীৱন সংগ্ৰামত আশাৰ ৰেঙনি সঞ্চাৰ কৰিবলৈ সক্ষম হৈছে। একেদৰে সমাজত ধনাত্মক চিন্তা চৰ্চা, মানসিকতা গঢ়াৰ প্ৰক্ৰিয়া আৰু আমাৰ সমাজত ক্ৰমে হেৰাই যাব ধৰা সংঘবদ্ধ সামাজিক কাৰ্যসূচী পুনৰ ঘূৰাই অনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ কিছু পৰিমাণে হ'লেও সক্ষম হৈছে। এয়া এক আৰম্ভণিহে... সন্মুখত আৰু বহুদূৰ যাবলৈ আছে। ৰাইজৰ সক্ৰিয় সহযোগত অনুষ্ঠানটোৱে অহা দিনবোৰত এই যাত্ৰা আৰু অধিক শক্তিশালী ৰূপত আগুৱাই নিব পাৰিব।

পৰিস্থিতিৰ দ্ৰুতগতিত সলনি হৈছে। যোৱা শতিকাৰ নব্বৈৰ দশকৰ পৰিস্থিতি আৰু আজিৰ পৰিস্থিতিৰ মাজত বহু পাৰ্থক্য। ভাৰতীয় উপমহাদেশত গ্ৰহণ কৰা নতুন অৰ্থনৈতিক নীতিৰ প্ৰভাৱ দ্ৰুতগতিত উপলব্ধ হ'বলৈ আৰম্ভ কৰিছে। ভাল, বেয়া দুয়োটা প্ৰকাৰৰ প্ৰভাৱ। নতুন পৰিস্থিতিত নতুন নতুন প্ৰত্যাহ্বান আহি পৰিছে। গ্ৰাম্য সমাজখনো ইয়াৰ দ্বাৰা বিভিন্ন ধৰণে প্ৰভাৱান্বিত হৈছে। স্বেচ্ছাসেৱী সংগঠনসমূহে সচেতনতাৰে সমাজক সংগঠিত কৰি সাম্প্ৰতিক প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ আৰু প্ৰত্যাহ্বানৰ মোকাবিলা কৰিব পৰাকৈ সক্ষম কৰাত আৰু তাৰ জৰিয়তে সমাজ, সভ্যতা সংস্কৃতিক ধনাত্মক দিশেৰে আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। গ্ৰাম্য বিকাশ মঞ্চই অহা দিনবোৰত তেনে গুৰুত্বপূৰ্ণ ভূমিকা সফলতাৰে পালন কৰিব বুলি আমি আশাবাদী।

যোৱা পোন্ধৰ বছৰত গ্ৰাম্য বিকাশ মঞ্চৰ যাত্ৰা আৰু উন্নয়ন প্ৰক্ৰিয়াত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক যুৱক যুৱতী, ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠান সক্ৰিয়ভাৱে জড়িত হৈ আছে। লগতে জড়িত হৈ আছে নলবাৰী জিলা প্ৰশাসন, বিভিন্ন চৰকাৰী বিভাগ, সংবাদ মাধ্যম, ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সংস্থা, বিশ্ববিদ্যালয়, শৈক্ষিক প্ৰতিষ্ঠান ইত্যাদি। এই ছেগতে মই সকলোকে শ্ৰদ্ধা, অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু অহা দিনবোৰতো একেই সহযোগ কামনা কৰিছো।

গ্ৰাম্য বিকাশ মঞ্চৰ উন্নয়ন প্ৰক্ৰিয়াৰ প্ৰাথমিক সহযোগী অৰ্থাৎ যিসকল ব্যক্তি, অনুষ্ঠান, সংগঠনৰ সতে বিভিন্ন গাঁৱত উন্নয়নী প্ৰক্ৰিয়া ৰূপায়ণ কৰি আছে, তেখেতসকলৰ সহযোগ অবিহনে অনুষ্ঠানটোৰ গতি স্তব্ধ হ'লহেঁতেন। অনুষ্ঠানটোৰ সকলো ক্ষেত্ৰতে জড়িত তেনে ব্যক্তি, অনুষ্ঠান, সংগঠনলৈ মই অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আশা কৰিছো গ্ৰাম্য বিকাশ মঞ্চৰ সপোন বাস্তৱায়িত কৰাৰ এই যাত্ৰাত সকলোৱে আগন্তুক দিনবোৰতো একেদৰেই সহযাত্ৰী হৈ থাকিব।

যোৱা পোন্ধৰটা বছৰত সহস্ৰাধিক স্বেচ্ছাসেৱক/সেৱিকাই গ্ৰাম্য বিকাশ মঞ্চত পূৰ্ণকালীনভাৱে সেৱা আগবঢ়াইছে। গ্ৰাম্য বিকাশ মঞ্চৰ মজিয়াত কৰ্ম জীৱনৰ আৰম্ভণি কৰি বহুজনে বিভিন্ন চৰকাৰী, বেচৰকাৰী অনুষ্ঠানত যোগ দিছে আৰু দক্ষতাৰে সেৱা আগবঢ়াই আছে। বৰ্তমানেও শতাধিক স্বেচ্ছাসেৱক/সেৱিকাই অনুষ্ঠানটোত পুৰ্নকালীনভাৱে সেৱা আগবঢ়াই আছে। সকলোৰে অদম্য উৎসাহ, অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু সেৱাই অনুষ্ঠানটোক আজিৰ পৰ্যায়লৈ লৈ আহিছে। জন্ম যন্ত্ৰণাৰ বিষ বেদনাৰ দৰে অশেষ কষ্ট-যন্ত্ৰণা সকলোৱে সমানে আৰু হেলাৰঙে আকোৱালি লৈ অনুষ্ঠানটোক আগুৱাই নিছে। সকলোৰে এটাই সপোন! মই প্ৰাক্তন আৰু বৰ্তমানৰ প্ৰতিজন সতীৰ্থলৈ হিয়াভৰা ওলগ, ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। অশেষ কষ্টৰে অনুষ্ঠানটো গঢ় দিয়া সেৱাৰ 'সাংগঠনিক সংস্কৃতি' আগন্তুক দিনতো অক্ষুণ্ণ ৰাখিব বুলি আশা ৰাখিছো।

গ্ৰাম্য বিকাশ মঞ্চৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনাত কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য/সদস্যাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। প্ৰতিজন কাৰ্যনিৰ্বাহক সদস্য/সদস্যাই নিজৰ নিজৰ দায়িত্ব অতি দক্ষতাৰে পালন কৰাৰ লগতে অনুষ্ঠানটোৰ সপোন বাস্তৱায়িত কৰাৰ যাত্ৰাত নেতৃত্ব বহন কৰি আহিছে। একেদৰে প্ৰতিজন সাধাৰণ সদস্য/সদস্যাই অনুষ্ঠানটোৰ সকলো কাম-কাজত সক্ৰিয়তাৰে সহযোগ আগবঢ়াই গ্ৰাম্য বিকাশ মঞ্চৰ যাত্ৰাত অহৰহ শক্তি যোগাই আহিছে। মই প্ৰতিজন কাৰ্যনিৰ্বাহক তথা সাধাৰণ সদস্য/সদস্যাকে তেখেতসকলৰ সেৱাৰ বাবে অভিনন্দন আৰু কৃতজ্ঞতা জনালো।

গ্ৰাম্য বিকাশ মঞ্চই ঘোষিত লক্ষ্যত উপনীত হ'বলৈ ত্বৰান্বিত গতিৰে আগবাঢ়ি যাব লাগিব। সন্মুখত সীমাবদ্ধতা আৰু প্ৰত্যাহ্বান অলেখ। সকলোৰে সক্ৰিয় সহযোগত নিশ্চয় তেনে সীমাবদ্ধতা আৰু প্ৰত্যাহ্বানক নেওচি অনুষ্ঠানটো আৰু অধিক শক্তিশালী ৰূপত আগবাঢ়ি যাব পাৰিব। আগন্তুক দিনবোৰত তাৰেই কামনাৰে...

পৃথ্বিভূষণ ডেকা
সভাপতি
গ্ৰাম্য বিকাশ মঞ্চ

# সূচীপত্ৰ


- গ্ৰাম্য বিকাশ মঞ্চ ✍ ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্য/১১
- উভতি চাওঁ... ✍ ডাঃ সুৰেন্দ্ৰ মজুমদাৰ/১৩
- আন্তৰিকতাৰে একলম ✍ যোগেন্দ্ৰ কলিতা/১৪
- প্ৰসংগ ঃ শিশু নিৰ্যাতন শিশু শ্ৰমিক আৰু নিৰ্যাতিত শৈশৱ ✍ ক্ষিতীশ কুমাৰ কাকতি/১৬
- বাগৰুম্বা ✍ দিবাকৰ ডেকা/১৯
- কৰ্মই যাৰ ধৰ্ম ✍ ৰেণু মহন্ত/২২
- প্ৰত্যাহ্বান ✍ প্ৰাঞ্জনা ডেকা/২৭
- অসমত আৰ্চেনিক প্ৰদূষণ— জাগি উঠিছে মাটিৰ তলৰ নিদ্ৰামগ্ন অসুৰ ✍ ড° শৰৎ ফুকন/২৯
- কৃষক আৰু কৃষিৰ ভৱিষ্যৎ ✍ দিলীপ চন্দন/৩৪
- খেতিয়কৰ দুৰ্দশা মচিব কোনে? ✍ মুনীন বায়ন/৩৭
- এখন পথাৰত কৃষকৰ আৰ্তনাদ ✍ সঞ্জীৱ কুমাৰ ফুকন/৪১
- কৃষিভিত্তিক অৰ্থনীতি ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা ✍ হিতেন মহন্ত/৪৩
- **Farmers clamour for a safety net** ✍ **Ranen Kumar Goswami**/৪৬
- গ্ৰাম্য বিকাশ মঞ্চই বিগত সময়ছোৱাত ৰূপায়িত কৰা প্ৰকল্প সন্দৰ্ভত প্ৰকাশিত বাতৰিৰ কিছু অংশ... ৪৯
- **Assam a major source of child trafficking: Satyarthi** ✍ **Sanjoy Ray**/৫৬
- **The Agricultural Turn in Northeast India** ✍ **Dolly Kikon**/৫৮
- **Mahila Kisan Sashaktikaran Pariyojana (MKSP), a new hope for women farmer** ✍ **Dhritiman Das**/৬৩
- **Land and Resources Alienation in Tribal Belt and Block in Assam** ✍ **Kishor Kumar Kalita**/৬৭
- **Imagining More Inclusive Democracy!** ✍ **Swapan Singha**/৭০
- **Dreams of Wealth: Thoughts on the Economic and Political Transformation of Northeast India** ✍ **Dr. Sanjay (Xonzoi) Barbora**/৭২

# সূচীপত্ৰ


- **Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 15 Years.......** ৭৪
- মই শিশু শ্ৰমিকে কৈছো ✍ জিতেন্দ্ৰ নাথ কলিতা/৮০
- মই ✍ ঈশ্বৰ বৈশ্য/৮০
- ড্ৰেগন্‌ছ শ্বেড' অভাৰ অৰুণাচল ✍ সমীৰ শাণ্ডিল্য/৮১
- অনুভৱৰ এচেৰেঙা ✍ ববিতা দাস/৮৬
- আপোনজন ✍ ৰতন তালুকদাৰ/৮৭
- জনমানসত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চৰ ভূমিকা ✍ চৰিত বৰ্মন/৮৯
- শ্ৰমদান ✍ নৃপেন্দ্ৰ নাথ ডেকা/৯১
- শৈশৱ ✍ চন্দন চক্ৰৱৰ্তী/৯৩
- শিশু শ্ৰমিক ✍ শ্বফিউল আহমেদ/৯৩
- প্ৰেৰণা ✍ ধনেশ্বৰ দেব শৰ্মা/৯৩
- জি ভি এম ✍ হেমেন ডেকা/৯৪
- চাধা নাওমান মাচ্ছুন ✍ পদ্মেশ্বৰ ডেকা/৯৫
- শিশু অধিকাৰ আৰু আমি ✍ দ্বীপেন কলিতা/৯৭
- শিক্ষা আৰু দৰ্শন ✍ হীৰক জ্যোতি বৰ্মন/৯৯
- গ্ৰামাঞ্চলত গ্ৰাম্য বিকাশ মঞ্চ ✍ শ্বাহআলম আহমেদ/১০০
- কৈলাশ সত্যাৰ্থী, শান্তিৰ ন'বেল আৰু ভ্ৰাম্যমাণ থিয়েটাৰৰ সেই কণমানি কেইজনী... ✍ কমল কিশোৰ হাজৰিকা/১০২


## গ্ৰাম্য বিকাশ মঞ্চ


গ্ৰাম্য বিকাশ মঞ্চ এটি অনাচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান। ছ'চাইটি ৰেজিষ্ট্ৰেচন এক্ট 'XXI, ১৮৬০' অধীনত পঞ্জীকৃত অনুষ্ঠানটোৰ পঞ্জীয়ন নং ঃ RS/NAL/B/246/39 of 2000-2001। অনুষ্ঠানটো ভাৰত চৰকাৰৰ ফ'ৰেইন কণ্ট্ৰিবিউচন ৰেগুলেচন এক্টৰ অধীনত পঞ্জীকৃত। পঞ্জীয়ন নং ঃ 020640005। আয়কৰ আইন ১৯৬১ৰ '৮০ জি অধিনিয়ম' অনুসৰি গ্ৰাম্য বিকাশ মঞ্চত দান বৰঙনি আগবঢ়োৱা দাতা, কৰ ৰেহাইযোগ্য বিবেচিত হ'ব। ঠিকনা ঃ এক নং বৰধনৰা (পদুমকুঁৱৰী চ'ক), ডাকঘৰ ঃ দক্ষিণগাঁও, পিন ঃ ৭৮১৩৫০, জিলা ঃ নলবাৰী (অসম)। ফোন নং ঃ ০৩৬২৪-২৮৩৭৪০, ২৮৩৮৮৮, ২৮৩৭৭৪। ই-মেইল ঃ gvmassam@gmail.com। ৱেবছাইট ঃ www.gvmassam.org।

> অনুষ্ঠান-প্ৰতিষ্ঠানৰ লক্ষ্য যদি হিতকৰ হয় আৰু সিবিলাকৰ উদ্যোক্তাসকলৰ মনত যদিহে সেৱাৰ ভাৱ ক্ৰিয়াশীল হৈ থাকে তেন্তে, তেনে অনুষ্ঠান-প্ৰতিষ্ঠান বে-চৰকাৰী হ'লেও দহৰ প্ৰশংসাত ধন্য হয়। লগতে সমাজ আৰু জীৱনত আলোকময় কৰি তুলিব পাৰে।



# গ্ৰাম্য বিকাশ মঞ্চ

✍ **ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্য**

**ন**লবাৰী জিলাৰ অন্তৰ্ভুক্ত বৰবৰী গাঁৱত প্ৰতিষ্ঠাপিত 'গ্ৰাম্য বিকাশ মঞ্চ' এটি বিশিষ্ট বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থা। সমাজ জীৱনৰ সৰ্বাত্মক বিকাশ আৰু উৎকৰ্ষ সাধনৰ বাবে প্ৰতিষ্ঠা হোৱা এই সংস্থাটোৱে ইতিমধ্যে তেৰটা (১৩) বৰ্ষ গৌৰৱেৰে অতিক্ৰম কৰি ইতিমধ্যে যোৱা ৭ ডিচেম্বৰ, ২০১৪ চনত পোন্ধৰ (১৫) বছৰত ভৰি থৈছে। আৰু সেই উপলক্ষে সংস্থাটোৱে চৈধ্যসংখ্যক প্ৰতিষ্ঠা দিৱস পালনো কৰিলে। এয়া নিশ্চিতভাৱে আনন্দৰ বতৰা। এইখিনিতে সংস্থাটোৰ সমূহ কৰ্মকৰ্তা আৰু শুভাকাংক্ষীসকললৈ মই হিয়াভৰা ওলগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

আলোচ্যমান 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ সৈতে মই আজি কিছু বছৰ ধৰি জড়িত আছো আৰু ইয়াৰ অন্তৰংগ-বহিঃৰংগ দিশৰ সম্যক আভাষ পাইছো। ইয়াৰ আধাৰতে মই ক'বলৈ দ্বিধাবোধ নকৰো যে এই সংস্থাটোৰ লক্ষ্য আৰু উদ্দেশ্য অতিকৈ মংগলময় আৰু মানৱকেন্দ্ৰিক নৈতিকতাৰে আচ্ছাদিত। শিক্ষাৰ বিস্তৃতি সাধন, স্বাস্থ্যৰ উন্নতি, কৃষিৰ উৎকৰ্ষ সাধন, জীৱিকা নিৰ্বাহৰ পথ উন্মোচন, শিশু অধিকাৰ আদি সমাজ জীৱনৰ নানা গুৰুত্বপূৰ্ণ দিশৰ প্ৰতি সজাগ-সচেতন দৃষ্টি ৰাখি সিবিলাকক নতুন গতি আৰু স্থিতি দান কৰিবলৈ সংস্থাটোৱে পালন কৰি অহা ভূমিকা নিঃসন্দেহে অভিনন্দনযোগ্য।

সংস্থাটোৰ লগত যিসকল উদ্যোক্তা পোনপটীয়া আৰু পৰোক্ষভাৱে জড়িত হৈ আছে, সেইসকলৰ সৰহসংখ্যকেই কৰ্তব্যপৰায়ণ, নিষ্ঠাৱান, সমাজ হিতৈষী, মানৱতাবাদী আৰু নিঃস্বাৰ্থ সেৱক।

আজিলৈকে গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত অনুষ্ঠিত ভালেসংখ্যক সভা-সমিতিত মই যোগদানৰ সুযোগ পাইছো আৰু যিবিলাক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পৰা ক্ষমতা আছে, সেইবিলাকত অংশগ্ৰহণো কৰিছো। নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত শিক্ষা-দিক্ষাত পিছ পৰি থকা আৰু অন্ধবিশ্বাসৰদ্বাৰা পৰিচালিত গএগ লোকসকলক গ্ৰাম্য বিকাশ মঞ্চই আলোকৰ সন্ধান দিবলৈ আয়োজন কৰা বিভিন্ন সভা-সমিতিত উপস্থিত থাকি সেই লোকসকলৰ লগত ভাব-বিনিময় কৰিছো। তাৰ দ্বাৰাতেওঁলোকৰ লগতে ময়ো উপকৃত হৈছো।

সৰহসংখ্যক লোক পৰিচালিত হৈ থকাটো দুৰ্ভাগ্যজনক। জীৱন সম্পৰ্কে সম্যক ধাৰণা আমাৰ গ্ৰামাঞ্চলৰ একাংশ লোকৰ মুঠেই নাই। ফলত, তেওঁলোকে নানা দুখ-যন্ত্ৰণাত ভুগি থাকিবলগীয়াত পৰিছে। এনে দুখ-যন্ত্ৰণাৰপৰা কেনেকৈ উদ্ধাৰ পাব পাৰি, সেই বিষয়ে চিন্তা-চৰ্চা কৰিব পৰা জ্ঞান-গৰিমা অধিকসংখ্যক গএগ লোকৰে নাই।

সুখৰ কথা যে গ্ৰাম্য বিকাশ মঞ্চ (বৰবৰী)য়ে জন্মলগ্নৰেপৰা বৰ্তমানলৈকে যিবিলাক কাৰ্য সম্পাদন কৰি আহিছে, সেইবিলাকে সংস্থাটোৰ সাৰ্থকতা প্ৰতিপাদন কৰিছে। গ্ৰামাঞ্চলৰ সাধাৰণ শ্ৰেণীৰ লোকক সমাজ-জীৱন সম্পৰ্কে সচেতন কৰি তুলিবলৈ সংস্থাটোৰ উদ্যোগত অনুষ্ঠিত সভা-সমিতিত সম্প্ৰতি পুৰুষ-নাৰীৰ উপস্থিতি বাঢ়ি আহিছে। সংস্থাটোৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ ক্ৰমাগতভাৱে বৃদ্ধি পোৱাটোৱে ইয়াৰ জনপ্ৰিয়তা প্ৰমাণ কৰে।



'গ্ৰাম্য বিকাশ মঞ্চ'ৰ লক্ষ্য নামটোতে নিহিত হৈ আছে। স্বাধীনতাৰ আজি ৬৬ বছৰ অতিক্ৰান্ত হ'ল। কিন্তু প্ৰকৃত স্বাধীনতা কি? গ্ৰামাঞ্চলৰ লোকে আজিও তাক অনুভৱ কৰিব পৰা নাই। আমাৰ দেশ গণতান্ত্ৰিক দেশ; কিন্তু গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে সৰ্বস্তৰৰ লোকে পাবলগীয়া মৰ্যাদা পোৱা নাই। আজিও আমাৰ গ্ৰামাঞ্চলৰ সমুদায় ল'ৰা-ছোৱালীয়ে শিক্ষা লাভৰ সুযোগ পোৱা নাই। কুসংস্কাৰ, আৰু অন্ধবিশ্বাসৰদ্বাৰা গ্ৰামাঞ্চলৰ

অনুষ্ঠান-প্ৰতিষ্ঠানৰ লক্ষ্য যদি হিতকৰ হয় আৰু সিবিলাকৰ উদ্যোক্তাসকলৰ মনত যদিহে সেৱাৰ ভাব ক্ৰিয়াশীল হৈ থাকে তেন্তে, তেনে অনুষ্ঠান-প্ৰতিষ্ঠান বে-চৰকাৰী হ'লেও দহৰ প্ৰশংসাত ধন্য হয়। লগতে সমাজ আৰু জীৱনত আলোকময় কৰি তুলিব পাৰে।

মই গ্ৰাম্য বিকাশ মঞ্চ (বৰবৰী)ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে ইয়াৰ জৰিয়তে সমাজৰ হিত হ'ব বুলি আশা কৰিলো।

(লেখক ৰাজ্যৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু গ্ৰাম্য বিকাশ মঞ্চৰ শুভাকাংক্ষী)



# উভতি চাওঁ...

✍ ডাঃ সুৰেন্দ্ৰ মজুমদাৰ

গাঁৱলীয়া চিকিৎসালয়ত চিকিৎসকৰ চাকৰি জীৱনত অন্য কিবা এটা কৰাৰ বাবে আজৰি সময় নাই বুলিলেও একো বঢ়াই কোৱা নহ'ব। ছাত্ৰাৱস্থাৰপৰাই বিভিন্ন সামাজিক কামত ব্যস্ত হৈ আমোদ (আমেজ) পাইছিলো। ছাত্ৰ অৱস্থাৰ সামৰণি মাৰি চাকৰিসূত্ৰে নলবাৰী জিলাৰ বৃহত্তৰ বৰভাগ অঞ্চলৰ কমাৰকুছি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত নিয়োজিত হৈছিলো। শিক্ষা-দীক্ষা, কলা, কৃষ্টি, সংস্কৃতি, দেশপ্ৰেম, ৰাজনীতি আদি সকলোক্ষেত্ৰতে অতিকৈ আগৰণুৱা এই বৰভাগ অঞ্চল। এনেহেন অঞ্চলত কৰ্তব্য  পালন কৰি লগতে প্ৰতিজন ব্যক্তিৰ লগত সৌহাদ্যপূৰ্ণ সম্পৰ্ক বজাই ৰাখি আনন্দিত হৈছিলো। তথাপিও বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থাৰ জৰিয়তে স্বেচ্ছামূলক কাম কৰাৰ যি (প্ৰয়াস) সপোন ৰচিছিলো তাক বাস্তৱায়িত কৰাৰ সন্ধানত ৰৈ আছিলো। বানপানীৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগে জুৰুলা কৰা বৰভাগ অঞ্চলৰ ৰাইজৰ বাবে ইয়াৰ অতিশয় প্ৰয়োজন অনুভৱ কৰিছিলো। বানপানী তথা আন দুৰ্যোগৰ সময়ত স্বেচ্ছামূলকভাৱে ৰাইজক সহায় কৰাৰ অৰ্থে কেইজনমান উদীয়মান শিক্ষিত যুৱক আগবাঢ়ি অহা দেখা পাইছিলো। ভাবিছিলো হয়তোবা প্ৰকৃত পথ-প্ৰদৰ্শক, পৰিৱেশ, সুবিধা নোপোৱাৰ বাবে ইচ্ছা আগ্ৰহ থকা সত্ত্বেও তেওঁলোকৰ আদৰ্শক বাস্তৱিত কৰাত অসুবিধা হৈছিল। সেই যুৱকচাম মোৰ যিমানদূৰ মনত আছে— পৃথ্বিভূষণ, দিবাকৰ, প্ৰাঞ্জল, অমল, অৰূপজ্যোতি, দীপাংকৰ, জীৱন, নয়ন আৰু মই একেগোট হৈছিলো, সমাজৰ কিবা এটা কৰাৰ মানসেৰে। তেনেদৰেই প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে ১৯৯৯ চনত জন্ম দিয়া 'গ্ৰাম্য বিকাশ মঞ্চ' এটি বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা। জন্মলগ্নৰেপৰা গ্ৰাম্য বিকাশ মঞ্চই সমাজৰ বঞ্চিতসকল বিশেষকৈ মহিলাসকলক আৰ্থ-সামাজিক সৱলীকৰণৰ জৰিয়তে সমাজ পৰিবৰ্তনৰ দায়িত্ব ল'ব পৰাকৈ উপযুক্ত কৰা আৰু তাৰ জৰিয়তে এনে এখন সমাজ সৃষ্টি কৰা য'ত তেওঁলোকে মৰ্যাদাসহ জীয়াই থাকিব পাৰে।

জন্মদাতা মাতৃয়ে সন্তানৰপৰা  পোৱা বিভিন্ন কৰ্মব্যস্ততা বা জীৱনৰ কষ্টদায়কতাক আনন্দেৰে গ্ৰহণ কৰি যেনেকৈ সন্তানৰ ভৱিষ্যৎ উন্নতিৰ চেষ্টা আৰু চিন্তা কৰে, ঠিক তেনেদৰে সেইকেইজন যুৱকে বিভিন্ন পক্ষৰপৰা অহা সকলো প্ৰত্যাহ্বানক নেওচি 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ উন্নতিৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তাৰ ফলশ্ৰুতিতেই নিশ্চয় 'গ্ৰাম্য বিকাশ মঞ্চ' আজিৰ এই পৰ্যায়ত উপনিত হ'ব পাৰিছে। তাৰ বাবে আমি আটায়ে গৌৰৱান্বিত। এজন চিকিৎসক হিচাপে মোৰ দৃষ্টিত গ্ৰাম্য বিকাশ মঞ্চই আৰম্ভণিতে ৰাইজৰ উপকাৰৰ বাবে কৰি অহা কেইটামান স্বাস্থ্য সম্পৰ্কীয় উল্লেখনীয় কাম প্ৰকাশ কৰিব লৈছো। সেইবোৰ হ'ল— (ক) নলবাৰী জিলাৰ ভিতৰুৱা গাঁৱত গৈ শিশুসকলৰ বিভিন্ন মাৰাত্মক ৰোগৰ প্ৰতিষেধকৰ ব্যৱস্থা কৰা/আগবঢ়োৱা, (খ) সমাজত ৰক্তদানৰ সজাগতা অনা, ৰক্তদান শিৱিৰৰ আয়োজন কৰি নিজে ৰক্তদান কৰা, (গ) সমাজৰপৰা যক্ষ্মাৰোগৰ নিৰ্মূলৰ বাবে সজাগতা সভা পতা/অনুষ্ঠিত কৰা আৰু ডট্‌ছ পদ্ধতিৰ যক্ষ্মাৰোগ নিৰাময়ৰ ব্যৱস্থা কৰা, (ঘ) মাৰাত্মক এইড্‌ছ ৰোগ প্ৰতিৰোধৰ বাবে সমাজত সজাগতা অনাৰ ব্যৱস্থা কৰাৰ লগতে ভাঙনমাৰীহেন চৰ অঞ্চলতো গৈ সজাগতা অনা আৰু বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা ইত্যাদি।

গ্ৰাম্য বিকাশ মঞ্চই জন্মলগ্নৰেপৰাই বিভিন্ন ক্ষেত্ৰতে সমাজৰ উন্নতিৰ হকে তেনেকুৱা কাম কৰি আহিছে। তথাপিওঁ যেন তেওঁলোকৰ সপোন বাস্তৱিত কৰিবলৈ এতিয়াওঁ বহুদূৰ, অহৰনিশে চেষ্টা চলাই আছে অতন্ত্ৰ প্ৰহৰীৰ দৰে। আমি আটায়েই জানো যে আমি একগোট হৈ থাকিলে শক্তি বাঢ়ে আৰু সমাজৰ ভালৰ কাৰণে ঐক্যবদ্ধ হৈ কাম কৰাত সুবিধা হয়, যিটো খুবেই প্ৰয়োজন।

'আহক, আমি আকৌ এবাৰ ভুমুকি মাৰো 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ অতীত-বৰ্তমানত। আশা কৰোঁ এক সোণালী ভৱিষ্যতক যি আমাৰ সমাজক, পৃথিৱীক যোগাব নিষ্ঠা, প্ৰত্যয় আৰু মানৱতাৰ বিশ্বাসক।'

(লেখক গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি তথা এগৰাকী বিশিষ্ট চিকিৎসক)



গ্ৰাম্য বিকাশ মঞ্চৰ ভিন্ন কৰ্ম আঁচনি, পৰিকল্পিত সিদ্ধান্ত, জাগ্ৰত মন্ত্ৰৰ ধ্বনিয়ে গাঁওসমূহত এক নব্য আন্দোলনৰ সূচনা কৰা দেখা যায়। বিশেষকৈ প্ৰতিবাদবিমুখ আৰু পাকঘৰৰ মাজত আবদ্ধ থাকি সন্তান জন্ম দিয়াটোৱে মুখ্য কাৰ্য বুলি জ্ঞান কৰা মহিলাসকলক সবলীকৰণ কৰা, মৰ্যাদাসহকাৰে সমাজত বসবাস কৰা, অন্যায়ৰ বিৰুদ্ধে ঘৰে বাহিৰে মাত মতা, অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই প্ৰভূত বৰঙণি যোগোৱা বুলি ন দি ক'ব পাৰি।

# আন্তৰিকতাৰে একলম

✍ যোগেন্দ্ৰ কলিতা

১৯৯৯ চনত এক শুভক্ষণত জন্ম লাভ কৰা 'গ্ৰাম্য বিকাশ মঞ্চ' নামৰ বে-চৰকাৰী অনুষ্ঠানটোৱে এতিয়া কিশোৰত্ব লাভ কৰিছে। এক মহান দৃষ্টিভংগী আগত লৈ গঠন হোৱা এই বে-চৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ মূল লক্ষ্য হ'ল গাঁও অঞ্চলত এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু শোষণমুক্ত সমাজ গঢ় দিয়া। 'চেষ্টাৰ অসাধ্য একো নাই' —আপ্ত বাক্যশাৰীৰ সত্যতা প্ৰতিপন্ন কৰাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চ যে সফল হৈছে আমি বিনাদ্বিধাই স্বীকাৰ কৰিবই লাগিব। কাৰণ সাধাৰণ মানুহৰ দৃষ্টিত সাধ্যাতীত বুলি ভৱা লক্ষ্য ভেদ কৰাৰ ক্ষেত্ৰত উক্ত অনুষ্ঠানটোৱে সফলতাৰ দিশত ঘোঁৰা দৌৰ আৰম্ভ কৰিছে। গ্ৰাম্য বিকাশ মঞ্চই নিৰ্বাচন কৰি তেওঁলোকৰ কৰ্মক্ষেত্ৰত অন্তৰ্ভুক্ত কৰা গাঁওসমূহ ভিন্ন ক্ষেত্ৰত অনুন্নত। এখন সুস্থ সমাজত থাকিব লগীয়া সচেতনতা, প্ৰাপ্য অধিকাৰ দাবী কৰাৰ সবল মানসিকতা, অৰ্থনৈতিক অৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত ল'বলগীয়া যথোচিত ব্যৱস্থা এই গাঁওসমূহত দেখিবলৈ পোৱা নাযায়। এই পিছপৰা গাঁওসমূহত গ্ৰাম্য বিকাশ

মঞ্চৰ কৰ্ম আঁচনিৰ সফল প্ৰয়োগৰ ক্ষেত্ৰত উন্নতি হোৱা পৰিলক্ষিত হৈছে। এখন সমাজত এজন মানুহে মৰ্যাদা সহকাৰে বসবাস কৰাৰ বাবে প্ৰয়োজনীয় জ্ঞানৰ বিকাশ ঘটোৱা, আনৰ দ্বাৰা বঞ্চিত, লাঞ্ছিত ব্যক্তিক সজাগ আৰু সচেতন কৰাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চৰ ভিন্ন কৰ্ম আঁচনি, পৰিকল্পিত সিদ্ধান্ত, জাগ্ৰত মন্ত্ৰৰ ধ্বনিয়ে গাঁওসমূহত এক নব্য আন্দোলনৰ সূচনা কৰা দেখা যায়। বিশেষকৈ প্ৰতিবাদবিমুখ আৰু পাকঘৰৰ মাজত আবদ্ধ থাকি সন্তান জন্ম দিয়াটোৱে মুখ্য কাৰ্য বুলি জ্ঞান কৰা মহিলাসকলক সবলীকৰণ কৰা, মৰ্যাদাসহকাৰে সমাজত বসবাস কৰা, অন্যায়ৰ বিৰুদ্ধে ঘৰে বাহিৰে মাত মতা, অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই প্ৰভূত বৰঙণি যোগোৱা বুলি ন দি ক'ব পাৰি।

গ্ৰাম্য বিকাশ মঞ্চৰ বিভিন্ন কৰ্ম আঁচনি ৰূপায়ণ, কৰ্মক্ষেত্ৰ নিৰ্বাচন, বিভিন্নধৰণৰ সাহায্য সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত অজ্ঞাতে হোৱা ভুল-ক্ৰটিৰ বাবে মাজে মাজে দুই এক ব্যক্তি সমালোচনাত মুখৰ হোৱা দেখা যায় যদিও শতাংশৰ হাৰত সি তেনেই নগণ্য। হয়তো বেয়াৰ বিপৰীতে ভাল কাৰ্যৰ পৰিমাণ বেছি হোৱা হেতুকে সেইসকল সমালোচকৰ কথাৰ প্ৰতি সৰ্বসাধৰণ ৰাইজে সঁহাৰি দিয়া দেখা নাযায়। কাৰণ আজিৰ সমাজত এনে এচাম মানুহ আছে; যি স্বাৰ্থত সামন্যতম আঘাত লাগিলে নিজ স্বাৰ্থ বজাই ৰখাৰ বাবে যিকোনো কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। তদুপৰি আন এচামে নিজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক লাভালাভৰ বাবে দলিত, নিপীড়তজনৰ সংস্কাৰ হোৱাতো নিবিচাৰে। সেইসকল ব্যক্তিৰ আনৰ ভাল কামৰ ক্ষেত্ৰত প্ৰশংসা কৰাত নৈতিক সাহসৰ অভাৱ দেখা যায়। কাৰণ গ্ৰাম্য বিকাশ মঞ্চৰ শোষণমুক্ত সমাজ গঢ়াৰ যি দৃঢ় প্ৰতিশ্ৰুতি; সেই প্ৰতিশ্ৰুতি যদি এশ শতাংশই বাস্তৱায়িত হয় তেনেহ'লে তেনে এচাম ধুৰন্ধৰ ব্যক্তিৰ সান্দহ খোৱা বালিৰ তল যোৱাৰ সম্ভাৱনা আছে। আনহাতে, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ সাংঘাতিকধৰণৰ উত্থানৰ ফলত বহুজাতিক কোম্পানীসমূহৰ দ্বাৰা প্ৰস্তুত কৰা ৰংচঙীয়া নৃত্য ব্যৱহাৰ্য সামগ্ৰীৰ বজাৰখনে থলুৱা শিল্পকৰ্মৰ প্ৰতি এক ভাবুকি কঢ়িয়াই আনিছে। তাৰ ফলত বাপতি সাহোন স্বৰূপ নিজৰ শিল্পকৰ্মই উপযুক্ত বজাৰ নোপোৱাৰ বাবে সেইসকল শিল্পীৰ যি আৰ্থিক দৈন্যতা তাৰ পৰা উদ্ধাৰৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই যি কাৰ্যসূচী নিৰ্ধাৰণ কৰি থলুৱা শিল্পীসকলৰ দ্বাৰা প্ৰস্তুত কৰা শিল্পকৰ্মৰ বজাৰ সৃষ্টি কৰি নিজৰ স্বকীয়তা বজাই ৰখাৰ লগতে শিল্পীসকলৰ মুখত হাঁহি বিৰিঙাব পৰা যি পদক্ষেপ গ্ৰহণ কৰিছে; সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। এটা সংস্কৃতিসম্পন্ন জাতিৰ নিজস্বতা বজাই ৰাখিবলৈ হ'লে কেৱল কলা-ভাষা-সাহিত্যই তাৰ মৰ্যাদা প্ৰদান কৰিব নোৱাৰে। তাৰ লগত লাগিব নিজস্ব খোৱা-বোৱা, পিন্ধা সাজ-পোছাক, নিজৰ কৰ্ম সংস্কৃতি আৰু পৰাম্পৰাগত ভাৱে ব্যৱহাৰ কৰি অহা সামগ্ৰী সমূহৰ ৰক্ষণা বেক্ষণ। এই খিনিতে গ্ৰাম্য বিকাশ মঞ্চই একচন্ এইডৰ সহযোগিতাত ৰূপায়ণ কৰা সম্ভাব্য দুৰ্যোগ প্ৰতিৰোধক সজাগতা, দুৰ্যোগৰ সৈতে মোকাবিলা কৰা কৌশলৰ প্ৰশিক্ষণৰ ব্যৱস্থাই আমাৰ সমাজখনক লাভান্বিত কৰা বুলি ক'ব লাগিব। কাৰণ প্ৰকৃতিৰ ওপৰত মানৱ জাতিৰ অত্যাচাৰৰ ফলত মানৱ সমাজ যিকোনো মুহূৰ্ততে ভিন্ন দুৰ্যোগৰ মুখামুখি হ'বলগাত পৰিব। গ্ৰাম্য বিকাশ মঞ্চই এই সন্দৰ্ভত কিছু পৰিমাণে সকাহ দিব বুলি ধাৰণা জন্মে। ঠিক তেনেদৰে শিক্ষাৰ ক্ষেত্ৰত পিছপৰা গাঁও, অভিভাৱকৰ দায়িত্বজ্ঞানহীনতাৰ বাবে শিক্ষাৰপৰা অন্ধকাৰত থকা ল'ৰা-ছোৱালীক আনি শিক্ষাৰ পোহৰ বিলোৱাৰ বাবে লোৱা বিভিন্ন পদক্ষেপ আৰু গাঁওসমূহত ল'ৰা-ছোৱালীক খেলা-ধূলাৰ প্ৰতি আকৃষ্ট কৰাৰ বাবে খেলৰ সামগ্ৰী যোগান ধৰাৰ লগতে 'ওমলা ঘৰ' নিৰ্মাণ কৰাৰ যি পদক্ষেপ; সেয়া সঁচাকৈয়ে আমাৰ সমাজত অভূতপূৰ্ব। সেই হেতুকে গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মকৰ্তাক আহ্বান জনাওঁ যে সৰ্বশিক্ষাৰ আঁচনিয়ে সৰ্বনাশ মাতি অনা শিক্ষা ব্যৱস্থাৰ বিপৰীতে এক প্ৰকৃত শিক্ষা গ্ৰহণৰ বাতাবৰণ সৃষ্টি কৰাত যেন এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। সংস্থাটোৱে সাহিত্য, সংস্কৃতি, খেলা-ধূলা আদি বিভিন্ন বিষয়ৰ যি প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে; সেই প্ৰতিযোগিতাই ল'ৰা-ছোৱালীৰ মনত প্ৰতিযোগী মনোভাব গঢ়ি তুলি ভৱিষ্যৎ জীৱনৰ সফলতাৰ দিশত এক যোগাত্মক সঁহাৰি যোগাব। আমি আশা ৰাখিম গ্ৰাম্য বিকাশ মঞ্চই আমাৰ গাঁও অঞ্চলত কৰ্মবিমুখ ডেকাশক্তিক কৰ্মমুখী কৰাৰ, সৰ্বস্তৰৰ কৃষকক কৃষি ক্ষেত্ৰত উদ্‌গনি যোগোৱা, কৃষি খণ্ডৰ প্ৰতিবন্ধকসমূহ আঁতৰ কৰা, মধ্যভোগীক নিঃশেষ কৰা, অনাথ-অৱহেলিতজনক জীয়াই থকাৰ সম্বল যোগান ধৰা, আনৰ দ্বাৰা নিপীড়িত, নিষ্পেষিত-শোষিত ব্যক্তিক শোষণকাৰীৰ হাতৰপৰা উদ্ধাৰ কৰা আদি ক্ষেত্ৰত এক ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব।

গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ইতিমধ্যে সম্পাদিত বিভিন্ন আঁচনিৰ কৃতকাৰ্যতাৰ কথা কৈ শেষ কৰিব নোৱাৰি। কোনো মানুহ সম্পূৰ্ণ নোহোৱাৰ দৰে গ্ৰাম্য বিকাশ মঞ্চৰ সকলো আঁচনিয়ে যে এশ শতাংশ সফলতা লাভ কৰিছে সেইটো ক'ব নোৱাৰি। কাৰণ দুই এটা আঁচনি সঠিক পৰিকল্পনাৰ অভাৱ আৰু সংগঠনৰ শুভাকাংক্ষী ব্যক্তি বুলি ভৱা মানুহৰ ভুল পৰামৰ্শৰদ্বাৰা প্ৰভাৱান্বিত হৈ কোনো কোনো কাৰ্যসূচী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত উজুতি খোৱা দৃষ্টিগোচৰ হৈছে। তেনেধৰণৰ ভুল যাতে ভৱিষ্যতে হ'ব নোৱাৰে; তাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মকৰ্তা আৰু স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকললৈ আহ্বান ৰাখিলো। সৰ্বশেষত পাঁচশৰো অধিক স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাৰে বে-চৰকাৰী এই বৃহৎ সংগঠনটোৱে তেওঁলোকৰ কৰ্ম ক্ষেত্ৰত দুগুণ উৎসাহেৰে অৱতীৰ্ণ হৈ আগন্তুক দিনত আৰু অধিক সফলতা লাভ কৰি আমাক এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ উপহাৰ দি এই অঞ্চলৰ সীমাৰ পৰিধি ভাঙি বিশ্বৰ বুকুত উজলি উঠিব বুলি আশা কৰিলো।

(লেখক বনভাগ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা গ্ৰাম্য বিকাশ মঞ্চৰ এগৰাকী শুভাকাংক্ষী)

প্ৰসংগ ঃ শিশু নিৰ্যাতন

# শিশু শ্ৰমিক আৰু নিৰ্যাতিত শৈশৱ

✍ ক্ষিতীশ কুমাৰ কাকতি



কৰ্মব্যস্ত মহানগৰী সাৰপোৱাৰ বহু আগতে বিছনা ত্যাগ কৰিবলগীয়া হয় ষ্টেচনত পৰি থকা শিশু, চাহৰ দোকানত থকা শিশু, আনৰ ঘৰত বন কৰি থকা শিশু। খালী পেটে পাহাৰসম কৰ্মৰ বোজা লৈ আৰম্ভ হয় সিহঁতৰ দৈনন্দিন জীৱন।

আনহাতে, উচ্চ অট্টালিকাত থকা শিশুসকলক শুই উঠি মুখ ধোৱাৰ লগে লগে সন্মুখত যোগান ধৰা হয় গৰম এগিলাচ গাখীৰ, হৰলিক্স বা ফলৰ ৰস। সমাজত এই চিত্ৰ চিৰদিনৰ।

মাক-দেউতাকে জানি শুনি শিশুক শ্ৰমিক হ'বলৈ দিছে, পৰৰ ঘৰত ৰাখিছে। কিয় ৰাখিছে? দেউতাক হয়তো বেমাৰী; দূৰাৰোগ্য ব্যাধিত ভুগিছে। মাকজনীয়ে হয়তো চিকিৎসা কৰোৱাটো দূৰৈৰ কথা; খাবলৈ এমুঠিকে যোগাৰ কৰিব নোৱাৰে। শিশুটি পৰৰ ঘৰত শিশু শ্ৰমিক (Child Labour) হিচাপে থ'বলৈ বাধ্য হৈছে। বৰ্তমান সমাজত এচাম শিশুৱে অধিকাৰ পাইছে, এচামে পোৱা নাই। শিশু শ্ৰমিক এক সামাজিক সমস্যা।

এই কথা সৰ্বজনবিদিত।

সমাজত অপুষ্টিজনিত কাৰণত শিশুৰ মৃত্যুৰ হাৰ বাঢ়িছে। বিভিন্ন ৰোগৰ সংক্ৰমণে বহু শিশুৰ জীৱন ধ্বংস কৰিছে। আনকি বিকলাংগ হৈ সমাজত জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। ইহঁতে নাপায় প্ৰয়োজনীয় খাদ্য তথা পৰিৱেশগত স্বাচ্ছন্দ্য। যেনে— খেলা-ধূলা, শিক্ষা, পোছাক-পৰিচ্ছদ। অত্যন্ত অপৰিচ্ছন্ন স্বাস্থ্যবিধিৰ মাজেৰে সিহঁত ডাঙৰ-দীঘল হৈছে।

শিশু অপুষ্টিৰ বৰ্তমান আৰু ভৱিষ্যতৰ ভয়াৱহ চিত্ৰ দাঙি ধৰিছে ইউনিচেফে। সংস্থাটোৱে ভয়াৱহ সত্যটো প্ৰকাশ কৰিছে যদিও সেইটো আপাতদৃষ্টিত বহু শিশু অপুষ্টিজনিত ৰোগৰ চিকাৰ বুলি মনে নধৰে। ভাৰতবৰ্ষৰ নিচিনা এখন দেশত অপুষ্টিজনিত কাৰণত শিশুৰ মৃত্যুৰ হাৰ যেনেদৰে বাঢ়িছে, তেনেদৰে শিশু তথা কিশোৰ-কিশোৰীক বিনা দোষত বা সামান্য দোষ-ত্ৰুটিৰ বাবে অপৰাধী হিচাপে চিহ্নিত কৰি দাগী আচামী সজোৱাও হৈছে আৰু সিহঁতক অপৰিচ্ছন্ন পৰিৱেশত ৰখাৰ উপৰি অখাদ্য খুওৱা হৈছে। বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ মতে দূষিত পানী আৰু অপৰিচ্ছন্ন পৰিৱেশ শতকৰা ৮০ ভাগ ৰোগৰ বাবে দায়ী।

দেখা যায় যে দৰিদ্ৰ, অপুষ্টি, শিক্ষা গ্ৰহণৰ সুযোগৰ অভাৱ তথা বিভিন্ন আইনৰ বিভিন্ন ধাৰাই শিশুসকলৰ সমস্যা সম্পৰ্কে নিৰ্বিকাৰ মনোভাব শিশুক দেশৰ দহৰ এজন সুযোগ্য নাগৰিক গঢ়াত তথা সিহঁতৰ সুস্থ জীৱন যাপনৰ পথত বাধাৰ সৃষ্টি কৰিছে।



আইন মতে ১৪ বছৰ বয়সৰ তলৰ শিশুৱে শ্ৰম কৰাটো বে-আইনী বুলি উল্লেখ আছে। ভাৰতবৰ্যত এনে বহু শিশু আছে যিয়ে ৬ বছৰ বয়সৰ পৰা (Child Labour) শিশু শ্ৰমিক হিচাপে সিহঁতৰ জীৱন আৰম্ভ কৰি দিয়ে বিভিন্ন ডাঙৰ ডাঙৰ চহৰে নগৰে। স্কুলৰ শিক্ষা, পিতা-মাতাৰ স্নেহ, চিন্তাবিহীন আমোদ মুখৰ শৈশৱক উপেক্ষা কৰি বয়সীয়ালৰ সমান কঠোৰ পৰিশ্ৰমত লিপ্ত হৈ পৰে সিহঁত। জীৱনটো সিহঁতৰ কাৰণে অভিশাপ হিচাপে চিনাক্ত হয়।

২০০১ চনৰ ভাৰতীয় গাণনিক প্ৰতিষ্ঠানে চলোৱা সমীক্ষা অনুসৰি সৰ্বমুঠ জনসংখ্যাৰ ভিতৰত ৬ৰ পৰা ১৪ বছৰ বয়সৰ মুঠ ল'ৰা-ছোৱালীৰ ১৭ মিলিয়ন শিশুৱে শিশু শ্ৰমিক হিচাপে বিভিন্ন ঠাইত বিভিন্ন কামত নিয়োগ হৈ আছে। অতি গুৰুত্বপূৰ্ণ বিষয় এই যে ১৭ মিলিয়ন শিশুৰ ০.১২ মিলিয়ন শিশু বিপদসংকুল কামত জড়িত হৈ আছে।

ভাৰতবৰ্যত ৪০ কোটিতকৈ অধিক শিশু আছে। বৰ্তমান অধিকসংখ্যক শিশু অমানৱীয় আৰু অসুৰক্ষিত অৱস্থাত জীয়াই আছে। বিশেষকৈ ছোৱালী শিশুসকল উৎপীড়ন আৰু শোষণৰ বলি হৈ আছে। বিভিন্ন দোকান, হোটেল, ৰেস্তোৰাঁ আদিত শিশুৱে শ্ৰম কৰিবলগীয়া হয় ৮-১২ ঘণ্টা। তাৰ বিনিময়ত মাহিলী পায় মাত্ৰ পাঁচ বা ছশ টকা। সাধাৰণ দোষতে শিশু একোগৰাকীয়ে যি হাৰত শাৰীৰিক নিৰ্যাতন ভোগ কৰিবলগীয়া হয় সি অত্যন্ত দুখজনক।

প্ৰখ্যাত শিশু বিশেষজ্ঞ আবদেশ বোৰহিবাই শিশু নিৰ্যাতনৰ এক চমকপ্ৰদ (ৰিপ'ৰ্ট) প্ৰতিবেদন সংগ্ৰহ কৰিছিল। এজনী ১০ বছৰীয়া ছোৱালীক এজন ডাক্তৰ আৰু তেওঁৰ পত্নীয়ে পাঁচদিন এটা অন্ধকাৰ কোঠাত তলা বন্ধ কৰি ৰাখিছিল। শিশুটিক খোৱাৰ বাবে এটুপী পানীও দিয়া হোৱা নাছিল। তাইৰ দোষ আছিল এগিলাচ গৰম পানী তাইৰ হাতৰপৰা পৰি গৈছিল আৰু সেই পানীয়ে ডাক্তৰৰ

**শিশুক মালিকে যি হাৰত শাৰীৰিক নিৰ্যাতন দিয়ে তাক বন্ধ কৰিবলৈ আইনৰ সাহায্য পোৱা নাযায়। দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ বাবেই আইনী সাহায্যৰপৰাও বঞ্চিত হয়। ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশত আন্তৰ্জাতিক শিশু বৰ্ষৰ পিছতো শিশুৰ ওপৰত অবাধে সামাজিক অবিচাৰ চলি আহিছে। শোষণৰ বলী হোৱা শিশুখিনিয়ে যাতে শোষণৰপৰা নিৰাপদ সুৰক্ষা লাভ কৰিব পাৰে আৰু মৰ্যাদা সহকাৰে জীয়াই থাকিব পাৰে; তাৰ বাবে সমাজৰ সচেতন ব্যক্তিসকলে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।**

শিশুটিৰ হাতত পৰি পুৰিছিল।

শিশুক মালিকে যি হাৰত শাৰীৰিক নিৰ্যাতন দিয়ে তাক বন্ধ কৰিবলৈ আচলতে আইনৰ সাহায্য পৰ্যাপ্ত নহয়। দৰিদ্ৰ পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ বাবেই আইনী সাহায্যৰপৰাও বঞ্চিত হয়। ভাৰতবৰ্ষৰ নিচিনা উন্নয়নশীল দেশত আন্তৰ্জাতিক শিশু বৰ্ষৰ পিছতো শিশুৰ ওপৰত অবাধে সামাজিক অবিচাৰ চলি আহিছে। শোষণৰ বলী হোৱা শিশুখিনিয়ে যাতে শোষণৰপৰা নিৰাপদ সুৰক্ষা লাভ কৰিব পাৰে আৰু মৰ্যাদা সহকাৰে জীয়াই থাকিব পাৰে; তাৰ বাবে সমাজৰ সচেতন ব্যক্তিসকলে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ১৯৫৯ চনত Children Act. গৃহীত কৰা সত্ত্বেও দেখা যায় বহু শিশু এই আইনৰ সুযোগৰপৰা বঞ্চিত হৈছে। অৱশ্যে The Indian Children Act. 1960 অনুযায়ী জুভেনাইল কোৰ্টে শিশু আচামীৰ বিচাৰৰ ব্যৱস্থা কৰিছে। ১৮ বছৰ তলৰ শিশুৱে নাজানি ভুল কৰা বুলি ধৰা হয়। ১৮ বছৰ তলৰ শিশুখিনিক শিশু গৃহত ৰখা হয়।



শিশুসকলক দেশৰ আদৰ্শৱান নাগৰিক হিচাপে গঢ় দিবলৈ হ'লে বক্তৃতাৰ মঞ্চ বা কেৱল পৰিকল্পনা কৰি থাকিলেই নহ'ব; জাতীয় বিকাশৰ পৰিকল্পনা ইমান সুদৃঢ় হোৱা উচিত যাতে শিশুৰ প্ৰয়োজনীয় সুৰক্ষা নিশ্চিত হয়।

ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে শিশুক চাৰিটা অধিকাৰ (জীয়াই থকাৰ অধিকাৰ, বিকাশৰ অধিকাৰ, সুৰক্ষাৰ অধিকাৰ, অংশগ্ৰহণৰ অধিকাৰ)ৰ বিষয়ে বিভিন্ন মঞ্চৰ জৰিয়তে দোহাৰিছে। তথাপি শিশুৰ অধিকাৰসমূহ সম্পূৰ্ণৰূপে প্ৰদান কৰাত আজিৰ আধুনিক সমাজখন ব্যৰ্থ হৈছে। তদুপৰি শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে নানাধৰণৰ আইন প্ৰণয়ন কৰা হৈছে যদিও সুফল পোৱা দেখা নাযায়।

কৰ্মসূচী গ্ৰহণ কৰা আৰু কৰ্মসূচী যথাযথৰূপে সম্পাদন কৰা দুটা সম্পূৰ্ণৰূপে ভিন্ন কথা। কৰ্মসূচী গ্ৰহণ কৰি তাক সম্পাদন কৰিব পৰা ব্যক্তি আমাৰ দেশত থাকিলেও কৰ্মক্ষেত্ৰত টকা-পইচা আত্মসাৎ কৰা ব্যক্তিহে অধিক দেখা যায়। আচলতে মানুহৰ যেতিয়ালৈকে মানসিকতাৰ পৰিৱৰ্তন নহয়; তেতিয়ালৈকে কোনো দিশতে সুফল পোৱাৰ আশা কৰিব পৰা নাযায়। অতি সুখৰ কথা যে শিশুৰ ক্ষেত্ৰত এক মহান উদ্দেশ্য সন্মুখত ৰাখি ২০১১ ইং চনৰ জুলাই মাহৰপৰা গ্ৰাম্য বিকাশ মঞ্চই ছাৰ ডোৰাব্জী টাটা ট্ৰাষ্টৰ অৰ্থ সাহায্যত 'অসমত কিশোৰ-কিশোৰীৰ শিক্ষা' প্ৰকল্পৰ অধীনত এটা ৫ মহীয়া জ্ঞান সংযোগ শিবিৰৰ জৰিয়তে নলবাৰী জিলাৰ অন্তৰ্গত প্ৰায় ১৮ খন গাঁৱৰ শিক্ষাৰ পৰা বঞ্চিত ৪২ জন শিশুক পুনৰ বিদ্যালয়মুখী কৰাৰ ব্যৱস্থা কৰা হৈছে। তেওঁলোকৰ বেছিভাগ আছিল শিশু শ্ৰমিক (আনৰ ঘৰত কাম কৰা শিশু, চাহ দোকানত কাম কৰা শিশু আদি)। জ্ঞান সংযোগ শিবিৰৰ লক্ষ্য আছিল শিশুসকলক সমাজ সম্পৰ্কে সচেতন কৰা; যাতে তেওঁলোকে সমাজত নেতৃত্ব দিব পাৰে। কাৰ্য সম্পাদনৰ সক্ৰিয় আৱেগ যাতে শিশুসকলৰ ভিতৰত গঢ়ি উঠে নৈতিক শৃংখলা বজাই ৰাখি যাতে এক ইতিবাচক মানসিকতা গঢ়ি তুলিব পৰা যায়। জ্ঞান সংযোগ শিবিৰত পাঠ্যপুথিৰ শিক্ষাৰ উপৰি সামাজিক তথা মূল্যবোধৰ শিক্ষা প্ৰদান কৰা হৈছিল। শতকৰা ৯০ গৰাকী শিশু ইতিমধ্যে বিদ্যালয়মুখী হৈছে। তথাপি গ্ৰাম্য বিকাশ মঞ্চৰ ফালৰপৰা তেওঁলোকক চোৱা-চিতা (Follow-up) কৰি থকা হৈছে।

নলবাৰী জিলাৰ অন্তৰ্গত ৩০ খন গাঁৱৰপৰা ২০১৩ চনত উক্ত প্ৰকল্পটোৰ জৰিয়তে ২৭ গৰাকী শিক্ষাৰ পৰা বঞ্চিত কিশোৰীক ৫ মহীয়া আৱাসিক জ্ঞান সংযোগ শিবিৰৰ জৰিয়তে পুনৰ বিদ্যালয়মুখী কৰা হৈছে। উক্ত আৱাসিক শিক্ষা কেন্দ্ৰত ITEৰ জৰিয়তে সহজে বোধগম্য হোৱা পদ্ধতিৰে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। আৱাসিক শিক্ষা শেষ হোৱাৰ পিছতে তেওঁলোকক নিজৰ গাঁৱত গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা প্ৰতিষ্ঠিত শিক্ষণ কেন্দ্ৰৰ জৰিয়তে শিশুৰ প্ৰয়োজনীয়তাৰ ভিত্তিত বিজ্ঞানকেন্দ্ৰ, পুথিভঁৰাল, হস্তশিল্প বিষয়ৰ ওপৰত শিক্ষা প্ৰদান কৰা হৈছে। এনেদৰে শিশুক বিদ্যালয়মুখী কৰিব পাৰিলে (Child Labour) শিশু শ্ৰমিক যে হ্ৰাস পাব এইটো নিশ্চিত।

শিশুক বিদ্যালয়মুখী কৰাৰ ক্ষেত্ৰত আৰু শিশুৰ অধিকাৰসমূহ বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত সমাজৰ প্ৰতিটো পৰিয়াল, প্ৰতিজন সচেতন ব্যক্তি দায়বদ্ধ হ'ব লাগিব; কিয়নো শিশুৰ ওপৰতেই নিৰ্ভৰ কৰে দেশ এখনৰ ভৱিষ্যৎ।

(লেখক এগৰাকী স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)

# বাগৰুম্বা

✍ দিবাকৰ ডেকা

"The image of our village was very bad as we used to sell liquor and no good people used to come here. Men from nearby Ghograpar. Barbhag and Kamarkuchi used to visit us for hooch and the drunkards often created an nuisance. The womwn of the village could not attend to their children and many did not go to school. But support provided by the GVM changed things for us forever"

Padma baro, a village girl who took the initiative to switch over to the new project. Padma encourages nearly 30 other women to give up selling hooch and set up the Bagrumba Weaving Society in 2009. The women started weaving Gamocha. Mekhelas, Dokhonas and other Traditional fabrics items with the infrastructure and training provided by the GVM and funds provided by NEDFI. Now we are happy to see that the image has changed.

**The Telegraph**
**Date : 26th may, 2011.**

ভাৰতবৰ্ষৰ এখন আগশাৰীৰ বাতৰি কাকত The Telegraphত যোৱা ২৬ মে' ২০১৩ ইং তাৰিখে প্ৰকাশিত হৈছিল নলবাৰী জিলাৰ চত্ৰা নামৰ গাঁওখনৰ এখন সঁচা ছবি। পদ্মা, আইকন বড়োইঁতৰ প্ৰচেষ্টাত গঢ়





এক প্ৰত্যাহ্বানৰ মাজেৰে আৰু একান্ত নিষ্ঠাৰে তেওঁলোকৰ মুখত হাঁহি বিৰিঙাবলৈ হাতত তুলি লোৱা হ'ল এক প্ৰচেষ্টা। গাঁওখনত প্ৰায় ৩০ গৰাকী দুখীয়া বড়ো মহিলাক সংগঠিত কৰি জন্ম দিয়া হ'ল 'বাগৰুম্বা উইভিং ছ'চাইটী'। ছ'চাইটীয়ে প্ৰথমে দুখন হাত শালেৰে আৰম্ভ কৰিছিল তেওঁলোকৰ বোৱা-কটাৰ কাম। চুলাই মদৰ বেহা এৰি পদ্মাৰ নেতৃত্বত আৰম্ভ হ'ল এক পৰিৱৰ্ত্তনৰ ধাৰা।

লৈ উঠিছে 'বাগৰুম্বা উইভিং ছ'চাইটী'। গাঁওখনত আজিও মাকোৰ শব্দই ৰজনজনাই আছে। সঁচাকৈ গাঁওখনৰ ছবিখন কিছুপৰিমাণে পৰিৱৰ্ত্তন হ'ল। গাঁওখনৰ কেবাগৰাকীও দুখীয়া মহিলা স্বাৱলম্বনৰ দিশে আগবাঢ়িল। এক বাস্তৱ প্ৰতিফলন ঘটিল চত্ৰা গাঁৱত।

সেইদিনা আছিল ২০০৮ চনৰ ১২ এপ্ৰিল। আন দিনাৰ নিচিনাকৈ সেইদিনাও ওলাই গৈছিলো সেই গাঁওখনলৈ। গাঁওখন মোৰ অনুষ্ঠানৰপৰা ৭ কি. মি. দূৰৈত। সামাজিক তথা অৰ্থনৈতিকভাৱে পিচপৰা এখন অনগ্ৰসৰ গাঁও। গাঁওখনত পদ্মা বড়ো নামৰ এগৰাকী মহিলাক লগ পাইছিলো। পদ্মাৰ লগত ইতিমধ্যে গাঁওখন সম্পৰ্কে বহু কথা পাতিছিলো। এই গাঁওখনৰ প্ৰতিঘৰ মানুহৰ দুৰৱস্থাৰ কথা বৰ্ণনা কৰিছিল। গাঁওখনত কেবাগৰাকীও অবিবাহিত মহিলা আছে; যাৰ অৱস্থা অতি শোচনীয়। চুলাই মদ বিক্ৰী কৰি বহু মহিলাই পেট প্ৰৱৰ্ত্তাই আছে। পদ্মাই মোক কথাৰ প্ৰসংগত কৈছিল— দাদা, আজিকালি চুলাই মদ বিক্ৰী কৰি খাবলৈ বৰ লাজ লাগে। আনহাতে চুলাই মদে আমাৰ গাঁওখনৰ পৰিৱেশ নষ্ট কৰি পেলাইছে। গধুলি আমাৰ গাঁওখনত ভাল মানুহৰ প্ৰৱেশ নঘটে। গতিকে এই দুখীয়া মহিলাসকলক চুলাই মদ বিক্ৰী কৰাৰ পৰিৱৰ্ত্তে অন্য কিবা উপাৰ্জনৰ পথ দিব নোৱাৰিনে? পদ্মাই চিনাকি কৰি দিছিল বহু কেইগৰাকী বড়ো মহিলাক। মই প্ৰতিগৰাকী মহিলাৰ লগত কথা পাতিছিলো আৰু মনৰ কথা বুজিছিলো। তেওঁলোকৰ অন্তৰৰ দুখ আৰু আৰ্থিক দুৰৱস্থাৰ ছবিখনে মোক অস্থিৰ কৰি তুলিছিল আৰু মোক বাধ্য কৰি তুলিছিল যে মই তেওঁলোকৰ কাৰণে কিবা এটা পদক্ষেপ হাতত ল'ব লাগিব। অতি সৰল মনৰ অধিকাৰী আৰু অতি বিশ্বাসী তেওঁলোক।



এক প্ৰত্যাহ্বানৰ মাজেৰে আৰু একান্ত নিষ্ঠাৰে তেওঁলোকৰ মুখত হাঁহি বিৰিঙাবলৈ হাতত তুলি লোৱা হ'ল এক প্ৰচেষ্টা। গাঁওখনত প্ৰায় ৩০ গৰাকী দুখীয়া বড়ো মহিলাক সংগঠিত কৰি জন্ম দিয়া হ'ল 'বাগৰুম্বা উইভিং ছ'চাইটী'। ছ'চাইটীয়ে প্ৰথমে দুখন হাত শালেৰে আৰম্ভ কৰিছিল তেওঁলোকৰ বোৱা-কটাৰ কাম। চুলাই মদৰ বেহা এৰি পদ্মাৰ নেতৃত্বত আৰম্ভ হ'ল এক পৰিৱৰ্ত্তনৰ ধাৰা। উত্তৰ-পূব বিত্তীয় উন্নয়ন নিগম চমুকৈ নেড়ফি নামৰ সংস্থাটোৰ সহযোগত প্ৰাম্য বিকাশ মঞ্চৰ জৰিয়তে আৰম্ভ হ'ল এমহীয়া বোৱা-কটাৰ প্ৰশিক্ষণ শিবিৰ। উক্ত প্ৰশিক্ষণৰ জৰিয়তে ৩০ গৰাকী মহিলাক যন্ত্ৰচালিত বোৱা-কটা শাল আৰু অত্যাধুনিক ডিজাইনিঙৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হ'ল।

# গ্ৰাম্য বিকাশ মঞ্চলৈ আনুষ্ঠানিক স্বীকৃতি...







প্ৰশিক্ষণৰ অন্তত তেওঁলোকক বঙাইগাঁৱত থকা 'এণ্ট' নামৰ অনুষ্ঠানলৈ গৈ তেওঁলোকে দেখুওৱা আদৰ্শমূলক কাম-কাজৰ বিষয়ে জ্ঞাত হ'ল। তেওঁলোকৰ মনত দুগুণ উৎসাহ বাঢ়িল। তেওঁলোক আটায়ে সংগঠিত হৈ বাগৰুম্বা উইভিং ছ'চাইটীক আগবঢ়াই নিবলৈ সংকল্পবদ্ধ হ'ল। এক সামূহিক পৰিকল্পনা যুগুতোৱা হ'ল যে তেওঁলোকে যৌথ প্ৰচেষ্টাৰে বোৱা-কটা কাম আৰম্ভ কৰিব আৰু ব্যৱসায়িক দৃষ্টিভংগীৰে নিজকে স্বাৱলম্বী কৰি তুলিব আৰু তাৰ বাবে প্ৰয়োজন হ'ব কেইখনমান তাঁতশাল আৰু এটি ঘৰ। মই তেওঁলোকৰ পৰিকল্পনাত অংশ লৈছিলো আৰু যোগাযোগ কৰিছিলো নেড্‌ফি নামৰ অনুষ্ঠানটোৰ মহাপ্ৰবন্ধক পি কে শইকীয়া ছাৰৰ লগত। শইকীয়া ছাৰে মোক নিৰাশ নকৰি গ্ৰহণ কৰিছিল মোৰ প্ৰস্তাৱ আৰু লগে লগে গ্ৰাম্য বিকাশ মঞ্চৰ জৰিয়তে বাগৰুম্বা উইভিং ছ'চাইটীৰ কাৰণে অনুদান আগবঢ়ায় ১ লাখ ২০ হাজাৰ টকা। উক্ত ধনেৰে ক্ৰয় কৰা হ'ল দহখন তাঁতশাল, দুখন যন্ত্ৰসংলগ্ন তাঁতশাল (জাকাৰ্ড শাল) ৬ মাহৰ বাবে সূতা আৰু প্ৰয়োজনীয় সামগ্ৰী। গ্ৰাম্য বিকাশ মঞ্চৰ তৰফৰপৰা পোন্ধৰ হাজাৰ টকাৰে বনাই দিয়া হ'ল এটি টিনৰ চালি ঘৰ।

সেইদিনা আছিল ২০০৯ চনৰ ৩ নৱেম্বৰ। চত্ৰা গাঁৱত এক উৎসৱমুখৰ পৰিৱেশ। খেৰাই কৃষ্টি দলে আদৰি আনিছিল বাগৰুম্বাৰ উদ্বোধনী অনুষ্ঠানৰ অতিথিসকলক। বড়ো মহিলাসকলে বাগৰুম্বা নৃত্যৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। আনুষ্ঠানিকতাৰে বাগৰুম্বাৰ শুভ উদ্বোধন কৰিলে নলবাৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰেণু মহন্তই। সেইদিনাৰপৰাই প্ৰাণ পাই উঠিল বাগৰুম্বা। বাগৰুম্বাত এতিয়া তাঁতশালৰ শব্দ। প্ৰতিখন তাঁতশালত এতিয়া ভিন্ন ৰঙৰ হাতে বোৱা কাপোৰ। অসমৰ ভিন্ন প্ৰান্তৰপৰা অৰ্ডাৰ আহে তেওঁলোকলৈ। নিকটৱৰ্ত্তী দেশ ভূটানৰ বজাৰখনতো তেওঁলোকে পেলালে খোজ। অসম তথা ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ লোকে বাগৰুম্বাৰ চোতালত ভৰি দি তেওঁলোকৰ পদক্ষেপক শলাগিলে। উন্নয়নৰ বাটত অগ্ৰসৰ হ'বলৈ তেওঁলোকে মনত পুহি ৰাখিছে আৰু বহু সপোন। গ্ৰাম্য বিকাশ মঞ্চই তেওঁলোকৰ সপোনবোৰ ৰূপায়িত কৰিবলৈ অব্যাহত ৰাখিছে বিভিন্ন প্ৰচেষ্টা। য'ত বাগৰুম্বাৰ জৰিয়তে উপকৃত হ'ব প্ৰায় ১০০ গৰাকী দুখীয়া মহিলা। বাগৰুম্বা হ'ব এখন সমাজৰ আদৰ্শৰ দাপোণ। য'ত বাগৰুম্বা হ'ব পৰিৱৰ্ত্তনৰ এখন সঁচা ছবি। এই লিখনিৰ জৰিয়তে চত্ৰা গাঁৱত গ্ৰাম্য বিকাশ মঞ্চই দেখুওৱা এক প্ৰচেষ্টাৰ বিষয়ে অৱলোকন কৰা হ'ল। কিন্তু এনে বহু গাঁও আছে; য'ত গ্ৰাম্য বিকাশ মঞ্চই অব্যাহত ৰাখিছে উন্নয়ন তথা পৰিৱৰ্ত্তনৰ ধাৰা।

(লেখক গ্ৰাম্য বিকাশ মঞ্চৰ সম্পাদক)



# কৰ্মই যাৰ ধৰ্ম

✍ ৰেণু মহন্ত

'গ্ৰাম্য বিকাশ মঞ্চ'। এক চিনাকি নাম, এটি সদ্য ব্যস্ত বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান। নলবাৰী জিলাখনলৈ ২০০৯ ইং চনৰ ৫ মাৰ্চত উপায়ুক্তৰ কাৰ্যালয়ত আহি এগৰাকী অতিৰিক্ত জিলা দণ্ডাধীশ ৰূপে কাৰ্যভাৰ লৈছিলোহি। প্ৰথম দুমাহমান নিৰ্বাচনৰ কামত বৰকৈ ব্যস্ত থকাত আন বিভাগীয় বিশেষকৈ উন্নয়মূলক কাম-কাজসমূহৰ প্ৰতি অধিক মনোযোগ দিব পৰা নাছিলোঁ যদিও নিৰ্বাচন সম্পৰ্কীয় কামসমূহৰ অন্ত পৰাত সচৰাচৰ আৰু নিয়মীয়া কাম-কাজ আৰম্ভ হৈ আমিও আমাৰ ভাগত পৰা দায়িত্ব আৰু কৰ্তব্য সম্পাদন কৰাত মনোনিবেশ কৰিলোহঁক। ঠিক তেনেকুৱা সময়তে উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ সভাপতি পৃথ্বিভূষণ ডেকা আৰু সম্পাদক দিবাকৰ ভাইটিৰ সৈতে সাক্ষাৎ হৈছিলো।

অনুন্নত পৰিৱেশৰপৰা আহি এক বিজ্ঞানভিত্তিক জীৱন প্ৰণালীৰে পৰিপুষ্টিত হৈ তেওঁবিলাক এটা শৃংখল জীৱনৰ সৈতে একান্তভাৱে পৰিচিত হোৱাৰ পিছত সংযোগী শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে আৰু শিকাৰুসকলক



সেয়াই আৰম্ভণি। তেতিয়াৰে পৰা ২০১২ ইং চনৰ অক্টোবৰ মাহৰ অন্তিম দিনটোলৈ অৰ্থাৎ মোৰ চাকৰিৰপৰা অৱসৰ লোৱাৰ দিন আৰু পিছদিনা ১ নৱেম্বৰ তাৰিখে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক প্ৰতিনিধিত্ব কৰি নলবাৰীত প্ৰতিষ্ঠিত কৰা 'কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন' বিশ্ববিদ্যালয়ত বিশেষ কৰ্তব্যৰত বিষয়া (প্ৰশাসন) ৰূপে নিযুক্তি লাভ কৰি বৰ্তমানলৈকে এই স্বেচ্ছাসেৱী অনুষ্ঠানটিৰে সৈতে মোৰ এক নিবিড় সম্পৰ্ক গঢ়ি উঠিছে কেৱল ইয়াৰ প্ৰতিজন সদস্যৰ একান্ত কৰ্মপ্ৰেৰণা আৰু নিঃস্বাৰ্থভাৱে আগবঢ়োৱা সমাজসেৱাৰ দৰে মহান কৰ্মৰ বাবে।

১৯৯৯ ইং চনৰ আগষ্ট মাহত পাগলাদিয়া আৰু নোনা নৈৰ মঠাউৰি ছিঙি নলবাৰী জিলাৰ সমগ্ৰ পূব প্ৰান্তত যি প্ৰলয়ংকৰী বানপানী হৈছিল আৰু যাৰ ফলত অসংখ্য লোক গৃহহীন, আশ্ৰয়হীন তথা খাদ্য সংকটত হাবু-ডুবু খাইছিল তেতিয়াই প্ৰায় শতেক সংখ্যক যুৱক ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ অধীনৰ নলবাৰী জিলা নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আগবাঢ়ি আহিছিল বানপীড়িত ৰাইজক সহায় কৰিবলৈ আৰু বিভাগীয় বিষয়াৰ পৰা প্ৰয়োজনীয় প্ৰশিক্ষণ লৈ জঁপিয়াই পৰিছিল অঞ্চলটোত ধ্বংসপ্ৰাপ্ত সকলোখিনি পুনৰ নিৰ্মাণ কাৰ্যত। এনেকৈয়ে এই উদ্যোগী যুৱকসকলে ৰাইজৰ হিতাৰ্থে কাম কৰিবলৈ অকপটে আগবাঢ়ি আহি সেইটো বছৰৰে ডিচেম্বৰ মাহত 'গ্ৰাম্য বিকাশ মঞ্চ' নামৰ অনুষ্ঠানটিৰ জন্ম দিয়ে। নলবাৰী জিলাৰ অন্তৰ্গত ঘগ্ৰাপাৰ আৰু বড়িগোগ বনভাগ উন্নয়নখণ্ডৰ অধীনৰ এক বৃহৎ অঞ্চলক মুখ্য কৰ্মকেন্দ্ৰ ৰূপে লৈ বৰবৰীত প্ৰতিষ্ঠা কৰা হৈছে 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ মূল কাৰ্যালয়। জন্মলগ্নৰে পৰাই এই মঞ্চৰ যোগেৰেই গওঁৰ ৰাইজ বিশেষকৈ অনুন্নত আৰু পিছপৰা অঞ্চলৰ লোকৰ হিতাৰ্থে, বিকাশ সাধনাৰ্থে, শান্তি আৰু সম্প্ৰীতিৰ বাণী প্ৰচাৰাৰ্থে, মানৱতাবোধ সম্পৰ্কে সজাগতা অনাৰ উদ্দেশ্যে আৰু জ্ঞান, বুদ্ধি, বিদ্যা লাভ কৰি এখন সুশৃংখল সমাজ গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিজন সদস্যই কাম অবিৰাম কৰি আছে আৰু কৰি থাকিবলৈ দৃঢ় সংকল্পবদ্ধ। এটা অৰাজনৈতিক তথা কোনো লাভালাভ নিবিচৰা সংগঠন হিচাপে কাম কৰি গৈ থকা ইয়াৰ প্ৰতিজন সদস্যই সকলো সময়তে স্বচ্ছতা, নিয়মানুবৰ্তিতা, শ্ৰমৰ মূল্যবোধ প্ৰদান আদি কথাবোৰক তেওঁলোকৰ কৰ্মৰাজিৰ মূল মন্ত্ৰ হিচাপে লৈ প্ৰতিটো পদক্ষেপ গ্ৰহণ কৰিছে।



২০০৯ ইং চনৰ পৰা ২০১৩ ইং চনলৈকে চাৰি বছৰৰো অধিক কাম মই ব্যক্তিগতভাৱে এই সংগঠনৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া হৈ বহুদিন, বহুবাৰ মঞ্চৰ কাৰ্যালয়লৈ আহিবলগীয়া

তেওঁলোকে এৰি অহা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি নিয়মীয়া শিক্ষা ব্যৱস্থাৰ আওতালৈ অনা হয়।

হৈছো। নিগাজী সভাগৃহ, ৰান্ধনিশাল, ছাত্ৰ-ছাত্ৰীনিবাসকে ধৰি নানা প্ৰকাৰৰ গছ-গছনিৰে আবৃত চৌদিশৰ বিশাল ভূমি আৰু মধ্যস্থলীত মূল কাৰ্যালয়টিৰে সঁচাকৈয়ে গ্ৰাম্য বিকাশ মঞ্চক এখন আশ্ৰমৰ দৰে অনুভৱ কৰি আহিছো।

পৰ্যায়ক্ৰমে কেৱল জিলাখনতে নাৰাখি চুবুৰীয়া জিলা বাক্সা, কামৰূপ (গ্ৰাম্য), বৰপেটা জিলালৈকো তেওঁলোকে বিভিন্ন দিশত সেৱা আগবঢ়াইছে। জামছেট্‌জী টাটা ট্ৰাষ্টৰপৰা লাভ কৰা ৪৩,৬০,০০০ টকাৰ অনুদানেৰে গ্ৰাম্য বিকাশ মঞ্চই তিনিচুকীয়া জিলাতো বানপীড়িত লোকৰ হকে কাম কৰাৰ কথা আমি জানিব পাৰিছো। Action Aid India, Child Right You, Indo Global Society Service Society, Jamsedji Tata Trust, SDTT/Pradan, Unicef, Action Aid India, Helpage India, Franklin Templeton Assets Management PVT Ltd,





Save the Children/ECHO আদিৰ দৰে প্ৰখ্যাত এজেঞ্জীসমূহে আগবঢ়োৱা আৰ্থিক অনুদানসমূহৰ জৰিয়তে এই অনুষ্ঠানটিয়ে নলবাৰী জিলাত এম.এনৰেগা আঁচনিযোগে স্থানীয় লোকৰ কৰ্মসংস্থাপনৰ নিশ্চিতকৰণ, শিশুৰ অধিকাৰ আঁচনি, বাক্সা জিলাত মানুহৰ জীৱন আৰু জীৱিকা সম্পৰ্কীয় আঁচনি, জলসিঞ্চন বিভাগৰ দ্বাৰা আগবঢ়োৱা কামৰ সুযোগ গ্ৰহণ আঁচনি, বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জৰুৰীভাৱে ব্যৱস্থা লোৱা আৰু বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ অন্তৰ্গত শিশুৰ শিক্ষা সংযোগীকৰণ ব্যৱস্থা লোৱাৰ দৰে আঁচনিৰ মাধ্যমেৰে গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন জনহিতকৰ কৰ্মৰাজিৰে জলসিঞ্চনৰ অলেখ অনুন্নত নাগৰিক তথা বঞ্চিত শিশুক এক সুস্থ আৰু শুদ্ধ বাতাবৰণৰ মাজত জীৱন নিৰ্বাহ কৰাৰ সুযোগ দিবলৈ সক্ষম হৈছে। জৰুৰীভাৱে তৎপৰ হৈ বানপানী তথা আন প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্ত লোকক তৎকালীনভাৱে খাদ্য, বস্ত্ৰ, সামগ্ৰীৰ ব্যৱস্থা কৰি দিয়াই নহয় জিলা প্ৰশাসনকো সময়ে সময়ে সহযোগিতা আগবঢ়াই বানাক্ৰান্ত অঞ্চলসমূহৰ পুনঃনিৰ্মাণ কাৰ্য ক্ষীপ্ৰতৰ কৰি তোলাত প্ৰয়োজনীয় সহায় কৰি আহিছে। অকল সেয়াই নহয় দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পাঠ্যপুথি আৰু অধ্যয়ন সামগ্ৰী বিলোৱাৰ ব্যৱস্থা কৰি আহিছে।

জিলা উপায়ুক্ত কাৰ্যালয়ত কাৰ্যনিৰ্বাহ চলি থকা অৱস্থাত নলবাৰী জিলা মহিলাকোষৰো সদস্য সচিবৰ দায়িত্বত থাকোঁতে ২০১০ৰ পৰা ২০১২ ইং চনলৈকে আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস কেন্দ্ৰীয়ভাৱে গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত আৰু জিলা মহিলাকোষৰ সৌজন্যত গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্যালয় চৌহদতে কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা হৈছিল। এই ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই আগবঢ়োৱা



সহযোগিতা সঁচাকৈয়ে অতুলনীয়। অৱশ্যে পৰ্যায়ক্ৰমে বৰক্ষেত্ৰী উন্নয়নখণ্ড বিষয়াৰ কাৰ্যালয়তো এই দিৱস অনুষ্ঠিত কৰা হৈছিল। গ্ৰাম্য বিকাশ মঞ্চই মহিলাসকলৰ দ্বাৰা চলি থকা আত্মসহায়ক গোটসমূহৰ জৰিয়তে স্থানীয় শিপিনীসকলে তৈয়াৰ কৰা বস্ত্ৰ, মেটেকাৰে প্ৰস্তুত কৰা বেগ, ফুলৰ তাপ আদি অলেখ মনোগ্ৰাহী সামগ্ৰীৰে এখন প্ৰদৰ্শনী পাতি সামগ্ৰীসমূহ বিক্ৰী কৰাৰ ব্যৱস্থা কৰি শিপিনী আৰু আন আন শিল্পী আৰু কাৰিকৰসকলক উপকৃত কৰিছে।

এতিয়াও মনত পৰে আৰ্থিক দূৰৱস্থা নাইবা কোনো পৰিৱেশৰ পৰিপ্ৰেক্ষিতত বিপথে পৰিচালিত হ'বলৈ বাধ্য হোৱা কিছুসংখ্যক জনজাতীয় মহিলাক উদ্ধাৰ কৰি আনি বোৱা-কটা সমিতি এখন গঠন কৰি ইয়াৰ জৰিয়তে বিভিন্ন বস্ত্ৰ, হস্ততাত শিল্পৰ উৎপাদন কেন্দ্ৰ গঢ়ি তুলি সেইসকল দুৰ্দশাগ্ৰস্ত মহিলা আৰু তেওঁলোকৰ পৰিয়ালসমূহক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে সেই অঞ্চলৰ সমাজখনলৈ এক আমূল অৰ্থনৈতিক পৰিবৰ্তন আনিছে। বোৱাকটা সমবায় সমিতিখনৰ মুকলি সভা অনুষ্ঠানত নিজে উপস্থিত থাকি সেইসকল মহিলাৰ মুখত সুখভৰা হাঁহি আৰু চকুত অযুত সপোন দেখি আমিও মুগ্ধ হৈছিলো। অৱকাশ পালে মাজে মাজে তেওঁবিলাকৰ কাম-কাজৰ খবৰ কৰাৰ প্ৰয়াস কৰি থকাৰ কাৰণেই আমাৰ মাজত এক মধুৰ সম্পৰ্কও গঢ়ি উঠিছে। জিলা উপায়ুক্ত কাৰ্যালয়ৰ দুৰ্যোগ প্ৰশমন শাখাৰ জৰিয়তে বিশেষকৈ পিছপৰা অঞ্চলৰ মহিলাসকলক প্ৰাকৃতিক দুৰ্যোগ অথবা আনপ্ৰকাৰে ঘটা কোনো দুৰ্যোগৰ সময়ত




নাৰী আৰু পুৰুষৰ সমান্তৰাল অগ্ৰগতিয়েহে এখন সুস্থ সমাজ আৰু সবল জাতি তথা সভ্যতা গঢ়িব পৰাতো সম্ভৱ। সেয়ে জিলা মহিলাকোষৰ প্ৰতিজন সদস্যই সক্ৰিয় হৈ আগবাঢ়ি আহক আৰু নিয়মানুসৰি নিৰ্দিষ্ট সময়ত এনে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সদস্যসকলক আমন্ত্ৰণ কৰি তেওঁলোকৰে মতবিনিময় কৰি নাৰী সমাজক সৱলীকৰণ প্ৰক্ৰিয়াত অংশ লওক।

যেনে— বানপানী, ভূমিকম্প, জুইলগা আদিৰ দৰে পৰিৱেশত তৎকালীনভাৱে ল'বলগীয়া ব্যৱস্থাসমূহ আৰু তাৰ জৰিয়তে কেনেকৈ উপকৃত হ'ব পাৰি বা অধিক ক্ষতি হোৱাৰ পৰা কেনেকৈ ৰক্ষা পাব পাৰি তেনে কথাবোৰ নিদৰ্শন আৰু আৰ্হিৰে বুজোৱাৰ চেষ্টা কৰা হৈছিল। বিশেষকৈ অশিক্ষিত গৃহিণী এগৰাকীয়ে ৰান্ধনী ঘৰত গেছ চিলিণ্ডাৰ ব্যৱহাৰ কৰাৰ সময়ত ল'বলগীয়া সাৱধানতাসমূহ বুজাই দিয়াৰ ফলত তেওঁলোকে যে যথেষ্ট উপকৃত হৈছে সেইটো নিশ্চিত। আলোচনাসভালৈ অহা হাজাৰৰো অধিক ৰাইজক (পুৰুষ-মহিলা) সুন্দৰ আৰু নিয়াৰিকৈ অভ্যৰ্থনা কৰি গ্ৰাম্য বিকাশ মঞ্চৰ সদস্যসকলে জিলা প্ৰশাসনক এক প্ৰশংসনীয় সহযোগিতা আগবঢ়াইছিল। ইমানেই নহয়, মাজে মাজে আমাৰ কাৰ্যালয়লৈ আহি সেইসকল অশিক্ষিত মহিলা আৰু অনেক শিশুৰ সুস্বাস্থ্য আৰু শিক্ষা জ্ঞানৰ কাৰণে ভৱিষ্যতে ল'বলগীয়া কৰ্মৰাজীৰ বিষয়েও আলোচনা কৰিছিলহি।

আৰু এটা কথা উল্লেখ নকৰিলে আমাৰ লেখাটি অসম্পূৰ্ণ হৈ ৰ'ব। সেইয়া হ'ল— আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীভুক্ত যিসকল শিশুৱে বিভিন্ন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিদ্যা-শিক্ষা অসম্পূৰ্ণ অৱস্থাত এৰি আন কামত লাগিবলৈ বাধ্য হৈ পৰিছিল তেনে অৰ্দ্ধশিক্ষিত দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক বিচাৰি গ্ৰাম্য বিকাশ মঞ্চলৈ আনি ইয়াৰ ছাত্ৰ-ছাত্ৰী নিবাসত থাকিবলৈ দি প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ জৰিয়তে শিক্ষা দিয়াৰ লগতে স্বাস্থ্যকৰ খাদ্য আৰু সুন্দৰ পৰিৱেশৰ মাজত ৰাখি আন লাগতিয়াল বিষয় যেনে— খেল-ধেমালি, কলা-সংস্কৃতিৰ সাধন কৰা আদি বিষয়বোৰতো জ্ঞান দিয়া হয়। অনুন্নত



পৰিৱেশৰপৰা আহি এক বিজ্ঞানভিত্তিক জীৱন প্ৰণালীৰে পৰিপুষ্টিত হৈ তেওঁবিলাক এটা শৃংখল জীৱনৰ সৈতে একান্তভাৱে পৰিচিত হোৱাৰ পিছত সংযোগী শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে আৰু শিকাৰুসকলক তেওঁলোকে এৰি অহা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি নিয়মীয়া শিক্ষা ব্যৱস্থাৰ আওতালৈ অনা হয়।

সংযোগী শিক্ষা আঁচনিৰ প্ৰথমছোৱাত মুঠ পঞ্চাশজন ছাত্ৰক বিভিন্ন অঞ্চলৰপৰা অনা হৈছিল যদিও কেইজনমানৰ বাহিৰে বাকীখিনিক উপযুক্ত শিক্ষাৰ লগতে আন প্ৰয়োজনীয় জ্ঞান বুদ্ধি প্ৰদান কৰি নিৰ্দিষ্ট শ্ৰেণীভুক্ত কৰি তেওঁলোকক পৰৱৰ্তী শিক্ষাৰ বাবে ব্যৱস্থা কৰি দিয়া হয়। প্ৰথম পৰ্বৰ শিশু ছাত্ৰসকলৰ সৈতে আমি কেবাবাৰো মিলিত হৈছিলো আৰু তেওঁলোকৰ প্ৰকৃত জীৱন অৰ্থাৎ সংযোগী শিক্ষা ল'বলৈ অহাৰ আগৰ অৱস্থা, তাত সন্মুখীন হোৱা আৰ্থিক অনাটন, পৰিৱেশহীনতা আদি কথাবোৰ জানিব পাৰিছিলো আৰু গ্ৰাম্য বিকাশ মঞ্চৰ জৰিয়তে সম্ভৱ হোৱা তেওঁলোকৰ আলোকিত জীৱনৰ বাবে তেওঁলোকৰ দুচকুত দেখিছিলো কৃতজ্ঞতা।

দ্বিতীয় পৰ্বত এইবাৰ পচিশগৰাকী ছাত্ৰীক সংযোগী শিক্ষা আঁচনিৰ জৰিয়তে শিক্ষা আৰু প্ৰশিক্ষণ বৰ্তমানে দি থকা হৈছে। অলপতে ছাত্ৰীসকলক সাক্ষাৎ কৰি তেওঁলোকৰ মনৰ বুজ লৈছিলো।

গতিকে মুঠ কথা ক'বলৈ গ'লে ইতিমধ্যে উল্লেখ কৰা বিভিন্ন আৰ্থিক অনুদান অথবা সাহাৰ্যৰ জৰিয়তে গ্ৰাম্য বিকাশ মঞ্চই মানৱ আৰু সমাজ সেৱা কাৰ্যৰ জৰিয়তে জিলাখনৰ বিভিন্ন অঞ্চলৰ লগতে দাতিকাষৰীয়া জিলাকো বিভিন্ন অঞ্চলত এনে সেৱা আগবঢ়াই এক বিৰল উদাহৰণ দাঙি ধৰিছে। আৰু এনে সম্প্ৰসাৰিত আৰু একান্তভাৱে আগবঢ়োৱা সমাজহিতকৰ কামৰ বাবে নলবাৰী জিলা প্ৰশাসনৰ প্ৰচেষ্টাত অসম ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ স্বেচ্ছাসেৱী সংগঠনৰূপে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে।

পিছে এইখিনিতে আমি আক্ষেপেৰে ক'ব খোজো যে সম্প্ৰতি জিলা মহিলা কোষৰ কাম-কাজ পূৰ্বতকৈ কিছু নিষ্ক্ৰীয় হৈ পৰাত মহিলা আৰু শিশুসকলৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই বিশেষ অগ্ৰগতি প্ৰদৰ্শন কৰিব পৰা নাই।

আমি এই লেখনিৰ জৰিয়তে জিলা প্ৰশাসনক অনুৰোধ কৰিব বিচাৰো যে যিহেতু নাৰী আৰু পুৰুষৰ সমান্তৰাল অগ্ৰগতিয়েহে এখন সুস্থ সমাজ আৰু সবল জাতি তথা সভ্যতা গঢ়িব পৰাতো সম্ভৱ। সেয়ে জিলা মহিলাকোষৰ প্ৰতিজন সদস্যই সক্ৰীয় হৈ আগবাঢ়ি আহক আৰু নিয়মানুসৰি নিৰ্দিষ্ট সময়ত এনে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সদস্যসকলক আমন্ত্ৰণ কৰি তেওঁলোকৰে মতবিনিময় কৰি নাৰী সমাজক সাৱলীকৰণ প্ৰক্ৰিয়াত অংশ লওক। আমাৰ কাৰ্যকালছোৱাত আনবোৰৰ লগতে গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি/সম্পাদক মহিলাকোষৰ সক্ৰিয় সদস্যৰূপে নিয়মীয়াকৈ আমাৰ সৈতে যোগাযোগ ৰক্ষা কৰিছিল আৰু সেই বাবেই তেওঁবিলাকৰ সহযোগিতাই আমাক যথেষ্ট অনুপ্ৰাণিত কৰিছিল। আমাৰ বোধেৰে এনে আগ্ৰহী আৰু কৰ্মীলোকৰ সহযোগিতা আমাৰ বাবে নিশ্চয়কৈ আদৰণীয়। গ্ৰাম্য বিকাশ মঞ্চৰ ভৱিষ্যৎ কাৰ্যসূচীয়ে আৰু অধিক প্ৰসাৰিত হৈ সকলোকে ধন্য কৰিব বুলি আশা কৰিলো।

(লেখিকা অসম চৰকাৰৰ অসামৰিক সেৱাৰ এগৰাকী অৱসৰপ্ৰাপ্ত বিষয়া। তেওঁ দীৰ্ঘদিন ধৰি নলবাৰী জিলাত অতিৰিক্ত উপায়ুক্ত হিচাপে সেৱা আগবঢ়াইছিল।)



# প্ৰত্যাহ্বান



✍ প্ৰাঞ্জনা ডেকা

সুউচ্চ পৰ্বত শিখৰৰ মাজেৰে আবেলিৰ অস্তগামী সূৰুযটোৰে লুকা-ভাকু খেলি পশ্চিম আকাশত ক্ৰমে নাইকিয়া হৈ গ'ল। কি যে অপূৰ্ব দৃশ্য এয়া। যেন এয়া পৃথিৱী আৰু আকাশৰ মাজত এক নিবিড় সম্বন্ধ। ... লাহে লাহে পৃথিৱীৰ বুকুলৈ আন্ধাৰ নামি আহিল।

বেলকনিৰ ওপৰত অনন্যা কিমান সময় যে বহি আছিল তাই গমকে পোৱা নাছিল। 'বাইদেউ, এয়া চাহ।' —বনকৰা ছোৱালীজনীৰ মাতত তাই উচ্‌প খাই উঠিল। অ' বুলি কৈ বনকৰা ছোৱালীজনীক বেলকনিৰ লাইট জ্বলাই দিবলৈ ক'লে। ...অনন্যা। ...ইতিমধ্যে চহৰখনৰ প্ৰতিটো অলিয়ে গলিয়ে সন্ধিয়াৰ লগে লগে বিজুলী বাতিৰ পোহৰেৰে চমকি উঠিল।

বনকৰা ছোৱালীজনীয়ে দি যোৱা চাহ কাপত চুমুক দি অনন্যাই অহাকালিৰ দিনটোৰ কথা ভাবিলে। এৰা... অহাকালি তাইৰ স্থানীয় কলেজখনত এখন ছেমিনাৰ আছে। য'ত তাইক নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰণ জনাইছে। ছেমিনাৰৰ মুখ্য উদ্দেশ্য হৈছে— 'এইড্‌ছ ৰোগ আৰু ইয়াৰ সজাগতা'। তাই আজি দহ বছৰে এই বিষয়ৰ ওপৰত কিমান বক্তৃতা দিলে, কিমান সজাগতা সম্পৰ্কীয় সভা-সমিতি পাতিলে তাৰ লেখ-জোখ নাই। আনকি অনন্যাই নিজৰ একাগ্ৰতা আৰু সম্পূৰ্ণ একক প্ৰচেষ্টাত এটা 'এইড্‌ছ সজাগতা সংস্থা' স্থাপন কৰি উলিয়াইছে। য'ত তাই আৰু তেওঁলোকৰ সদস্যসকলে এইড্‌ছ সম্পৰ্কে বিভিন্ন কাম কৰিছে।

এইবোৰ ভাবি ভাবি অনন্যাই প্ৰায় দহ বছৰ অতীতলৈ উভতি গ'ল। অনন্যাৰ সেই দহ বছৰৰ আগৰ দিনবোৰ আজিও সন্মুখত পাকঘূৰণি খাই থাকে। বিশেষকৈ সেই দিনটোত তাই আৱিষ্কাৰ কৰিছিল অবিনাশক এজন এইড্‌ছ ৰোগীৰ ৰূপত। সেইদিনা তাই চাৰিওফালে কেৱল অন্ধকাৰ দেখিছিল। অকণমান পোহৰ বিচাৰি তাই হাস্পতাল পাইছিলগৈ। অবিনাশ যেতিয়া নেৰা-নেপেৰা জ্বৰ, কাহ, ডায়েৰিয়া আদিত আক্ৰান্ত হৈ ক্ৰমে অসুস্থ হৈ পৰিছিল, তেতিয়া অনন্যাই অবিনাশক হাস্পতালত ভৰ্তি কৰাইছিল। কিন্তু ডাক্তৰে যেতিয়া অবিনাশক বিভিন্ন শাৰীৰিক পৰীক্ষা-নিৰীক্ষা, তেজ পৰীক্ষা কৰি এইচ আই ভি পজিটিভ বুলি ক'লে সেই সময়ত তাই মাথোঁ কান্দিছিল।

এইবোৰ ভাবি ভাবি অনন্যাই প্ৰায় দহ বছৰ অতীতলৈ উভতি গ'ল। অনন্যাৰ সেই দহ বছৰৰ আগৰ দিনবোৰ আজিও সন্মুখত পাকঘূৰণি খাই থাকে। বিশেষকৈ সেই দিনটোত তাই আৱিষ্কাৰ কৰিছিল অবিনাশক এজন এইড্‌ছ ৰোগীৰ ৰূপত। সেইদিনা তাই চাৰিওফালে কেৱল অন্ধকাৰ দেখিছিল। অকণমান পোহৰ বিচাৰি তাই হাস্পতাল পাইছিলগৈ। অবিনাশ যেতিয়া নেৰা-নেপেৰা জ্বৰ, কাহ, ডায়েৰিয়া আদিত আক্ৰান্ত হৈ ক্ৰমে অসুস্থ হৈ পৰিছিল, তেতিয়া অনন্যাই অবিনাশক হাস্পতালত ভৰ্তি কৰাইছিল। কিন্তু ডাক্তৰে যেতিয়া অবিনাশক বিভিন্ন শাৰীৰিক পৰীক্ষা-নিৰীক্ষা, তেজ পৰীক্ষা কৰি এইচ আই ভি পজিটিভ বুলি ক'লে সেই সময়ত তাই মাথোঁ কান্দিছিল। তাই ডাক্তৰক কাতৰভাৱে অনুৰোধ কৰিছিল অবিনাশক এটা সুস্থ আৰু নিৰোগী মানুহ কৰি দিবলৈ। ইয়াৰ বাবে অনন্যাই ডাক্তৰে যি বিচাৰে তাকে দিবলৈ প্ৰস্তুত আছিল।

...কিন্তু ডাক্তৰে কি কৰিব, এতিয়ালৈকে এই ৰোগৰ যে কোনো চিকিৎসাই ওলোৱা নাই।

...লাহে লাহে অবিনাশৰ স্বাস্থ্যৰ অৱনতি হ'বলৈ ধৰিলে। অনন্যাই ডাক্তৰৰ পৰামৰ্শ আৰু সহযোগত অবিনাশৰ লগত দেহে কেহে লাগিলে। কিন্তু... কি হ'ব? সেই চেষ্টাত তাই সম্পূৰ্ণ ব্যৰ্থ হ'ল আৰু তাইক অকলশৰীয়াকৈ থৈ এদিন অবিনাশ পৃথিৱীৰপৰা গ'লগৈ। তাই চাৰিওপালে অন্ধকাৰ দেখিলে। অবিনাশ অবিহনে তাই এতিয়া কেনেকৈ জীয়াই থাকিব? কিমান মৰম, কিমান বিশ্বাস আছিল সিহঁতৰ মাজত। ...কিন্তু সেই মৰম আৰু বিশ্বাসৰ মাজত অনন্যাক অকলশৰীয়া কৰি অবিনাশ গ'লগৈ অসীম সুদূৰলৈ।

তাইৰ মানস পটত আজি স্পষ্টকৈ জিলিকি আছে দহ বছৰ পুৰণি সেই স্মৃতি। পুৰণি হ'লেও তাইৰ বাবে আজিও সেই স্মৃতি সজীৱ, ৰঙীয়াল, তাইৰ জীয়াই থকাৰ সম্বল। যাক তাই প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিছে প্ৰতিটো মুহূৰ্ততে। কিমান আশাৰে তাই অবিনাশৰ সৈতে বিয়াত বহিছিল।

...বিশ্ববিদ্যালয়ৰ শেষ বৰ্ষত পঢ়ি থাকোতে সুদৰ্শন অবিনাশক মাক-দেউতাকে তাইৰ দৰাৰূপে নিৰ্বাচন কৰিছিল। অনন্যাৰ এতিয়া ৰিণিকি ৰিণিকি মনত পৰে অবিনাশৰ সৈতে প্ৰথম দেখা হোৱা দিনটো। ... প্ৰথম দৃষ্টিতে অবিনাশক তাইৰ ভাল লাগি গৈছিল আৰু কোনো আপত্তি নোহোৱাকৈ অবিনাশৰ সৈতে বিয়াত বহিছিল।

এবছৰমান দুয়ো সুখেৰে পাৰ কৰিছিল যুগ্ম জীৱন। ...কিন্তু দিন যোৱাৰ লগে লগে অবিনাশৰ ক্ৰমে ইটো-সিটো সৰু-সুৰা বেমাৰে লগ দিলে। তাইৰ পৰা ক্ৰমে অবিনাশ আঁতৰি ফুৰা হ'ল। চিকিৎসাৰ কথা ক'লে প্ৰায়ে অবিনাশ নিমাত হৈ পৰে। অবিনাশৰ স্বাস্থ্যৰ অতি দুখলগা অৱস্থাত অনন্যাই আৱিষ্কাৰ কৰিলে এটা এইড্‌ছ ৰোগী ৰূপত। যিটো বেমাৰ কি, তাৰ চিকিৎসা কি তাই একোৱে বুজা নাছিল। আনকি অবিনাশ কি দৰে এই ৰোগত আক্ৰান্ত হ'ল তাই সেই বিষয়েও একো গম পোৱা নাছিল। তাই এইড্‌ছ সম্পৰ্কীয় কথাবোৰ জনাৰ বহু আগতে অবিনাশৰ মৃত্যু হৈছিল।

অবিনাশৰ মৃত্যুৰ কেইদিনমান পিছতে ডাক্তৰৰ নিৰ্দেশ মৰ্মে অনন্যাৰ এইচ্ আই ভি পৰীক্ষা কৰোৱা হ'ল। তাইৰ তেজতো এইচ্ আই ভি ভাইৰাছ পোৱা গ'ল। তাই ডাক্তৰৰ ৰিপৰ্টত নিশ্চিত হ'ল যে তাইৰো অবিনাশৰ দৰে অকাল মৃত্যু হ'ব।

...কিন্তু ডাক্তৰে তাইক এইড্‌ছ ৰোগ কি, ইয়াৰ চিকিৎসাৰ সজাগতা, ই কিদৰে সংক্ৰামিত হয় সেই বিষয়ে বুজাই কোৱাত অনন্যাই কিছু আশ্বস্ত হ'ল আৰু তাই সিদ্ধান্ত ল'লে তাই অন্ততঃ অবিনাশৰ দৰে নমৰে। তাই নিজকে জীয়াই ৰাখিব আৰু প্ৰতিজন এইচ্ আই ভি পজিটিভ ব্যক্তিকে একোজন সুস্থ মানুহৰ নিচিনাকৈ কাম কৰি যাব। তাই এইটোও বুজি পালে যে এই ৰোগত আক্ৰান্ত ব্যক্তি এগৰাকীয়ে প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰি এটা দীৰ্ঘ আৰু সুস্থ জীৱন কটাব পাৰে। ডাক্তৰে তাইক ইয়াকে ক'লে যে এইড্‌ছ ৰোগৰ ভাইৰাছ প্ৰধানকৈ তেজৰ দ্বাৰাহে এজনৰ দেহৰপৰা আন এজনৰ দেহলৈ সংক্ৰমিত হয় আৰু ইয়াক আমি প্ৰতিজনে নিজৰ সজাগতাৰ দ্বাৰা প্ৰতিৰোধ কৰিব পাৰো। তাই এগৰাকী এইচ্ আই ভি পজিটিভ ব্যক্তি হৈও বিভিন্ন চিকিৎসাৰ সহায়ত এটা স্বাভাৱিক জীৱন কটাই আছে।

অনন্যাই অবিনাশৰ মৃত্যুৰ দিনাই সংকল্প কৰিছিল অবিনাশৰ দৰে কোনেও যেন এনেদৰে অকাল মৃত্যুক আকোঁৱালি ল'বলগা নহয়। সেয়ে অনন্যাই নিজে এটা 'এইড্‌ছ সজাগতা সংস্থা' স্থাপন কৰি মানুহৰ মাজত এই ৰোগৰ ভয়াৱহতা আৰু গুৰুত্ব সম্পৰ্কে সজাগতা আনিবলৈ আজি দহ বছৰে যুঁজ দিছে। তাই ভগৱানক প্ৰাৰ্থনা কৰিলে এই যুঁজত যেন তাই সফল হয়।

...ৰাতিৰ আকাশত নীৰৱে দৃষ্টি ৰাখি অনন্যাই অস্পষ্ট স্বৰে ক'লে— 'অবিনাশ, তুমি য'তে নাথাকা কিয় মোৰ প্ৰতিটো পদযাত্ৰাত সহযোগী হ'বা।'

ৰাষ্ট্ৰীয় এইড্‌ছ কণ্ট্ৰোল ছ'চাইটীৰ সৌজন্যত আকাশবাণী গুৱাহাটী কেন্দ্ৰযোগে সম্প্ৰচাৰিত এইড্‌ছ সম্পৰ্কীয় গল্প প্ৰতিযোগিতাত নিৰ্বাচিত আৰু প্ৰচাৰিত গল্প।

(গল্পকাৰ গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱিকা)

নিবন্ধ



ভূত্বকৰ শিলাস্তৰত আৰ্চেনিকৰ সাধাৰণ পৰিমাণ প্ৰতি কিল'গ্ৰাম শিলত মাত্ৰ ১.৫ মিলিগ্ৰাম। আমাৰ প্ৰাকৃতিক পৰিৱেশত বহুলভাৱে পোৱা মৌলৰ ভিতৰত ইয়াৰ স্থান বিংশসংখ্যক। আনহাতে, মানৱ শৰীৰত ইয়াৰ স্থান দ্বাদশ। কিন্তু বেছি পৰিমাণত আৰ্চেনিক মানৱ দেহৰ বাবে বিষাক্ত। ৫ মিলিগ্ৰামৰ ওপৰত সেৱন কৰিলে ই মানুহৰ মৃত্যু ঘটাব পাৰে।

# অসমত আৰ্চেনিক প্ৰদূষণ
# জাগি উঠিছে মাটিৰ তলৰ নিদ্ৰামগ্ন অসুৰ

✍ ড° শৰৎ ফুকন

নেপালৰ তেৰাই অঞ্চলৰপৰা বিহাৰ আৰু পশ্চিমবংগ হৈ বাংলাদেশলৈকে হিমালয়ৰ পাদদেশৰ এই বিস্তীৰ্ণ সমভূমিৰ বহু অঞ্চলত অগভীৰ ভূ-জলৰ ব্যৱহাৰৰ ফলত হোৱা আৰ্চেনিক প্ৰদূষণে যোৱা কিছু দশক ধৰি ভয়াবহ ৰূপ ধাৰণ কৰিছে। শেহতীয়াকৈ যোৱা কিছু বছৰ ধৰি অসমৰো বিভিন্ন অগভীৰ ভূ-জলত আৰ্চেনিকৰ উপস্থিতি ধৰা পৰিছে। আসাম ট্ৰিবিউনৰ (১৫ ডিচেম্বৰ, ২০১৩) বাতৰি মতে অসমৰ ১৮ খন জিলাৰ মুঠ ৫৬,১৮০ টা খোৱাপানীৰ উৎসৰ ৩০ শতাংশই ইয়াৰ উপস্থিতি বিপজ্জনক মাত্ৰাৰ ওপৰত ধৰা পৰিছে। বাতৰিত আৰু প্ৰকাশ হৈছে যে উজনি মাজুলীৰ পানীত আৰ্চেনিকৰ উপস্থিতিৰ উমান পায়ো বিভাগীয় কৰ্তৃপক্ষই বহুদিনধৰি এই কথা লুকুৱাই ৰাখিছিল (অসমীয়া প্ৰতিদিন, ২৬ মে', ২০১৪)। সেয়ে ৰাইজে নিজে এইক্ষেত্ৰত সচেতন নহ'লে পৰিস্থিতিয়ে এদিন অতি ভয়াবহ ৰূপ ধাৰণ কৰিব। সাধাৰণতে দক্ষিণ এছিয়াত আৰ্চেনিক প্ৰদূষণৰ প্ৰাদুৰ্ভাৱ হিমালয়ৰ পাদদেশৰ কৃষিপ্ৰধান, ঘন জনবসতিপূৰ্ণ, দৰিদ্ৰপীড়িত আৰু অপৰিকল্পিতভাৱে অগভীৰ ভূ-জলৰ ব্যৱহাৰ হোৱা ঠাই কিছুমানতেই দেখা যায়।

ভূত্বকৰ শিলাস্তৰত আৰ্চেনিকৰ সাধাৰণ পৰিমাণ প্ৰতি কিল'গ্ৰাম শিলত মাত্ৰ ১.৫ মিলিগ্ৰাম। আমাৰ প্ৰাকৃতিক পৰিৱেশত বহুলভাৱে পোৱা মৌলৰ ভিতৰত ইয়াৰ স্থান বিংশসংখ্যক। আনহাতে, মানৱ শৰীৰত ইয়াৰ স্থান দ্বাদশ। কিন্তু বেছি পৰিমাণত আৰ্চেনিক মানৱ দেহৰ বাবে বিষাক্ত। ৫ মিলিগ্ৰামৰ ওপৰত সেৱন কৰিলে ই মানুহৰ মৃত্যু ঘটাব পাৰে। কম পৰিমাণে কিছু বছৰ ধৰি আৰ্চেনিক সেৱন কৰিলে মানৱ দেহত নানা জটিলতা তথা লক্ষণে দেখা দিয়ে আৰু ছাল, হৃদযন্ত্ৰ, স্নায়ুতন্ত্ৰ, যকৃত, বৃক্ক আদি অংগৰ ব্যাপক ক্ষতিসাধন হয় (আৰ্চেনিক'চিচ)। প্ৰায় বিশ বছৰমানৰ এনে উদ্ভেদৰ (Exposure) বাবে ছাল, বৃক্ক, হাওঁফাওঁ



আদিৰ কৰ্কট ৰোগে দেখা দিয়ে। বিশ্ব স্বাস্থ্য সংস্থাই পানীত প্ৰতি লিটাৰত ০.০৫ মিলিগ্ৰামতকৈ বেছি আৰ্চেনিক মানৱ দেহৰ বাবে বিপজ্জনক বুলি কৈছিল যদিও ২০০১ ইয়াৰ বিপজ্জনক মাত্ৰা প্ৰতি লিটাৰত ০.০১ মিলিগ্ৰামলৈ কমাই আনে।

ইয়াক সাধাৰণতে ছালফাইড মণিক আৰু ছালফ'লৱণবোৰত বেছি পৰিমাণে পোৱা যায়। লোৰ অক্সাইড মণিকসমূহতো ইয়াক কিছু সমৃদ্ধ অৱস্থাত পোৱা যায়। আগ্নেয় আৰু ৰূপান্তৰিত শিলবোৰত ইয়াৰ পৰিমাণ সাধাৰণতে অতি কম।

গেদীয় শিলত আৰ্চেনিকৰ মাত্ৰা সাধাৰণতে প্ৰকাৰ বিশেষে কম-বেছি হয়। জৈৱিক পদাৰ্থ আৰু ছালফাইড মণিকসমৃদ্ধ বোকা শিল (Shale), লো আৰু ফচফৰাছ সমৃদ্ধ গেদীয় শিল আৰু কয়লাত সাধাৰণতে ইয়াৰ পৰিমাণ বেছি হয়। নদীৰ পলস, হ্ৰদ-বিল আদিৰ গেদত ইয়াৰ পৰিমাণ প্ৰতি কিল'গ্ৰামত ১ৰ পৰা ১৫ মিলিগ্ৰাম মানলৈকে থাকিব পাৰে। জৈৱিক পদাৰ্থৰ পচনৰ ফলত এনে পলস বা গেদৰ পৰা আৰ্চেনিক নিৰ্গত হৈ ভূ-জলত মিহলি হ'ব পাৰে। এনে ভূ-জল খোৱাপানী হিচাপে ব্যৱহাৰ কৰিলে মানুহৰ শৰীৰত আৰ্চেনিকৰ প্ৰৱেশৰ বাট প্ৰশস্ত হয়। কিছু দশকৰ আগলৈকে আৰ্চেনিকযুক্ত কীটনাশক দ্ৰব্য আৰু এন্দুৰ মৰা দৰৱ বিশ্বব্যাপী ব্যৱহাৰ হৈ আহিছিল। এনেবোৰ দ্ৰব্যৰ লগত নানা উদ্যোগিক আৱৰ্জনায়ো মাটি বা পানীত আৰ্চেনিকৰ পৰিমাণ বঢ়াব পাৰে।

হ'লচিন যুগত (প্ৰায় ১২ হেজাৰ বছৰৰ আগৰ পৰা এতিয়ালৈকে সময়ছোৱাক ভূ-তাত্বিকভাৱে হ'ল'চিন বুলি কোৱা হয়। নদীয়ে হিমালয় পৰ্বতমালাৰ পৰা কঢ়িয়াই আনি জমা কৰা বালি আৰু বোকাজাতীয় গেদৰ (Sediment)এক গভীৰস্তৰৰ দ্বাৰা গংগা আৰু ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ নামনি অংশৰ উপৰিভাগ গঠন হৈছে। এই স্তৰটোৰ গভীৰতা বাংলাদেশৰ ফাললৈ ক্ৰমান্বয়ে বেছি। ঠাই বিশেষে এই গেদবোৰত, বিশেষকৈ পৌৰাণিক এৰাসুতিবোৰত বেছি পৰিমাণে জৈৱিক পদাৰ্থ থাকে। বাংলাদেশ আৰু ভাৰতৰ আৰ্চেনিক প্ৰদূষণেৰে আক্ৰান্ত অঞ্চলবোৰৰ অগভীৰ ভূ-জললৈ এনে জৈৱিক পদাৰ্থ সমৃদ্ধ গেদ বা পলসৰ স্তৰসমূহৰ পৰাই আৰ্চেনিক নিৰ্গত হয়। এই নিৰ্গমনৰ ক্ষেত্ৰত প্ৰকৃতিক মানুহৰ অৱদান অধিক। পশ্চিমবংগৰ উত্তৰ ২৪ পৰগনা, দক্ষিণ ২৪ পৰগনা, মুৰ্চিদাবাদ, নাডিয়া আৰু বৰ্ধমান জিলাত ১৯৮০ দশকৰ আৰম্ভণিতেই ভূ-জলত আৰ্চেনিকৰ উপস্থিতি ধৰা পৰিছিল। ২০০১ চনৰ শেষলৈকে এই সমস্যা ৮ খন জিলাৰ ২০৬৫ খন গাঁৱলৈ বিস্তাৰিত হয়। বৰ্তমান ৰাজ্যখনৰ জনসংখ্যাৰ প্ৰায় দহ শতাংশই আৰ্চেনিক প্ৰদূষণৰ কবলত পৰিছে। পশ্চিমবংগত বৰ্তমানলৈ প্ৰায় ২,২০,০০০ জন লোক আৰ্চেনিক'চিচৰ দ্বাৰা আক্ৰান্ত হৈছে।

বাংলাদেশত আৰ্চেনিক প্ৰদূষণৰ ভয়াৱহতা পৃথিৱীৰ ভিতৰতে বেছি। বাংলাদেশৰ মুঠ ১৫০ নিযুত জনসংখ্যাৰ প্ৰায় ৭৭ নিযুত লোকৰ প্ৰায় ২০ নিযুত লোকেই সম্ভৱতঃ আৰ্চেনিকযুক্ত পানী খাবলগীয়া হৈছে। এনেধৰণৰ গণ-বিষক্ৰিয়াৰ নজিৰ পৃথিৱীৰ ইতিহাসতে পাবলৈ নাই। সেয়ে বিশ্ব স্বাস্থ্য সংস্থাই ইয়াক "Largest mass poisoning of a population in history" বুলি অভিহিত কৰিছে।

বাংলাদেশত অগভীৰ নলীনাদ (Shallow tube well) ১৯৪০ চন মানৰপৰাই চেগাচুৰুকাকৈ ব্যৱহাৰ হৈ আহিছিল যদিও গাঁও অঞ্চলৰ ৰাইজে প্ৰধানতঃ পুখুৰী, নৈ আদিৰ পানীকেই খোৱাপানী হিচাপে ব্যৱহাৰ কৰিছিল। ইয়াৰ বাবে খোৱাপানীৰে সোঁচৰা বেমাৰত অতি বেছি হাৰত শিশুৰ মৃত্যু হৈছিল। ইয়াৰ পৰা নিস্তাৰ পাবৰ বাবে ১৯৭০ দশকত বাংলাদেশ চৰকাৰে Unicefৰ সহযোগত বিশুদ্ধ খোৱাপানীৰ সহজলভ্যতাৰ বাবে জনগণলৈ দমকল যোগানৰ আঁচনি আৰম্ভ কৰে। এই দমকলবোৰৰ গভীৰতা সাধাৰণতে কম আছিল (১০-৭৫ মিটাৰ)। Unicef ৰ তথ্য অনুসৰি ১৯৯৭ চন মানতেই বাংলাদেশ প্ৰধানতঃ দমকল স্থাপনৰ যোগেৰে দেশৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশক বিশুদ্ধ খোৱাপানী যোগানত সাফল্যমন্দিত হৈছিল। ইয়াৰ ফলত বাংলাদেশত পানীৰে সোঁচৰা ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা কমি গৈছিল।

কিন্তু বছৰৰ পাছত বছৰৰ ব্যৱহাৰৰ ফলত এই দমকলবোৰে ভূ-পৃষ্ঠৰ তলত থকা হ'ল'চিন যুগৰ জলদায়ী স্তৰবোৰৰ (Aquifer) পানী নিষ্কাশন কৰাৰ ফলত এই গেদবোৰৰ পৰা ভূ-জললৈ আৰ্চেনিক নিৰ্গত হ'বলৈ আৰম্ভ কৰে। ১৯৯৩ চনত প্ৰথমবাৰৰ বাবে দমকলৰ পানীত আৰ্চেনিকৰ বিপজ্জনক উপস্থিতি ধৰা পৰে। ১৯৯৬ চনৰ বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা এটা ৰিপৰ্টত বাংলাদেশৰ বিভিন্ন অঞ্চলৰ সংগৃহীত প্ৰায় ৪০০ দমকলৰ পানীৰ নমুনাৰ আধাভাগতেই আৰ্চেনিকৰ মাত্ৰা ০.০৫ মিলিগ্ৰাম/লিটাৰৰ ওপৰত থকাৰ কথা উল্লেখ আছে। ১৯৯৭ চনত বাংলাদেশ চৰকাৰৰ উদ্যোগত আৰ্চেনিক বিষক্ৰিয়াৰ কবলত পৰা ২০০খন গাঁৱত চলোৱা

আন এটা অধ্যয়নত দেখা গৈছিল যে এই গাঁওসমূহৰপ্ৰায় ৩২৬৫১টা দমকলৰ ৬২%ৰ পানীতে আৰ্চেনিকৰ মাত্ৰা প্ৰতি লিটাৰত ০.১০ মিলিগ্ৰামৰ বেছি। এই গাঁওসমূহৰ মুঠ জনসংখ্যাৰ (৪৬৯৪২৪ জন) ১৮০২ জনৰ দেহত ইতিমধ্যেই আৰ্চেনিক'চিচৰ লক্ষণে দেখা দিছিল। পশ্চিমবংগত এনে লোকৰ সংখ্যা দুই লাখতকৈও বেছি। আৰ্চেনিকৰ প্ৰদূষণ পশ্চিমবংগতকৈ বাংলাদেশত তুলনামূলকভাৱে নতুন। প্ৰায় দহ বছৰমান বিপদসীমাৰ ওপৰত আৰ্চেনিক সেৱন কৰাৰ পাছতহে আৰ্চেনিক'চিচৰ লক্ষণে মানুহৰ শৰীৰত দেখা দিয়ে। সেয়ে অনুমান কৰা যায় যে অদূৰ ভৱিষ্যতে বাংলাদেশৰ আৰ্চেনিক'চিচত ভোগা লোকৰ সংখ্যাই পশ্চিমবংগৰ এনে লোকৰ সংখ্যা সহজেই অতিক্ৰম কৰিব।

আৰ্চেনিক সেৱনৰপৰা দেহত কেন্সাৰ ৰোগে দেখা দিবলৈ প্ৰায় ২০ বছৰ লাগে। সেয়ে, যদিও বৰ্তমানে বাংলাদেশত আৰ্চেনিকৰ সেৱনৰ ফলত অতি কম লোকেহে ছালৰ কৰ্কট ৰোগত ভুগিছে, ভৱিষ্যতলৈ এই ৰোগৰ প্ৰাদুৰ্ভাৱ বাঢ়ি যোৱাৰ সম্ভাৱনা অতি বেছি। ইয়াৰ বাহিৰেও দীঘলীয়া কালৰ বাবে আৰ্চেনিক সেৱনৰ ফলত দেহৰ আভ্যন্তৰীণ অংগ যেনে বৃক্ক, হাওঁফাওঁ আদিৰ কৰ্কট ৰোগত ভোগা লোকৰ সংখ্যাও অদূৰ ভৱিষ্যতে বাঢ়ি যাব। বাংলাদেশৰ অভিজ্ঞতাৰপৰা দেখা গৈছে যে, আচেনিক'চিচত আক্ৰান্ত লোকে কুষ্ঠৰোগীৰ দৰে সামাজিক অৱহেলাৰো সন্মুখীন হয়। অজ্ঞানতাৰ বাবে মানুহে আৰ্চেনিক'চিচ ৰোগটো সোঁচৰা বেমাৰ হিচাপে গণ্য কৰে। ফলত এই ৰোগত আক্ৰান্ত ব্যক্তিক সামাজিকভাৱে বৰ্জন কৰা দেখা যায়। সামাজিক কাম-কাজ, উৎসৱ-পাৰ্বণ আদিত এনে লোকসকলক সাধাৰণতে অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। আৰ্চেনিক'চিচত ভোগা মহিলাসকলৰ ওপৰতো নানা সামাজিক নিৰ্যাতন নামি আহে। এই ৰোগত ভোগা অবিবাহিত মহিলাসকলৰ বিয়া-বাৰুৰ ক্ষেত্ৰত জটিলতা নামি আহে। বিবাহিতা মহিলাই এই ৰোগত ভুগিলে বহু সময়ত স্বামীৰ পৰিয়ালে স্ব-গৃহলৈ উভতাই পঠিয়ায়। আৰ্চেনিক'চিচত ভোগা শিশুৰ ক্ষেত্ৰত স্কুলত গৈ শিক্ষা গ্ৰহণ কৰাত বাধা নামি আহে।

বাংলাদেশৰ এই অভিজ্ঞতাৰ ওপৰত বিশদভাৱে আলোচনা কৰাৰ কাৰণ হ'ল বাংলাদেশ আৰু অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভূ-তাত্বিক গঠন প্ৰায় একে। দুয়োটা অঞ্চলৰ ভূ-ভাগৰ গেদীয় শিলাস্তৰতো গঠিত হৈছে প্ৰধানতঃ হিমালয় পৰ্বতমালাৰ পৰা নদীয়ে কঢ়িয়াই অনা গেদেৰে (Sediment)। ইয়াৰ একেবাৰে ওপৰৰ আস্তৰণটো হৈছে হ'ল'চিন যুগৰ (প্ৰায় ১২০০০ বছৰৰ আগৰপৰা এতিয়ালৈকে) য'ত জৈৱিক পদাৰ্থ সমৃদ্ধ বোকাজাতীয় গেদৰ স্তৰবোৰ আছে; য'ৰ পৰা সাধাৰণতে আৰ্চেনিক ভূ-জললৈ নিৰ্গত হয়। সেয়ে বাংলাদেশৰ অভিজ্ঞতাৰপৰা আমি শিকিবলগীয়া আছে।



আৰ্চেনিক বিষ ক্ৰিয়াৰ লক্ষণ উজনি মাজুলীৰ কিছু অঞ্চলত মানুহৰ দেহত দেখা দিয়াৰ বাতৰি ইতিমধ্যে প্ৰকাশ পাইছে। প্ৰায় ১০ বছৰমান আৰ্চেনিক বিপদমাত্ৰাৰ ওপৰত সেৱন কৰিলে এই লক্ষণবোৰে মানুহৰ গাত দেখা দিয়ে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে অসমত ভূ-জললৈ আৰ্চেনিক নিৰ্গমন হোৱাতো ১০-১৫ বছৰতকৈ বেছি পুৰণি নহয়।

অসমত নদ-নদী, বিল, পুখুৰী আদি উৎসৈনদী বাবে ভূ-জলৰ ব্যৱহাৰ ইমান পুৰণি নহয়। ৮০ৰ দশকলৈকে আমি গ্ৰামাঞ্চলত স্কুল, চিকিৎসালয় বা চৰকাৰী কাৰ্যালয় আদিৰ বাদে দমকলৰ

ব্যৱহাৰ আমি কমেইহে দেখিছিলো। পুখুৰীৰ পানী প্ৰধানতঃ খোৱাৰ বাবে ৰাইজে ব্যৱহাৰ কৰিছিল। খেতিয়ক ৰাইজে মৌচুমীৰ বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি বছৰত প্ৰধানকৈ এবাৰেই ধান খেতি কৰিছিল। আন খেতিৰ বাবেও ঘাইকৈ জান-জুৰি বিল-পুখুৰীৰ পানীয়েই ব্যৱহাৰ কৰিছিল। সেয়ে ভূ-জলৰ ব্যৱহাৰ কম হোৱাৰ বাবে আৰ্চেনিকৰ প্ৰদূষণৰ সম্ভাৱনা নাছিল। এতিয়া মানুহৰ ঘৰে ঘৰে দমকল হৈছে, খেতিৰ কামতো অগভীৰ ভূ-জলৰ ব্যৱহাৰ বাঢ়িছে। এনেদৰে আমি মাটিৰ তলত শুই থকা অসুৰ এটা জগাই লৈছো। অগভীৰ ভূ-জলৰ ব্যৱহাৰ বাঢ়িব যিমানে ন ন ঠাই আৰ্চেনিক প্ৰদূষণৰ কবলত পৰিব। ইয়াৰোপৰি, অসমৰ পানীত লোৰ পৰিমাণ বেছি। পানীত লোৰ পৰিমাণ বেছি হ'লে ইয়াৰ সৈতে আৰ্চেনিক থকাৰ সম্ভাৱনা বাঢ়ে।

ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ কেইবাখনো উপনৈৰ (বুঢ়ীদিহিং, দিচাং, দিখৌ, জাঁজী আৰু কপিলী) অৱবাহিকাসমূহৰ উজনিৰ কিছুমান ঠাইত



পাটকাই পাহাৰ আৰু মেঘালয়ৰ জয়ন্তীয়া পাহাৰত কয়লা খনন হয়। যোৱা কিছু বছৰত ইয়াৰ মাত্ৰা যথেষ্ট বাঢ়িছে। মাৰ্ঘেৰিটাৰ কাষৰ মাকুম কয়লা ক্ষেত্ৰৰ বাদে আন বেছিভাগ ঠাইতে অতি অ-বৈজ্ঞানিকভাৱে কয়লাৰ খনন হয়। বিশেষকৈ, জয়ন্তীয়া পাহাৰৰ কয়লা খননৰ বাবে কপিলী নদীত হোৱা প্ৰদূষণৰ মাত্ৰা অতি বেছি। ইয়াৰ বাবে উমৰাংছুত থকা কপিলী জলবিদ্যুৎ প্ৰকল্পৰ টাৰবাইনসমূহো অতি বেয়াধৰণে ক্ষতিগ্ৰস্ত হৈ পৰিছে। শেহতীয়াকৈ সদৌ ডিমাছা ছাত্ৰ সন্থাৰ অভিযোগৰ ভিত্তিত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে মেঘালয়ৰ কয়লা খনন সাময়িকভাৱে বন্ধ কৰিছে। সদৌ ডিমাছা ছাত্ৰ সন্থা এই পদক্ষেপ অতি প্ৰশংসনীয়। কিন্তু এই বাতৰিয়ে অসমৰ ৰাইজৰ মাজত বিশেষ গুৰুত্ব পোৱা যেন লগা নাছিল। মাজতে দিখৌ নদীৰ পানীৰ ৰং সলনি হোৱা বুলি এটা বাতৰি সংবাদ-পত্ৰত দেখিছিলো। ইয়াৰো কাৰণ দিখৌ নদীৰ অৱবাহিকাৰ নগা পাহাৰ আৰু অসমৰ সীমান্ত অঞ্চলৰ কয়লা খননেই হোৱাৰ সম্ভাৱনা আছে। কয়লাত আৰ্চেনিকৰ মাত্ৰা ভূ-পৃষ্ঠৰ আন শিলতকৈ বেছি। ইয়াৰোপৰি, উত্তৰ-পূৰ্বাঞ্চলৰ কয়লাত চালফাৰৰ পৰিমাণো বেছি। কয়লাত থকা চালফাৰে পানীৰ আম্লিকতা বঢ়াই। এনে পানীয়ে বেছি পৰিমাণে পৰিৱেশৰ বাবে ক্ষতিকাৰক পদাৰ্থ দ্ৰৱীভূত কৰি বোৱাই আনিব পাৰে। সেয়ে অবৈজ্ঞানিক কয়লা খননে এই নদীসমূহৰ নিম্ন অৱবাহিকা অঞ্চলৰ ভূ-জল আৰু মাটিত আৰ্চেনিকৰ পৰিমাণ বঢ়োৱাৰ লগতে আন আন পৰিৱেশজনিত সমস্যাৰ সৃষ্টি কৰাৰো সম্ভাৱনা থাকে। এই ক্ষেত্ৰত গৱেষণাৰ থল আছে। গংগা অৱবাহিকাত (পশ্চিমবংগ আৰু বাংলাদেশৰ) আৰ্চেনিক সমৃদ্ধতাৰ এটা মুখ্য উৎস ৰাজমহল বেচিন আৰু দাৰ্জিলিঙ হিমালয়ৰ কয়লা সমৃদ্ধ গেদীয় শিলাস্তৰসমূহো হ'ব পাৰে বুলি অনুমান কৰা হৈছে।

মৌচুমীৰ বতৰত বৰষুণ আৰু বানে মাটিৰপৰা আৰ্চেনিক বহু পৰিমাণে ধোৱাই নিয়ে বুলি গৱেষণাত প্ৰমাণ হৈছে। অসমৰ নদ-নদীবোৰৰ দাঁতিত থকা মথাউৰিবোৰে বৰষুণৰ পানীৰ নদীমুখী যাত্ৰাত হেঙাৰ আগবঢ়াই। সেয়ে এনে পানীৰ কিছু অংশ দ পথাৰ আদিত জমা হৈ এই অঞ্চলবোৰত আৰ্চেনিকৰ গাঢ়তা বিপজ্জনকভাৱে বঢ়োৱাৰহে আশংকা থাকে।

সেয়ে জোঁৰ পুৰি হাত পোৱাৰ আগতেই অসমৰ ৰাইজে সাৱধানতা গ্ৰহণ কৰিবলৈ হ'ল। এই ক্ষেত্ৰত বিশ্বজুৰি হোৱা গৱেষণাৰ আধাৰত তলত দিয়া সাৱধানতাসমূহৰ কথা ভাবিব পৰা যায়।

(ক) অ-গভীৰ নলীনাদৰ সলনি খোৱা পানীৰ বাবে পুখুৰীৰ পানী বা গভীৰ নদীনাদৰ পানী ব্যৱহাৰ কৰা। অৱশ্যে এই ক্ষেত্ৰত যথেষ্ট সাৱধানতা ল'ব লাগিব। ২০০৪ চনৰ পৰা বাংলাদেশ চৰকাৰে জাতীয় আৰ্চেনিক নিবাৰণ আঁচনি ৰূপায়ণ কৰিছে। এই আঁচনিৰ লক্ষ্য হৈছে গাঁও অঞ্চলৰ ৰাইজৰ খোৱা পানীৰ উৎস অগভীৰ নলীনাদৰপৰা পুনৰ পুখুৰীলৈ পৰিৱৰ্তন কৰা। কিন্তু গৱেষণাৰ পৰা দেখা গৈছে যে এনেকুৱা পুখুৰীবোৰে বহু সময়ত ভালতকৈ বেয়াহে কৰে। সাধাৰণতে দেখা যায় যে এনেকুৱা পুখুৰীবোৰৰ তলিত বহুপৰিমাণে সহজে পচিব পৰা জৈৱিক পদাৰ্থ জমা হয়। জৈৱিক কাৰ্বনৰ পচনৰ ফলত সাধাৰণতে মাটি বা গেদৰ (Sediment) পৰা আৰ্চেনিক পানীত দ্ৰৱীভূত হয়। পুখুৰী বিলাকৰ ওচৰে-পাজৰে ভূ-জল নলীনাদেৰে উত্তোলন কৰিলে এনে পুখুৰীবোৰৰ পানী মাটিৰ তললৈ সোমাই গৈ ভূ-জলৰ আৰ্চেনিকৰ পৰিমাণ বৃদ্ধিত অৰিহণা যোগায়। গভীৰ নলীনাদৰ পানী এই ক্ষেত্ৰত নিৰাপদ। কিন্তু দীৰ্ঘদিন এনে নলীনাদ ব্যৱহাৰ কৰিলে অগভীৰ জলদায়ী স্তৰবোৰৰ (aquifer) পৰা আৰ্চেনিকযুক্ত পানী গভীৰ জলদায়ী স্তৰবোৰলৈ প্ৰৱেশ কৰি ইয়াৰ পানীতো আৰ্চেনিক যোগ কৰাৰ সম্ভাৱনা থাকে।

(খ) খেতি-বাতিৰ বাবে পৰাপক্ষত বৰষুণ নাইবা নদ-নদী, বিল আদিৰ পানী ব্যৱহাৰ কৰাই ভাল। অগভীৰ নলীনাদৰ পানী ব্যৱহাৰ



কৰিলে পথাৰৰ মাটিত আৰ্চেনিক সমৃদ্ধ হোৱাৰ সম্ভাৱনা থাকে। এনেদৰে বাংলাদেশৰ ধান খেতিৰ মাটিত বছৰি প্ৰায় ১৩৬০ টন আৰ্চেনিক যোগ হয়। ধানে মাটিৰ পৰা যথেষ্ট পৰিমাণে আৰ্চেনিক শোষণ কৰে। সেয়ে পানীৰ পৰা নাহিলেও পৰোক্ষভাৱে এই ধানৰ যোগেৰে মানুহৰ শৰীৰলৈ আৰ্চেনিকৰ আগমন ঘটিব পাৰে।

(গ) চৰকাৰে সমগ্ৰ অসমৰ অগভীৰ নলীনাদবোৰৰ পানী পৰীক্ষা কৰাৰ ব্যৱস্থা কৰি যিবোৰ অঞ্চলৰ নলীনাদত আৰ্চেনিক ধৰা পৰে সেই অঞ্চলবোৰত নলীনাদৰ ব্যৱহাৰ বন্ধ কৰি পুখুৰী, নদী বা গভীৰ নলীনাদ আদিৰ পৰা খোৱাপানী যোগানৰ ব্যৱস্থা কৰিব লাগে। যিবোৰ ঠাইত এতিয়ালৈকে আৰ্চেনিক ধৰা পৰা নাই, সেই অঞ্চলবোৰতো এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নলীনাদৰ পানী পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে। ব্যক্তিগত বা সমজুৱা উদ্যোগতো ৰাইজে নলীনাদৰ বিকল্প হিচাপে পুখুৰীৰ পানী ব্যৱহাৰ কৰাৰ কথা ভাবিব পাৰে। পুখুৰীবোৰৰ তলিত যাতে জৈৱিক পদাৰ্থ জমা নহয় তাৰ বাবে চকু দিয়া উচিত।

আৰ্চেনিক প্ৰদূষণে অদূৰ ভৱিষ্যতে অসমত এক জটিল সমস্যা হিচাপে দেখা দিয়াৰ সম্ভাৱনা অতি বেছি। সেয়ে আমি সকলোৱে এতিয়াৰপৰা ইয়াৰ বাবে সাজু হোৱাৰ সময় হ'ল। ৰাইজে চৰকাৰক ইয়াৰ নিবাৰণৰ বাবে সময়োচিত ব্যৱস্থা ল'বলৈ হেঁচা প্ৰয়োগ কৰিব লাগে। জনগণৰ সহযোগিতা নহ'লে চৰকাৰে অকলে বহু আঁচনিৰ সফল ৰূপায়ণ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে, আমি জানো যে বিস্তৃতভাৱে ব্যৱহাৰ হোৱা পাতল পলিথিনৰ বেগবোৰে নলা-নৰ্দমাবোৰ আংশিকভাৱে বন্ধ কৰি গুৱাহাটীৰ জলাবদ্ধতা (Water logging) সমস্যাৰ জটিলতা বৃদ্ধিত যথেষ্ট পৰিমাণে অৱদান যোগাই। চৰকাৰে চেগাচোৰোকাকৈ পলিথিনৰ ব্যৱহাৰ বন্ধ কৰিবলৈ যত্ন কৰি আহিছে যদিও গুৱাহাটীৰ সৰহসংখ্য নাগৰিকৰ সহযোগিতা পোৱা নাই বাবে এইক্ষেত্ৰত সফল হ'ব পৰা নাই। অথচ ইয়াৰ বাবে দুৰ্যোগ নামি আহে নাগৰিকসকলৰ ওপৰতেই। আৰ্চেনিক নিবাৰণৰ ক্ষেত্ৰতো এইকথা সঁচা।

(এই প্ৰবন্ধটো লেখোতে Nature Geoscience, Geochimica at CosmochimicaActa, Environmental Health Perspectives, Bulletin of the World Health Organization আদিত প্ৰকাশ পোৱা কিছু গৱেষণা-পত্ৰ, United States Geological Survey, International Groundwater Resources Assessment Centre, US Environmental Protection Agency আদি সংস্থাৰ কিছু প্ৰতিবেদন আদিৰপৰা সহায় লোৱা হৈছে। এই প্ৰবন্ধটো পূৰ্বে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশ হৈছিল।)

(লেখক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূতত্ত্ব বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক আৰু গ্ৰাম্য বিকাশ মঞ্চৰ এগৰাকী শুভাকাংক্ষী)

যোৱা ডেৰটা দশকত গ্ৰাম্য বিকাশ মঞ্চই মূলতঃ নলবাৰী কামৰূপ (গ্ৰাম্য) আৰু বাক্সা জিলাত ভালেসংখ্যক উন্নয়নমূলক প্ৰকল্প তথা সজাগতা অভিযান ৰূপায়িত কৰি সৰ্বসাধাৰণ ৰাইজৰ ওচৰ চাপিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ স্বেচ্ছাসেৱী সংস্থাটোৱে তাৰ কৰ্মৰ পৰিধি বৃদ্ধি কৰিছে বৰপেটা আৰু গোৱালপাৰা জিলাতো। ইয়াকে লৈ ৰাজ্য তথা দেশৰ সংবাদ মাধ্যমত প্ৰকাশিত হৈছে বিভিন্ন বাতৰি তথা নিবন্ধ। সেই প্ৰকাশিত বাতৰি আৰু নিবন্ধসমূহৰ মাজৰপৰা নিৰ্বাচিত বাতৰি আৰু নিবন্ধসমূহ 'সীৰলু'ৰ পাঠকৰ বাবে আগবঢ়োৱা হ'ল। — সম্পাদক

# কৃষক আৰু কৃষিৰ ভৱিষ্যৎ

✍ দিলীপ চন্দন

**অ**সমৰ কৃষি ক্ষেত্ৰখনত দিনক দিনে বাঢ়িবলৈ ধৰা সমস্যাৰ প্ৰকোপত ইয়াৰ ভৱিষ্যৎ সম্পৰ্কে ডাঙৰ এটা প্ৰশ্নবোধক চিহ্ন উঠিছে। বিগত এটা দশকৰো অধিক কাল, চাবলৈ গ'লে অসমৰ কৃষি ক্ষেত্ৰখনত উৎসাহজনক একোৱেই ঘটা নাই। বৰঞ্চ পূৰ্বতকৈও কেতবোৰ অদ্ভুত, কোনোকালেই নভবা নতুন সমস্যাই ঘেৰাও কৰি ধৰিছে কৃষি ক্ষেত্ৰৰ লগতে সমগ্ৰ কৃষক সমাজকো। বিগত বহু কাল চৰকাৰী পৰ্যায়ত ৰাজ্য আৰু কেন্দ্ৰ উভয় চৰকাৰে অসমৰ কৃষি ক্ষেত্ৰখনক বাৰাম্বাৰ আভুৱা-ভাঁৰিছে। চৰকাৰে তেওঁলোকক কেনেকৈ ঠগি আছে আৰু বঞ্চিত কৰিছে সেই কথা অসমৰ কৃষক সমাজে ঠিকেই বুজি পাইছে। কিন্তু তেওঁলোকৰ হৈ চৰকাৰৰ ঘৰত এইবোৰৰ প্ৰতিবাদ কৰিবলৈ সংগঠিত ৰূপত যেন কোনো

পঞ্জাব-হাৰিয়ানাই ভাতৰ পৰিৱৰ্তে খাই ৰুটি— খেতি কৰি চাউল বেচে অসমত। অসমৰ মানুহৰ খেতিও নাবাঢ়ে, ধানখেতিকো মৰিবলৈ এৰি দিছে।



নাই। নামত কৃষকৰ সংগঠন, ট্ৰেড ইউনিয়নকে ধৰি সামাজিক ভালেমান সংগঠনে কৃষি খণ্ড আৰু কৃষক সমাজৰ হকে কাম কৰা বুলি কৈ থাকে। কিন্তু বাস্তৱত তেওঁলোকৰপৰা কৃষকে পোৱা সহায়-সাৱথি বৰ বিশেষ হিচাপত ধৰিব পৰা বিধৰ নহয়। চাবলৈ গ'লে মুঠ জনসংখ্যাৰ প্ৰায় ২৩০ লাখৰো অধিক লোকে কৃষি কৰ্মৰ সৈতে জড়িত হৈ জীৱন নিৰ্বাহ কৰে। অৰ্থাৎ ৰাজ্যৰ গৰিষ্ঠসংখ্যক ভোটাৰো কৃষক; অথচ সেই বিশাল কৃষক সমাজৰ স্বাৰ্থৰ হকে বা তেওঁলোকক আগুৱাই নিয়াৰ চিন্তা কৰিবলৈ ৰাজ্যৰ ৰাজনৈতিক দল, নামজাদা সামাজিক সংগঠনবোৰ বা যুৱ সংগঠন, কৃষক-শ্ৰমিক সংগঠনবোৰৰ এজেণ্ডা নাই, নাই সময়। মুৰকত নিজৰ দুৰ্ভাগ্যকে দোষ দি লাখ লাখ কৃষকে হতাশাত পতিত হোৱা কৃষি জগতখনলৈ আন কেতবোৰ অগতানুগতিক সমস্যাৰ বোজা কঢ়িয়াই আনিছে। অসমৰ বৌদ্ধিক-চিন্তাশীল মহলৰ মাজতো কৃষি বিষয়টোৱে গুৰুত্ব নাপায়; এই কাৰণে যে তেখেতসকলৰ বেছি অংশৰে খেতি পথাৰৰ সৈতে সম্পৰ্ক কমি যাবলৈ ধৰিছে। এনে বিৰাট প্ৰভাৱশীল এটা মহলৰ চৰ্চাৰ বিষয় নোহোৱাৰ পৰিণতিত কৃষি বিষয়ে ৰাজ্য চৰকাৰৰ ঘৰত প্ৰাপ্য গুৰুত্বখিনি নাপায়। তাৎপৰ্যপূৰ্ণ যে কৃষক সমাজৰ এনে দুৰ্দশাৰ বিষয়ে শেহতীয়াকৈ নলবাৰী জিলাৰ 'গ্ৰাম্য বিকাশ মঞ্চ' নামৰ সংগঠনটোৱে চলোৱা পৰীক্ষা-নিৰীক্ষা, অধ্যয়ন-গৱেষণাই আন ভালেমান ভয়াৱহ দিশৰ



কথাও আঙুলিয়াই দিবলৈ পাৰিছে। যোৱা ২০ জানুৱাৰীত নলবাৰীৰ বাউসী-উদয়পুৰত ৫ খন জিলাৰ বিপৰ্যস্ত প্ৰায় ৩৫০ গৰাকী কৃষকৰ সৈতে মুখামুখি অনুষ্ঠানৰ আয়োজন কৰিছিল গ্ৰাম্য বিকাশ মঞ্চই। এই অনুষ্ঠানত ভাগ লোৱা কৃষক সমাজে কৃষি ক্ষেত্ৰখনৰ প্ৰায় সাৰ্বিক দিশ আৰু স্তৰৰ সমস্যাসমূহো পুংখানুপুংখ ৰূপত দাঙি ধৰিবলৈ পাৰিছিল। মূলতঃ তিনিটা বিষয়— (ক) সাম্প্ৰতিক উন্নয়ন প্ৰক্ৰিয়াত কৃষি আৰু কৃষকৰ নিৰাপত্তা, (খ) কৃষি আৰু বজাৰ, (গ) কৃষি উৎপাদন প্ৰক্ৰিয়াত প্ৰত্যাহ্বান।

এই তিনিটা বিষয়ত দিনজোৰা মত-বিনিময় অনুষ্ঠানটি নিঃসন্দেহে গ্ৰাম্য বিকাশ মঞ্চৰ এক অগতানুগতিক আন্তৰিক প্ৰচেষ্টা। এই অনুষ্ঠানত আলোকপাত কৰা বিষয়বোৰ হৃদয়স্পৰ্শী। কৃষিক উৎপাদন প্ৰক্ৰিয়াৰ ডাঙৰ অংশ বুলি স্বীকৃতি দিয়াৰ পিছতো কৃষকসকলৰে সামাজিক মৰ্যাদা আটাইতকৈ কম। ইফালে উৎপাদন প্ৰক্ৰিয়া অত্যন্ত খৰচী হোৱাৰ বিপৰীতে উপাৰ্জনহে কম। পৰিণতিত আজিৰ নতুন প্ৰজন্মৰ কৃষিকৰ্মৰ প্ৰতি অনীহা ব্যাপক হাৰত বৃদ্ধি পাইছে। বান আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত চৰকাৰৰ সমান্তৰালকৈ পথাৰ পৰিচালনা সমিতিসমূহে লোৱা নিষ্ক্ৰিয় ভূমিকাও হয়তো অন্য এক কাৰণ। বহু ঠাইত আকৌ চৰকাৰী বা বে-চৰকাৰী খণ্ডৰ উদ্যোগত কৃষিভূমি বলপূৰ্বকভাৱে সুমুৱাই লোৱাৰ এটা নতুন ধাৰা



বাঢ়ি আহিছে। ইফালে বজাৰ ব্যৱস্থাটোত অসমৰ কৃষক সমাজক চূড়ান্ত প্ৰতাৰণা কৰা হৈছে। অসমৰ ধান এফ চি আয়ে অসমতে নিকিনে। চাউলহে আনে পঞ্জাৱ-হাৰিয়ানাৰপৰা। ফলত উৎপাদন খৰচৰ সমান বা তাতোকৈ কম মূল্যত অসমৰ কৃষকে মধ্যভোগী দালাল-বেপাৰীৰ হাতত কষ্টৰ ফচল এৰি দিব লাগে। কেৱল ধানেই নহয়; মাছ-মচলাৰপৰা হস্তশিল্প-তাঁতলৈকে। বহু বছৰ ধৰি দৰাচলতে চৰকাৰে নামত দেখুৱাবলৈহে কিবা এটা সৰু অংশ কিনাৰ বাহিৰে কৃষকৰ ফচল কিনা বিষয়টোত পলিচীৰ আধাৰত একো কাম কৰা নাই। ইফালে খেতিয়কৰ শস্য বীমা, পানী, যোগান, কম মূল্যত সাৰৰপৰা কম সুদৰ ঋণলৈকে যিখিনি পৃষ্ঠপোষকতা যিমানধৰণে কৰিব লাগিছিল সেয়াও কৰা নাই। কৰাখিনিও সুষম-সমান নহয়। চেল' টিউবৱেলৰ নামতো একে কথা। ফলত বহু চেল'ৰ মটৰটোৰে ভুটভুটি চলোৱাটোৱে নিয়ম কৰি লোৱা হৈছে। কৃষি বীমাৰ বা বতৰ বীমাৰ সমষ্ট বিষয়টোকে কৃষি বিভাগে হেচা মাৰি থৈছে। ৩০-৩৫ শতাংশহে জলসিঞ্চনৰ সুবিধাপ্ৰাপ্ত। অসমৰ কৃষিকে পঞ্চাশ থাকে; সমস্যা আৰু আনকি সেইবোৰৰ সমাধানৰ উপায়ো আঙুলিয়াই দি থাকে; কিন্তু চৰকাৰহে যিহেতু উপশম বা সমাধানৰ সমস্ত বিষয়বোৰৰ গৰাকী, সেয়ে বছৰ বছৰ ধৰি কৃষকে হতাশাত নিমজ্জিত হৈয়ে থাকে। তেনে পৰিপ্ৰেক্ষিতত 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ কৃষকৰে মুখামুখি অনুষ্ঠানত সমস্যাবোৰ আঙুলিয়াই তাৰ বিষদ আলোচনা তথা ব্যাখ্যা কৰাৰ সমান্তৰালভাৱে সমাধানৰো অজস্ৰ উপায় বহলাই ব্যাখ্যা কৰা হৈছে; অথচ আজি অত বছৰে ৰাজ্য চৰকাৰৰ বিয়াগোম কৃষি বিভাগৰ দ্বাৰা এনেধৰণৰ আলোচনা বা মুকলি মত-বিনিময়ৰ সৰু অনুষ্ঠান এটাকে আয়োজন কৰা নহ'ল। নেতৃত্ব দিয়াতো দূৰৰেই কথা। অসমৰ পি ডি এছ, মিড ডে মিল বা অংগনৱাড়ী আদি চৰকাৰী আঁচনিৰ নামতে ৰাজ্য চৰকাৰে পঞ্জাৱ-হাৰিয়ানাৰপৰা বছৰি সোৱাদ শূন্য ১৩.৫ লাখ মেট্ৰিকটন চাউল কিনে (অসমৰ কৃষকৰপৰা মাত্ৰ ১২ হাজাৰ মেট্ৰিকটন অৰ্থাৎ দশমিক ২ শতাংশহে কিনে)। পঞ্জাৱ-হাৰিয়ানাই ভাতৰ পৰিৱৰ্তে খাই ৰুটি— খেতি কৰি চাউল বেচে অসমত। অসমৰ মাছৰ খেতিও



বছৰ বয়সত পেঞ্চন কিয় পাব নোৱাৰে? সেনা বাহিনীৰ সৰ্বোচ্চ ৫৮ বছৰ চাকৰিৰ বয়সৰ পিছত অৱসৰ হয়, কৃষকৰ স্বাস্থ্য পঞ্চাশ বছৰতে পৰি যায়। তেন্তে তেওঁলোকে পঞ্চাশৰ পিছত পেঞ্চন নাপালে কিহেৰে খাব? কিষাণ ক্ৰেডিট কাৰ্ডখনতো অসমৰ কৃষকৰ হাতত থাকিব লাগে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল— অসমৰ কৃষক সমাজৰ দুখ-দৰ্দশা বা সমস্যাক লৈ ক'ৰবাত কোনোবাই, আনকি অসমৰ মিডিয়ায়ো প্ৰায় নীৰৱচ্ছিন্নভাৱে প্ৰকাশ-প্ৰচাৰ কৰি নাবাঢ়ে, ধানখেতিকো মৰিবলৈ এৰি দিছে। চৰকাৰৰে দালালৰাজৰ জহত একাংশৰ জেপ গৰম হৈছে আৰু লাখ লাখ লোকৰ হা-হুমুনিয়াহ বাঢ়ি অৱশেষত কৃষি অৰ্থনীতিৰ মুদাকে মৰাৰ উপক্ৰম ঘটিছে। এয়ে অসমৰ কৃষকৰ বৰ্তমানৰ অৱস্থা আৰু চৰকাৰৰ বিবেচনা। ইয়াৰ বিকল্প পৰিৱেশ আৰু পৰিত্ৰাণৰ উপায় ক'ত? অসমৰ কৃষি আৰু কৃষকক সমস্যাৰ এনে ধামখুমীয়াৰপৰা নিলগাই পৰিস্থিতি যোগাত্মক কৰাৰ কিবা উপায় দৰাচলতে আছেনে?

উল্লিখিত প্ৰবন্ধটো অসম বাণী ০১ ফেব্ৰুৱাৰী, ২০১৩ তাৰিখে প্ৰকাশিত।

(লেখক অসমবাণী কাকতৰ সম্পাদক তথা এগৰাকী বিশিষ্ট নিবন্ধকাৰ, সাহিত্যিক)

চৰকাৰৰ কৃষি বিভাগে অসমৰ কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন অনা বুলি কৰাৰ দাবী হাস্যকৰ। এইসকল কৃষকৰ অভিজ্ঞতাৰপৰা দেখা গৈছে চৰকাৰে এহাতে প্ৰাকৃতিক দুৰ্যোগৰ মুখত অসমৰ পৰম্পৰাগত কৃষি ব্যৱস্থাৰ ভেটি নাশ হ'বলৈ এৰি দিছে; আনহাতে চৰকাৰী বীজ, সাৰ আদিৰ সাহায্যৰ নামত খেতিয়কক পৰনিৰ্ভৰশীল কৰি কৰ্মোদ্যম-মনোবল হ্ৰাস কৰি পেলাইছে।



# খেতিয়কৰ দুৰ্দশা মচিব কোনে?

✍ **মুনীন বায়ন**

**ত**ৰুণ গগৈ চৰকাৰে সততে দাবী কৰি আহিছে যে বিগত কেইবছৰমানত অসমৰ কৃষি খণ্ডৰ প্ৰভূত উন্নতি হৈছে। বিশেষকৈ ধান উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনে অভিলেষ কৰিছে বুলি বৰ্তমানৰ কৃষি মন্ত্ৰী নীলমণিসেন ডেকাই কৈ আহিছে। অলপতে অসমে ইয়াৰ বাবে কেন্দ্ৰৰপৰা কৃষিকৰ্ম বঁটাও লাভ কৰিছে। কিন্তু চৰকাৰী এই দাবী আৰু সাফল্যৰ পৰিসংখ্যা সত্ত্বেও অসমৰ কৃষি ক্ষেত্ৰত কিয় দিনক দিনে হতাশাই ছানি ধৰিছে সেইটোহে দুৰ্বোধ্য বিষয়। চৰকাৰী জলসিঞ্চন ব্যৱস্থাই অসমৰ কৃষিভূমিৰ এক তৃতীয়াংশকো সামৰি ল'ব পৰা নাই। বাৰিষা এটাৰ পিছত আনটোকৈ কেইবাটাও বানে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিস্তীৰ্ণ অঞ্চলত ধান খেতিৰ ব্যাপক ক্ষতিসাধন কৰে। ভূটান আৰু অৰুণাচল পাহাৰৰ বনাঞ্চল ধ্বংস হোৱাৰ ফলত উত্তৰ পাৰৰ উপনৈসমূহত গেদৰ পৰিমাণ দিনে দিনে বাঢ়ি গৈছে। ইয়াৰ ফলত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ অগভীৰ হৈ পৰিছে। সেয়ে ভূটান-অৰুণাচলৰপৰা নামি অহা খৰস্ৰোতা নদীসমূহ সমতলত পৰাৰ পিছতে দিশহাৰা অৱস্থা হৈ পৰে। ধেমাজিৰপৰা কোকৰাঝাৰ জিলালৈ এতিয়া বহুকেইখন দক্ষিণমুখী নদীয়ে গতি পথ সলনি কৰি তাণ্ডৱ চলোৱাটো স্বাভাৱিক ঘটনা হৈ পৰিছে। ভূটান আৰু অৰুণাচলৰ ঠিক নামনিত পানীৰ নাটনি অৰ্থাৎ খৰাং, একেবাৰে নামনিত বান আৰু বালিচৰ খেতিয়কৰ বাবে প্ৰধান সমস্যা হৈ পৰিছে। জলসিঞ্চন ব্যৱস্থা নথকা অসমৰ উত্তৰ পাৰৰ খেতিয়কৰ বাবে বান আশীৰ্বাদ আৰু অভিশাপো হৈ পৰিছে। এনে প্ৰতিকূল পৰিৱেশৰ মাজতো অসমৰ খেতিয়কে যোৱাকেইটা বছৰত ধান উৎপাদনত যথেষ্ট কৃতিত্ব দেখুৱাইছে। কিন্তু এই কৃতিত্বৰ কিমানখিনি অসমৰ কৃষি বিভাগ ভাগীদাৰ সেই বিষয়ে সন্দেহ আছে। অসম চৰকাৰে কিছুমান খেতিয়কক মাটি চহ কৰিবলৈ

পাৰাৰ টিলাৰ, পানী যোগানৰ বাবে পাম্প দিছে। কিন্তু অসমৰ গ্ৰামাঞ্চলত কেইঘণ্টা বিদ্যুৎ থাকে? ডিজেলো দিনে মহাৰ্ঘ হৈ পৰিছে। খেতিয়কে কৃষি বিভাগৰ বীজ প্ৰয়োজন মতে আৰু সময়মতে নাপায়। সাৰৰ ক্ষেত্ৰতো প্ৰয়োগবিধি সম্পৰ্কে বহু খেতিয়কক কৃষি বিভাগৰ লোকে সচেতন কৰাত ব্যৰ্থ হৈছে। ইমান আহুকালৰ মাজত খেতিয়কে ফচল পালেও ক'ত বিক্ৰী কৰিব তাকে লৈ সমস্যাত পৰে। তিনিটকীয়া আৰু দুটকীয়া চাউলৰ বাবে অসমৰ বজাৰত স্থানীয় ধানৰ চাহিদা কমি গৈছে। এই পৰিস্থিতিৰ পূৰ্ণ সুযোগ লৈছে দালাল আৰু ব্যৱসায়ীয়ে। চৰকাৰে ধানৰ ন্যূনতম সমৰ্থনমূল্য এটা ধৰি দিছে। পিছে এই সমৰ্থনমূল্যৰ আধাও খেতিয়কে বজাৰত নাপায়। নানা ছল-চাতুৰীৰে সেই ধান পানীৰ দামত কিনি দালালে উচিত দামত খাদ্য নিগমক নাইবা মুকলি বজাৰত বিক্ৰী কৰিছে।



**গ্ৰাম্য বিকাশ মঞ্চ ঃ** অলপতে নলবাৰীৰ বৰভাগ অঞ্চলৰ 'গ্ৰাম্য বিকাশ মঞ্চ' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠান এটাই নলবাৰী, বাক্সা, কামৰূপ (গ্ৰাম্য) আৰু দৰং জিলাৰ তিনি শতাধিক খেতিয়কক বাউসী-উদয়পুৰৰ পথাৰত সমবেত কৰি তেওঁলোকৰ সমস্যা আৰু দুখ-দুৰ্দশাৰ বুজ ল'বলৈ সংবাদ মাধ্যমৰ কিছুসংখ্যক লোকক সুযোগ দিছিল। সেই আলাপ আৰু মত-বিনিময়ত এই কৃষি প্ৰধান অঞ্চলটোৰ খেতিয়কসকলৰ দুৰ্দশাৰ যিখন ছবি ফুটি উঠিল; সেয়া উদ্বেগজনকেই নহয়, মৰ্মান্তিকো। এই খেতিয়কসকলৰ বেছিভাগেই ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক। তেওঁলোকৰ মাটিৰ পৰিমাণ গড়ে ৮ বিঘাতকৈ বেছি নহ'ব। ইমান কম পৰিমাণৰ মাটিত আধুনিক, যান্ত্ৰিক উপায়েৰে খেতি কৰাতো সম্ভৱ নহয়। আনহাতে, চৰকাৰী যিকণ সা-সুবিধা আছে সেয়াও স্থানীয় কংগ্ৰেছী নেতা-দালালৰ উৎপাতত সহজলভ্য নহয়। জিলাকেইখনৰ খেতিয়কসকলৰ বেছিভাগৰেই পৰম্পৰাগত বৃত্তি খেতি। কিন্তু তেওঁলোক আজিও পাগলাদিয়া, বৰলীয়া, পুঠিমাৰীৰ পানীৰ ওপৰত নিৰ্ভৰশীল। বাৰিষা বান আৰু খৰালি; বিশেষকৈ, উত্তৰাঞ্চলত খৰাং অঞ্চলটোৰ নিয়তি। জিলাকেইখনৰ বেছিভাগ ঠাইতে তিনিটা খেতি দূৰৈৰ কথা; দুটা খেতিও সুকলমে কৰিব নোৱাৰি। বাক্সাৰ উত্তৰাঞ্চলৰ ভীম ভট্টৰায় নামৰ খেতিয়কজনে ক'লে— উত্তৰাঞ্চালত পানীৰ অভাৱ বাৰ মাহে থাকে। নিজৰাৰ পানীয়েই হৈছে অঞ্চলবাসীৰ ভৰসা। খৰালি গাঁওবাসীয়ে পাগলাদিয়াত বান্ধ দি পানী ধৰি ৰখাৰ ব্যৱস্থা কৰে। বাৰিষা ওপৰৰপৰা হিল-দল ভাঙি নামি অহা পানীয়ে সেইবোৰ উটুৱাই লৈ যায়। তেনেদৰে অহা পাহাৰৰ পানীয়ে অঞ্চলটোৰ উপৰিভাগৰ উৰ্বৰতা বহুখিনি নাশ কৰি পেলাইছে। বাক্সাৰ উত্তৰাঞ্চলত এতিয়াও খেতিয়কে খৰালি মাত্ৰ এটা খেতিহে কৰে। নিকাচি-আৰামপুৰৰ দমৰ ভাটৰায় আৰু ভূটানখুটিৰ কমল শৰ্মাৰ অভিজ্ঞতাও এনেধৰণৰ। কমল শৰ্মা আৰু বঙিয়াৰ ভৈৰাৰ বীৰেণ দাসে কৃষি বিভাগৰ বিষয়ববীয়াৰ অৱহেলা আৰু কাণ্ডজ্ঞানহীনতাৰ উদাহৰণ দি ক'লে— খেতিয়কে পাচলিৰ বাবে মাটি চহায় কাতি মাহতে। কিন্তু আঘোণলৈ কৃষি বিভাগৰ বীজ আহি নাপায়। দৰাচলতে অঞ্চলটোৰ বেছিভাগ খেতিয়কৰে এটাই অভিযোগ— চৰকাৰী বীজ সময়মতে নাপায়। পৰিহাসৰ কথা এয়ে যে অঞ্চলটোত কৃষি মন্ত্ৰী নীলমণিসেন ডেকাৰ সমষ্টি ধৰ্মপুৰো পৰে। আন এটা সমস্যা হ'ল কৃষি বিভাগৰ বীজ প্ৰায়ে উন্নতমানৰ নহয়। কেতিয়াবা এনে বীজৰপৰা ফল নহ'লেও





**সেই আলাপ আৰু মত-বিনিময়ত এই কৃষি প্ৰধান অঞ্চলটোৰ খেতিয়কসকলৰ দুৰ্দশাৰ যিখন ছবি ফুটি উঠিল; সেয়া উদ্বেগজনকেই নহয়, মৰ্মান্তিকো। এই খেতিয়কসকলৰ বেছিভাগেই ক্ষুদ্ৰ আৰু উপান্ত খেতিয়ক। তেওঁলোকৰ মাটিৰ পৰিমাণ গড়ে ৮ বিঘাতকৈ বেছি নহ'ব। ইমান কম পৰিমাণৰ মাটিত আধুনিক, যান্ত্ৰিক উপায়েৰে খেতি কৰাতো সম্ভৱ নহয়। আনহাতে, চৰকাৰী যিকণ সা-সুবিধা আছে সেয়াও স্থানীয় কংগ্ৰেছী নেতা-দালালৰ উৎপাতত সহজলভ্য নহয়।**

●●●

কৃষি বিভাগৰ বিষয়াক জবাবদিহি কৰাৰ উপায় নাই। তেনে পৰিস্থিতিত ধন-বিত খৰচ আৰু কঠোৰ পৰিশ্ৰম কৰি খেতি কৰা পণ্ডশ্ৰম হয়।

বৰভাগ, বৰলীয়া অঞ্চলৰ খেতিয়কসকলৰ আন এটা সমস্যা হ'ল বাৰমহীয়া বান। পশ্চিমখাতাৰ কালাকুছিৰ জলিলুৰ ৰহমানে কোৱা মতে, ১৯৬০ চনৰ আগতে অঞ্চলটোত বান নহৈছিল। গতিকে খেতি হৈছিল যথেষ্ট। ১৯৬২ চন মানৰপৰা অঞ্চলটোত বানে সমস্যাৰ সৃষ্টি কৰিবলৈ ধৰে। ১৯৮৪ চনত জাহাজানৰ বান্ধ হোৱাৰ পিছত বিশেষকৈ সতাৰকুৰ আৰু কাৱৈমাৰী জানৰ মুখ বন্ধ কৰি দিয়াৰ পিছত অঞ্চলটোৰ বাসিন্দাসকলৰ অৱস্থা অৱৰ্ণনীয় হৈ পৰে। এতিয়া বহু খেতিয়কে খৰালি কাললৈ বন্ধ হৈ ৰৈ যোৱা পানীৰ বাবে পৰম্পৰাগত খেতি এৰি মৎস্য পালনত লাগি পৰিছে। এই দুৰ্গত খেতিয়কসকলক মৎস্য পালনত উৎসাহ আৰু সাহায্য দিবলৈ চৰকাৰী বিভাগৰ আহৰি নাই। তেওঁলোকে নিজাববীয়াকৈ এই প্ৰাকৃতিক দুৰ্যোগৰ সৈতে নিজৰ জীৱন-জীৱিকা পৰিৱৰ্তন কৰি লৈছে। নিজ বাঁহজানীৰ ভেলেবাৰীৰ বিনীতা তালুকদাৰ নামৰ মহিলাগৰাকীয়ে দুৰ্দশাৰ কথা বৰ্ণনা কৰি ক'লে— 'আমি এতিয়াও পানীৰ মাজতে আছো।'

এনে এক পৰিস্থিতিত চৰকাৰৰ কৃষি বিভাগে অসমৰ কৃষি খণ্ডৰ আমূল পৰিৱৰ্তন অনা বুলি কৰাৰ দাবী হাস্যকৰ। এইসকল কৃষকৰ অভিজ্ঞতাৰপৰা দেখা গৈছে চৰকাৰে এহাতে প্ৰাকৃতিক দুৰ্যোগৰ মুখত অসমৰ পৰম্পৰাগত কৃষি ব্যৱস্থাৰ ভেটি নাশ হ'বলৈ এৰি দিছে; আনহাতে চৰকাৰী বীজ, সাৰ আদিৰ সাহায্যৰ নামত খেতিয়কক পৰনিৰ্ভৰশীল কৰি কৰ্মোদ্যম-মনোবল হ্ৰাস কৰি পেলাইছে। স্থানীয় ক্ষুদ্ৰ খেতিয়কসকল এতিয়া উভয় সংকটত পৰিছে। খেতিয়কসকলক ৰসায়নিক সাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰশিক্ষিত কৰি নোতোলাত আৰু সময়মতে উন্নতমানৰ বীজ যোগান নধৰাত উপযুক্ত ফচল সম্ভৱ হোৱা নাই। দ্বিতীয়তে ছেগা-চোৰোকাকৈ ৰসায়নিক সাৰৰ ব্যৱহাৰৰ বাবে খেতি পথাৰৰ উৰ্বৰতাৰ নাটনি হোৱাত স্থানীয় জাতৰ ধান ৰুবলৈ ইচ্ছুক নহয়। কিন্তু ইমান প্ৰতিকূলতাৰ মাজতো দুই-এক জৈৱিক পদ্ধতিৰে স্থানীয় জাতৰ ধানৰ খেতি কৰাটো প্ৰশংসনীয় কথা। পূব অৰবাৰ বসন্ত ভৰালী আৰু বাঁহজানীৰ অৰুণ ৰাজবংশীৰ দৰে খেতিয়কে এতিয়াও জৈৱিক পদ্ধতিৰে খেতি কৰি স্থানীয় জাতৰ আইজুং ধানৰ প্ৰচুৰ

উৎপাদন লাভ কৰিছে। কিন্তু এনে খেতিয়কক উৎসাহিত কৰিবলৈ আমাৰ কৃষি বিজ্ঞানী বা চৰকাৰী বিষয়াৰ সামান্যতমো আগ্ৰহ নাই।

**পৰমুখাপেক্ষিতা ঃ** তথাকথিত আৰ্থিক উদাৰ নীতিৰ জৰিয়তে ভাৰতৰ দৰে কৃষিপ্ৰধান আৰু কৃষিনিৰ্ভৰ দেশ এখনৰ বিশাল আৰু বৈচিত্ৰ্যপূৰ্ণ কৃষি ব্যৱস্থাটোৰ বহুৰাষ্ট্ৰীয় সংস্থা আৰু 'বিজ্ঞানী'ৰ মুখাপেক্ষী হ'বলৈ এৰি দিয়া হৈছে। এনে টেকন'ক্ৰেট নিৰ্ভৰ আৰু বিজ্ঞানসন্মত কৃষি পদ্ধতিৰ ভয়াৱহতা সম্পৰ্কে বিজ্ঞানী আৰু পৰিৱেশকৰ্মী বন্দনা শিৱাই গভীৰ সাৱধানবাণী শুনাইছে। জিন প্ৰযুক্তিৰ সহায়ত উচ্চ ফলদায়ক বীজ প্ৰস্তুত কৰাৰ প্ৰসংগত তেওঁ কৈছে যে এটা প্ৰজাতিৰপৰা আন এটা প্ৰজাতিলৈ জিন স্থানান্তৰ কৰি বিজ্ঞানীয়ে নতুন কিছুমান অজ্ঞতাৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে স্বাভাৱিক অৰ্থাৎ প্ৰাকৃতিক বীজৰপৰা খেতি কৰা খেতিয়ক এজনে তেনে বীজৰ পৰাগ সংযোগৰপৰা শংকা কৰিবলগীয়া নহয়; এই বাবেই যে তেনে বীজৰপৰা বিক্ৰিয়া হোৱাৰ সম্ভাৱনা শূন্য। প্ৰাকৃতিক বীজৰ ক্ষেত্ৰত কিয় তেনে হয় সেই কথা খেতিয়কজনে নাজানিলেও ক্ষতি নাই। কিয়নো সেয়া যুগ-যুগান্তৰৰ আমাৰ পাৰিপাৰ্শ্বিক বংশবৃদ্ধিৰেই পৰিণতি। কিন্তু জৈৱ প্ৰযুক্তিৰে নতুন বীজ উদ্ভাৱনাৰ লগে লগে এনে বীজে মাটিৰ জৈৱতাত কি প্ৰভাৱ পেলাব সেয়াও জানিব লাগিব। সেই বীজৰ পৰাগৰেণুত মৌ পৰিলে তাৰ পৰা কি উপাদান মৌৰসলৈ আহিব? সেই মৌ খালে গৰ্ভৱতী মহিলাৰ সন্তানৰ কি ক্ষতি হ'ব? অৰ্থাৎ আধুনিক প্ৰযুক্তি নিৰ্ভৰ বিজ্ঞানেই এনেদৰেই অজ্ঞতাৰ সাগৰ এখন সৃষ্টি কৰিছে। সেই বিশাল অজ্ঞতাৰ সুযোগ লৈ তেওঁলোকে চলাই গৈছে জ্ঞানৰ একনায়কত্ব (Knowledge Dictatorship)। গতিকে এজন সাধাৰণ খেতিয়কৰ মৃত্যু বা তেওঁৰ বৃত্তি সলনিৰ লগে লগে নোহোৱা হৈ গৈছে পৰম্পৰাগত জ্ঞানৰ একো-একোটা অমূল্য ভাণ্ডাৰ। ভাৰতৰ আন ৰাজ্যত বিশেষকৈ য'ত বৃহৎ ভূ-স্বামী আৰু ধনী খেতিয়ক আছে; তাত যান্ত্ৰিক উপায়ে কৃষি উৎপাদন বৃদ্ধি কৰি উদাৰ আৰ্থিক নীতিয়ে কৃষিৰ 'বৈপ্লৱিক ৰূপান্তৰ' আনিছে। কিন্তু তাৰ সুযোগ ল'ব নোৱাৰা দুখীয়া খেতিয়ক তথা অসমৰ দৰে ক্ষুদ্ৰ কৃষকপ্ৰধান ৰাজ্যত খেতিয়কসকলক লাওলোৱা কৰিছে। কেৱল সেয়ে নহয়, পৰম্পৰাগত কৃষি ব্যৱস্থাৰ ভিকাচন ভাগিছে।

কৃষি ব্যৱস্থাৰ এনে অধঃপতনেৰে মনমোহন সিঙৰ চৰকাৰে ভাৰতৰ পৰম্পৰাগত খাদ্য-শৃংখল নষ্ট কৰি পেলাইছে। পূৰ্বতে কৃষি ব্যৱস্থাৰ লক্ষ্য আছিল দেশবাসীৰ খাদ্য নিৰাপত্তা নিশ্চিত কৰা। এতিয়া বিশ্ববেংকৰ নিৰ্দেশিত খেতিয়কৰ কাম হৈছে ৰপ্তানিৰ ব্যৱস্থা কৰা। তাৰ বাবে 'অযোগ্য' খেতিয়কে খেতি পথাৰ এৰিলে বা আত্মহত্যা কৰিলে চৰকাৰৰ গৰজ নাই। তাৰ পৰিৱৰ্তে চৰকাৰৰ দায়িত্ব হৈছে দুখীয়াক লক্ষ্য কৰা আৰু খাদ্য যোগান ধৰা। দুটকীয়া চাউল, ছটকীয়া চাউলৰ মহিমা ইয়াতেই। ইয়াৰ জৰিয়তে ভোটো নিশ্চিত হ'ব আৰু বহুৰাষ্ট্ৰীয় সংস্থাকো সন্তুষ্ট কৰি ৰাখিব পৰা যাব।

বৰভাগ, বৰলীয়া অঞ্চলৰ খেতিয়কসকলৰ আন এটা সমস্যা হ'ল বাৰমহীয়া বান। পশ্চিমখাতাৰ কালাকুছিৰ জলিলুৰ ৰহমানে কোৱা মতে, ১৯৬০ চনৰ আগতে অঞ্চলটোত বান নহৈছিল। গতিকে খেতি হৈছিল যথেষ্ট। ১৯৬২ চন মানৰপৰা



অঞ্চলটোত বানে সমস্যাৰ সৃষ্টি কৰিবলৈ ধৰে। ১৯৮৪ চনত জাহাজানৰ বান্ধ হোৱাৰ পিছত বিশেষকৈ সতাৰকুৰ আৰু কাৰৈমাৰী জানৰ মুখ বন্ধ কৰি দিয়াৰ পিছত অঞ্চলটোৰ বাসিন্দাসকলৰ অৱস্থা অৱৰ্ণনীয় হৈ পৰে।

নিবন্ধটো 'দৈনিক অসম' কাকতত, ০১ ফেব্ৰুৱাৰী, ২০১৩ তাৰিখে প্ৰকাশিত হৈছে।

(লেখক 'দৈনিক অসম' কাকতৰ কাৰ্যবাহী সম্পাদক তথা এগৰাকী বিশিষ্ট নিবন্ধকাৰ)



# এখন পথাৰত কৃষকৰ আৰ্তনাদ

*...বাউসী-উদয়পুৰৰ পথাৰত কলপাতৰ ছালিৰে সজা প্ৰকাণ্ড ৰভাৰ তলত সমৱেত হৈছিল কৃষকসকল। ৰভাৰ একাষে এখন চালুকীয়া প্ৰদৰ্শনী; য'ত কিছুমান হৃদয়স্পৰ্শী মন্তব্যৰ প্ৰদৰ্শন কৰা হৈছিল আধুনিক সমাজত ক্ৰমান্বয়ে উপেক্ষিত হ'বলৈ ধৰা কেকোঁৰা নাঙল, জাকৈ-শালৈকে ধৰি মাছ মৰা আহিলা, তাঁতশাল, বাঁচ-উঘা-চেৰেকী আদি। এইবোৰেইতো আমাৰ কৃষ্টি; ইয়াৰ আধাৰতে সৃষ্টি হৈছিল বৰ্ণিল অসমীয়া সংস্কৃতি। প্ৰদৰ্শনীখনত সেই অনাদৃত সম্পদৰ মুখেৰে প্ৰশ্ন কৰোৱা হৈছে— 'আমাৰ কি হ'ব?'*

✍ সঞ্জীৱ কুমাৰ ফুকন

**সা**ংবাদিকতা সূত্ৰে ৰাজ্যৰ পৰিস্থিতিৰ বিষয়ে ভূ-ৰখা বাবে আমি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ কৃষকৰ বহু সমস্যাৰ বিষয়ে গম পাওঁ। গ্ৰাম্য বিকাশ মঞ্চ নামৰ নলবাৰীৰ এটা স্বেচ্ছাসেৱী সংস্থাই কিছুদিনৰ আগতে সেই অঞ্চলৰ কৃষকৰ অৱস্থাৰ বুজ ল'বলৈ আমাক পথাৰ আৰু কৃষকৰ মাজলৈ লৈ গৈছিল। তেওঁলোকে আমাক প্ৰদৰ্শন কৰিছিল এখন চুটি তথ্যচিত্ৰ। সিদিনা প্ৰদৰ্শিত তথ্যচিত্ৰখন নলবাৰী আৰু বাক্সা জিলাৰ কৃষকৰ মৰ্মন্তুদ অৱস্থা প্ৰদৰ্শন কৰা হৈছিল। এফালে বাৰিষাৰ কেইবাটাও বানত জুৰুলা হয় নলবাৰী জিলাৰ বৃহৎ অংশৰ পথাৰ; আনফালে ভূটান সীমান্তৰ বাক্সা জিলাৰ কৃষক দুৰ্দশাগ্ৰস্ত হয় খৰাং পৰিস্থিতিত পৰি। সেইসকল কৃষকে বিভিন্ন জান-জুৰি, জলশায়ৰপৰা 'ডোং বান্ধ'ৰ জৰিয়তে কৃষিভূমিলৈ পানী বোৱাই নিয়ে। কিন্তু বিভিন্ন প্ৰতিকূল অৱস্থাত পৰি মাজে মাজে এই 'ডোং বান্ধ'বোৰ নষ্ট হৈ কৃষকক সমস্যাত পেলায়, কৃষি বিঘ্নিত হয়। গ্ৰাম্য বিকাশ মঞ্চই বিনষ্ট হোৱা ডোং বান্ধ পৰিষ্কাৰ কৰি, ঠায়ে ঠায়ে খাল খান্দি কৃষি পথাৰলৈ নতুন সুঁতিৰ সৃষ্টি কৰি শ্লুইচ গে'ট স্থাপন কৰি কৃষকক সকাহ দিছে। বন্যাক্ৰান্ত এলেকাবোৰতো তেওঁলোকে কৃষি বিকাশৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰিছে। একো একোবিধ পাচলিৰ নামেৰে একোখন গাঁৱৰ নামকৰণ কৰি উৎপাদন বৃদ্ধিৰ প্ৰয়াস কৰিছে (যেনে— জলকীয়া গাঁও, বেঙেনা গাঁও, আদা গাঁও আদি)। এনেদৰেই প্ৰকৃতিৰ বিৰুদ্ধে যুঁজিও কৃষকে উৎপাদন কৰিছে। কিন্তু সেই উৎপাদনৰ মূল্য আছেনে? সেই হাৰভগা শ্ৰমৰ মৰ্যাদা আছেনে? গ্ৰাম্য বিকাশ মঞ্চই কৃষকৰ দুখ-সুখৰ সমভাগী হৈ থকাৰ সময়ত কৃষকৰ বহু প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছে। এবিঘা মাটিত এটা খেতি কৰিবলৈ যাওঁতে হাল বোৱা, পাম্পছেট, ট্ৰেক্টৰ-পাৱাৰ টিলাৰৰ ইন্ধন কিনা, সাৰ ঔষধ দিয়া, বীজ, ৰোৱনী, দাৱনী সকলো খৰচ মিলাই বৰ্তমান মূল্যত প্ৰায় ৬ হাজাৰ টকা ব্যায় হয়। উৎপাদন হয় দহৰপৰা পোন্ধৰ মোন ধান। সেই ধান বিক্ৰী কৰিলে পায় মোনত তিনিশৰপৰা তিনিশ ত্ৰিশ টকা। তেনেহ'লে

হাৰক মাটি কৰি, তেজক পানী কৰি তেনে খেতি কৰাৰ লাভ কি? এই প্ৰশ্নৰ উত্তৰ গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱকসকলৰ হাতত নাই। তেওঁলোকৰ হাতত নাই সহজলভ্য ধনৰ আশাত দৌৰা নতুন পুৰুষক পথাৰলৈ আকৃষ্ট কৰাৰ মন্ত্ৰ। সেই কাৰণে তেওঁলোকে আমাক অৰ্থাৎ গুৱাহাটীৰ বিভিন্ন সংবাদ মাধ্যমত কৰ্মৰত সাংবাদিক কেইগৰাকীক লৈ গৈছিল বাউসী-উদয়পুৰৰ পথাৰলৈ, কৃষকসকলৰ মাজলৈ...।

...বাউসী-উদয়পুৰৰ পথাৰত কলপাতৰ ছালিৰে সজা প্ৰকাণ্ড ৰভাৰ তলত সমৱেত হৈছিল কৃষকসকল। ৰভাৰ একাষে এখন চালুকীয়া প্ৰদৰ্শনী; য'ত কিছুমান হৃদয়স্পৰ্শী মন্তব্যৰ প্ৰদৰ্শন কৰা হৈছিল আধুনিক সমাজত ক্ৰমান্বয়ে উপেক্ষিত হ'বলৈ ধৰা কেকোঁৰা নাঙল, জাকৈ-শালৈকে ধৰি মাছ মৰা আহিলা, তাঁতশাল, ধাঁচ-উঘা-চেৰেকী আদি। এইবোৰেইতো আমাৰ কৃষ্টি; ইয়াৰ আধাৰতে সৃষ্টি হৈছিল বৰ্ণিল অসমীয়া সংস্কৃতি। প্ৰদৰ্শনীখনত সেই অনাদৃত সম্পদৰ মুখেৰে প্ৰশ্ন কৰোৱা হৈছে— 'আমাৰ কি হ'ব?' এনেদৰে ৰভাৰ তলত সমৱেত এই কৃষকসকলেও আমাক প্ৰশ্ন কৰিছিল আমাৰ কি হ'ব? 'গ্ৰাম্য বিকাশ মঞ্চ'ই সিদিনা আয়োজন কৰা অনুষ্ঠানটোৰ শিৰোনাম দিয়া হৈছিল 'গ্ৰামাঞ্চলৰ কৃষিভিত্তিক অৰ্থনীতি ঃ সংকট,



প্ৰত্যাহ্বান আৰু সম্ভাৱনা' —শীৰ্ষক কৃষক-সংবাদসেৱীৰ মুখামুখি অনুষ্ঠান। সমৱেত কৃষকসকলক তিনিটা ভাগত বিভক্ত কৰি তিনিটা পৃথক বিষয়ৰ আলোচনা হৈছিল— 'কৃষি আৰু বজাৰ', 'কৃষি উৎপাদন প্ৰক্ৰিয়াত প্ৰত্যাহ্বান' আৰু 'কৃষি আৰু নিৰাপত্তা'। বিষয়কেইটা গুৰুত্বপূৰ্ণ। কৃষি উৎপাদন ব্যৱস্থাটোত প্ৰাকৃতিক দুৰ্যোগৰ বাধাৰ লগতে উৎপাদন ব্যয়ৰ অভাৱনীয় বৃদ্ধিয়ে কৃষকক কোঙা কৰাৰ মাজতে অন্যতম গুৰুতৰ সমস্যা হৈ পৰিছে বীজৰ সমস্যা। বৰ্ণশংকৰ বীজে থলুৱা পৰম্পৰাগত বীজেৰে কৰা কৃষি ব্যৱস্থাটোক মৃতপ্ৰায় কৰাৰ পিছত এতিয়া কৃষকে বীজৰ বাবে হাহাকাৰ কৰিবলগীয়া হয়। সময়মতে বীজ নাপায়, মানসম্পন্ন বীজ নাপায়। এশ-এবুৰি সমস্যা অতিক্ৰম কৰি পথাৰত ফচলখিনি উৎপাদন কৰাৰ পিছত আহি পৰে বজাৰৰ সমস্যা। ধান ক্ৰয়ৰ চৰকাৰী ব্যৱস্থাটোৱেই এটা প্ৰহসন। ৰাজ্যৰ ৯০ শতাংশ কৃষকেই প্ৰত্যক্ষভাৱে চৰকাৰী ক্ৰয় ব্যৱস্থাত ধান বিক্ৰী কৰাৰ সুযোগ নাপায়। চৰকাৰে ঘোষণা কৰা ক্ৰয়ৰ ন্যূনতম সমৰ্থনমূল্যও মিথ্যাচাৰৰ বাদে আন একো নহয়। চৰকাৰে ঘোষণা কৰা মূল্যৰ আধাও কৃষকে নাপায়। ফলত বহু কৃষকৰ তিনি বছৰপৰ্যন্ত উৎপাদিত ধান ভঁৰালতে জমা হৈ থাকে। অন্যান্য কৃষি সামগ্ৰীৰ বজাৰখনতো মধ্যভোগীৰ ৰাজত্ব। আনহাতে, কৃষকৰ নিৰাপত্তা; এককথাত ক'বলৈ হ'লে ৰাজ্যত অৰ্থনৈতিকভাৱে আটাইতকৈ নিৰাপত্তাহীন শ্ৰেণীটোৱেই হ'ল কৃষক। চৰকাৰী কৰ্মচাৰীয়ে ছঘণ্টা অফিচত কটালেই দৰমাহা পায়, বোনাচ পায়, পেন্সন পায়, গ্ৰেচুইটি পায়; কিন্তু কৃষকে পুৱাৰপৰা গধূলিলৈ পথাৰত শ্ৰম কৰি কি পায়? কৰ্মক্ষম দিনকেইটা পাৰ হোৱাৰ পিছত তেওঁৰ উপাৰ্জনৰ উৎস কি হ'ব? বিভিন্ন দুৰ্যোগত পথাৰৰ ফচল নষ্ট হয়, হাৰভগা শ্ৰম অথলে যায়। এই শ্ৰম, এই ক্ষতিৰ ক্ষতিপূৰণ কৃষকজনে ক'ৰ পৰা পাব? —এই প্ৰশ্নৰ উত্তৰ নাই। এইবিলাক বিষয়ত কৃষকৰ উন্নয়নৰ কথা কোৱা চৰকাৰ মনে মনে থাকে। সেইদিনা বাউসী-উদয়পুৰৰ পথাৰত এনেধৰণৰ প্ৰশ্ন কৃষকসকলে সংবাদসেৱীসকলৰ আগত তুলিছিল। পদে পদে পোৱা বাধাবোৰৰ বাবেই তেওঁলোকে যে আজি নিজৰ সন্তানক খেতি কৰিবলৈ জোৰ দিবলৈ উৎসাহবোধ নকৰে; তাৰ পৰিৱৰ্তে সন্তানে যেনে-তেনে যিকোনোধৰণৰ চৰকাৰী চাকৰি এটাহে কৰাটো কামনা কৰে। সেই কথাও আক্ষেপেৰে ব্যক্ত কৰিছিল কৃষকসকলে। তেওঁলোকে দাবী জনাইছিল— যদি পথাৰবোৰ সজীৱ হৈ থাকিবই লাগে, শস্য-শ্যামলা হৈ থাকিবই লাগে; তেনেহ'লে কৃষকক জীয়াই ৰাখিব লাগিব, কৃষকৰ সমস্যাবোৰ দূৰ কৰিব লাগিব, কৃষকক পেন্সন দিব লাগিব, কৃষি বীমাৰ ব্যৱস্থা কৰিব লাগিব। সৰ্বোপৰি সমাজত কৃষকৰ মৰ্যাদা থাকিব লাগিব। তেওঁলোকে চিঞৰি চিঞৰি কৈছিল— বিভিন্ন আঁচনি ৰূপায়ণৰ নামত চৰকাৰে বাহিৰৰপৰা অনা চাউল বিতৰণ কৰি থলুৱা কৃষিক মৃত্যুৰ গৰাহলৈ ঠেলি দিছে, বাহিৰৰপৰা চাউল অনা বন্ধ কৰি দিয়ক। থলুৱাভাৱে উৎপাদিত ধান-চাউল উচিত মূল্যত ক্ৰয় কৰি তেনে চাউল চৰকাৰী আঁচনি ৰূপায়ণত ব্যৱহাৰ কৰক। গৰু-ছাগলীক খুৱাবলৈ বা পেলাই দিবলৈ উৎপাদন কৰা অৰ্থহীন।

কৃষিৰ এই সংকট কেৱল বাউসী-উদয়পুৰৰ পথাৰত সমৱেত হোৱা কৃষকসকলৰে সমস্যা নহয়; এই সমস্যা সমগ্ৰ ৰাজ্যৰ। আনহাতে, কৃষিৰ সংকট কেৱল অৰ্থনীতিকেন্দ্ৰীক নহয়। কৃষি ধ্বংস হোৱা মানেই জাতিটোৰ মেৰুদণ্ডডালো ভাগি যোৱা। কৃষি ধ্বংস হোৱা মানে জাতীয় সংস্কৃতিও ঠেৰুহীন হোৱা। কৃষি নকৰা বা কৃষি কৰিব নোৱাৰা অসমীয়া জাতিয়ে বিহু পতাও অৰ্থহীন। সেইবাবেই বাউসী-উদয়পুৰৰ পথাৰত কৃষকৰ এই আৰ্তনাদ জাতীয় সংকট ৰূপে গণ্য কৰা হওক। পথাৰবোৰ ৰক্ষা কৰাৰ বাবে এক জাতীয় আন্দোলনৰ সূচনা হওক।

উল্লিখত প্ৰবন্ধটো অসমীয়া প্ৰতিদিন, ০৬ ফেব্ৰুৱাৰী, ২০১৩ তাৰিখে প্ৰকাশিত।

(লেখক 'আজিৰ অসম' কাকতৰ সম্পাদক তথা এগৰাকী বিশিষ্ট নিবন্ধকাৰ)



# কৃষিভিত্তিক অৰ্থনীতি প্ৰত্যাহ্বান আৰু সম্ভাৱনা

✍ হিতেন মহন্ত

সেইদিনা বাউসীৰ উদয়পুৰত কেইবাশ লোকৰ সমাগম ঘটিল। এই স্থলীলৈ যোৱা ২০ জানুৱাৰীত কামৰূপ জিলা, নলবাৰী জিলা আৰু বাক্সা জিলাৰ ৰাইজৰ সমাৱেশ ঘটিল। আমি সাংবাদিকৰ দল এটা হাজো হৈ বগলছ ৰোড চ'কৰে বাউসীৰ উদয়পুৰত থকা স্বেচ্ছাসেৱী সংগঠনৰ কাৰ্যালয় 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ কাৰ্যালয়ত উপস্থিত হৈছিলো। এই গ্ৰাম্য বিকাশ মঞ্চৰ নাতি দূৰৈতে মূল সভাখনৰ কাম আৰম্ভ হৈছিল। গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মকৰ্তাসকলে এই আলোচনা-চক্ৰৰ আয়োজন কৰিছিল। নয়নজ্যোতি ভূঞা, পৃথ্বিভূষণ ডেকা আদি মঞ্চৰ যুৱ কৰ্মকৰ্তাসকলে আমাক জানিবলৈ দিছিল যে গ্ৰামাঞ্চলৰ কৃষিভিত্তিক অৰ্থনীতি, সংকট, প্ৰত্যাহ্বান আৰু সম্ভৱনা এই বিষয়ে কৃষকসকলে তেওঁলোকৰ সমস্যাসমূহ সাংবাদিকৰ দলটোৰ সন্মুখত দাঙি ধৰিব আৰু আমি সেইবোৰ শুনি যথাসম্ভৱ পৰামৰ্শ দিব লাগিব। কৃষকসকলে আমাক তেওঁলোকৰ যি সমস্যা দাঙি ধৰিলে সেয়া বৰ্ণনা কৰিলে এক ভয়ানক ছবি অংকন কৰাৰ বাহিৰে অন্য কোনো বিকল্প নাই। সমৱেত কৃষকসকলে কিন্তু আশা এৰি দিয়া নাই। তেওঁলোকে এতিয়াও বিশ্বাস কৰে




যে সাংবাদিকসকলৰ সন্মুখত তেওঁলোকৰ সমস্যাবোৰ দাঙি ধৰিলে এদিন চৰকাৰৰ চকু মেল খাব আৰু তেওঁলোকৰ নহ'লেও তেওঁলোকৰ সন্তানসকলৰ ভৱিষ্যৎ এদিন সুৰক্ষিত হ'ব। সেয়ে তেওঁলোকে ক'লে যে তেওঁলোকৰ এতিয়াও পেঞ্চন নাই, জীৱন বীমা নাই, বেমাৰ-আজাৰ হ'লে চিকিৎসাৰ ব্যৱস্থা নাই, দুৰ্যোগ আহিলে অৰ্থাৎ বানপানী, খৰাং পৰিস্থিতিৰ সৃষ্টি হ'লে দুৰ্যোগৰ সাহায্য বিধিৰ যি ব্যৱস্থা আছে; সেয়া আওপুৰণি। অৰ্থাৎ ১৯৭৬ চনৰে এই বিধি অনুসৰি বানপীড়িত এজন লোকে এতিয়াও দিনে মাত্ৰ ১.২৬ টকা পায়।

আনহাতে, এটা ডাঙৰ সমস্যা হ'ল চৰকাৰী আৰু বে-চৰকাৰী উদ্যোগত কৃষিভূমি বলপূৰ্বকভাৱে বা প্ৰলোভনৰ জৰিয়তে অন্য কামলৈ হস্তান্তৰ কৰা হৈছে। জধে-মধে ইটাভাটাবিলাক খোলা হৈছে। ফলত কৃষিভূমিবোৰ কৃষি কাৰ্যৰ বাবে অনুপযোগী হৈ পৰিছে। এই কাৰ্যৰ ফলত গ্ৰামাঞ্চলৰ যুৱকসকল কামৰ বাবে চহৰৰ ফালে ধাৱমান হৈছে। এম জি এনৰেগা বা মহাত্মা গান্ধী গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ ৰূপায়ণত গ্ৰামাঞ্চলত ব্যাপক দুৰ্নীতি হৈছে। যিসকলে প্ৰকৃতাৰ্থত জবকাৰ্ড পাব লাগে তেওঁলোকে পোৱা নাই। এক শ্ৰেণীৰ দালালে তাৰ সুযোগ গ্ৰহণ কৰি এনৰেগা আঁচনিৰ ধন আত্মসাৎ কৰিছে। এই কথা সদৰী কৰে সিদিনা আলোচনাত উপস্থিত থকা বহুসংখ্যক কৃষকে। ঠিক সেইদৰে বিনামূলীয়া বীজ বিতৰণত ব্যাপক কেলেংকাৰি সংঘটিত হৈছে। কৃষকসকলে লগতে কয় যে ৰবিশস্যৰ বাবে বিনামূলীয়া সৰিয়হৰ বীজ দিব লাগে কাতি মাহত। কিন্তু হাস্যকৰ কথা যে বিনামূলীয়া সৰিয়হৰ বীজ যোগান ধৰা হৈছে মাঘ মাহৰ মাজভাগত। সেই বোৰৰ পৰা কেতিয়াও শস্য উৎপাদন হোৱাৰ সম্ভাৱনা নাই। এনে এটা অৱস্থাৰ বাবে ৰাজ্যৰ কৃষি মন্ত্ৰী, বৰমূৰীয়া বিষয়া আৰু লগতে কৃষি সম্প্ৰসাৰণ বিষয়া, গ্ৰামসেৱকসকল জগৰীয়া।

কৃষিজাত সামগ্ৰী উৎপাদনত জড়িত কৃষকসকলে সন্মুখীন হোৱা এক বৃহৎ প্ৰত্যাহ্বান হৈছে বজাৰৰ সমস্যা; যাৰ বাবে কৃষকসকলে উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয় আৰু কম মূল্যত তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলগীয়া হয়। সেয়েহে কৃষকসকলে দাবী কৰে



যে চৰকাৰীভাৱে বিপণন ব্যৱস্থাটোৰ উন্নতি হোৱা উচিত। কিন্তু এই ক্ষেত্ৰত এতিয়ালৈকে চৰকাৰে ফটা ঢোলহে বজাই আছে। সময়ত বিপণন ব্যৱস্থাটোৰ উন্নতি নোহোৱাৰ বাবে অতি কম মূল্যতে উৎপাদিত সামগ্ৰী মধ্যভোগীৰ ওচৰত বিক্ৰী কৰিবলগীয়া হয়। সেই কাৰণে গ্ৰামাঞ্চলৰ কৃষকসকলে লাহে লাহে কৃষিখণ্ডৰপৰা আঁতৰি আহি চহৰত বিভিন্ন কাম-কাজত নিয়োজিত হৈছে। ফলত এতিয়া কৃষি পথাৰবোৰ উদং হৈ পৰি আছে। আনহাতে, চহৰত নিবনুৱাৰ ভিৰ ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰিছে। এনে এটা অৱস্থাৰপৰা পৰিত্ৰাণ পাবলৈ চৰকাৰৰ আজিপৰ্যন্ত কোনো দীৰ্ঘম্যাদী ব্যৱস্থা নাই। যি ব্যৱস্থা আছে সেয়া হ্ৰস্বম্যাদীহে। উদাহৰণ স্বৰূপে ৰাজ সাহায্যৰ ব্যৱস্থাটোকে আঙুলিয়াব পাৰি। এই ব্যৱস্থাৰ জৰিয়তে এতিয়া গ্ৰামাঞ্চলৰ ৰাইজক ছয় টকা দৰত চাউল যোগান ধৰাৰ ব্যৱস্থাটোকে ক'ব পাৰি। এম জি এনৰেগাৰ জৰিয়তে গ্ৰামাঞ্চলৰ ৰাইজক কাম দিয়াৰ ব্যৱস্থা কৰা হৈছে যদিও এই ক্ষেত্ৰত ব্যাপক দুৰ্নীতি হৈছে। গাঁও পঞ্চায়তৰ সভাপতি, সদস্যসকলে উক্ত আঁচনিৰ সুযোগ লৈ ৰাজ্যৰ সৰ্বত্ৰ ব্যাপক দুৰ্নীতি সংঘটিত কৰিছে। এইবোৰেই এতিয়া গ্ৰামাঞ্চলৰ কৃষিভিত্তিক অৰ্থনীতিৰ বাবে বৃহৎ প্ৰত্যাহ্বান হিচাপে দেখা দিছে। এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ হ'লে বিজ্ঞানসন্মতভাৱে ধান খেতি, মাছৰ পোনা উৎপাদন, কপাহ খেতি কৰিব লাগিব। তেতিয়াহে গ্ৰামাঞ্চলৰ ৰাইজ স্বাৱলম্বী হ'ব পাৰিব।

এনে এটা উদ্দেশ্য আগত ৰাখি নলবাৰী জিলাৰ বাউসীৰ উদয়পুৰত অৱস্থিত 'গ্ৰাম্য বিকাশ মঞ্চ'ই ১৯৯৯ চনৰপৰাই প্ৰায় ১৪ বছৰ ধৰি বিভিন্ন গঠনমূলক কাম-কাজ কৰি আহিছে। বাউসীৰ উদয়পুৰত থকা আটোমটোকাৰিকৈ সজোৱা কাৰ্যালয়টো দেখিলে তাৰ উমান পাব পাৰি। যি সময়ত ৰাজ্যখনৰ পৰিস্থিতি অতি অগ্নিগৰ্ভা হৈ আছিল; সেই সময়তে নলবাৰী জিলাৰ বাউসীৰ উদয়পুৰৰ কিছুসংখ্যক সাহসী তথা তৰুণ যুৱকে এই গঠনমূলক কাম-কাজৰ গুৰি ধৰিছিল। যোৱা



২০ জানুৱাৰীত বাউসীৰ উদয়পুৰলৈ গুৱাহাটীৰপৰা যোৱা জ্যেষ্ঠ সাংবাদিকৰ দল এটাৰ সন্মুখত এই বিষয়ে ফঁহিয়াই কৈছিল নয়নজ্যোতি ভূএগ্ৰা, পৃথ্বি ডেকাৰ দৰে উদ্যমী যুৱকসকলে। এই যুৱকসকলৰ উদ্যম আৰু উঠি অহা চামৰ গঠনমূলক কাম-কাজ কৰাৰ হাবিয়াস দেখি মোৰ লগতে সাংবাদিকৰ দলটোও আপ্লুত হৈছিল। আমাৰ বিশ্বাস হৈছিল যে এই যুৱকসকলৰ মনোবল অটুট থাকিলে এদিন কিবা নহয় কিবা এটা হ'ব আৰু ইয়াৰ শিপাই পোখা মেলিব। অৰ্থাৎ এদিন কৃষকসকলে বৃদ্ধ পেঞ্চন পাব, জীৱন বীমাৰ সুবিধা পাব, চিকিৎসাৰ প্ৰয়োজনীয় সা-সুবিধা পাব। মনত এই আশা বান্ধিয়ে সিদিনা বাউসীৰ উদয়পুৰত গোট খোৱা কেইবাশ কৃষকৰ মাজৰপৰা পুনৰ গুৱাহাটীলৈ ঘূৰি আহিছিলো। উদয়পুৰৰ স্বেচ্ছাসেৱী সংগঠনটোৱে আমাৰ খোৱা-বোৱাকে ধৰি যি আদৰ-অভ্যৰ্থনা জনাইছিল সেয়া মোৰ লগতে সাংবাদিকৰ দলটোৰ সকলোৱে মনত ৰাখিব।

উল্লিখিত নিবন্ধটো দৈনিক জনমভূমি কাকত, ০৬ ফেব্ৰুৱাৰী, ২০১৩ তাৰিখে প্ৰকাশ পাইছিল।

(লেখক এগৰাকী বিশিষ্ট নিবন্ধকাৰ, ৰাজনৈতিক পৰ্যবেক্ষক)

In the interaction programme, they said they wanted an immediate halt to it. Meaningful and sincere implementation of Mahatma Gandhi Rural Employment Guarantee Act could be a big relief for the suffering farmer families, they said. A suitable market for the produce and challenges to production are other hurdles that the farmers are finding hard to overcome. Minimum support price may be a welcome step, but there should be much more procurement centres, otherwise transportation costs eat into any profit the farmers make. Free cold storage is among many other necessities fulfilling of which, the farmers think, will make life better for them.

# Farmers clamour for a safety net

✍ Ranen Kumar Goswami

August 31, 2012, Friday. Minister of State for Agriculture Harish Rawat informed Rajya Sabha that altogether 290,740 farmers had committed suicide during 1995-2001 due to various reasons, including bankruptcy or sudden change in economic status and poverty. The Minister quoted the data from the National Crime Records Bureau's latest annual report on Suicides, the ADSI (Accidental Death and suicides in India).



In 2005, the All India Biodynamic Organic Association wrote to Mumbai High Court expressing its concerns over the suicides of farmers in Maharashtra. The Court treated the letter as a petition, admitted it to the Bench and asked the Tata Institute of Social Sciences (TISS) to work as a consultant to the case. On the request of the TISS, the Court granted eight weeks time to submit a report on the possible causes of the suicides. In its final report submitted to the Court on March 15, 2005, the institute said: "Repeated crop failures, inability to meet the rising cost of cultivation, and indebtedness seem to create a situation

that forces farmers to commit suicide. However, not all farmers facing these conditions commit suicide, it is only those who seem to have felt that they have exhausted all avenues of securing support have taken their lives."

It was not only the landed who had a crisis of indebtedness to deal with. There were a number of landless families who had leased land on a short or long term basis by securing loans. It was noticed that many landless families managed to acquire money through migration to cities and purchased land in the eighties and nineties. Many such families were caught up in cycles of debt and destitution, which ultimately led to the suicide of the head of the family, the TISS report said. Declining productivity of land was another problem that led to increased use of fertilisers to enhance productivity. Farmers spent more on fertilisers even when crop performance had been showing a declining trend. The report said input costs had exhibited a sharp rise. Agriculture became more expensive post-1995. The rise in input costs was reflected in electricity bills, rising costs of high-yielding variety seeds, fertilisers, energy (diesel), transportation etc. Moreover the minimum support price was not available to all farmers, particularly the small and marginal farmers, which had had serious implications to the farmers, according to TISS.

Declining opportunities in non-farm employment further aggravated the crisis. "It seems that in areas where suicides have occurred, non-farm options are getting limited.............. Thus, declining non-farm opportunities together with repeated crop failures and indebtedness might have created acute conditions of distress for families in rural areas. In all these areas, there is a noticeable absence of irrigation and sustainable harnessing of water resources. As a result, agriculture is mostly rain-dependent (more so in the context of the crisis in groundwater availability for farming)," said TISS. The report goes on: "Life histories and case studies conducted for the study reveal that there has been sharp increase in the dependence on loans to enable cultivation. The tendency to take loans increased in the nineties. The farmers took their first loans from banks (banks gave loans only once, with a further loan possible only after repayment of the outstanding loan). The later loans were from private parties to repay the bank loan. Thus over 75% of the farmers had loan commitments to non-formal sources. Those farmers who faced repeated crop failures accumulated loans beyond their capacity to repay... This points to a serious crisis as reflected in the absence of the support system to bail the farmers out in the form of relatives, neighbours, banks and even the moneylenders who had stopped giving loans to them lately... These are the conditions and the contexts that forced the victims to take the extreme step of suicide."

In its recommendations for long-term solutions to the crisis, TISS said: "Any relief is a short-term



measure. Long-term measures should be rehabilitation of a system, in this case the agrarian production itself. In this context, the Court should direct the Central Government to come up with policies that focus on farmers rather than seed and fertiliser corporations, who enhance their profit margins at the cost of millions of farmers. The Court could direct the Central Government to frame policies that would support the marginal and small farmers to remain on land... The Central Government should announce, on a priority basis, the provisions of a safety net for the cultivators and their families."

Coming to Assam now. The Statistical Yearbook India 2013 was released in New Delhi on the New Year's Day. It informs us that altogether 141 persons committed suicides in 2009 in Assam driven by poverty, in 2010 the number was 159 and in 2011

the number rose to 268. Bankruptcy or sudden change in economic status led to 22 suicides in 2009, 15 in 2010 and seven in 2011. We do not know for sure all of them were farmers. But in all probability, many of them were from the agrarian community. Otherwise too, the farmers are an unhappy lot in Assam. When they frequently leave their paddy fields to gather on streets in thousands and demonstrate their anger, something must be seriously wrong with their state of affairs. What do they want? At a recent interaction with members of the media at Bausi Udaipur in Nalbari district, organised by the Gramya Vikash Manch, farmers spoke their hearts out, and in clear and simple language, explained what they are in urgent need of. They said around Rs 6,000 goes into cultivating a bigha of land by way of tilling, fuel for pump sets and power-tillers, fertilisers and pesticides, seeds and paraphernalia; in return, they get 10 to 15 maunds of rice, which fetch Rs 300-330 per maund. And that too after back-breaking labour. Not for nothing, many are leaving agriculture for other means of livelihood.



First of all, they said they want the Government to issue identity cards to them in order to ensure any scheme meant for them benefits the real farmers. Pension to farmers above 50 years of age is another need, which according to them, should initially be Rs 2,000, to be reviewed from time to time. In view of escalating costs and the shrinking field of agriculture, they are of the opinion that the Government should issue kishan credit cards to enable farmers to get low-interest loans so that they stick to farming as a livelihood. A widespread complaint among them was that the pathar parichalana samitis (field management committees), constituted by the State Government, are top-heavy as they do not have genuine farmers as members as a result of which these samitis remain out of touch with reality. An important demand was necessary amendments to the archaic Assam Relief Manual 1976. Floods are an annual visitor to their life. The marooned farmers as well as other people get relief according to the guidelines of this manual, which do not even fulfill the bare minimum needs of a man. Another problem dogging the farmers is transfer of agricultural land to non-agricultural sectors without free prior consent of the farmers. In the interaction programme, they said they wanted an immediate halt to it. Meaningful and sincere implementation of Mahatma Gandhi Rural Employment Guarantee Act could be a big relief for the suffering farmer families, they said. A suitable market for the produce and challenges to production are other hurdles that the farmers are finding hard to overcome. Minimum support price may be a welcome step, but there should be much more procurement centres, otherwise transportation costs eat into any profit the farmers make. Free cold storage is among many other necessities fulfilling of which, the farmers think, will make life better for them.

In the conclusion, we would like to borrow from what TISS said and urge the Government to frame policies that would support marginal and small farmers to remain on land and announce, on a priority basis, the provisions of a safety net for the farmers and their families.

(This article was published in The Assam Tribune)

(Writer is a senior journalist)

# গ্ৰাম্য বিকাশ মঞ্চই বিগত সময়ছোৱাত ৰূপায়িত কৰা প্ৰকল্প সন্দৰ্ভত প্ৰকাশিত বাতৰিৰ কিছু অংশ...

## খাদ্য আৰু কামৰ অধিকাৰৰ পৰা বঞ্চিত গ্ৰাম্য জনসাধাৰণ

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ২২ জুলাই : অসমৰ গ্ৰাম্য গৰীব জনসাধাৰণে কেনেদৰে তেওঁলোকৰ নিজৰ প্ৰাপ্ত অধিকাৰৰ পৰা বছৰ বছৰ ধৰি বঞ্চিত হৈ আছে তাৰ ছবি এখন দাঙি ধৰিবলৈ যোৱা ১৯ জুলাইত তামুলপুৰত অনুষ্ঠিত হয় এখন ৰাইজ সজাগত সভা। ইংগো ৱাবেল ছ'চিয়েল ছাৰ্ভিচ ছ'চাইটিৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা গ্ৰামীণ বিকাশ মঞ্চ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ উদ্যোগত আৰু সংগঠনটোৰ তামুলপুৰ শাখাৰ সহযোগত তামুলপুৰ আঞ্চলিক আছু কাৰ্যালয়ত আয়োজিত সভাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গ্ৰামীণ বিকাশ মঞ্চ নলবাৰীৰ প্ৰকল্প পৰিচালক চন্দন তালুকদাৰৰ লগতে কে'বাগৰাকী আগশাৰীৰ কৰ্মীয়ে। গ্ৰামীণ বিকাশ মঞ্চ তামুলপুৰ শাখাৰ অধ্যক্ষ চক্ৰ তালুকদাৰে আঁত ধৰা সভাখনত অসমৰ গ্ৰাম্য জনসাধাৰণে ভোগ কৰি অহা খাদ্যৰ অধিকাৰ, কামৰ অধিকাৰ, প্ৰাকৃতিক সম্পদৰ অধিকাৰ আৰু ঋণৰ অধিকাৰৰ ওপৰত চলা অন্যায়-অবিচাৰৰ ওপৰত আলোচনা আগবঢ়োৱা হয়। বিষয়বস্তুৰ ওপৰত ব্যাখ্যা দাঙি ধৰি পৰিচালক চন্দন তালুকদাৰে কয় যে অসমৰ গ্ৰাম্য জনসাধাৰণে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ পৰা পাব লগা সা-সুবিধাৰ পৰা আজিও বঞ্চিত হৈ আছে। চৰকাৰী নীতি অনুসৰি সংহত শিশু বিকাশ প্ৰকল্প আঁচনিৰ জৰিয়তে অসমৰ প্ৰতিগৰাকী শিশুৱে বছৰৰ দুশ দিনৰ পুষ্টিকৰ খাদ্য পাব লাগে।

### তামুলপুৰত ৰাইজ সজাগতা সভা

কিন্তু গ্ৰামাঞ্চলৰ অংগনৱাড়ী কেন্দ্ৰসমূহত বছৰত ৪০-৫০ দিন খাদ্য বিতৰণ কৰিয়েই দায়িত্ব সামৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে শিশুৰ নামত সঠিক পৰিমাণৰ খাদ্য আৰু ধনৰ যোগান ধৰি আহিছে যদিও মধ্যভোগীৰ হাতত ই হৰলুকি হৈছে। একেদৰে সুলভ মূল্যৰ দোকানত পৰিয়ালসমূহে সঠিক পৰিমাণৰ চাউল, চেনি, আটা, নিমখ আৰু কেৰাচিন আদি নিত্য ব্যৱহাৰ্য সামগ্ৰী পাব লাগে যদিও তাৰ পৰাও গৰীব জনসাধাৰণ বঞ্চিত হৈ আছে। ইপিনে, বহুতো সুলভ মূল্যৰ দোকানত ৰাইজে আটা আৰু নিমখ সুলভ মূল্যত পোৱাৰ পৰা বঞ্চিত হৈ আছে। এইক্ষেত্ৰত উপস্থিত লোকসকলে তামুলপুৰৰ সুলভ মূল্যৰ দোকানত আজিও আটা, নিমখৰ মুখ দেখিবলৈ পোৱা নাই বুলি অভিযোগ তোলে। এই বিষয়ত জিলা আৰু মহকুমা প্ৰশাসনিক বিষয়সকলে তদাৰকী ব্যৱস্থা গ্ৰহণ কৰিব লাগে যদিও এতিয়ালৈ এই ব্যৱস্থা কোনো অঞ্চলতে কাৰ্যকৰী হোৱা নাই বুলি সভাত অভিযোগ তোলা হয়। চৰকাৰী নিয়মমতে ৰাজহুৱা বিতৰণ ব্যৱস্থাত প্ৰতিটো গৰীব পৰিয়াল বি পি এল কাৰ্ডৰ অধিকাৰী হ'ব লাগে যদিও এতিয়াও এই ব্যৱস্থা হৈ উঠা নাই।

একেদৰে বাসস্থানৰ অধিকাৰৰ ক্ষেত্ৰতো গৰীব পৰিয়ালসমূহ প্ৰবঞ্চনাৰ বলি হৈ আহিছে। তদুপৰি চৰকাৰী আবাসগৃহ পোৱাৰ নামত পঞ্চায়ত অথবা ভি ডি চিৰ সদস্যক পাঁচ হেজাৰৰ পৰা ১০ হেজাৰ টকা পৰ্যন্ত ঘোচ দিব লগা হোৱাত দুখীয়া বহুতৰে ঘৰ আধৰুৱা হৈ আছে। ইপিনে, কামৰ অধিকাৰৰ ক্ষেত্ৰতো দুখীয়া ৰাইজ ঠগ খাই আছে। চৰকাৰী নিয়মমতে এনৰেগাৰ অধীনত এগৰাকী হিতাধিকাৰীয়ে আবেদন কৰাৰ ১৫ দিনৰ ভিতৰত জবকাৰ্ড পাব লাগে। প্ৰতিগৰাকী জবকাৰ্ডৰ সদস্যই বছৰত এশ দিনৰ কাম পাব লাগে। কিন্তু গাঁও অঞ্চলত মাত্ৰ ১৫-২০ দিনহে কাম লাভ কৰিছে। আনহাতে, হিতাধিকাৰীয়ে বেংকত বহুতো হিচাব বহী খুলি সেইখন নিজৰ লগত ৰাখিব লাগে সেইখন নিজৰ লগত ৰাখিব লাগে যদিও বহুতে হিচাপ বহীখনৰ মুখ দেখিবলৈকে নাপায়। ফলত বহু হিতাধিকাৰী নিজৰ প্ৰাপ্য অধিকাৰ সম্বন্ধে একো ভু নাপায়। এই ক্ষেত্ৰত সকলো ৰাইজকে নিজৰ প্ৰাপ্য অধিকাৰৰ প্ৰতি সজাগ হ'বলৈ সভাৰ জৰিয়তে পৰিচালকগৰাকীয়ে ৰাইজক আহ্বান জনায়। অনুষ্ঠানত স্থানীয় ভালেকেইটা স্বেচ্ছাসেৱী সংগঠন আৰু আত্মসহায়ক গোটৰ কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত গ্ৰামাঞ্চলবাসী

আজিৰ দৈনিক বাতৰি

## খাদ্য আৰু কামৰ অধিকাৰৰ পৰা বঞ্চিত গ্ৰামাঞ্চলবাসী

■ তামুলপুৰত সজাগতা সভা ঃ চৰকাৰক সমালোচনা ■

## তামুলপুৰত গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ৬ আগষ্ট : গ্ৰাম্য বিকাশ মঞ্চ তামুলপুৰৰ উদ্যোগত আৰু ইংগোৱ'ৱেল ছ'চিয়েল চাৰ্ভিচ ছ'চাইটীৰ অৰ্থ সাহায্যত যোৱা ২৬ জুলাইত তামুলপুৰ আঞ্চলিক আছুৰ মুখ্য কাৰ্যালয়ত আত্মসহায়ক গোট, সংঘ, বে-চৰকাৰী সংস্থাসমূহৰ গঠন আৰু পৰিচালনা' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়। তামুলপউৰ আৰু নাগ্ৰীজুলি খণ্ড উন্নয়নৰ অন্তৰ্গত আত্মসহায়ক গোট, বে-চৰকাৰী আৰু সামূহিক সংস্থাসমূহৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে স্থানীয় সমাজখনক কেনেদৰে আগুৱাই নিব লাগে সেই উদ্দেশ্যে আয়োজিত কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নেহৰু-যুৱক কেন্দ্ৰ নলবাৰীৰ যুৱ সমন্বয়ক ড' অচিন্ত কুমাৰ দাস, গ্ৰাম্য বিকাশ মঞ্চৰ সম্পাদক দিবাকৰ ডেকা, কোষাধ্যক্ষ প্ৰাঞ্জল চক্ৰৱৰ্তী আৰু গাণনিক বিমল মেধিয়ে।

আজিৰ অসম — গুৱাহাটী শুক্ৰবাৰ ৪ ফাগুন, ১৯৩৩ শক, ১৭ ফেব্ৰুৱাৰী ২০১২ চন ১১

## নলবাৰী-বাগ্‌সা জিলাত খেতিপথাৰৰ জান মুকলি

মুগ্ৰাগাৱ, ১৬ ফেব্ৰুৱাৰী : নলবাৰী আৰু বাক্সা জিলাৰ অৱহেলিত পঞ্চাশ হাজাৰ পৰিয়ালৰ আৰ্থ সামাজিক উন্নয়ন ত্বৰান্বিত কৰি তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীতকৰণৰ লক্ষ্যৰে নলবাৰী জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ উদ্যোগত ৰূপায়িত 'বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ' প্ৰকল্পই ব্যাপক প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। নলবাৰী আৰু বাক্সা জিলাৰ মুঠ ১১২ খন গাঁৱৰ পাগলাদিয়া, বিৰিং, জাহা, বৰলীয়া আৰু চাউলখোৱা নামেৰে মুঠ পাঁচটা ... কৰি আৰম্ভ কৰা মুঠ ৮২ লাখ টকা ট্ৰাষ্টৰ অৰ্থসাহায্য লাভ কৰি আৰম্ভ কৰা উক্ত প্ৰকল্পৰ অংশ হিচাপে নাবাৰ্ড, কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰী, নেড্‌ফি, ৰাজ্যিক মীন বিভাগ তথা পশুপালন বিভাগৰ সহযোগত গ্ৰাম্য বিকাশ মঞ্চই ইতিমধ্যে কৃষক তথা সাধাৰণ পৰিয়ালৰ সামৰ্থ্যবৰ্ধনৰ লক্ষ্যৰে বিভিন্ন প্ৰশিক্ষণ তথা কৰ্মশালা অনুষ্ঠিত কৰাৰ উপৰিও প্ৰকল্প অঞ্চলৰ ৮৯ গৰাকী খেতিয়কক আধুনিক 'শ্ৰী' পদ্ধতিৰে কৃষিকাৰ্য ...

অসমীয়া প্ৰতিদিন ঃ ১৮ আগষ্ট, ২০১০

## দুদলাংগাঁৱত ডায়েৰিয়াত অৰ্ধশতাধিক লোক আক্ৰান্ত



■ স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চৰ সৌজন্যত নিৰ্মিত ৰঙিয়া মহকুমাৰ ভয়ৰা গাঁৱৰ ওখ ভেটিযুক্ত দমকল এটা অলপতে উদ্বোধন কৰে মৰাণজানা গাঁও পঞ্চায়তৰ

অসমীয়া প্ৰতিদিন ঃ ১৫ আগষ্ট, পৃষ্ঠা ১৩

# ডিমুৰ দুদলাঙত একেদিনাই ডায়েৰিয়াত আক্ৰান্ত অৰ্ধশতাধিক

## বিদ্যালয়ত শিবিৰ পাতি চিকিৎসা প্ৰদান

প্ৰতিদিন সেৱা, ডিমু, ১৪ আগষ্ট ঃ অত্যধিক গৰম আৰু অস্বাভাবিক জলবায়ু পৰিবৰ্তনে জনজীৱন বিপৰ্যস্ত কৰি তোলাৰ সময়তে ৰঙিয়া মহকুমাৰ অন্তৰ্গত দুদলাঙত আজি পঞ্চাশগৰাকীতকৈ অধিক লোক ডায়েৰিয়াসদৃশ ৰোগত আক্ৰান্ত হোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে।

উল্লেখ্য যে কুলহাটী আৰু ডিমুত তিনিগৰাকী লোক এনকেফেলাইটিছ আৰু এগৰাকী ছাত্ৰ ভাইৰেল জ্বৰত আক্ৰান্ত হৈ মৃত্যু হোৱাৰ শোক আৰু আতংক মাৰ নৌযাওঁতে ডিমুৰ পৰা তিনি কিলোমিটাৰ নিলগৰ দুদলাঙত আজি অৰ্ধশতাধিক লোক ডায়েৰিয়াসদৃশ ৰোগত আক্ৰান্ত হোৱাত অঞ্চলটোত পুনৰ আতংকই বিৰাজ কৰিছে। সময়ে সময়ে হ'ব পৰা বিভিন্ন ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে ... চিকিৎসা শিবিৰ পাতি ৰোগীসকলক চিকিৎসা প্ৰদানৰ ব্যৱস্থা কৰে যদিও ৰোগীৰ সংখ্যা অৰ্ধশতাধিক হোৱাত চিকিৎসকগৰাকীয়ে ৰঙিয়া মহকুমা স্বাস্থ্য বিষয়াক বিষয়টো অৱগত কৰে। ৰঙিয়াৰ পৰা অহা পেৰামেডিকেল ষ্টাফ এটাও দুদলাঙত উপস্থিত হৈ ৰোগীসকলক চিকিৎসা প্ৰদান কৰে। ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ কামৰূপ জিলাৰ সভানেত্ৰী গীতিকা ডেকাই ৰোগীসকলৰ খবৰ লৈ বিহিত ব্যৱস্থাৰ বাবে কৰ্তৃপক্ষক দাবী জনায়।

স্মৰ্তব্য যে একে সময়তে গাঁওখনৰ অৰ্ধশতাধিক লোক কি কাৰণত এই ৰোগত আক্ৰান্ত হ'ল এই বিষয়ে নিশ্চিত হ'ব পৰা নাই চিকিৎসক। ডায়েৰিয়াসদৃশ ৰোগত আক্ৰান্ত হোৱা কৰবী কলিতা (২২), ৰবিৰাম কলিতা (৫০), ধৰিত্ৰী ... (১১), পদ্মা কলিতা (৬০), সাবিত্ৰী কলিতা (৫০), ... কলিতা (৪০), জিতুমণি কলিতা (১৯), নমিতা কলিতা ... বিনা কলিতা (৪৫), অঞ্জলি কলিতা (২৮), নলিনী (৪৫), কামিনী কলিতা (৫০), পম্পী কলিতা (১৩), ... কলিতা (২৪), ৰমেন কলিতা (২০), বিপুল কলিতা ... কলিতা (১৯), পুলেন কলিতা (২০), জয়ন্ত কলিতা ... হংস কলিতা (৬০), বিজুলী কলিতা (২৬), সঙ্গীতা (৬), ধৰণী কলিতা (৩৫), জুতিস্মিতা কলিতা (৯), ... কলিতা (৬), দীপক কলিতা (৩০), হীৰেন কলিতা ... ধনেশ্বৰ কলিতা (৪০), মৰমী কলিতা (২২), সঞ্জনা (১৯), সমীন কলিতা (২৯), বিংকুমণি কলিতা (৪), ... কলিতা (৩৫), বিতুপৰ্ণা কলিতা (২৫), গজেন কলিতা ... অঞ্জলি কলিতা (২৮), ভনিমা কলিতা (১৯), শংকৰ (১৪) আদিয়ে শিবিৰত চিকিৎসা গ্ৰহণ কৰে।


EveryDay

দৈনিক গণ অধিকাৰ

জনতাৰ মুক্ত কণ্ঠ

www.ganaadhikar.com

Guwahati, Vol. 2, No. 134, Monday, 6 August, 2012 ■ RNI No. 63550/2011

গণ অধিকাৰ স্থানীয় সংবাদ

Guwahati, Monday, 6 August, 2012




## বৰভাগ-বনভাগ অঞ্চলত বান-সাহায্য প্ৰদান



## কৈটা জানৰ খনন ঃ উৎফুল্লিত কৃষক-মৎস্যজীৱী


৫ এপ্ৰিল, ২০১০ সোমবাৰ


## কৈটা জানৰ খনন ঃ উৎফুল্লিত কৃষক

◆ *প্ৰথম পৃষ্ঠাৰ পৰা* হয়। একেদৰে চাউলখোৱাৰ পৰা পানী ওলোৱা-সোমোৱা নোহোৱাত মাছৰ সংখ্যা কমি অহাত প্ৰায় ২০০০ মাছমৰীয়া লোকে তেওঁলোকৰ পৰম্পৰাগত বৃত্তি এৰি আন সংস্থান বিচৰা বুলিও বৈশ্যই জানিবলৈ দিয়ে। তেওঁলোৰ মতে মাছ কমি অহা বাবেই যে মাছমৰীয়াসকল ক্ষতিগ্ৰস্ত হৈছে তেনে নহয়, জানটো বন্ধ হৈ যোৱাত তেওঁলোক আন ঠাইলৈ নাওঁ লৈ মাছ মাৰিবলৈ যাব নোৱাৰা এক দুখজনক অৱস্থাৰ সৃষ্টি হৈছে। কিন্তু ... স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চই টাটা জামছেদ জী ট্ৰাষ্টৰ অৰ্থ সাহায্যত জানটোৰ খনন কাৰ্য চলোৱাত অঞ্চলটোৰ দুখীয়া কৃষক সকল যথেষ্ট উৎফুল্লিত হৈ পৰিছে। বাকেৰীকুছি গাঁৱৰ আগশাৰী কৃষক আহেদ আলী, কাৰিমুদ্দিন আহমেদে জানিবলৈ দিয়া মতে জানটো মুকলি হোৱাত তেওঁলোকে এইবাৰ পুনৰ খেতি-বাতি কৰিব পাৰিব বুলি আশা কৰিছে। আহেদ আলীৰ মতে অঞ্চলটোৰ প্ৰায় এশগৰাকী পুৰুষ-মহিলাই লগ লাগি জানটো খন্দা কামত নিয়োজিত হৈ ৪৮ দিনত প্ৰায় তিনি কিঃমিঃ জান খান্দিবলৈ সক্ষম হয়। অৱশ্যে তেওঁৰ মতে জানটো কিছু দ আৰু বহল কৰাৰ প্ৰয়োজন বুলি মন্তব্য কৰিছে। মাত্ৰ ৪ লাখ টকাৰ ব্যয়ত ৫০ শতাংশ কাম সম্পূৰ্ণ কৰি তোলাৰ মূলতে উৰ্মিলা দাস, মীনা বেগম, সুৰবালা কৈৱৰ্ত, আব্দুল আলী, পাৰ্থপ্ৰতীপ বৈশ্য, পুলক ডেকা আদিৰ দৰে শিক্ষিত যুৱকসকলৰ নিষ্ঠাপূৰ্ণ সেৱা। গাঁওবাসীসকলৰ বাইজৰ এটিয়া এটা মূল অভিযোগ হৈছে বাকেৰিকুছি পথৰ জানটোৰ ওপৰত থকা কালভাৰ্টটো আঁতৰ কৰি তাত এখন ডাঙৰ দলং নিৰ্মাণ কৰা। বৰ্ণিবাৰী, নপ্তিপাৰা গাঁও পঞ্চায়তৰ তৰফৰ পৰা এই সৰু কালভাৰ্টটো স্থাপন কৰা হৈছিল। এই কালভাৰ্টটোৰ তলেৰে যিহেতু নাওঁ অহা-যোৱা কৰিব নোৱাৰে। জানটো মুকলি হ'লেও মাছমৰীয়াসকলে নাওঁ চলাব নোৱাৰিব। আনহাতে খনন কাৰ্য চলোৱা জানটোৰ দুয়োপাৰে বৃক্ষৰোপন কাৰ্যসূচী চলালে ৰাইজসকল আৰু অধিক উপকৃত হ'ব। উল্লেখযোগ্য যে এই কামত নিয়োজিত যুৱকসকলে একত্ৰিত হৈ মিলনজ্যোতি সংঘ নামৰ এটি সংঘ স্থাপন কৰিবলৈ সক্ষম হৈছে।

*Restoration of wetlands brings hope to thousands*



**Restoration of wetlands brings ...**


SUNDAY, FEBRUARY 28, 2010

THE ASSAM TRIBUNE, GUWAHATI



SATURDAY, APRIL 10, 2010

8 THE ASSAM TRIBUNE, GUWAHATI


# Koita channel clearing brings back lost job opportunities

CORRESPONDENT

NALBARI, April 9 – The ... km long Koita ... ows out from ... ear Barnibari ... kshetri reve... ri district, has ... hope for the ... people of ad... e villages.

... annel was a ... od for the fish... ers of that lo... it was en... e anti-social ... ture of these ... veloped into ... annel turned ...

Grammya Vi... /M) a reputed ... the district for ... f downtroden ... ving the tradi... s came forward ... litional water ... e poor people ... r earlier occu... nd fishing. The ... s provided by ... st (TJT) started the clearing operation of the Koita channel. One hundred local people especially women and young boys employed in the NGO cleared three kilometres of the channel at a cost of Rs 4 lakh only in 48 days.

A teacher of paikan Dirua LP School, Binod Baishya told this correspondent that the 'death' of the Koita channel had a serious impact on the livelihood of the people of Barnibari, Bhaira, Bakerikuchi, Bangalbasti, Bamunpara, Natun Paikan, Paikan-Dirua, Naptipara, Rangchapara, Baktapara among others. As the channel dried up, on the one hand local fishes were no longer available and on the other, the farmers were compelled to give up their *sali* paddy cultivation due to waterlogging problems.

The clearing of the Koita channel besides bringing job opportunities for the people of the area also united the youths of the area under the banner of Milonjyoti Sangha a newly constituted body coinciding with the revival of the channel.

MONDAY, APRIL 12, 2010

8 THE ASSAM TRIBUNE, GUWAHATI

# NGO undertakes construction of sluice gate on Ghogra channel

CORRESPONDENT

NALBARI, April 11 – About 70 per cent farmers under Barbhag and Ghograpar revenue circles in Nalbari district are expected to benefit from the proposed sluice gate being constructed on the Ghogra channel at Nim-Latima village under Ghograpar revenue circle. The Ghogra channel, originating from the Bhutan hills, causes heavy loss to the farmers in the locality

monsoon season and this leads to flooding of the nearby paddy fields. A large number of poor farmers of the locality are not in a position to cultivate *sali* paddy due to the waterlogging problems. The farmers cannot cultivate the early *ahu* and *boro* crops in the absence of proper irrigation facilities.

The people of the locality are demanding reconstruction of the Ghogra channel to divert the excess water besides construction of a sluice gate. An NGO

the farmers. It has already started the construction of the sluice gate on the channel. Besides, the GVM is reconstructing the 15.3 km of the channel from Ghograpar railway bridge to Dhurkuchi with the funds provided by the Action Aid International, a GVM activist Dibakar Deka said.

He further stated that due to drying up of the channel, about 700 families of the fishing community have been rendered jobless. These families have been



...আৰু সুৰক্ষা বাহিনীৰ উদ্যোগত হাজো উন্নয়ন খণ্ডৰ অন্তৰ্গত ...ৰ কৰা বাঁহৰ দলংখন। ফটো : প্ৰতিদিন সেৱা, তিমু

দৈনিক অগ্ৰদূত

২০ ফেব্ৰুৱাৰী শনিবাৰ ২০১০

ডোং-খান্দি জলসংকট দূৰ কৰাৰ চেষ্টাত ব্ৰতী হৈছে বাগসা জিলাৰ ৰাইজ

## এগিলাছ নহয়, একাপ পানীও নাপায় বাগসাত

■ চেমিম চুলতানা আহমেদ

গুৱাহাটী, ১৯ ফেব্ৰুৱাৰী : বাগসা জিলালৈ গ'লে আপুনি গাখীৰ পাব, কিন্তু পানী নাপাব। তৃষ্ণাতুৰ পথিকে অণ্ঠ-কণ্ঠ শুকাই এগিলাছ পানী বিচাৰিলেও নিৰ্দিয় হ'বলৈ বাধ্য হ'ব ঘৰৰ গৃহিণীগৰাকী। তেওঁ পৰিকল্পনত ক'ব, 'আপুনি মোক দয়া কৰি পানী নিবিচাৰিব। এগিলাছ কিয়, আপোনাক একাপ পানীও মই দিব নোৱাৰিম। তাৰ বদলি আপোনাক মই এবাটি গাখীৰ দিব পাৰো।' এইদৰেই কৈছিল ৬৮ বছৰীয়া গোমা গৌতম নামৰ মহিলাগৰাকীয়ে। কাৰণ

১০ পৃষ্ঠাত চাওক



এইদৰেই খাল খান্দি পানী অনাৰ প্ৰচেষ্টা ভুটান সীমান্তত।

দৈনিক গণ অধিকাৰ

## নলবাৰীত ঐক্যবদ্ধ হ'ল বাক্সাৰ বিভিন্ন দল-সংগঠন

## এগিলাছ নহয়, একাপ পানীও নাপায়

অসমীয়া প্ৰতিদিন ঃ ১৯ আগষ্ট, ২০১০ ইং।

## ঘোগ্ৰা জানে আনিছে আশাৰ বতৰা

গুৱাহাটী, শুক্ৰবাৰ, ২২ জুন, ২০১২

দৈনিক গণ অধিকাৰ স্থানীয় সংবাদ

## 'চৰকাৰী বিদ্যালয়ে শিশুৰ অধিকাৰ আইন ভংগ কৰিছে'

গণ বাৰ্তা, নলবাৰী, ২১ জুন ঃ জন সচেতনাৰ অভাৱৰ বাবেই অসমত শিশুৰ অধিকাৰ খৰ্ব হৈয়ে আছে। চৰকাৰী আৰু বেচৰকাৰী উভয়পক্ষই শিশুৰ অধিকাৰ আইন ভংগ কৰিছে।

১০ পৃষ্ঠাত



নলবাৰী জিলাৰ বৰভাগত গ্ৰাম্য বিকাশ মঞ্চই আয়োজন কৰা শিশু অধিকাৰ আইন সম্পৰ্কীয় কৰ্মশালা ফটোত দেখা গৈছে বৃহস্পতিবাৰে। ফটো : এম. মহিবৰ ৰহমান, নলবাৰী।

## 'চৰকাৰী বিদ্যালয়ে শিশুৰ অধিকাৰ আইন ভংগ কৰিছে'



■ পশু চিকিৎসা বিভাগৰ উদ্যোগত বৰিয়া মহকুমাৰ বৰশিল বালিকা প্ৰাথমিক বিদ্যালয়ত সহযোগত অলপতে অনুষ্ঠিত বিনামূলীয়া পশু চিকিৎসা শিবিৰ আৰু সজাগতা সভা।

assam chronicle

# Reconstruction of Koita channel brings a ray of hope to people in Nalbari

ARCHANA KALITA

NALBARI, APR 3: The reconstruction of the six kilometer long Koita channel issuing out of Koita beel near Barnibari village under Barkshetri revenue circle in Nalbari district promises to

Talking to Eastern Chronicle, Binod Baishya, a teacher of Paikan-Dirua Lower Primary School said, "The 'death' of the Koita channel has had a serious impact on the livelihood of the people of the nearby villages such as Barnibari,

dry." Interestingly, Grammya Vikash Mancha (GVM), a reputed NGO working in the district for the uplift of the down trodden, has decided to undertake reconstruction of the said channel.

The decision on the part

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ মঙলবাৰ, ২৬ এপ্ৰিল, ২০১১/১২ ব'হাগ, ১৯৩৩ শক

(11) DAINIK ASAM, Guwahati, Monday, May 23, 2011

# বিশ বছৰৰ মূৰত শালি খেতিলৈ সাজু ১৫ গাঁৱৰ কৃষক

পচাজানৰ খননত উৎসাহী গঞা

৮

বিশ্বাস আৰু অনুসন্ধানৰ আধাৰ

সাপ্তাহিক নলবাৰী

SAPTAHIK NALBARI, Vol.-1 Issue-25

১ম বছৰ ◆ সংখ্যা - ২৫ ◆ ১ জুন ◆ বুধবাৰ ◆ মূল্য : ২ টকা

# জলকীয়াৰ খেতিৰে স্বাৱলম্বী হোৱাৰ পথত

দোকোহা-কোৰবংপুৰৰ মহিলাৰ অভিনৱ প্ৰচেষ্টা

# নলবাৰীত মৎস্যপালন প্ৰশিক্ষণ



গুৱাহাটী, ২৫ এপ্ৰিল : ৰাজ্যৰ অগ্ৰণী বেচৰকাৰী সংস্থা নলবাৰী গ্ৰাম্য বিকাশ মঞ্চৰ সৌজন্যত মীন বিভাগৰ সহযোগত মিঠা পানীৰ মিছামাছ পালনলৈ আগ্ৰহান্বিত নলবাৰী জিলাৰ ত্ৰিশজন শিক্ষিত যুৱক-যুৱতীক সামৰি ৰাজ্যত সফল মিছামাছ পালনৰ অন্যতম বাটকটীয়া কামৰূপ জিলাৰ ৰামপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বজাপুখুৰী গাঁৱৰ ৰোহিণী গংগা মীন পাম প্ৰাংগণত দক্ষিণপুৰ বিদ্যুৎসাহিনী সংস্কৃত টোলত এক দিনজোৰা বিস্তৃত প্ৰশিক্ষণ অনুষ্ঠিত হয়। কামৰূপৰ মহকুমা মীন উন্নয়ন বিষয়া প্ৰাঞ্জল প্ৰকাশ শৰ্মাৰ বিশেষ উদ্যোগ তথা সঞ্চালনাত আয়োজিত এই পুথিগত আৰু ব্যৱহাৰিক পাঠদানসূচীত সমল ব্যক্তি হিচাপে সংশ্লিষ্ট সম্প্ৰসাৰণ বিষয়া তথা মিছামাছ পালন প্ৰজনন বিশেষজ্ঞ প্ৰতুল বৰ্মন, মীন বিষয়া ধ্ৰুৱজ্যোতি শৰ্মা, মীন প্ৰদৰ্শক দীনেশ দাস আৰু ৰোহিণী গংগা পামৰ স্বত্বাধিকাৰী তথা সফল মিছামাছ

আৰু ব্যৱহাৰিক জ্ঞান লাভ মাৰ বান্ধি অগ্ৰসৰ হোৱাৰ আন্তৰ্জাতিক কৃষি সামগ্ৰী বস্তু সমাজকৰ্মী ৰাছেল হুছেইনে কৰি সাম্প্ৰতিক বিশ্বত মিছামাছ জনপ্ৰিয়তা ব্যাখ্যা কৰে। অতি বিভিন্ন দেশত তেওঁ স্বচক্ষে অ গুৰুত্ব অৱগত কৰি প্ৰশিক্ষাৰ্থী তোলে। আজিৰ তাৰিখতো ৰেষ্টুৰেণ্টলৈ, দৈনিক এক বৃহ আমদানি হয় বুলি তেওঁ প্ৰ উল্লেখযোগ্য যে বিগত বৰ্ষত পৰীক্ষামূলকভাৱে কৰা মিছ সফলতাই প্ৰমাণ কৰি দিয়ে জলবায়ু-ভৌগোলিক অৱয়ব পালনৰ বাবে অতি উপ

আজিৰ অসম

দৈনিক অসম

শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষা

# ৮৫% বিদ্যালয়তে এতিয়াও ছাত্ৰ-ছাত্ৰীক কঠোৰ শাস্তি, মাচুল সংগ্ৰহ

assam chronicle

# NGO brings relief to farmers in Nalbari

ARCHANA KALITA

NALBARI, APR 8: About 70 per cent of farmers hailing from Barbhag and Ghograpar revenue circles in Nalbari district is likely to benefit from the construction of a

monsoons resulting in massive water logging of the nearby areas. Consequently, the cultivation of paddy including Sali, Ahu and Boro has suffered enormously as water logging in the area makes it virtually impossible

Jamsedji Trust (TJT) ha... come to the rescue of hapless farmers as... authorities concerned ha... thus far remained 'm... spectators to the hardship faced by farmers in the... area. Significantly, the...

গুৱাহাটী শনিবাৰ ২৬ চ'ত ১৯৩১ শক, ১০ এপ্ৰিল ২০১০ চন

# ঘগ্ৰা আৰু কৈটাজানৰ খনন কাৰ্যই কঢ়িয়াইছে আশাৰ বতৰা



আজিৰ অসম

# নলবাৰী-কামৰূপ (গ্ৰাম্য)ত বান সাহায্য বিতৰণ



# হাজো-ৰঙিয়াত দুৰ্যোগ প্ৰশমন প্ৰকল্প আৰম্ভ



প্ৰতিদিন সেৱা, ডিমু, ২৩ আগষ্ট ঃ ইউৰোপীয়ান কমিছনৰ অৰ্থ সাহায্যত ইউনিচেফ আৰু গ্ৰাম্য বিকাশ মঞ্চ, নলবাৰীৰ উদ্যোগত কামৰূপ জিলাৰ হাজো, ৰঙিয়া আৰু কমলপুৰ উন্নয়ন খণ্ডৰ অধীনৰ বিশখন গাঁৱত দুৰ্যোগ প্ৰশমন প্ৰকল্প আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে গাঁওসমূহত সামূহিকভিত্তিত ৰূপায়ণ কৰিবলৈ লোৱা দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন প্ৰকল্পৰ অধীনত প্ৰতিখন গাঁৱত একোখনকৈ দুৰ্যোগ প্ৰতিৰক্ষা স অ গ প্ৰ এ বি সে বা সে মং বি

গণ অধিকাৰ স্থানীয় সংবাদ | Guwahati, Tuesday, 21 February, 2012

## গ্ৰাম্য বিকাশ মঞ্চই জীপাল কৰিলে নলবাৰী বাক্সাৰ ২৭ হাজাৰ বিঘা কৃষিভূমি

শাহ আলম আহমেদ, ঘগ্ৰাপাৰ, ২০ ফেব্ৰুৱাৰী ঃ নলবাৰী আৰু বাক্সা জিলাৰ অৱহেলিত পঞ্চাশ হাজাৰ পৰিয়ালৰ সংস্থা 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ উদ্যোগত ৰূপায়িত 'বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ' প্ৰকল্পই ...

গণ অধিকাৰ ৩

# Nalbari village clinging to hope amid flood of govt apathy

MINOTI Das has not yet named her day-old daughter, but the baby could very well be called 'Hope'.

Far removed from the government's scheme of things, ravaged by floods every year and left to fend for themselves, the residents of Barsimalua village under Borkhetri constituency in Nalbari are just clinging on to hope. One day, things will turn around.

But before government's help arrived in this village — reeling under the latest wave of floods — NGOs have stepped in to alleviate the woes of the people.

Save The Children, an international NGO with a presence in 14 states in India, and the Nalbari-based Gramya Vikash Mancha completed their first round of distribution of relief materials to nearly 315 households on Saturday.

When the floods hit, year after year, children are the worst affected.

When Minoti Das went into labour, she was rushed to the nearest health centre. It is a nightmare of a journey — a travel which entails around 30 minutes by boat and another 30 by an rickety autorickshaw along a bumpy road to Kamarkuchi.

It is a miracle that Minoti reached the health centre without any harm to the baby in her womb. Hours later, she delivered a 2.4 kg healthy baby. "Both mother and the baby are doing fine," Asha worker Pratima Das told Seven Sisters Post. For the record, in the entire area she is the only nurse trained to handle neo-natal and post-natal cases.



A woman collects water from a submerged ... Barsimalua village under Borkhetri ...

She added that the "20 children in the village in the age group of 6-12 months are at grave risk due to threat of water-borne diseases which follow the floods".

Abunash Lahkar, Save the ...

"All departments, health, education, PWD, power, water supply, revenue, agriculture, animal husbandry etc. have failed us"

Deboru Ram Namashudra, Headman, Barsimalua village

headman Deboru Ram Namashudra points to the government's "failure" to provide the basic necessities of life. "All departments, health, education, PWD, power, water supply, revenue, agriculture, animal husbandry etc. have failed us." Even after so many years of Independence, the village is still sans electricity and proper road and no provision for supply of potable ...

## জলকীয়াৰ খেতিৰে স্বাৱলম্বী

আদৰ্শৰ প্ৰতীক লোকোহা-কৌৰৱপুৰৰ মহিলা

আজিৰ অসম | গুৱাহাটী শনিবাৰ ৮ আহাৰ ১৯৩৪ শক, ২৩ জুন ২০১২ চন

## নলবাৰী জিলাৰ বৰভাগত 'শিশুৰ অধিকাৰ আইন' সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

## গণ অধিকাৰ মঞ্চ গঠন

প্ৰতিদিন সেৱা, তামুলপুৰ, ১৭ আগষ্ট ঃ তামুলপুৰ গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত তামুলপুৰ আৰু নাগ্ৰীজুলি উন্নয়ন খণ্ডৰ অধীনৰ বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান, সংঘ,

গ্ৰাম্য বিকাশ মঞ্চ ঃ দুৰ্যোগৰ ক্ষয়-ক্ষতি প্ৰশমন বিষয়ক প্ৰকল্প

## গ্ৰাম্য স্বাস্থ্য বিষয়ক আলোচনা



অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ সোমবাৰ, ২৯ আগষ্ট, ২০১০/১২ ভাদ, ১৯৩২ শক

SATURDAY, JUNE 23, 2012

THE ASSAM TRIBUNE, GUWAHATI 7

# Call for proper execution of RTE Act in Nalbari

CORRESPONDENT

NALBARI, June 22 – The chairperson of the State Commission for Child Right Protection, Dr Suchitra Kakati on Thursday visited Nalbari district to take stock of the present status of child labourers and the proper implementation of RTE Act, 2009.

A meeting was held at the Deputy Commissioner's conference hall where heads of different departments concerned were present. The chairperson also directed the district administration to ensure the proper implementation of the entire clauses of the RTE Act.

Earlier, Dr Kakati attended a workshop on child rights organised by Gramya Vikas Mancha, an NGO at Barbari. Addressing the workshop, Dr Kakati said that 85 per cent schools in the State are continuing with corporal punishment of students. She said free and compulsory education has become a distant dream as some schools are taking fees from primary school students, violating the RTE Act. Some schools are not providing midday meals and uniforms though the department is giving necessary funds. The chairperson alleged that the State Social Welfare Department is also neglecting the rights of children in the Anganwadi centres. She alleged that nutritional food is not being provided in most centres. Out of 5,000 centres in the State, the condition of some centres is very bad. The State Commission, which is working in 27 districts, also called upon the people to report any case of child right violation.

The workshop was addressed by Jogendra Kalita, principal of Pub Banbhag College and Prithi Bhushan Deka, president of Gramya Vikas Manch. It was attended by representatives of mothers' committees, NGOs and media personnel. The secretary of Gramya Vikas Manch offered the vote of thanks.

দুৰ্যোগ প্ৰতিৰক্ষা সমিতিৰ উদ্যোগত শ্ৰমদান-চিকিৎসা শিবিৰ

## সৰ্বদিশতে অৱহেলিত দক্ষিণ শিংৰা



প্ৰতিদিন

## তামুলপুৰত গ্ৰাম্য বিকাশ মঞ্চৰ কৰ্মশালা

Business Standard

# Revived traditional irrigation brings joy to Assam farmers (Agriculture Feature)

## IANS | Guwahati

November 22, 2014 Last Updated at 14:32 IST

The gurgling water flowing fast through a traditional canal system that has been revived in water-scarce parts of Assam has brought cheer to farmers who now look forward to a bumper harvest.

After about 20 years, 42-year-old Rati Ranjan Mondal expects at least 450 mounds (about 18,000 kg) of rice from his 30 bighas (about 10 acres) of paddy field in this harvesting season, compared to about only 200 mounds of rice which he has been getting all these years.

Like Mondal, the farmers in Guwabari, Bikrampur, Mahendra Nagar and other villages under the Nagrijuli Revenue Circle in Assam's Baksa district are dreaming big as their endeavour to irrigate their paddy fields has succeeded this time.

These villages are located on the foothills of Bhutan and just a few kilometres from the India-Bhutan border. It is an arid region and the farmers and other families had to depend on the waters that flow down from the river in the upper reaches of Bhutan through the small streams and other water bodies like the creeks for all their water needs - whether potable or for irrigation.

There are no irrigation facilities by the government in these areas and it's a herculean task to tap ground water due to the rock bed beneath the ground.

The villagers with the help of NGO Gramya Vikash Manch (GVM) has this paddy season revived the traditional canal system - locally called Dongs - and took the water from Bornodi and Oronga, Asoma, Pagladia and Diring rivers in neighbouring Bhutan to irrigate their paddy fields, said GVM president Prithi Bhusan Deka.

"Most of these water bodies originated in Bhutan and merged into the river Brahmaputra through its tributaries. These networks of water bodies are the only source for irrigation, drinking water and natural fishing by local community since time immemorial," said Deka.

He added that unfortunately, the entire system has been obliterated due to several causes.

"We have studied the problem and decided to construct a diversion-based irrigation system and improve upon the traditional system of Dong in the area so that waters could be brought to the arid region to help the people. The project involved securing the natural bodies and removing obstruction for smooth flow of waters and improving it by using modern technology," he said.

Dharma Narayan Das, another villager of the Guabari village, said: "After 20 years we are expecting a good harvest. The harvest is likely to be good this time as we have been getting water through the Dongs."

"We along with the GVM have constructed the Dong for a stretch of 12 km and it has helped people of 10 villages in this area alone. About 12,000 bighas of land have got proper irrigation this year and we all are expecting a bumper harvest after so many years," said Hari Charan Das, another farmer.

Das said "the use of modern technology like construction of sluice gates and concretisation of portions of the Dong has also helped us".

"Earlier it used to be only an earthen canal and it needed regular repairing by the community members, particularly whenever there is heavy water flow. The concretisation has solved this problem. It was also difficult to hold the water earlier, but construction of sluice gates have made it easier for us to hold the waters for days and then use it," Das added.

Manjyoti Lahkar, senior programme manager of GVM who is looking after the project, said: "The major problem of the farmers in Guwabari village was the loss of farming days, and problem to get irrigation in the paddy fields due to the breaching on both sides of the earthen canal during the monsoon season and especially during flash floods. Now after the intervention was made using modern technology, they are happy to get water almost regularly."

"Under the project, the target is to improve the quality of life of at least 60,000 families in Baksa, Nalbari and Kamrup districts of Assam within three years," Lahkar added.

—Indo-Asian news Service

# Assam villagers revive traditional irrigation

**Chandan Kumar Duarah** 11.12.2014 · 1 Comment

**Villagers in remote north-east India have revived irrigation systems to overcome water shortages and boost agriculture in a region suffering from insurgent violence and government neglect**


(Photo by Michael Foley)

The districts of Baksa, Chirang and Udalguri of Assam on the India- Bhutan border were once lush green. However, rapid urbanisation and deforestation has turned these areas into arid zones. The once perennial sources of water are now almost dry in winter. Deforestation and climate change has made water scarce and pushed local communities towards hunger and poverty.

India and Bhutan share a number of transboundary rivers. While the Indian side of the border comprises mostly of dry plains, the hills on the Bhutan side are covered with lush forests. Rivers and rivulets flow into India's north-eastern state of Assam. Most of these water bodies originate in Bhutan and ultimately merge with the tributaries of the Brahmaputra River.

These networks of water channels are the only source of water for irrigation, drinking and fishing for the local community. But during winter the channels now run dry.

Tree felling by timber traders and clearance of forest lands for development projects (such as widening roads) has led to massive deforestation and the siltation of river beds, worsening the situation. Climate change also plays a role. The number of rainy days has decreased and rain now falls heavily for a few hours, leading to sudden floods. Fluctuations of river flow have become more intense over the past 10-15 years, locals say.


Baksa residents set example by creating irrigation system without govt aid

**Villagers dig deep for water**

SELF-HELP ROUTE TO GREEN FIELDS

On July 18, 2014, the North East Council (NEC), Institute of China Studies (ICS), the Reliance-baked Observer Research Foundation (ORF) and Confederation of Indian Industry (CII), organised a seminar in Guwahati to assess the role of institutions and commercial ventures in Northeast India, in implementing the government's "Look East Policy". In-keeping with the broader themes of economic development, infrastructural growth and enhancing regional visibility, the speakers at the seminar spoke passionately about their desires to see a positive transformation of Northeast India. There was a lot of hope that the government's policies, along with the possibility of teaming up with South East Asian countries and China, would lead to a drastic change in the political future of this region. Bureaucrats, policy makers, businesspersons, advocacy groups and other members of civil society, were understandably upbeat about the impending changes.

Transitions are always tricky. They bring with them great possibilities of progress and also the potential for irreparable loss. Throughout human history, societies and regions in transition have attracted towards them all sorts of soldiers-of-fortune, well-meaning evangelists, cunning opportunists and radical entrepreneurs. One of my favourite novels that captured this spirit of transition is George Orwell's *Burmese Days.* It is, in the end, a bleak and disheartening story about grand narratives that failed completely. The real tragedy of the story however, was the fact that even in failure, these narratives managed to survive and grew into disturbing fantasies that ended up destroying lives and landscapes beyond repair. In the end, the whiskey-soaked, well-meaning timber merchant John Flory was driven to suicide because of the unbearable weight of the contradictions that he had to bear. These contradictions had several layers: his occupation (as someone who ransacked Burma's teak forests for a living); his social awkwardness (his best friend in that seedy town was an Indian doctor who loved the English and was convinced that non-Europeans were lesser human beings); his political convictions (he sympathised with the Burmese); and his eventual disillusionment with imperialism and racism. Both were important in maintaining the social order of early 20th century Burma that was undergoing a revolutionary social, economic and political transition.

I think that is where we are at right now. This is a transition that we will have to negotiate with care. The last three decades have created different, sometimes jarring, worlds in Northeast India. Here, in Guwahati, one sees the world of speculative capital and counter-insurgency converging in uncanny ways. The city is bursting in the seams. This is because people have been running away from rural Assam since the 1990s in an attempt to scratch out a living in this harsh, unforgiving city. For every mall that you see here, you have an alternate reality of a larger cross section of people who can never afford the goods that are displayed in them. The tragic contradiction however, is the fact that these are the same people who are providing us the services that we need to maintain our islands of comfort: they are security guards, sales persons; vegetable vendors; domestic help; construction workers and every other level of service provider that one can find. On the other hand, you have the world of land sharks and builders who have benefitted immensely from the denotification and deregulation of government land and common property. How long can we sustain these contradictions, is a question that I often ask myself.

Today, most people in Northeast India have vulnerable lives. It is impossible to make a living through agriculture alone. Most subsistence farmers have to find other ways to make a living. Some take to contracts, others look for gifts from nature: the logs that come floating down angry rivers during monsoons; the dreamy wisps of cotton that float around in spring; the rocks on the river bed that surface in winter; sand; pebbles and all the things that we take for granted. And this, unfortunately, is another recipe for sorrow and tragedy. Imagine a group of Bodo boys attempting to draw in in driftwood from the Lokhaitora river and they find themselves competing with another group of Bengali-speaking Muslim boys, who are able to reel in the logs. In most other parts of the world, this would pass off as a minor skirmish among young men trying to make the best of a quick business opportunity, but in western Assam it would result in untold violence and displacement, involving all organs of the state and every layer of civil society.

The truth is, India's northeast has been ravaged by five decades of brutal militarisation. During this time, we have managed to forgo every notion of civility and peaceable qualities that make for decent living. Our political vocabulary has swung from emancipatory ideals of freedom to crass notions of fiefdom. Today, when we are confronted with multiple conflicts in almost every district of the region, we have to acknowledge the depths to which our problems have taken root. We are unable to allow people from one district to move to the other; unable to allow churches of different denominations to coexist in the same village; unable to live as a people in a village. And into this incendiary mix, we would like to nurture fantasies of wealth and fortune beyond our imagination.

Much of this is because we have become immensely poor in the last three decades. Our political language has become crass, our livelihood options have become even more vulnerable and we constantly see a threat to our cultural survival. More than economic progress, I think we need to be able to have political reconciliation, so that we are able to encourage and nurture an environment of equality, dignity and compassion. Any effort at sustainable development has to also take into consideration questions of equitable distribution of wealth. Simply put: if our policy makers fantasise about the wealth of possibilities with the Look East Policy, they would also have to figure out ways by which this material wealth can be redistributed in an equitable manner among the communities who are going to do the sharing.

If we are unable to do so, we will be left with George Orwell's tropical nightmare, where our dreams of a good future are undone by the crassness of our contemporary political realities. Most of us in this room would like to see a Look East Policy that succeeds in changing the status quo in Northeast India. However, we have to ensure that this change benefits the millions who have been marginalised by decades of militarisation and counter-insurgency. Unless they are invited to the discussion table, all our efforts to ensure sustainable development will seem like another edition of Orwell's tragic book. In conclusion, allow me to state with no degree of uncertainty two final points: first, none of this effort to Look East will make any sense if we are unable to involve the people of the Northeast. Second, should we fail to include the people, we would be confronted with a violence that even George Orwell would be unable to explain.

(Dr. Borbora is the Associate Professor of Tata Institute of Social Sciences, Guwahati)

# Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 15 Years.......

| Activity/ Project | Funding Agency/ Donner | Area/ District |
|---|---|---|
| **1999-2000** | | |
| Plantation Programme | Members Contribution | Puberun Jatiya Vidyalaya, Baridatara, Nalbari |
| **2000-01** | | |
| District level Work Camp | Nehru Yuva Kendra, Nalbari | Sonkani, Jugurkuchi, Nanai village, Barbhag, Nalbari |
| Entrepreneurship Development Programme on Radio, Tap and TV repairing | Nehru Yuva Kendra, Nalbari | Pajipar LP School, Barbhag, Nalbari |
| Hepatitis Vaccination Programme | Members Contribution | Barbhag, Pub-Nalbari and Barigog Banbhag Dev. Block, Nalbari |
| Self Employment Training on Jute and Cloth Fabrics Painting | Nagen Sarma Memorial Trust | Gopuja L P School, Pub-Nalbari, nalbari |
| **2001-02** | | |
| World AIDS Day celebration | Assam State AIDS Control Society, Khanapara | Barkhetri Dev. Block |
| Awareness programme on Iodizes Salt | Field Publicity Office, Nalbari | Kothora Village, Nalbari |
| **2002-03** | | |
| Self Employment Training | State Institute of Rural Development (SIRD) | Kamarkuchi, Barbhag, Nalbari |
| World AIDS Celebration | District Joint Director Health, Nalbari | Barbhag Dev Block |
| National Science Day | Science Communication Forum and GVM | Arangamou Girls ME School Barbhag, Nalbari |
| **2003-04** | | |
| Targeted Intervention Project (TI Project) for migrant labour in Char and reverie areas | Assam State AIDS Control Society, Assam | Barkhetri Dev. Block of Nabari District |
| Rural Entrepreneurship Development Programme on Agro machineries and Fabric painting | NABARD, Regional Office Guwahati, | Barbhag Collage, Barbhag, Nalbari |
| Free Health Camp | Joint Director health, Nalbari | Bhangnamari Char, Barkhetri Dev. Nalbari |

| Activity/ Project | Funding Agency/ Donner | Area/ District |
|---|---|---|
| **2004-05** | | |
| Total Sanitation Campign (TSC) Programme | District water and Sanitation Committee (DWSC) Public Health Engineering Department, Nalbari | Barbhag Dev Block. |
| Emergency Relief and Rehabilitation | Action Aid India, Guwahati | Barbhag Dev. Block |
| Rural Entrepreneurship Development Programme on Bee Keeping | NABARD, Regional Office, Guwahati | Barbhag and Pub-Nalbari Dev. Block, Nalbari |
| **2005-06** | | |
| Rural Entrepreneurship Development Programme on Bee Keeping | NABARD, Regional Office, Guwahati | Barbhag and Pub-Nalbari Dev. Block, Nalbari |
| World AIDS Day Celebration | District Administration | Socio Light, Barbhag, Nalbari |
| **2006-07** | | |
| Construction of Fuel Efficient Crematorium (FEC) | CAPART, New Delhi | Barbgag and Barkherti Dev Block, Nalbari |
| Reproductive Child Health | Rural Women Uplifment Association of Assam (RWUAA), Japarigog, Guwahati | Barkhetri Dev. Block, Nalbari |
| SHG Formation and Promotion Programme | NABARD Regional Office, Guwahati | Pub-Nalbari, Barbhag and Barigog Dev. Block |
| DRR Though School project | Action Aid International, New Delhi | 80 Nos. Govt School in Nalbari district of Assam |
| Pottery Cluster Development Project | NABARD Regional Office, Guwahati | Chanmaguri and Purnakhundum Village of Kamrup District of Assam |
| Construction of Community Building under MPLAD Fund | MP Indramoni Bora | Kardaitola, Barbari, Nalbari |
| **2007-08** | | |
| DRR Though School project | Action Aid International, New Delhi | 80 Nos. Govt School in Nalbari district of Assam |
| Awareness Building of Natural Wetlands of Nalbari district | Environmental Equity Justice Partnership (EEJP) | Barigog Banbhag and Barbhag Dev. Block of Nalbari |
| Empowerment of Elected women representative in Nalbari District | The Hunger Project (THP), New Delhi | Nlabari district |

| Activity/ Project | Funding Agency/ Donner | Area/ District |
|---|---|---|
| National Youth Dev. Programme | Nehru Yuva Kendra, Nalbari | Nalbari |
| Village Development Programme (Village Adoption programme) | NABARD, Regional Office | Barsimalua village, Nalbari District |
| Strengthening SHGs in Nalbari, Assam | Sir Dorabji tata Trust, Mumbai | Barbhag Dev Block, Nalbari |
| **2008-09** | | |
| DRR Though School project | Action Aid International, New Delhi | 80 Nos. Govt. School in Nalbari district of Assam |
| Flood Relief and Rehabilitation project | Action Aid International, New Delhi | Barbhag Dev. Block, Nalbari |
| Center for practical Livelihood Training on Tailoring and Weaving | NEDFi, Guwahati | Chatra and Thanpatkuchi of Nalbari District. |
| SHG Formation and Promotion Program | NABARD Regional Office, Guwahati | Pub-Nalbari, Barbhag and Barigog Dev. Block |
| Bamboo Cluster Development project (Japi Cluster) | NABARD, Regional Office, Guwahati | Pub Nalbari, Nalbari Dsitrict. |
| Skill Development Training | State Institute of Rural Development (SIRD) | Nalbari |
| Awareness programme on Right to Information (RTI) | North East Network (NEN) | Nalbari district. |
| **2009-10** | | |
| People Empowerment for Accessing Rights to Livelihood (PEARL) Project | Indo Global Social Service Society (IGSSS) | Tamulpur and Nagrijuli Dev. Block, Baksa district. |
| Promoting and Strengthening Disaster Risk Reduction in Assam | DFID and Action Aid International, New Delhi | Nalbari District |
| Promotion of Diversion Base Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari District. |
| Mobilizing communities on MGNREGS | Action Aid India, Regional Office, Guwahati | Pub Nalbari, Barigog Banbhag and Barbhag Dev. Block of Nalbari District. |
| Skill Development Programme on Water Hyacinth craft | NEDFi, Guwahati | Barbhag and Barigog Banbhag Dev. Block of Nalbari |
| Community Based Disaster Risk Reduction (CBDRR) | UNICEF, Reginal Office Guwahati | Hajo, Rangia and Kamalpur Development Block of Kamrup (Rural) district. |

| Activity/ Project | Funding Agency/ Donner | Area/ District |
| --- | --- | --- |
| Disaster Risk management programme (DRMP) | District Disaster management Authority (DDMA) Nalbari | Barbhag and Pub nalbari Dev. Block, Nalbari |
| Promotion of Pease and Social harmony | National Council of Rural Institute (NCRI), Hyderabad. | Pub-Nalbari, Barbhag and Barigog Banbhag Dev. Block of Nalbari District. |
| **2010-11** | | |
| Extension of SRI (System of Rote Intensification) | Professional Assistance for Development Action (PRADAN) | Nalbari and Baksa District of Assam |
| Mother Group Members Training Programme on RTE | Assam Mahila Samata Society, Guwahati | Nalbari and Baksa District |
| District Youth Convention and Youth Club Exchange Programme | Nehru Yuva Kendra, Nalbari | Nalbari District |
| **2011-12** | | |
| Study on Children engagement in Brick Kilns | Aid Et Action, Guwahati | Kamrup Rural district |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Adolescent Education in Assam | Sir Dorabji Tata Trust (SDTT) Mumbai | Nalbari, Baksa and Kamrup Rural |
| Child Friendly School System (CFSS) | UNICEF | Rani Rampur, Kamrup Rural District |
| Celebration of International Women's Day | District Administration, Nalbari | Nalbari District |
| Awareness on MGNREGA | NYK, Nalbari | Nllbari District |
| Exhibition at Rakh Mela | NABARD and NEDFi | Nalbari District |
| **2012-13** | | |
| Flood Response in Kamrup, 2012 | Save the Children | Kamrup Rural District |
| Humanitarian Assistance to Vulnerable Population Affected by Flood in Assam (ECHO) | ECHO/ Action Aid International | Kamrup Rural District |
| ECHO supported Flood Response in Nalbari district of Assam | Save the Children | Nalbari District |
| IKEA supported Flood response in Nalbari district of Assam | Save the Children | Nalbari District |
| Flood Response in Tinsukia and Kamrup (rural) district of Assam | Sir Dorabji Tata Trust, Mumbai | Kamrup Rural and Sadia (Tinsukia) district |
| Flood Response in Nalbari and Kamrup district of Assam | Help age India, new Delhi | Kamrup Rural and Nalbari District |

| Activity/ Project | Funding Agency/ Donner | Area/ District |
|---|---|---|
| Flood Response in Assam India Pvt. Ltd., | Franklin Templeton | Nalbari District |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Adolescent Education in Assam | SDTT, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Extension of SRI | Professional Assistance for Development Action (PRADAN) | Nalbari and Baksa district. |
| **2013-14** | | |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Minisitry of Rural Development (MoRD) Govt if India | Barigog Banbhag, Pub-Nalbari, Tamulpur and Baska dev Block of Nalbari and Baska district. |
| Adolescent Empowerment Project | National Foundation of India (NFI), new Delhi | Nalbari and Kamrup Rural District |
| Strengthening Capacity Building and Sustainable farming | Action Aid Association, Regional Office, Guwahati | Assam |
| **2014-15** | | |
| Promotion of Diversion Based Irrigation (PDBI) | Jamsetji Tata Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Adolescent Education in Assam | Tata Education Trust, Mumbai | Nalbari, Baksa and Kamrup Rural |
| Empower Community for ensuring Child Rights in Nalbari district of Assam | Child Rights and You (CRY) | Nalbari District. |
| Mahila Kishan Sasaktikaran Parijojana (MKSP) | Minisitry of Rural Development (MoRD) Govt if India | Barigog Banbhag, Pub-Nalbari, Tamulpur and Baska dev Block of Nalbari and Baska district. |
| Adolescent Empowerment Project | National Foundation of India (NFI), new Delhi | Nalbari and Kamrup Rural District |

| Activity/ Project | Funding Agency/ Donner | Area/ District |
|---|---|---|
| Strengthening Capacity Building and Sustainable farming | Action Aid Association, Regional Office, Guwahati | Assam |
| Empowering Access to Education for Marginalized Children in Kamrup and Nalbari | Action Aid Association, Guwahati | Nalbari and Kamrup Rural District |
| Sustainable Option for Upliftment Livelihood (SOUL) | Indo Global Social Service Society (IGSSS) | Baksa district of Assam |
| Community Led Child Centered Disaster Risk Reduction | Fondazione L'Abro della Vita (FADV), Italy | Kamrup Rural District |
| Flood Emergency Response Project 2014 | Fondazione L'Abro della Vita (FADV), Italy | Bako and Goalpara of Assam |

Published by: Secretary, Gramya Vikash Mancha





কবিতা

## মই শিশু শ্ৰমিকে কৈছো

✍ জিতেন্দ্ৰ নাথ কলিতা

তুমি ঘূৰাই দিব পাৰিবানে?
শুকাই যোৱা মোৰ ওঁঠৰ হাঁহি?
স্বতস্ফূৰ্ত মোৰ অনৰ্গলা কথাবোৰ
যাক কওঁতে কাষ চাপিছিলো ইজনে-সিজনৰ
আৰু সমৰ্পণ কৰিছিলো ইজনে সিজনক হৃদয়
দিব পাৰিবানে ঘূৰাই
মানুহৰ প্ৰতি থকা সহজ বিশ্বাস
আৰু আন্তৰিকতাবোৰ?
গুণগুনাই থকা মোৰ গীত, উচ্চাসপূৰ্ণ
মোৰ জীয়াই থকাৰ স্পৃহা আৰু সপোনক?
মোৰ দৃঢ়তাপূৰ্ণ চিন্তাবোৰ
যাৰ দ্বাৰা জীৱনক এটা পৰীক্ষাগাৰত
পৰ্যৱেক্ষণ কৰিব বিচাৰিছিলো,
ৰহস্যময় জীৱনৰ সত্য আৰু তথ্য
আৱিষ্কাৰ কৰিব বিচাৰিছিলো
যি মোৰ সম্ভাৱনাৰপৰা
বিচ্ছিন্ন হৈ যোৱাৰ উপক্ৰম হৈছে—
পাৰিবা জানো ঘূৰাই দিব?
মোৰ কোমল হৃদয়।
যাৰ কোমলতাক আঘাত কৰি মেৰিয়াই
ধৰিছিল মোক
আৰু তোমাৰ চকুলোৰ ধাৰাক
তধা লাগি চাই ৰোৱা
মোৰ নিষ্পাপ চকুৰ বিস্ময় দুখবোৰক
আকোঁৱালি লোৱাৰ তাড়নাবোধ
আৰু বৰষুণকাতৰ হৃদয়খন
যাৰ আবেশত স্বপ্নাতুৰ হৈছিলা
বৰ্ষাৰ ঋতুত সেমেকি উঠিছিল শাওণৰ ৰাতি
পাৰিবানে দিব ঘূৰাই?
তুমি ঘূৰাই দিব নোৱাৰা একোকেই
কাৰণ তুমি প্ৰতাৰণাৰে খেলা খেলিছিলা
বিশ্বাসৰ ঠুনুকা ভাবনাবোৰ ধ্বংস কৰিছিলা
তুমি কিয় ভাঙিছিলা এই সকলোবোৰ?
কিয় আহিছিলা মোৰ পৃথিৱীলৈ
মই ভিক্ষা কৰো সেই সহজ জীৱন
সেই সহজ পৃথিৱী, যি মোৰ একান্ত নিজা।
**(কবি এগৰাকী স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)**



## মই

✍ ঈশ্বৰ বৈশ্য

এন্ধাৰে ভৰা মোৰ মন, মোৰ দেহ,
তিতিব বিচাৰো মই
এজাক নিৰ্মল বৰষুণত...
ভাবিব নোৱাৰো মই
বিফলতাৰ কথা,
নহ'লেচোন মই যাবকৈ
নোৱাৰিম, আগুৱাই
ৰাখিছো বুকুত বান্ধি
আশৈশৱ বহুদিনীয়া সপোন
মোৰ সপোন,
আজীৱন থাকিম উমলি
শিশু, বৃদ্ধ, আবাল-বনিতাৰ স'তে,
সুখী হ'ম মই
মনত এটাই চৰ্ত,
গাঁওবাসীৰ উন্নয়ন...
**(কবি এগৰাকী স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)**



# ‘গ্ৰাম্য বিকাশ মঞ্চ’ৰ কাৰ্যনিৰ্বাহক সদস্য/সদস্যা আৰু বিষয়ববীয়াসকল (২০১২-২০১৫ বৰ্ষ)



**পৃথ্বিভূষণ ডেকা**
সভাপতি



**নয়নজ্যোতি ভূঞা**
উপ-সভাপতি



**দিবাকৰ ডেকা**
সম্পাদক



**প্ৰাঞ্জল চক্ৰৱৰ্তী**
কোষাধ্যক্ষ



**অৰূপজ্যোতি দাস**
সহঃ সম্পাদক



**ডাঃ ৰাজুমণি শৰ্মা**
কাৰ্যনিৰ্বাহক সদস্য



**কমলেশ্বৰ ভূঞা**
কাৰ্যনিৰ্বাহক সদস্য



**ৰোহিত লহকৰ**
কাৰ্যনিৰ্বাহক সদস্য



**বুলু মজুমদাৰ**
কাৰ্যনিৰ্বাহক সদস্যা



**চন্দন চক্ৰৱৰ্তী**
কাৰ্যনিৰ্বাহক সদস্য



**পদ্মাৱতী বড়ো**
কাৰ্যনিৰ্বাহক সদস্যা

# সময়ৰ খোজত খোজ থৈ গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ....



মহাপ্ৰয়াণৰ তিথিত
সুধাকণ্ঠক স্মৰণ,
গ্ৰাম্য বিকাশ মঞ্চৰ চৌহদত



জি ভি এমৰ প্ৰকল্প চৌহদৰ
মুল ভৱন নিৰ্মাণৰ
আনুষ্ঠানিক শুভাৰম্ভণি,
এটা দশকৰ আগৰ ছবি




সংস্থাটোৰ দ্বাৰা
ৰূপায়িত প্ৰকল্পৰ
প্ৰকল্পস্থলীত গৈ পৰিকল্পনাত
অংশ গ্ৰহণ কৰিছে
নলবাৰী জিলাৰ উপায়ুক্ত
মাননীয় ডাঃ ওম প্ৰকাশে

# সময়ৰ খোজত খোজ থৈ গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ....




কামৰূপ (গ্ৰাম্য) আৰু গোৱালপাৰা জিলাৰ বানাক্ৰান্ত অঞ্চলত 'গ্ৰাম্য বিকাশ মঞ্চ' ৰ স্বেচ্ছাসেৱকৰ সাহাৰ্য আৰু উদ্ধাৰ অভিযান




জি ভি এম ৰ দ্বাৰা ৰূপায়িত দুৰ্যোগ প্ৰশমন প্ৰকল্পৰ সভাত অংশগ্ৰহণ কৰিছে গ্ৰামাঞ্চলৰ কিশোৰ-কিশোৰী আৰু মহিলাই




সমাজৰ অৱহেলিত শিশুসকলক আগবঢ়াই নিয়াৰ বাবে ৰূপায়িত জ্ঞান সংযোগ শিবিৰত অংশগ্ৰহণ কৰা শিশুসকলে ফটো উঠিছে. জনপ্ৰিয় অভিনেতা আকাশদ্বীপ আৰু অভিনেত্ৰী আঙুলতাৰ সৈতে

# সময়ৰ খোজত খোজ থৈ গ্ৰাম্য বিকাশ মঞ্চ, কিছু স্মৃতি, কিছু স্থিৰ চিত্ৰ....



নিজৰ অধিকাৰ প্ৰতিষ্ঠাৰ বাবে 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ উদ্যোগত আয়োজিত গ্ৰাম্য কৰ্মশালাত অংশগ্ৰহণ কৰিছে মহিলা সমাজে




জি ভি এম ৰ প্ৰকল্প কাৰ্যালয় চৌহদত আয়োজিত জ্ঞান সংযোগ শিবিৰত অংশগ্ৰহণ কৰা কেইজনীমান কিশোৰী



সংগঠনটোৱে পাৰ কৰিলে সফলতাৰ পোন্ধৰটা বৰ্ষ। সেই উপলক্ষে যোৱা ৭ ডিচেম্বৰ, ২০১৪ ত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ খেল-ধেমালি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে স্বেচ্ছাসেৱকসকলে




> ভাৰত চৰকাৰৰ কাৰণে মেকমোহন লাইনেই আছিল সীমাৰেখা। ভিত্তি আছিল ছিমলা চুক্তি। ছিমলা চুক্তিৰ ভিত্তিতে ১৯৩০ চনতে জৱাহৰলাল নেহৰুৱে লোকসভাত বিবৃতি দিছিল ঃ 'Our maps show that the McMohan Line is our boundary. map or no map. That fact remaind and we stand by that boundary, and we will not let anybody come across that boundary."

# ড্ৰেগনছ শ্বেড' অভাৰ অৰুণাচল

✍ সমীৰ শাণ্ডিল্য

হেনো হিমালয় ভাৰতৰ প্ৰহৰী
তাহানি শুনিছিলো কাহিনী
পিছে মৃত জোৱান সবে চিএঞৰিছে
'লাগে চিৰ জাগ্ৰত এটি বাহিনী।"

চিৰ জাগ্ৰত বাহিনী এটি লাগে সীমান্তত পহৰা দিবৰ কাৰণে। সীমা নিৰাপদ নহয়, একেবাৰেই নহয়। কিন্তু পহৰা দিবৰ বাবে প্ৰথমে সীমাটো ঠিক কৰি ল'ব লাগিব। সমস্যা হৈছে সীমাক লৈ। ভাৰত আৰু চীনৰ মাজৰ সীমা-মেকমোহন লাইন। চীনে এই সীমাৰেখা নামানে। সীমাৰ এইপাৰে থকা অৰুণাচললৈ লোলুপ দৃষ্টি দি আছে চীনে। অৰুণাচলৰ ওপৰচ চীনা ড্ৰেগনৰ ছাঁ পৰি আছে। অৰুণাচলৰ প্ৰতি চীনৰ লোলুপ দৃষ্টি আৰু ইয়াৰ ঐতিহাসিক প্ৰেক্ষাপটেই আজিৰ আলোচ্য গ্ৰন্থ 'ড্ৰেগনছ শ্বেড' অভাৰ অৰুণাচল'ৰ বিষয়বস্তু। গ্ৰন্থখনৰ লিখক আৰ.ডি.প্ৰধান।

ভাৰত আৰু চীৱনৰ মাজত সীমাৰেখা মেকমোহন লাইন চীনে কিয় নামানে? কেতিয়াৰ পৰা নামানে? ভাৰতীয় নেতৃত্বই এই সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰা নাই নেকি? কিয় এই প্ৰচেষ্টা বাৰে বাৰে ব্যৰ্থ হৈছে— এই প্ৰশ্নবোৰৰ উত্তৰ পাবলৈ ইতিহাসৰ পাত লুটিয়াব লাগিব। প্ৰথমেই উভতি যাব লাগিব ১৯১৩ চনলৈ। ১৯১৩ চনৰ ৬ অক্টোবৰত ভাৰত চৰকাৰৰ বিদেশ সচিব ছাৰ আৰ্থাৰ হেনৰী মেকমোহনৰ সভাপতিত্বত ছিমলাত এখন সভা অনুষ্ঠিত হৈছিল। এই সভাত ভাৰত,



চীন আৰু তিব্বতৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছিল। তেওঁলোক আছিল পূৰ্ণ ক্ষমতাপ্ৰাপ্ত ৰাজপ্ৰতিনিধি। অৰ্থাৎ এই সভাখনত তেওঁলোকে গ্ৰহণ কৰা সিদ্ধান্তই তেওঁলোকৰ নিজৰ দেশৰ চৰকাৰৰো সিদ্ধান্ত হ'ব। এই সভাখন অনুষ্ঠিত হৈছিল 'for the conclusion of a convention to remove all such causes of difference and to regulate the relations between several governments.'

ছিমলাৰ সভাখনৰ সভাপতি আৰ্থাৰ হেনৰী মেকমোহনে আফগানিস্তান আৰু বেলুচিস্তানৰ মাজৰ সীমাৰেখা ডুৰাণ্ড লাইন অংকনৰ সময়ত (১৮৯৯-১৯০০) ছাৰ মাৰ্টিমাৰ ডুৰাণ্ডক সহায় কৰিছিল। হেনৰী মেকমোহনৰ এনে বিষয়ত বিশেষ দখল আছিল। ছিমলাৰ সভাখনত তিব্বতীয় প্ৰতিনিধিজনে তিব্বতৰ সীমা বিষয়ক তেওঁলোকৰ বক্তব্য দাখিল কৰিলে আৰু The Chinese representative wanted to take up the question of political status first. (পৃ.১০২) তেতিয়া হেনৰী মেকমোহনে তিব্বতৰ ৰাজনৈতিক সীমা প্ৰথমে স্থিৰ কৰি লোৱাৰ ওপৰত গুৰুত্ব দিলে। মেকমোহনৰ মতে "...unless the political boundaries of Tibel were defined, the political status could not be discussed." (পৃ.১০২)। চীনা প্ৰতিনিধিজনে ইয়াৰ বিৰোধিতা কৰিলে যদিও ব্ৰিটিছ প্ৰতিনিধিয়ে তিব্বতৰ সৈতে আলোচনা চলাই গ'ল। ১৯১৪ চনৰ ২৪/২৫ মাৰ্চত এখন চুক্তিও স্বাক্ষৰিত হ'ল। ১৯১৪ চনৰ ১৭ ফেব্ৰুৱাৰীত এইলানিৰ সভাৰ চতুৰ্থখনত কেউখন দেশৰ প্ৰতিনিধিৰ আগত হেনৰী মেকমোহনে তিব্বতৰ সীমা নিৰ্দিষ্ট কৰি নিজৰ বক্তব্য (statement) দাখিল কৰিলে। এই বক্তব্যৰ লগত গাঁঠি দিয়া মানচিত্ৰখনতে তিব্বতৰ সীমা নিৰ্ধাৰণ কৰি দিলে এডাল সীমাৰেখাই। পৰৱৰ্তী সময়ত এই সীমাৰেখাৰ নাম হ'লগৈ মেকমোহন লাইন। ১৯১৪ চনৰ ২২ এ প্ৰিলত "...the map was submitted along with draft convention." (পৃ.১০৩) ব্ৰিটিছ প্ৰতিনিধিয়ে আশা প্ৰকাশ কৰিলে যে "The Convention would... offer the best hope of restitution of peace and prosperity to the inhabitants of an extensive area adjoining the frontier of China and British India." (পৃ.১০৩) ইয়াৰ পিছত ২৭ এপ্ৰিলৰ দিনা 'all the three representatives initialed the map and the convention' অৰ্থাৎ ব্ৰিটিছ আৰু তিব্বত প্ৰতিনিধিয়ে চীৱনৰ প্ৰতিনিধিক আন্ধাৰত ৰাখি মেকমোহন লাইন অংকন কৰা নাছিল। চীনৰ প্ৰতিনিধিয়ে সজ্ঞানেই এই সীমাৰেখাৰ প্ৰতি সন্মতি আগবঢ়াইছিল। কিন্তু ১৯১৪ চনৰ ৩ জুলাইত যেতিয়া ইয়াক চূড়ান্তৰূপ দিয়াৰ সময় হ'ল, চীনা প্ৰতিনিধিজন উপস্থিত নাথাকিল। "...when the Convention was put for signature, the Chinese representative failed to sign the Tibet Convention which had been earlier agreed upon and initialed by all the three parties. He had been pulled up by authorities in Peking for exceeding his brief." (পৃ.১০৩)। উপায়ান্তৰ হৈ তিব্বতৰ আৰু ব্ৰিটিছ ভাৰতৰ প্ৰতিনিধিয়ে স্বাক্ষৰ কৰিয়েই ইয়াক চূড়ান্ত ৰূপ দিলে।

ভাৰত চৰকাৰৰ কাৰণে মেকমোহন লাইনেই আছিল সীমাৰেখা। ভিত্তি আছিল ছিমলা চুক্তি। ছিমলা চুক্তিৰ ভিত্তিতে ১৯৩০ চনতে জৱাহৰলাল নেহৰুৱে লোকসভাত বিবৃতি দিছিল ঃ 'Our maps show that the McMohan Line is our boundary. map or no map. That fact remaind and we stand by that boundary, and we will not let anybody come across that boundary." (পৃ.১০৪)।

বাণ্ডুং কনফাৰেনস্বৰ সময়ত চৌ এন লাই আৰু নেহৰু ৰাজনৈতিক বিশ্বত সমপৰ্যায়ৰ নেতা আছিল। চীনৰ ৰাজনীতিত মাও চে তুঙৰ পাছত স্থান পোৱা চৌ আছিল এজন সুদক্ষ কুটনীতিবিদ। Stuart Schram ৰ মতে ১৯০৫ চনৰ বাণ্ডুং কনফাৰেন্সৰ সময়ত চৌয়ে পশ্চিমৰ ৰাজনৈতিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিছিল ''side by side with Nehru as one of the two principal representatives of the non-European world, divided by indeology, but united by the fact that they were Asian.''

নেহেৰুৰ সৈতে চৌ এন লাইৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল। স্বাধীনতাৰ প্ৰায় এক দশক পাৰ হোৱালৈকে নেহেৰুৱে হয়তো ভবা নাছিল যে চীনে ভাৰতৰ সৈতে থকা সীমাৰেখাক লৈ সমস্যাৰ সৃষ্টি কৰিব। কিন্তু ১৯৫৮ চনৰ শেষৰ ফালে তেওঁ এই সমস্যা লৈ সচেতন হৈ উঠিছিল। ১৯৫৮ চনৰ ১৪ ডিচেম্বৰত নেহেৰুৱে চৌলৈ লিখা এখন চিঠিত এই কথা স্পষ্ট হৈ পৰিছে। ১৯৫৬ চনত দুয়োৰে মাজত হোৱা আলোচনাখনৰ প্ৰসংগ উল্লেখ কৰি নেহেৰুৱে এই চিঠিখন লিখিছিল ঃ ''You told me that you had accepted this McMohan Line border with Burma and, whatever might have happened long ago, in view of the friendly relations which existed between China and India, you proposed to reconize this border with India also. You added that you would like to consult the authorities of the Tibetan region of China and you proposed to reconized this border with Indian also. (পৃষ্ঠা ১২৫)

**সেই বিখ্যাত চিঠিখন ঃ**

চীনে ভাৰতৰ সৈতে নতুন সীমাৰেখা নিৰ্ধাৰণ কৰিবলৈ বিচাৰে। মেকমোহন লাইন ঔপনিৱেশিক শাসকৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা। চীনে এই সমাৰেখা মানিবলৈ বিচৰা নাছিল। সেই কথা নেহৰুৱে খুব ভালদৰে জানিছিল। কিন্তু তেওঁ ভাবিছিল আলোচনা-বিলোচনাৰ মাজেৰে সমস্যাটোৰ এটা সমাধান হ'ব। মাৰ্ছেল চ্যু ট্যেই যেতিয়া চীনৰ পিপলছ আৰ্মীয়ে তিব্বতক 'স্বাধীন কৰাৰ প্ৰস্তাৱ লৈছে' বুলি বক্তব্য আগবঢ়ালে, নেহেৰুৱে ১৯৫০ চনৰ ৬ ডিচেম্বৰত সংসদত ক'লে—

''It is not clear to me from whom the Chinese were going to liberate Tibet.''

কিন্তু নেহেৰুৱে এই কথাটো বুজা নাছিল নেকি যে তিব্বতক পোনপটীয়াকৈ বেইজিঙৰ অধীনলৈ নিয়া মানেই চীন আহি ভাৰতৰ একেবাৰে কাষ পোৱাটো— ড্ৰেগন একেবাৰে সীমান্তত? চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৫০ চনৰ ৭ নৱেম্বৰত এখন চিঠি লিখি নেহৰুক এই কথা সোঁৱৰাই দিছিল। এই বিখ্যাত চিঠিখনত বিপদ কেনেদৰে আহিব চৰ্দাৰে সেই কথা স্পষ্টভাৱে বুজাই দিছিল। চৰ্দাৰ পেটেলে সঠিকভাৱে কৈছিল যে তিব্বত দখল কৰাৰ পাছত ভাৰত আৰু তিব্বতৰ মাজৰ কোনো চুক্তিয়েই চীনে নামানিব ঃ ''The Chinese interpretation of suzerainty seems to the different. We can, therefore, safely assume that very soon they will disown all the stipulations which Tibet has entered into with us in the past. That throws into the melting pot all frontier and commercial settlement with Tibet on which we have been functioning and acting during the last half a century.'' (পৃষ্ঠা ১৭৫) আৰু শেষত সেইটোৱেই ঘটিছিল। ভাৰত আৰু তিব্বতৰ মাজৰ চুক্তিখনে নিৰ্ধাৰণ কৰা মেকমোহন লাইনকে সীমাৰেখা হিচাবে মানি ল'বলৈ চীনে অস্বীকাৰ কৰিছিল, আজিও কৰে। ভাৰতে চীনৰ কাৰণে যথেষ্ট কৰিছিল। চৰ্দাৰ পেটেলে তেওঁৰ চিঠিত সেই কথাও নেহৰুক মনত পেলাই দিছিল ঃ ''During the last several months, outside the Russian camp, we have practically been alone in championing the cause of Chinese entry into UN and in securing from the Americans assurances on the question of Formosa. We have done everything we could to assuage Chinese feelings , to defend its legitimate claims in our discussions and correspondence with America and Britesh and in the UN.'' (পৃষ্ঠা ১৭৪) কিন্তু তথাপি চীনে ভাৰতক বন্ধু হিচাবে নলয়। পেটেলে নেহেৰুলৈ চিঠিত লিখিছিল ঃ ''... even though we regard ourselves as the friends of China, the Chinese do not regard us as their friends. with the Communist mentality of 'whoever is not with them being against them.''

চীনৰ পৰা বিপদ অহাৰ সম্ভাৱনা দেখি চৰ্দাৰ পেটেলে তেওঁৰ এই পত্ৰখনত দহটা সমস্যা শীঘ্ৰেই সমাধান কৰিব লাগিব বুলি নেহেৰুলৈ পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰে প্ৰথম তিনিটা পত্ৰখনৰ পৰা হুবহু উদ্ধৃত কৰা হ'ল ঃ

a) A military and intelligence appreciation of the Chinese threat to India both on the frontier and to internel secutity.

b) An examination of military position and such redispositions of our forces as might be necessary, particularly with the idea of guarding important routes or areas which are likely to be the subject of dispute.

c) An appraisement of the strength of air forces and, if necessary, reconsideration of our reternchmentplan for the army in the light of the threat.

পেটেলে চিঠিখনত এই পৰ্যন্ত কৈছিল— Improvement of our communication, road, rail, air and wireless, on these areas and with the frontier outposts.

কিন্তু এই চিঠিখন লিখাৰ পাছত চৰ্দাৰ পেটেল বেছি দিন জীয়াই নাথাকিল। নেহৰুৰ চীনা নীতিৰ বিৰোধিতা কৰিবলৈ বা কিছুমান প্ৰয়োজনীয় কথা সোঁৱৰাই দিবলৈ পেটেলৰ পিছত সেই পৰ্যায়ৰ কোনো নেতা নাছিল।

**নেহেৰুৰ ঐতিহাসিক ভুল**

মাও চে তুঙৰ শাসন আৰম্ভ হোৱাৰ পাছত চীনে তীব্বতৰ ক্ষেত্ৰত নৰম স্থিতি ল'ব বুলি নেহেৰুৱে আশা কৰিছিল। তেওঁৰ মনত এনে এটি ধাৰণা গঢ় দিয়াত সহায় কৰিছিল বেইজিঙত থকা ভাৰতীয় ৰাষ্ট্ৰদূত কে এম পান্নিকৰে। পিছে ১৯৫১ চনৰ শেষৰ ফালে তিব্বতৰ চীনে নিজৰ সামৰিক দখল সম্পূৰ্ণ কৰে। ইয়াৰ সমান্তৰালকৈ বেইজিঙে আৰু এটা ব্যৱস্থা গ্ৰহণ কৰিলে— তিব্বতত ভাৰতৰ স্থিতি দুৰ্বল আৰু সংকুচিত কৰি আনিলে। তিব্বতত থকা ভাৰতীয় ব্যৱসায়ীসকলৰ ওপৰত বিভিন্ন বাধা-নিষেধ আৰোপ কৰা হ'ল। পৰিস্থিতি এনে হ'লগৈ যে তিব্বতত ভাৰতীয় ব্যৱসায়ীৰ বাণিজ্য অব্যাহত ৰাখিবৰ বাবে ভাৰতে চীনৰ সৈতে এখন চুক্তিত স্বাক্ষৰ কৰিবলৈ বাধ্য হ'ল। এই চুক্তিৰ আধাৰ আছিল ''mutual respect

১৯৬২ চনৰ আক্ৰমণৰ পিছত চীন-ভাৰতৰ মাজত পুনৰ আলোচনা আৰম্ভ হয় ১৯৮১ চনত। ১৯৮৮ৰপৰা ২০০৩ চনলৈ চীন-ভাৰত যুটীয়া কাৰ্যকৰী গোটৰ ১৪ লানি আলোচনা চলিল। ২০০৩ চনৰ পৰা ২০০৮ চনলৈ পুনৰ ১৩ লানি আলোচনা অনুষ্ঠিত হ'ল। দেশ দুখনৰ মাজৰ সীমা বিবাদৰ সমাধান আজিও সুদূৰ পৰাহত।

for each others territorial integrity and soveriegnty, mutual non aggresion, mutual non intreference in each other's internal affairs, equality and mutual benifit, and peaceful co-existence.''— এই কেইটাই পিছলৈ নেহৰুৰ 'পঞ্চশীল নীতি' হিচাপে বিখ্যাত হ'লগৈ।

আচলতে এই চুক্তিয়েই ভাৰতে তিব্বতৰ পৰা টালি-টোপোলা বান্ধি বিদায় লোৱাটো নিশ্চিত কৰিলে। আৰ ডি প্ৰধানে তেওঁৰ গ্ৰন্থখনত লিখিছে যে ''we closed our consult in Kashgar, thus abandoing a watch post in Central Asia. We did not therefore know of China's activity of road building in the Aksai Chin region of Ladakh in 1956-57. Second and more important, we acquiesced in Tibet losing its political identity.'' (পৃষ্ঠা ১২৮)।

ইফালে নেহেৰুৱে সম্ভৱতঃ এটা বেলেগ সপোন দেখি আছিল— চীনৰ সৈতে বন্ধুত্ব গঢ়ি তুলি সাম্ৰাজ্যবাদী শক্তিবোৰৰ পৰা স্বাধীনতা লাভ কৰা এছিয়া আৰু আফ্ৰিকাৰ দেশবোৰৰ সৈতে নেহেৰুৱে ভাৰতৰ যি মিত্ৰতা গঢ়ি তুলিছিল চীন ইয়াৰ প্ৰধান অংশীদাৰ হ'ব বুলি তেওঁ আশা কৰিছিল। ১৯৫৩ চনৰ বাণ্ডুং কনফাৰেন্সত নেহৰুৱে তেওঁৰ পঞ্চশীল নীতিৰ দীঘলীয়া ব্যাখ্যা আগবঢ়াইছিল। বাণ্ডুংত চৌ এন লাইয়ে নেহৰুলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। আৰু নেহৰুৰ বাবে বাণ্ডুং কনফাৰেন্স আছিল এক বিশেষ সফলতা। চীন ভাৰতৰ মিত্ৰতাক লৈ নেহৰুৱে স্বপ্নৰাজ্যত বিচৰণ কৰাৰ সুবিধা কৰি দিছিল বাণ্ডুং কনফাৰেন্সে। ভাৰত আৰু তিব্বত (চীন) সীমান্তৰ বিষয়ে নেহেৰুৱে কি ভাবিছিল? ''After the 1954 Agreement on Tibet, Nehru decided to treat this frontier as a 'firm and difinite over one, not open to discussion'. (পৃষ্ঠা ১২৪)।

পিছে নেহৰুৰ আশা মিছা প্ৰমাণিত হ'ল। ১৯৬২ চনত চীনে ভাৰত আক্ৰমণ কৰিলে। চীন-ভাৰতৰ 'মহান বন্ধুত্ব'ৰ স্বপ্নই বাস্তৱ ৰূপ নাপালে। নেহৰুৰ পিছত ইন্দিৰা গান্ধীৰ শাসনকালত চীন-ভাৰত সীমা সমস্যা সমাধানৰ বাবে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। এইক্ষেত্ৰত বেইজিঙৰ স্থিতিও যথেষ্ট উৎসাহজনক আছিল। ইতিমধ্যে নতুন দিল্লীয়ে ভাৰত-চীনৰ 'মহান বন্ধুত্ব' গঢ়াৰ সপোন যে অৰ্থহীন সেয়া বুজি উঠিছে। ইন্দিৰা তেওঁৰ পিতৃৰ স্বপ্নভংগৰ বেদনাৰ সাক্ষী আছিল। ১৯৬২ ত চীনে একপক্ষীয় যুদ্ধ বিৰতি ঘোষণা কৰাৰ পিছত প্ৰধানমন্ত্ৰী নেহৰু তেজপুৰলৈ আহিছিল। লগত আহিছিল তেওঁৰ জীয়ৰী ইন্দিৰা গান্ধী। সেই যাত্ৰাৰ স্মৰণ কৰি আৰ ডি প্ৰধানে আলোচ্য গ্ৰন্থখনত 'দি ইন্দিৰা গান্ধী এৰা— দ্য ডেং পেকেজ' নামৰ অধ্যায়টোত লিখিছে— I was a part of the PM's party and had seen her anguish and also how her father's deram of a partnership with china based on twothousend years of peaceful coexistence had been blown up by Mao. That brought to an end the Nehruvian era.'' (পৃষ্ঠা ১২৯)।

নেহৰু যুগৰহে অন্ত পৰিল, সমস্যাটো থাকি গ'ল। আৰ ডি প্ৰধানে 'ড্ৰেগনছ্ শ্বেড' অভাৰ অৰুণাচল'ৰ কেইবাটাও অধ্যায়ত নেহৰুৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীসকলৰ কাৰ্যকালত এই সীমা সমস্যা সমাধানৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপ আৰু এইবোৰৰ বিফলতাৰ কথা 'দি ইন্দিৰা গান্ধী এৰা-দ্য ডেঙ পেচেজ', 'দ্য ৰাজীৱ গান্ধী (এৰা) ৱান-আপ মেন শ্বিপ, 'দ্য পি ভি নৰসিংহ ৰাও এৰা- ৰি ডিফাইনিং পেৰামিটাৰছ', 'ইন দ্য টুৱেণ্টী ফাৰ্ষ্ট চেঞ্চুৰী' আদি অধ্যায় সমূহত বৰ্ণিত হৈছে।

চুবুৰীয়া দেশখনৰ সৈতে সীমা বিবাদ সমাধানৰ বাবে আটাইতকৈ ভাল সুযোগ পাইছিল নেহৰুৱে। তেওঁ সেই সুযোগৰ সদ্ব্যৱহাৰ নকৰিলে বুলি ভাৰতীয় পণ্ডিত, ইতিহাসবিদে আক্ষেপ কৰে। এনে ইতিহাসবিদৰ মতে নতুনকৈ স্বাধীন হোৱা এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহৰ সৈতে আন্তঃৰাষ্ট্ৰীয় মিত্ৰতা আৰু শক্তি বৃদ্ধিত গুৰুত্ব দিবলৈ গৈ নেহেৰুৱে নিজৰ দেশৰ স্বাৰ্থকো আওকাণ কৰিলে। পি চি চক্ৰৱৰ্তীয়ে তেওঁৰ 'ইণ্ডিয়া-চাইনা ৰিলেচনছ'ত নেহৰুৱে তিব্বতলৈ পিঠি দি ভাৰতৰ স্বাৰ্থকে উপেক্ষা কৰিলে বুলি অভিযোগ কৰিছে—

''In trying to save the peace of the world, we secrificed and unarmed neighbouring country and along with it our own vital interests.'' আৰ ডি প্ৰধানেও 'ড্ৰেগনছ্ শ্বেড'ৰ ১২৪ পৃষ্ঠাত নেহৰুৰ চীনা নীতিৰ সমালোচনা কৰি প্ৰায় একে অভিযোগেই কৰিছে। বহু ভাৰতীয় ইতিহাসবিদৰ মতে নেহৰুৱে চৌ এন লাই আৰু চীনক বেছি বিশ্বাস কৰিলে। চৰ্দাৰ বল্লভ ভাই পেটেলে সকীয়াই দিয়াৰ পাছতো নেহেৰুৱে চীনৰ উদ্দেশ্য অনুধাৱন কৰিব নোৱাৰিলে। নেহৰুৰ দৰে দূৰদৃষ্টিসম্পন্ন, বিচক্ষণ ৰাজনীতিক এজনে সঁচাই ইমান ডাঙৰ ভুল কৰিলেনে?

**ড্ৰেগনৰ ছাঁ**

'ড্ৰেগনছ্ শ্বেড' অভাৰ অৰুণাচল'ৰ ৩৫নং অধ্যায়টোৰ নাম 'আন এণ্ডিং টকছ'। এই অধ্যায়ত পাঠকে ভাৰত-চীন সীমা বিবাদ সমাধানৰ বাবে দুয়োখন দেশৰ শীৰ্ষস্তৰৰ নেতাই যোৱা ছটা দশকত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়ে জানিব পাৰিব। চীন আৰু ভাৰত— দুয়োখন দেশৰ ৰাষ্ট্ৰ নেতাসকলে বাৰে বাৰে, পৰস্পৰৰ দেশ ভ্ৰমণ কৰিছে, আলোচনাত বহিছে, সমস্যা সমাধানৰ দিশত আগবাঢ়িছে বুলি আশা প্ৰকাশ কৰিছে আৰু বাৰে বাৰে, পৰস্পৰৰ দেশ ভ্ৰমণ কৰিছে, আলোচনাত বহিছে, সমস্যা সমাধানৰ দিশত আগবাঢ়িছে বুলি আশা প্ৰকাশ কৰিছে আৰু বাৰে বাৰে এনে প্ৰচেষ্টা ব্যৰ্থ হৈছে। সমস্যা সমস্যা হৈয়েই আছে, আজিও আছে।

১৯৬২ চনৰ আক্ৰমণৰ পিছত চীন-ভাৰতৰ মাজত পুনৰ আলোচনা আৰম্ভ হয় ১৯৮১ চনত। ১৯৮৮ৰপৰা ২০০৩ চনলৈ চীন-ভাৰত যুটীয়া কাৰ্যকৰী গোটৰ ১৪ লানি আলোচনা চলিল। ২০০৩ চনৰ পৰা ২০০৮ চনলৈ পুনৰ ১৩ লানি আলোচনা অনুষ্ঠিত হ'ল। দেশ দুখনৰ মাজৰ সীমা বিবাদৰ সমাধান আজিও সুদূৰ পৰাহত।

দুয়োখন দেশৰ ৰাষ্ট্ৰনেতাসকলেও বাৰে বাৰে পৰস্পৰৰ দেশ

**নেহেৰুৰ সৈতে চৌ এন লাইৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল। স্বাধীনতাৰ প্ৰায় এক দশক পাৰ হোৱালৈকে নেহেৰুৱে হয়তো ভবা নাছিল যে চীনে ভাৰতৰ সৈতে থকা সীমাৰেখাক লৈ সমস্যাৰ সৃষ্টি কৰিব। কিন্তু ১৯৫৮ চনৰ শেষৰ ফালে তেওঁ এই সমস্যা লৈ সচেতন হৈ উঠিছিল। ১৯৫৮ চনৰ ১৪ ডিচেম্বৰত নেহেৰুৱে চৌলৈ লিখা এখন চিঠিত এই কথা স্পষ্ট হৈ পৰিছে।**

ভ্ৰমণ কৰিছে। ১৯৫৮ চনৰ জুন মাহত চৌ এন লাই ভাৰতলৈ আহিছিল। নেহৰু চীনলৈ গৈছিল সেই বছৰৰে অক্টোবৰ মাহত। ১৯৫৬ চনৰপৰা ১৯৬০ চনৰ ভিতৰত চৌ তিনিবাৰ ভাৰত ভ্ৰমণলৈ আহিছিল। ১৯৬২ চনৰ চীনা আক্ৰমণৰ পিছত ১৯৮১ চনলৈকে দুয়োদেশ এই ক্ষেত্ৰত প্ৰায় নীৰৱ আছিল। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ দিনত পুনৰ চীনৰ সৈতে আলোচনা আৰম্ভ হয়। ১৯৮৮ চনত ৰাজীৱ গান্ধী বেইজিঙলৈ যায়। ১৯৯১ চনৰ চীনৰ প্ৰধানমন্ত্ৰী লি পেঙ ভাৰতলৈ আহে। তেওঁ দুয়োখন দেশৰ মাজৰ বিবাদ Mutual Understanding and Mutual Adjustment (MUMA)ৰ আধাৰত মীমাংসা কৰাৰ পোষকতা কৰে। ১৯৯৩ চনত প্ৰধানমন্ত্ৰী পি ভি নৰসিংহৰাওৱে চীন ভ্ৰমণ কৰে। ২০০২ চনত ভাৰতলৈ আহিল চীনৰ প্ৰধানমন্ত্ৰী ঝু ৰংজি আৰু ২০০৩ চনত অটল বিহাৰী বাজপেয়ী চীনলৈ গ'ল। ড° মনমোহন সিঙৰ প্ৰধান মন্ত্ৰিত্বৰ কালত ২০০৫ চনৰ এপ্ৰিল মাহত চীনৰ প্ৰধানমন্ত্ৰী ৱেনজিয়াবাও ভাৰতলৈ আহিল। ২০০৮ চনৰ ফেব্ৰুৱাৰীত ড° মনমোহন সিঙে চীন ভ্ৰমণ কৰিলে। কিন্তু এই ভ্ৰমণসমূহে চীন-ভাৰতৰ মাজৰ সীমা বিবাদৰ সমাধান কৰিব নোৱাৰিলে। এই সমস্যাৰ জটিলতা ক্ৰমাৎ বৃদ্ধিহে পাইছে। এতিয়াও অৰুণাচলত চীনা ড্ৰেগণৰ ছাঁ পৰি আছে।

**প্ৰথম পুৰুষত প্ৰধান- অৰুণাচলৰ জনজীৱন ঃ**

আৰ ডি প্ৰধানে 'ড্ৰেগন্‌ছ শ্বেড' অভাৰ অৰুণাচল'ত চীন ভাৰতৰ সীমা সমস্যাৰ প্ৰসংগৰ উপৰি আন বহু কথাই আছে। সীমা সমস্যাৰ প্ৰসংগ আলোচিত হৈছে কিতাপখনৰ দ্বিতীয় ভাগতহে। তিনিটা ভাগত বিভক্ত ড্ৰেগন্‌ছ শ্বেড'ৰ প্ৰথম ভাগৰ শিৰোনাম হৈছে 'লেণ্ড দ্য পিপ'ল'। এই ভাগৰ বিভিন্ন অধ্যায়ত প্ৰধানে অৰুণাচলৰ জাতি-জনজাতিৰ কৃষ্টি-সংস্কৃতি, খাদ্যাভাস, ৰীতি-নীতিৰ বৰ্ণনা দিছে। এই বৰ্ণনা ছুটি, তথ্যপূৰ্ণ আৰু সুখপাঠ্য। কিতাপখনৰ লেণ্ড অৱ দি আদিজ, 'লেণ্ড অৱ দ্য আপাটানিজ', 'লেণ্ড অব দ্য ইদ্যুজ', 'দ্য নীচিজ এণ্ড হিল মিৰিজ অব সোৱণশিৰি', 'লেণ্ড অব দ্য নক্তেজ এণ্ড দ্য ৱাংচুজ' আদিত পাঠকে এই জনজাতিসকলৰ বিষয়ে সম্যক ধাৰণা কৰিবৰ বাবে যথেষ্ট সফল পাব।

ইয়াৰোপৰি ড্ৰেগনছ শ্বেড'ৰ প্ৰথমভাগত 'ৰিলিজন অৱ অৰুণাচল' আৰু 'ছ'চিয়েল গৱৰ্ণেন্স বাই ট্ৰাইবেল ইনষ্টিটিউচনছ' নামৰ দুটা অধ্যায় আছে। এইকেইটা অধ্যায়তে লেখকে অৰুণাচলৰ জনজাতীয় জীৱন প্ৰথম পুৰুষত বৰ্ণনা কৰিছে— এই অধ্যায়সমূহ তেওঁৰ অভিজ্ঞতা, পৰ্যবেক্ষণ আৰু অধ্যয়নৰ ফচল।

**কোন এই আৰ ডি প্ৰধান ঃ**

ড্ৰেগনছ শ্বেড' অভাৰ অৰুণাচলৰ লেখক আৰ ডি প্ৰধানে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া হিচাপে ১৯৫২ চনত কৰ্মজীৱন আৰম্ভ কৰিছিল। ১৯৬২ চনত তেওঁ ভাৰতৰ প্ৰতিৰক্ষামন্ত্ৰী ৱাই বি চৱনৰ ব্যক্তিগত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৮৬ চনৰ ৩০ জুলাইত তেওঁ কেন্দ্ৰীয় গৃহ সচিব হিচাপে অৱসৰ গ্ৰহণ কৰে। ১৯৮৭ চনৰ ২০ ফেব্ৰুৱাৰীত অৰুণাচলে ভাৰতৰ ২৫ তম ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰিছিল। অসমৰ তদানীন্তন ৰাজ্যপাল ভীষ্ম নাৰায়ণ সিঙে অস্থায়ীভাৱে এই নতুন ৰাজ্যখনৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰে। ইয়াৰে পিছতে অৰুণাচলৰ ৰাজ্যপালৰ দায়িত্বভাৰ প্ৰদান কৰা হয় আৰ ডি প্ৰধানক। অৰ্থাৎ আৰ ডি প্ৰধান আছিল দেশৰ ২৫ তম ৰাজ্য অৰুণাচলৰ প্ৰথমজন ৰাজ্যপাল। লেখক হিচাপেও আৰ ডি প্ৰধানৰ এটা সুকীয়া চিনাকি আছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল 'ৱৰ্কিং উইথ ৰাজীৱ গান্ধী', 'ডিবেকল টুৰিভাইভেল ঃ ৱাই বি চৱন এজ ডিফেন্স মিনিষ্টাৰ, ১৯৬৫ ৱাৰ ঃ ইন ইনছাইড ষ্টৰী আৰু তেওঁৰ আত্মজীৱনী 'নেভাৰ এ ডাল ম'মেণ্ট'। প্ৰধানৰ শেহতীয়া গ্ৰন্থ হ'ল ড্ৰেগনছ শ্বেড' অভাৰ অৰুণাচল। অসমীয়া পাঠকৰ বাবে তেওঁৰ আৰু এটা পৰিচয় আছে— অসম চুক্তিত কেন্দ্ৰীয় চৰকাৰৰ হৈ স্বাক্ষৰ কৰিছিল এইজন আৰ ডি প্ৰধানে।

**সামৰণিত পুনৰ নেহৰু প্ৰসংগ ঃ**

দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী, বিচক্ষণ ৰাজনীতিবিদ, দূৰদৰ্শী নেতা নেহৰুৱে সঁচাকৈয়ে চীনৰ সম্পৰ্কে স্পষ্ট ধাৰণা কৰিব পৰা নাছিলনে? নেহৰুৰ সমালোচকসকলে যিয়েই নকওক, এই বিষয়ে তেওঁৰ স্পষ্ট ধাৰণা নাছিল বুলি বিশ্বাস কৰাটো টান। ডম ম'ৰেজৰ পিতৃ ফ্ৰেংক ম'ৰেজে লিখা জৱাহৰলাল নেহৰুৰ জীৱনীয়ে পাঠক-সমালোচকৰ সমাদৰ লাভ কৰিছিল। ইণ্ডিয়ান এক্সপ্ৰেছৰ সম্পাদক হিচাপে খ্যাতি লাভ কৰা ফ্ৰেংক ম'ৰেজৰ মতে বিজয়লক্ষ্মী পণ্ডিতৰ নেতৃত্বত চীনলৈ প্ৰেৰণ কৰা প্ৰথমটো সাংস্কৃতিক প্ৰতিনিধি দলক নেহৰুৱে এইদৰে কৈ পঠিয়াইছিল— Never forget that the basic challange in South-East Asia is between India and China. That Challange thus along the spine of Asia. কথাষাৰ আখৰে আখৰে সত্য। সেইটোৱেই বিপদ। এতিয়াও ভাৰতৰ এটা অংশৰ ওপৰত চীনা ড্ৰেগনৰ ক'লীয়া ছাঁ পৰি আছে।

(লেখক অসমৰ মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী বিষয়া আৰু গ্ৰাম্য বিকাশ মঞ্চৰ এগৰাকী শুভাকাংক্ষী)



# অনুভৱৰ এচেৰেঙা

✍ ববিতা দাস

২০০৬ ইং চনৰ ডিচেম্বৰ মাহৰ এটা দিনত মোৰ শ্ৰেণী বন্ধু অৰূপজ্যোতি দাসে লগ কৰি ক'লে যে তুমি আমাৰ NGOত কাম কৰিব লাগে। মই তেতিয়া তেওঁক সুধিলো— NGOত কি কি কৰে? তাত কিন্তু মোৰ এটাই মানসিকতা আছিল যে কিবা এটা কাম কৰাৰ সেই হিচাপত মই তেওঁক হ'ব বুলি কথা দিলো আৰু ঘৰৰ মা-দেউতাক জনালো। এইক্ষেত্ৰত মা-দেউতাই মোক অনুমতি দিলে। সেই মাহটো মংগল কৰি মই গ্ৰাম্য বিকাশ মঞ্চৰ বৰবৰীস্থিত কাৰ্যালয় চৌহদত প্ৰথমে উপস্থিত হওঁ। তাৰ পিছতে অৰূপে পৃথিদাৰ লগত চিনাকি কৰি দিছিল। পৃথিদাই গোটেই অনুষ্ঠানটোৰ কথা বুজাই দিছিল আৰু মই কেনেকুৱাধৰণৰ কাম কৰিব লাগে কৈছিল, সেই দিনটোৰেপৰা মোৰ গ্ৰাম্য বিকাশ মঞ্চলৈ আজিলৈকে এটা টান আছে।

উক্ত দিনটোৰ পিছৰেপৰাই মই লগ পাইছিলো— জুৰি বাইদেউ, দিপাংকৰ চক্ৰৱৰ্ত্তী (দুল), চন্দন চক্ৰবৰ্ত্তী আৰু বিভিন্নজনক।

প্ৰথম চিনাকিৰ দিনৰপৰাই জুৰি বাইদেউ (বান্ধৱী)ক পাইছিলো। জুৰি বাইদেউ আৰু মই গোটেই দিনটো বৰভাগ অঞ্চলৰ বিভিন্ন গাঁৱত থকা আত্মসহায়ক গোটসমূহক লগ ধৰিছিলো। দিনটো চাইকেল চলাই থকাৰ পিছতো ভাগৰ অনুভৱ কৰা নাছিলো। চাইকেল চলাই মহিলা বা বিভিন্নজনৰ লগত কথা পাতি এক অদ্ভুত আনন্দ পাইছিলো। মানুহখিনিৰপৰা বহুত মৰম আৰু আদৰ পাইছিলো।

সেই বাবে হয়তো আজিও গাঁৱলৈ কেতিয়াবা গ'লে এবাৰ সোধে— ইমানদিন দেখা নাই এবাৰ আহিবাচোন।

দিনটো ঘূৰি ঘূৰি আহি যেতিয়া কাৰ্যালয় পাইছিলো তেতিয়া বৰ্তমানৰ নিচিনা খাবলৈ কেণ্টিন নাছিল বা ঘৰৰপৰাও পইচা অনা নাছিলো। সকলো স্বেচ্ছাসেৱকে লগ লাগি একাপ ৰঙা চাহ ষ্টোভত কৰি খাইছিলো। কেতিয়াবা কেতিয়াবা দিনটোত কি কি কাম হ'ল আলোচনা কৰিছিলো।

এনেদৰে সকলোৰে লগত হাঁহি-ধেমালিৰে কাৰো লগত কাজিয়া নকৰি গ্ৰাম্য বিকাশ মঞ্চত কাম কৰি আছো। নাজানো এই অনুষ্ঠানটোলৈ মই কি দিব পাৰিছো। কিন্তু মই নিজকে বহু সৌভাগ্যৱান বুলি ভাবিছো— কিয়নো এই মঞ্চত মই যিখিনি শিকিব পাৰিছো সেইখিনি হয়তো কোনো মঞ্চতে শিকিব নোৱাৰিলোহেঁতেন। সেয়েহে নিজকে এই অনুষ্ঠানটোৰ এজনী স্বেচ্ছাসেৱিকা হিচাপে ধন্য মানিছো।

শেষত গ্ৰাম্য বিকাশ মঞ্চৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছো। লগতে গ্ৰাম্য বিকাশ মঞ্চলৈ মই পাৰ্যমানে সহায় কৰি যাম বুলি সদায় আশাবাদী।

(লেখিকা এগৰাকী স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ)

এটা সময়ত টং টংকৈ ঘণ্টা বাজি উঠিল। ঘোষণা দিলে— 'অনুগ্ৰহ কৰি মন কৰিব ...।' এইবাৰ মই নিশ্চিত হ'লো যে খুব কম সময়ৰ ভিতৰতে ৰে'লখন আহি পাব। কিন্তু এটা ডাঙৰ কথা হ'ল নহয় মানুহজন বা কোন? ডেকা নে বুঢ়া, ক'লা নে বগা? সেই কাৰণে কথাটো ভাবি আকৌ ছুম'খনতে বহিলো। যিহেতু ফোনযোগে গাড়ীৰ নম্বৰটো তেখেতলৈ দিয়া আছে। নিশ্চয় গাড়ীৰ ওচৰলৈ আহিবই। দীঘল উকি মাৰি ব'হাগী ষ্টেচন অভিমুখে আহি ঝক ঝক শব্দ কৰি ৰৈ গ'ল।

•••

# আপোনজন

✍ ৰতন তালুকদাৰ

**মা**নুহজন আহিব বুলি কিছুদিন আগৰপৰা শুনি আছিলো। হঠাৎ এদিন গম পালো সেইদিনাই হেনো আহি পাব। ৰে'ল ষ্টেচনলৈ গৈ ৰৈ থাকিলো। তেওঁ হেনো নামনিমুৱা ব'হাগী যাত্ৰীবাহী ৰে'লখনত আহিব। ষ্টেচন মাষ্টৰৰপৰা গম পালো ৰে'লখন ৩০ মিনিট পলমকৈ আহি পাব। গতিকে চিগাৰেট এটা জ্বলাই টাটা ছুম'খনৰ ছিটতে বহি গান এটা বজাই দিলো। চিগাৰেট পুৰি শেষ হৈ গ'ল, গানো দুটা নে তিনিটা শেষ হ'ল। মাজতে ম'বাইল ফোনটো উলিয়াই কাৰোবাক ফোন কৰি খবৰো ল'লো। নাই ৰে'লখন আহি নাপায়হে নাপায়। মানুহে কয় যে মানুহ ৰখা আৰু হেৰোৱা গৰু বিচৰা একেই কথা। আকৌ এটা চিগাৰেট জ্বলাই ল'লো বহু দূৰৈত ৰে'লৰ উকি শুনিলো। মনটো ভাল লাগিল। সেইখন ৰে'লতে নিশ্চয় আহিব। অধিৰ অপেক্ষাত আছো। এটা সময়ত ৰে'লখন আহি ষ্টেচনত নোৰোৱাকৈয়ে গৈ থাকিল কিয়নো সেইখন মালগাড়ী। মোৰ অকলে অকলে বৰ হাঁহি উঠিল। ধেৎতেৰি মই পাগল হৈছো, ইমান সময় মালগাড়ীখনৰ কাৰণে গল বেঁকা কৰি পেলালো। এইবাৰ প্লেটফৰ্মৰ বেঞ্চ এখনতে বহি ল'লো। মানুহৰ ভিৰ বেছি নাই। দুই-চাৰিজন মানুহ ৰৈ আছে। বোধহয় তেওঁলোকো ক'ৰবালৈ যাব।

এটা সময়ত টং টংকৈ ঘণ্টা বাজি উঠিল। ঘোষণা দিলে— 'অনুগ্ৰহ কৰি মন কৰিব ...।' এইবাৰ মই নিশ্চিত হ'লো যে খুব কম সময়ৰ ভিতৰতে ৰে'লখন আহি পাব। কিন্তু এটা ডাঙৰ কথা হ'ল নহয় মানুহজন বা কোন? ডেকা নে বুঢ়া, ক'লা নে বগা? সেই কাৰণে কথাটো ভাবি আকৌ ছুম'খনতে বহিলো। যিহেতু ফোনযোগে গাড়ীৰ নম্বৰটো তেখেতলৈ দিয়া আছে। নিশ্চয় গাড়ীৰ ওচৰলৈ আহিবই। দীঘল উকি মাৰি ব'হাগী ষ্টেচন অভিমুখে আহি ঝক ঝক শব্দ কৰি ৰৈ গ'ল। মানুহৰ দৌৰা-দৌৰি লাগি পৰিল। তাৰ মাজতে এহাল স্বামী-স্ত্ৰী মোৰ গাড়ীখনৰ ফালে আগবাঢ়ি আহিল। মোক সুধিলে— 'আপুনি আহিছে নেকি?' মই 'হয়' বুলি দুৱাৰখন খুলি দিলো। মানুহ দুগৰাকীয়ে গাড়ীৰ ছিটত বহি এটা শান্তিৰ নিশ্বাস এৰি কৈ উঠিল— 'বাপৰে কোনো ৰকমে আহি পালো।' মই গাড়ীখন চলাবলৈ আৰম্ভ কৰিলো। এনেতে পুৰুষজনে কৈ উঠিল— 'ওচৰতে বজাৰ পোৱা যাব যাৰনে বাৰু?' মই কলো— 'আগত আছে, কিবা ল'ব নেকি?' 'বজাৰ অলপ কৰিব লাগিব।' —মানুহজনে ক'লে। মই ভাবিলো— হ'ল আজি বজাৰ কৰোতে গোটেই ৰাতিটো যাব বোধহয়। এনেকৈ ভাবি গৈ থাকোতেই বজাৰ পালো। গাড়ীখন ৰখালো। মানুহ দুগৰাকী গাড়ীৰপৰা নামি দোকান এখনলৈ গ'ল। মই ভাবিলো নতুন মানুহ বহুত বজাৰ কৰিব। অলপ দঙা-পৰাত সহায় কৰি দিওঁ। ইফালে মই গৈ দোকান নাপাওঁতে তেওঁলোকৰ বজাৰ কৰা শেষ হ'ল। বজাৰ



কৰিলে এখন মাত্ৰ দহটকীয়া চুৰি-কটাৰী। মোৰ ইমান হাঁহি উঠিছিল যে কোনো ৰকমেহে হাঁহিটো বন্ধ কৰি ৰাখিলো। আহি আহি গন্তব্য স্থান পালো। আহোতে মনতে প্ৰশ্ন হ'ল অহা কথা আছিল এজন মানুহ। কিন্তু লগত সেই মহিলাগৰাকী কোন বাৰু? আহি গন্তব্য স্থানতহে গম পালো সেইগৰাকী তেখেতৰ পত্নী। দ্বিতীয় দিনাৰপৰা অনুষ্ঠানৰ কামত লাগি গ'ল। ন-পুৰণি সকলোৰে লগত চিনাকি হ'ল। মানুহ দুগৰাকীক বেছ ভাল লাগিল। খুব কম সময়তে অনুষ্ঠান আৰু ওচৰ-পাজৰৰ মানুহক আপোন কৰি ল'ব পাৰিলে। ঠিক তেনে সময়তে দুটা-তিনিটা নতুন প্ৰকল্পৰ কাম হাতত ল'লে। দুয়োগৰাকী বেছ অভিজ্ঞ কাৰণে কামবোৰ কৰোতে বেছি টান যেন নালাগিল। বহু টান কাম অতি সহজতে কৰি পেলাব পৰা বুদ্ধি, সক্ষমতা তেওঁলোকৰ আছিল বাবে আমি বহুতেই বহু কথা শিকিব পাৰিছিলো। মানুহৰ প্ৰতি ইমান মৰম সনা মাত, ইমান নম্ৰ ব্যৱহাৰ, ইমান জানিও কেতিয়াও আনক জনাটো নেদেখুৱাই খুব স্পষ্টবাদী, সঁচাই কিবা ভাল লাগি যায়। সেইবোৰ দেখি দেখি ভাব হয় আমি সঁচাকৈয়ে সৌভাগ্যৱান; সেই কাৰণে খুব কম দিনৰ ভিতৰতে তেওঁলোক দুয়ো সকলোৰে দাদা আৰু নবৌ হিচাপে পৰিচিত হৈ পৰিল। বিশেষকৈ মই সেইজনী নবৌক প্ৰতি মুহূৰ্ততে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে খবৰ কৰি থাকো। নতুন মানুহ কিবা অসুবিধা পাবও পাৰে।

দিন আগবাঢ়ি লাহে লাহে গৈ থাকিল। বৌজনী আমাৰ সকলোৰে পৰিয়ালৰ মানুহৰো আপোন হৈ আহিবলৈ ধৰিলে। তেওঁলোকে যিখন গাঁৱত এটা ঘৰ ভাৰা লৈ থাকিবলৈ লৈছিল সেই গাঁৱৰ মানুহৰো আপোন হৈ পৰিল। বিয়া-সবাহ, সকামত নিমন্ত্ৰণ দিবলৈ ধৰিলে আৰু তেওঁলোকেও যিমান পাৰি নিমন্ত্ৰণ ৰক্ষা কৰিছিল। মাজে সময়ে কেতিয়াবা দাদা নাথাকে। অনুষ্ঠানৰ কামত বাহিৰলৈ গৈ তিনি-চাৰিদিনলৈ উভতি নাহে। সেই কেইদিনো বৌয়ে অকলে থাকিবলৈ নালাগিছিল। ওচৰ-পাজৰৰ ডেকা-বুঢ়া, মহিলাসকল আহি স্ফূৰ্তি-তামছা কৰি সময় পাৰ কৰি দিছিল। অৱশ্যে অনুষ্ঠানৰ ল'ৰা-ছোৱালীবোৰেও গৈ সহায় কৰি দিছিল। অ' তাৰ মাজতে আকৌ দুদিনমান বৌজনীক সাপেও বৰ ভয় খুৱালে। এনেকৈ যে দিন বাগৰিল। সময় গ'ল। এদিন হঠাৎ গম পালো আমাৰ সকলোৰে দাদা আৰু বৌয়ে বোলে জন্ম দি অহা অনুষ্ঠানটোলৈ আকৌ উভতি যাব। কথাষাৰ শুনি বৰ বেয়া লাগিল। হয়, বৌয়ে বোলে ইতিমধ্যে কালিয়ে অব্যাহতি ল'লে। হয়তো আৰু কেইদিনমানৰ পিছত দাদায়ো লিখিত ৰিজাইন দি আমাৰ পৰা বিদায় লৈ গুচি যাব। যাবতো লাগিব। নিজে জন্ম দি এৰি থৈ অহা সন্তানৰ যিহেতু টান নৰিয়া হৈ দুৰ্বল হৈ পৰিছে তাক চিকিৎসা কৰিবলৈ নিশ্চয় যাব লাগিব। হয়, এদিন সঁচাই এখন সভাত অন্য বিষয়ৰ লগত সংগতি ৰাখি তেওঁলোকে যাবলৈ ওলোৱা বিষয়টোও সাঙুৰি ক'লে। গোটেই নিশাটো কথাবোৰ ভাবি ভাবি টোপনি নাহিল। মনতে ভাবিলো মানুহবোৰ বাৰু দুদিনৰ কাৰণে কিয় ইমান আপোন হয়? কিয় ইমান মৰম দিবলৈ আহে, নাই মোৰ ভুল হৈছে। দাদা আৰু বৌ মোৰ বাবে সঁচাকৈয়ে আপোন হৈ পৰিছে। তেওঁলোক যিমানে দূৰৈত নাথাকক কিয়; সদায় আপোনজন হৈয়ে থাকিব। হঠাৎ আনখন বিছনাত মাকৰ বুকুৰ মাজত শুই থকা আমাৰ ছমহীয়া সোণৰ পুতলাৰ নিচিনা ল'ৰা সন্তানটোৱে কান্দি দিছিল। মই ভাবিছিলো সিও নিশ্চয় আপোন মাকজনীক কাষত নাই বুলি ভাবিয়ে কান্দি উঠিছে নে সিও দাদা আৰু বৌ যাবলৈ ওলোৱা খবৰ পাইহে কান্দি উঠিছিল। এই দাদা আৰু বৌ হয়তো তাৰ বাবেও আপোনজন হৈ পৰিছিল।

*প্ৰৱন্ধত উল্লেখ কৰা ব্যক্তি দুগৰাকী আন কোনো নহয়, তেওঁলোক সন্মানীয় লুইত গোস্বামী (দাদা) আৰু লাৱন্য দেউৰী (বৌ)।*

(লেখক এগৰাকী স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)

শিক্ষা, স্বাস্থ্য, কৃষি আৰু অধিকাৰ ইত্যাদি বিভিন্ন দিশত দুৰ্য্যোগত বুৰ গৈ থকা লোকসকলে আৰু এখোপ আগুৱাই যাবলৈ অদম্য সাহস গোটাবলৈ সক্ষমতা অৰ্জন কৰিছে। এই অনুষ্ঠানতে এশৰো অধিক নিৰনুৱা যুৱক-যুৱতীয়ে প্ৰত্যক্ষভাৱে কাম কৰাৰ সুযোগ পোৱাৰ উপৰি গ্ৰামাঞ্চলত চাৰিশৰো অধিক নিবনুৱা যুৱক-যুৱতীয়ে পৰোক্ষভাৱে আত্মসংস্থাপন হোৱা পৰিলক্ষিত হৈছে।



# জনমানসত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চৰ ভূমিকা

✍ চৰিত বৰ্মন

পুৰণি কালত শান্তি, শৃংখলা অটুট ৰাখিবলৈ, সংস্কৃতি ৰক্ষা কৰিবলৈ, বৌদ্ধিক দিশত আগুৱাই যাবলৈ আৰু আৰ্থিক উন্নয়নৰ দিশত অগ্ৰসৰ হ'বলৈ জংঘলত বসবাস কৰা মানুহবোৰে লিখিত নীতি-নিয়মেৰে কিছুমান শিক্ষিত ব্যক্তিৰ যোগেদি সমাজখনক সামগ্ৰিকভাৱে আগবঢ়াই নিবলৈ আপ্ৰাণ চেষ্টা চলাই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। চুকে-কোণে একোখন সমাজ গা কৰি উঠিছিল। ঠিক তেনেদৰে পশু-পক্ষী, জীৱ-জন্তুবোৰৰ মাজতো যে সমাজ ব্যৱস্থা নাছিল তাক এতিয়াও নুই কৰিব নোৱাৰি। কিন্তু সেই সময়তে শিক্ষা-দীক্ষা নথকা, কোনোধৰণৰ যান্ত্ৰিকতা নথকা সমাজখনত বাৰুকৈয়ে ঐক্য, শান্তি আৰু সংহতি অটুট আছিল বুলি বুৰঞ্জীৰ পাতত পঢ়িবলৈ পোৱা যায়। লাহে লাহে জংঘলৰপৰা পোৱা খাদ্যবস্তুৰ অভাৱে মানুহক জংঘলৰ পৰা মুকলি ঠাইলৈ ওলাই আহিবলৈ বাধ্য কৰাইছিল। খাদ্য-শস্য উৎপাদন কৰিবলৈ কৃষিভূমি আৱিষ্কাৰ কৰি শষ্য উৎপাদন কাৰ্য্যত সকলোৱে নিয়োজিত হৈ পৰিছিল আৰু একো একোটা সুস্থ-সবল সমাজ ব্যৱস্থাই গা কৰি উঠিছিল।

সেই সমাজ ব্যৱস্থাত বিনিময় প্ৰথাৰহে প্ৰচুৰ প্ৰচলন আছিল। লাহে লাহে সমাজৰ দুই এজন ব্যক্তিৰ চকু মেল খাইছিল শিক্ষাৰ পোহৰেৰে। শিক্ষাৰ পোহৰেৰে চকু মেল খোৱা ব্যক্তিসকলৰ মনত ভাবৰ উদ্ৰেক ঘটিছিল সমাজখনক আৰু এখোপ আগুৱাই নিবলৈ; শোষণমুক্ত একোখন সমাজ গঢ়িবলৈ এক স্বেচ্ছাসেৱী সংগঠন জন্ম দিবলৈ সক্ষম হৈছিল। প্ৰতিশ্ৰুতিবদ্ধ হৈছিল— পৃথ্বিভূষণ, দিবাকৰ, প্ৰাঞ্জল, চন্দন, পংকজ .... আদি। ১০ টকাও হাতত নথকা যুৱকসকলে এন্ধাৰ-পোহৰৰ পাৰ্থক্য ভেদ কৰি উন্নয়নৰ



কিন্তু জনসংখ্যাৰ দ্ৰুত বিস্ফোৰণে, যান্ত্ৰিকতাই গা কৰি উঠা আৰু সমাজ ব্যৱস্থাত মানুহৰ মনত বস্তুবাদী চিন্তাধাৰাই সেই পুৰণি কালৰ ঐক্যবদ্ধতা, শান্তি-শৃংখলা বিধ্বস্ত কৰিছে। ফলত চৌদিশে বিশৃংখলতা, অৰাজকতা আৰু প্ৰদূষণৰ মাজত বুৰ গৈ জীয়াই থকাৰ কথাহে সকলোৰে চিন্তা কৰিবলগীয়া হৈছে।

ঠিক তেতিয়াই জনসংখ্যা বৃদ্ধিৰ লগে লগে বিনিময় প্ৰথা ব্যৱস্থা লাহে লাহে নোহোৱা হৈ আহিছিল সমাজখনক নীতি-নিয়মৰ মাজেৰে আগুৱাই নিবলৈ সমাজৰ উন্নয়নৰ হকে কাম কৰিবলৈ ঠায়ে ঠায়ে স্বেচ্ছাসেৱী অনুষ্ঠান, সংঘ, ক্লাব আদি গঠন কৰিছিল। সমাজখনক সৰ্বত্ৰ দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ভাৰতবৰ্ষত শ্ৰীমন্ত শংকৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভা আৰু জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ অৱদান আমি কোনোৱে অস্বীকাৰ কৰিব নোৱাৰো।

কিন্তু জনসংখ্যাৰ দ্ৰুত বিস্ফোৰণে, যান্ত্ৰিকতাই গা কৰি উঠা আৰু সমাজ ব্যৱস্থাত মানুহৰ মনত বস্তুবাদী চিন্তাধাৰাই সেই পুৰণি কালৰ ঐক্যবদ্ধতা, শান্তি-শৃংখলা বিধ্বস্ত কৰিছে। ফলত চৌদিশে বিশৃংখলতা, অৰাজকতা আৰু প্ৰদূষণৰ মাজত বুৰ গৈ জীয়াই থকাৰ কথাহে সকলোৰে চিন্তা কৰিবলগীয়া হৈছে। পৃথিৱীৰ সকলো দেশতে চলি থকা গণতান্ত্ৰিকে হওক বা ৰাজতান্ত্ৰিকেই হওক শাসন ব্যৱস্থাৰ বৰ্তমানত কিছুমান নিঃস্বাৰ্থৱান সমাজ সংগঠক ব্যক্তিয়ে পৃথিৱীৰ চুকে কোণে বিভিন্ন ক্ষেত্ৰত বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান গঠন কৰি সমাজত প্ৰকৃত উন্নয়নৰ হকে কাম কৰিবলৈ অহা পৰিলক্ষিত হৈছে। প্ৰাকৃতিক দুৰ্যোগত আশ্ৰয়হীনা লোকসকলক আশ্ৰয় তথা অন্য দান কৰিবলৈ আন্তৰিক আগ্ৰহী, একান্ত আত্মবিশ্বাসী, নিৰবিচ্ছিন্ন ধৈৰ্যৰে আগবাঢ়ি আহিছিল নলবাৰী জিলাৰ বৰভাগস্থিত কেইজনমান সুঠাম যুৱকে প্ৰশাসনে ঢুকি নোপোৱা অঞ্চলসমূহত সহায়ৰ হাত আগবঢ়াবলৈ। তেওঁলোকে মানুহৰ দুৱাৰে দুৱাৰে মুঠিভিক্ষা মাগি ক্ষান্ত থকা নাছিল। এসময়ত ডেকা শক্তিয়ে সংগঠিত হৈ প্ৰতিখন গাঁৱতেই শান্তিপূৰ্ণ, সমৃদ্ধিশালী আৰু হকে কাম কৰি ঘূৰি ফুৰিছিল। তেওঁলোকক বেছিভাগ মানুহেই নিশাচৰ আৰু পাগল আখ্যা প্ৰদান কৰা সত্ত্বেও সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি উদ্দেশ্য আৰু লক্ষ্যৰ প্ৰতি কাম কৰি গৈছিল। অৱশ্যে সমাজৰ দুই-এগৰাকী ব্যক্তিয়ে সাহস আৰু উৎসাহ-উদ্দীপনা যোগাইছিল। সেই সাহস আৰু উৎসাহ-উদ্দীপনা বুকুত বান্ধি লোৱাৰ ফলত এটি নতুন স্বেচ্ছাসেৱী সংস্থাৰ জন্ম হৈছিল। সেয়া হ'ল গ্ৰাম্য বিকাশ মঞ্চ।

সেই মুষ্টিভিক্ষা এতিয়া আৰু নাই। কাৰণ পৃথিৱীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সহায়-সহযোগিতা কৰাৰ ফলত অসমৰ নলবাৰী, কামৰূপ (গ্ৰাম্য), বাক্সা আৰু বৰপেটা জিলাৰ শ শ গাঁৱত হাজাৰ হাজাৰ পুৰুষ, মহিলা, শিশু-বৃদ্ধ, বনিতাৰ চকুত নতুন পোহৰৰ ৰেঙনি দেখিবলৈ পোৱা গৈছে। শিক্ষা, স্বাস্থ্য, কৃষি আৰু অধিকাৰ ইত্যাদি বিভিন্ন দিশত দুৰ্যোগত বুৰ গৈ থকা লোকসকলে আৰু এখোপ আগুৱাই যাবলৈ অদম্য সাহস গোটাবলৈ সক্ষমতা অৰ্জন কৰিছে। এই অনুষ্ঠানতে এশৰো অধিক নিৰনুৱা যুৱক-যুৱতীয়ে প্ৰত্যক্ষভাৱে কাম কৰাৰ সুযোগ পোৱাৰ উপৰি গ্ৰামাঞ্চলত চাৰিশৰো অধিক নিবনুৱা যুৱক-যুৱতীয়ে পৰোক্ষভাৱে আত্মসংস্থাপন হোৱা পৰিলক্ষিত হৈছে। সমাজখনক ধ্বংসৰ কৰালগ্ৰাসলৈ ঠেলি দিয়া অপসংস্কৃতি লাহে লাহে লোপ পাবলৈ ধৰিছে। সমাজৰ নীতি-নিয়ম, বান্ধোন আদি পুৰণি পৰ্যায়লৈ ঘূৰি অহা দেখিবলৈ পোৱা গৈছে। এসময়ত ডেকা শক্তিটোক প্ৰতাৰণা কৰা ব্যক্তিসকলেও সহায়-সহযোগিতা আগবঢ়াই শ্ল'গান ৰচনা কৰিছে যে মানুহৰ বাবে গঢ় লৈ উঠক গ্ৰাম্য বিকাশ মঞ্চ; যেন ই এক উদ্দীপ্ত সূৰ্য।

(লেখক এগৰাকী স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)




# শ্ৰমদান

✍ নৃপেন্দ্ৰ নাথ ডেকা

বৰ্তমান সময়ত কম সংখ্যক মানুহৰ মাজতহে প্ৰচলিত শব্দ শ্ৰমদান। কিন্তু আমি যদি অতীতলৈ ঘূৰি যাওঁ বৃহত্তৰ অসমৰ জাতি-জনগোষ্ঠীসমূহে তাহানিৰ পৰাই এতিয়ালৈ ৰাইজখনক সংগঠিত কৰি আহিছে আৰু তাৰ অন্যতম মাধ্যম হৈছে শ্ৰমদান।

— ধৰ্মীয় ৰীতি-নীতি অনুসৰি (হিন্দু, মুছলমান, বৌদ্ধ, শিখ, জৈন ধৰ্মৰ উৎসৱ-পাৰ্বন)

— পৰম্পৰাগতভাৱেই হওঁক (বিহু, ঐনিতম, মে-ডাম মে-ফি, ফাতেহা ই দোৱাজ দহম)

—অভাৱ, সমস্যাৰ পৰা মুক্ত হ'বলৈ হওঁক (জীৱন, জীৱিকা, নিৰাপত্তা)

মানুহে শ্ৰমদান কৰি আহিছে।

শ্ৰমদানৰ উদাহৰণ—

— ৰাইজে নিজে শ্ৰম কৰি নিজৰ ভঁড়ালৰ ধান বিক্ৰী কৰি পোৱা টকা-পইচাৰে স্কুল ঘৰ বনাইছিল।

— নিজৰ নিজৰ ধৰ্মীয় উপাসনা গৃহ বনাইছিল।

— ৰাস্তা-ঘাটৰ নিৰ্মাণ আৰু মেৰামতি কৰিছিল।

— ৰাজহুৱা পুখুৰী খান্দিছিল।

— প্ৰত্যেক জাতি-জনগোষ্ঠীসমূহৰ নিজা নিজা উৎসৱ-পাৰ্বনত সমূহীয়া চাফাই কাৰ্য সম্পাদন কৰিছিল।

— গাঁৱত হোৱা হাই-কাজিয়াৰ মীমাংসা গাঁৱৰে মুখীয়াল ব্যক্তিসকলে সমাধান কৰিছিল।

— বনৰীয়া জীৱ-জন্তুৰ আক্ৰমণৰ পৰা হাত সাৰিবলৈ 'পহৰা'ৰ ব্যৱস্থা কৰিছিল।

— গাঁৱৰ ইঘৰে-সিঘৰক, বিয়া-সবাহৰ লগতে অন্যান্য অনুষ্ঠানত, সামগ্ৰীৰে হওক (চাউল-শাক-পাচলি, মাছ-মাংস) বা আৰ্থিক ভাৱেই হওঁক নতুবা শ্ৰমদানেৰে হওঁক সহায় কৰিছিল।

—কৃষিৰ ক্ষেত্ৰত ৰাইজে পানীৰ ব্যৱস্থা কৰা, সাউৰি দিয়া, কঠীয়া ৰুৱা, মৰণা মৰা, ন-খোৱা উৎসৱ পালন কৰিছিল।




খেতিয়কসকলে আজিৰ পৰা প্ৰায় ৭০ বছৰ আগৰ পৰাই শ্ৰমদানেৰে কৰি আহিছে। আমি মাত্ৰ সেই কামসমূহ উন্নীত কৰিবলৈহে গৈছো। তাত দেখিলো খেতিয়কসকলে পগলা নদীৰ সংগমস্থলীত বান্ধ দি ডোং, (জান) খান্দি আনি প্ৰায় ২৫ কিলোমিটাৰ নিজৰ নিজৰ কৃষি ভূমিত কেনেকৈ পানীৰ সুব্যৱস্থা কৰিছে, আৰু তাত দেখিলো গাঁৱৰ প্ৰতিঘৰ মানুহে বান্ধত শ্ৰমদান কৰাৰ উপৰিও পানী পৰিচালনা কৰাৰ যি নিয়ম-কানুন জড়িত হৈ আছে তাকো কৃষকৰ মাজত অৰাজনৈতিকভাৱে আৰু ইমান শক্তিশালী তাক দেখি মই আচৰিত হৈছো। তাৰ খেতিয়কসকলে ইমান কষ্টৰ মাজেৰে ধান, তামোল, সৰিয়হ, মচুৰ, কচু, শিমলা আলু, আনাৰস, মাকৈ খেতি কৰি অঞ্চলটোৰ ভিতৰতে আগবঢ়া।

কিন্তু অতি পৰিতাপৰ বিষয় একৈশ শতিকাৰ "বিশ্বায়নৰ" কৰাল গ্ৰাসত আজি শ্ৰমদান শব্দতো বিলুপ্ত প্ৰায়। তথাপিও সমাজৰ এচাম শ্ৰমজীৱী যাক হয়তো এতিয়াও "বিশ্বায়নে সম্পূৰ্ণকৈ চুব পৰা নাই সেই চাম শ্ৰমজীৱী মানুহে তাহানিৰ পৰা এতিয়াও শ্ৰমদানৰ মাধ্যমেৰে সমাজখনক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ দিনে-নিশাই নিৰলস প্ৰচেষ্টাত ব্ৰতী হৈ আছে। তাৰেই এটা প্ৰতিচ্ছবি দেখা পালো বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ নিকাছি অঞ্চলত ২০০৯ ইং চনত। গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত 'বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ প্ৰকল্প'ৰ অধীনত শ্ৰীমনজ্যোতি লহকৰ দেৱৰ লগত কাম কৰাৰ আমি সুযোগ পালো। বহুদিনৰে পৰা অচিনাকি পৰিৱেশ আৰু অন্য গোষ্ঠীৰ মাজত থাকি কাম কৰাৰ দুৰ্বাৰ হেঁপাহ এটা মনতে পুহি ৰাখিছিলো। তথাপিওঁ মনত কিছু ভয়-শংকাই আমনি কৰিছিল। অচিনাকি ঠাই অচিনাকি পৰিৱেশৰ লগতে তাত বসবাস কৰা মানুহখিনিও ভিন ভিন সম্প্ৰদায়ৰ। (নেপালী, বড়ো, ৰাভা, হাজং, কোচ ৰাজবংশী, বেংগলী, মদাহী, আদিবাসী) মই জনাত তেখেতসকলৰ মাত-কথা, আচাৰ-ব্যৱহাৰ, সাজ-পোছাক আমাতকৈ বেলেগ। যিয়েই নহওঁক মনজ্যোতি লহকৰৰ পূৰ্বৰ অভিজ্ঞতাৰ আলম লৈ কৃষি আৰু কৃষকৰ লগত কাম কৰাৰ মনস্থ কৰিলো। তাত গৈ মই যি দেখিলো বা প্ৰকল্পৰ উদ্দেশ্য লৈ মই উপস্থিত হৈছিলো সেই কামসমূহ সেই অঞ্চলৰ খেতিয়কসকলে আজিৰ পৰা প্ৰায় ৭০ বছৰ আগৰ পৰাই শ্ৰমদানেৰে কৰি আহিছে। আমি মাত্ৰ সেই কামসমূহ উন্নীত কৰিবলৈহে গৈছো। তাত দেখিলো খেতিয়কসকলে পগলা নদীৰ সংগমস্থলীত বান্ধ দি ডোং, (জান) খান্দি আনি প্ৰায় ২৫ কিলোমিটাৰ নিজৰ নিজৰ কৃষি ভূমিত কেনেকৈ পানীৰ সুব্যৱস্থা কৰিছে, আৰু তাত দেখিলো গাঁৱৰ প্ৰতিঘৰ মানুহে বান্ধত শ্ৰমদান কৰাৰ উপৰিও পানী পৰিচালনা কৰাৰ যি নিয়ম-কানুন জড়িত হৈ আছে তাকো কৃষকৰ মাজত অৰাজনৈতিকভাৱে আৰু ইমান শক্তিশালী তাক দেখি মই আচৰিত হৈছো। তাৰ খেতিয়কসকলে ইমান কষ্টৰ মাজেৰে ধান, তামোল, সৰিয়হ, মচুৰ, কচু, শিমলা আলু, আনাৰস, মাকৈ খেতি কৰি অঞ্চলটোৰ ভিতৰতে আগবঢ়া। আমিও গৈ তাত পকীবান্ধ, নেটবান্ধ, শ্লুইচ্‌গেট আৰু ডোং খনন কাৰ্যত জড়িত হওঁ আৰু তেখেতসকলে এই কামসমূহত যি শ্ৰমদান কৰিলে তাক আমি কেতিয়াও পাহৰিব নোৱাৰো। হয়তো তেনেকুৱা ব্যৱস্থা নাথাকিলে আমাৰ বাবে তাত কাম সম্পূৰ্ণ কৰি অহাটো অসম্ভৱ হ'লহেঁতেন।

মুঠতে নিকাচি অঞ্চলৰ খেতিয়কসকলে শ্ৰমদানেৰে কৃষি কাৰ্যত একমাত্ৰ ডোঙৰ মাধ্যমেৰে যিদৰে একত্ৰিত হৈছে তাক আমি শলাগ ল'বই লাগিব। তাত ভিন্ন সম্প্ৰদায়ৰ মানুহৰে গঠিত ডোং বান্ধ সমিতিসমূহে যি উমৈহতীয়া সিদ্ধান্ত লয়। ই হ'ল তৃণমূল পৰ্যায়ত গণতান্ত্ৰিক ব্যৱস্থাৰ অংশ। ডোং বান্ধ সমিতি আৰু পানী পৰিচালনা কৰাৰ কথা ইমান কম লিখনিৰে নহয় বা আমাৰ সেইবোৰৰ বিষয়ে বিষদ জ্ঞানো নাই। কিন্তু এই ডোং বান্ধৰ বিষয়ে আমি জানিবলগীয়া বহুত আছে, যিয়ে অন্য এখন সমাজক প্ৰতিনিধিত্ব কৰি আছে। হয়তো অদূৰ ভৱিষ্যতে আমাৰ অন্য ঠাইতো এই ডোং বান্ধ ব্যৱস্থাৰে খেতিয়কসকলৰ উপকাৰ সাধন হ'ব। শেষত নিকাছি অঞ্চলৰ সমূহ ডোং বান্ধ সমিতিসমূহক ধন্যবাদ জ্ঞাপন কৰি দীৰ্ঘায়ু কামনা কৰিছো।

(লেখক স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)

কবিতা

# শৈশৱ

✍ চন্দন চক্ৰৱৰ্তী

(১)
জোনৰ পোহৰ সৰা জুপুৰীত
আওঁৰায় জীৱনৰ আদি পাঠ
আঘোণী পথাৰৰ বুকুত
হেঁপাহৰ ভাওনা...
(২)
শীতৰ কোলাত এজাক শিশুৰ কলৰৱ
বস্ত্ৰহীন-ভোকাতুৰৰ দুচকুত জিলিকে
প্ৰতিশ্ৰুতি-সম্ভাৱনাৰ সপোন...
(৩)
বাণে ধোৱা পথাৰৰ বুকুত
ধূলি-মাকতিৰে সাজে হেঁপাহৰ বালিঘৰ
চোতালৰ ঢাৰিপাতিত আইতাৰ বোকোচাত সাধুকথা
উমাল বিছনাত শুই শুই কাহানিও নাই শুনা
আমাৰে মইনা শুব এ...
(৪)
বিলৰ বুকুত মৌকা ফুলৰ মাজে মাজে
কলৰ ভুঁৰত আওৰাই জীৱনৰ গান
কুঁহিপাত কুমলীয়া আমাৰ হাতত
কুঁহিপাত কুমলীয়া গছৰ আগত...
(৫)
প্ৰতিশ্ৰুতিৰ সোঁৱৰণিত জিলিকে
আশাৰ সপোন...
হেঁপাহৰ ৰামধেনু সজা শৈশৱত
একো একোটা ধ্ৰুৱতৰা...।





# প্ৰেৰণা

✍ ধনেশ্বৰ দেৱ শৰ্মা

কৃষি, দুৰ্যোগ, অনাময়ৰ আঁচনি
আগত লৈ সোমাইছিলা ৰাইজৰ মাজত
১৯৯৯ চনৰ শুভ ক্ষণত
নলবাৰী, কামৰূপ আৰু বাক্সাৰ
ৰাইজে আকোঁৱালি লৈছে তোমাক
তোমাৰ কৰ্মৰাজিয়ে বহুতো যুৱক-যুৱতীক
দিছে উৎসাহ আৰু প্ৰেৰণা সমাজৰ
হকে কাম কৰাৰ
বহুতো গাঁৱৰ শিশুৱে শিক্ষা লাভৰ আশাত
একগোট হৈছে তোমাৰ
'জ্ঞান সংযোগ কেন্দ্ৰ'ত
তোমাৰ শিক্ষা আঁচনি 'জ্ঞান কেন্দ্ৰ'ই
বিলাব সমাজত জ্ঞানৰ পোহৰ
তোমালৈ আমাৰ শত-সহস্ৰ প্ৰণাম
তুমি দীৰ্ঘজীৱি হোৱা।
সমাজৰ অধিকাৰৰ হকে মাত মাতা
সমঅধিকাৰৰ এখন সুস্থ সমাজ গঢ়া
জয়তু গ্ৰাম্য বিকাশ মঞ্চ

# শিশু শ্ৰমিক

✍ শ্বফিউল আহমেদ

আকাশত শগুণৰ জাক
চৌপাশে ছানি ধৰা
অন্ধকাৰৰ ছাঁত শিশু শ্ৰমিকৰ হুমুনিয়াহ
মানৱ অগ্ৰগতি পথত
অথচ, সিহঁত আজিও শোষিত
তথাপি চেষ্টা আমাৰ সিহঁতক সজাগ কৰোৱাৰ
সেয়ে লৈ যোৱা হয় গ্ৰন্থমেলালৈ;
অথবা গাঁৱলৈ
সিহঁতৰ প্ৰাপ্য অধিকাৰৰ কথা
জনোৱাৰ বাবে
সিহঁতৰ বহুতৰে আজি আশ্ৰয় স্থল
হোটেল কিম্বা ডাষ্টবিন
বুভুক্ষাৰ হৃদয় ভঙা আৰ্তনাদ
ভদ্ৰ সমাজৰ সময় নাই সিহঁতৰ খবৰ ল'বলৈ
কাৰণ সিহঁতৰ হিচাপ মাথোঁ লোকপিয়লত
বৰ বৰ লোকৰ ছত্ৰছায়াত
শোষকৰ অত্যাচাৰত
সিহঁত শংকিত
বুভুক্ষাৰ বেদনাত।



(তিনিও গৰাকী কবি গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱক)

# জি ভি এম

✍ হেমেন ডেকা

গ্রাম্য বিকাশ মঞ্চ। ১৯৯৯ চনত কেইজনমান যুৱক লগ হৈ জন্ম দিয়া এটি বে-চৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান। এই অনুষ্ঠানটোৱেই সপোন দেখা প্ৰতিখন গাঁৱতে শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ বাবে নলবাৰী, বাক্সা আৰু কামৰূপ (গ্ৰাম্য) জিলাত ৩০০ গৰাকী স্বেচ্ছাসেৱীয়ে অহৰহ কাম কৰি আহিছে।

জন্মলগ্নৰেপৰাই গ্ৰাম্য বিকাশ মঞ্চই বিশেষকৈ মহিলা আৰু শিশুৰ জৰিয়তে সমাজ পৰিৱৰ্তনৰ দায়িত্ব ল'ব পৰাকৈ উপযুক্ত কৰা। তাৰ জৰিয়তে এখন সমাজ সৃষ্টি কৰা; য'ত তেওঁলোকে সন্মানসহ জীয়াই থাকিব পাৰে।



সৌ সিদিনা মই গৈছিলো নলবাৰী জিলাৰ ৩০ কি.মি. দূৰত্বত থকা নলবাৰী জিলাৰ প্ৰশাসনে ঢুকি নোপোৱা ঘোৰাথাল গাঁৱলৈ। মই গৈ দেখা পাইছিলো যে সৰু সৰু ল'ৰা-ছোৱালীবোৰে য'তে-ত'তে দৌৰিছে, য'তে-ত'তে শৌচ কৰিছে, বিভিন্নধৰণৰ বিশৃংখল হাই-কাজিয়া কৰি আছে। মই গৈ আৰম্ভ কৰিছিলো ল'ৰা-ছোৱালীবিলাকৰ লগত খেল-ধেমালি। খেল-ধেমালিৰ জৰিয়তে কথা পাতিছিলো পঢ়াৰ বিষয়ে। মানুহে পঢ়িব কিয় লাগে, পঢ়া-শুনা কৰা কিয় দৰকাৰ, পঢ়িলে কি হয়। তাৰ পিছত তেওঁলোকে বুজিলে আৰু শেষত ক'লে আমাক মা-দেউতাই পঢ়িবলৈ নিদিয়ে।

শেষত মই সকলো কথা বুজি কথা পাতিছিলো মাক-দেউতাকৰ লগত। মাকে অন্তৰৰপৰা সকলো দুখৰ কথা বিৱৰি কৈছিল— 'দেউতাকৰ অসুখ। মই মাছ নেবেচিলে এদিনো ভাত খাবলৈ নাপাওঁ। তাকো বিলখন জংঘলেৰে বেৰি ধৰিছে। বিলৰ ভিতৰলৈ মই যাব নোৱাৰো। গতিকে ল'ৰা-ছোৱালী দুটাক কেনেকৈ পঢ়ুৱাওঁ তয়ে কছোন?' তাৰ পিছত মাকে সুধিছিল— 'তই ক'ৰপৰা আৰু কিয় আহিছ?' মই মাকক মোৰ চিনাকি দি গ্ৰাম্য বিকাশ মঞ্চ নামৰ এটি বে-চৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠানটোৰপৰা আহিছো বুলি ক'লো। তেতিয়া মাকে কৈছিল এই অনুষ্ঠানটোৱে বাৰু কি কি কৰে? তেতিয়া মই কৈছিলো যে আমাৰ অনুষ্ঠানত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ প্ৰকল্পৰ কাম চলি আছে। এই প্ৰকল্পটোত দীৰ্ঘদিন ধৰি সমস্যা হৈ থকা আপোনালোকৰ বিলখন মুকলি কৰিব পাৰো। তেতিয়া মাকজনীয়ে কাতৰেৰে মোক অনুৰোধ কৰি কৈছিল— বাপা, এইখিনি তহঁতে আমাক সহায় কৰ। আমি দুবেলা দুমুঠি সুখেৰে খাব পাৰিম। ল'ৰা-ছোৱালী দুটাক শিক্ষা-দিক্ষা দিব পাৰিম। তেতিয়া আমি ৰাজহুৱা আলোচনা কৰি বিলখন মুকলি কৰাৰ আলোচনা কৰিলো। শেষত কাম আৰম্ভ হ'ল— আটায়ে কৰ্মত নিয়োজিত হৈ বিল মুকলিকৰণত ১৫২ টকা মজুৰি গ্ৰহণ কৰিলে। সেইমতে বিলৰ কামো অতি সোনকালে সম্পন্ন হ'ল আৰু গাঁৱৰ শ্ৰমজীৱী মানুহে মাছ ধৰি, ঘাঁহ কাটি বিক্ৰী কৰি দুবেলা দুমুঠি খাই সুখেৰে জীৱন যাপন কৰিবলৈ ল'লে।

মাকজনীয়ে কাতৰেৰে মোক অনুৰোধ কৰি কৈছিল— বাপা, এইখিনি তহঁতে আমাক সহায় কৰ। আমি দুবেলা দুমুঠি সুখেৰে খাব পাৰিম। ল'ৰা-ছোৱালী দুটাক শিক্ষা-দিক্ষা দিব পাৰিম।...

(লেখক এগৰাকী স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ)



# চাধা নাওমান মাচ্ছুন

✍ পদ্মেশ্বৰ ডেকা

**ধঁ**পাত এক নীৰৱ মহামাৰী। সমগ্ৰ বিশ্বতে ধঁপাত সেৱন জনস্বাস্থ্যৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ (World Health Organaisation) মতে ধঁপাত সেৱনৰ ফলত হোৱা মৃত্যুৰ হাৰ এইড্‌ছ, মদ্যপান, ড্ৰাগ্‌ছ সেৱন আৰু দুৰ্ঘটনাৰ ফলত হোৱা মৃত্যুৰ হাৰতকৈ বহুত বেছি।

২০০৪ ইং চনৰ ধঁপাত নিয়ন্ত্ৰণ প্ৰতিবেদন মতে আমাৰ দেশত বছৰি প্ৰায় ৮ লাখ লোকৰ মৃত্যু ঘটে কেৱল ধঁপাত সেৱন কৰাৰ ফলত। ভাৰতত কেঞ্চাৰ ৰোগৰ কাৰণে মৃত্যু হোৱা লোকৰ প্ৰায় শতকৰা ৫০ ভাগেই ধঁপাত সেৱনৰ ফলত হোৱা। ধঁপাত সেৱনৰ কাৰণে হোৱা ৰোগৰ চিকিৎসাৰ বাবদ প্ৰতি বছৰে ২৭,০০০ কোটি টকা খৰচ হয়। ইফালে ধঁপাত বিক্ৰীৰ পৰা চৰকাৰে ৰাজহ পায় মাত্ৰ ৭,০০০ কোটি টকা। পিচে চিন্তাৰ বিষয় হৈছে ধঁপাত সেৱন অথবা চাধা খোৱা প্ৰৱণতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু পৰিয়াল ছাৰ্ভে নং ৮ (National Family Health Survey-No-3)ৰ তথ্য মতে আমাৰ দেশত বৰ্তমান শতকৰা ৫৭ জন পুৰুষ আৰু ১০.৯ গৰাকী মহিলাই ধপাত সেৱন কৰে। পৃথিৱীৰ অন্য দেশৰ তুলনাত ভাৰতত ধঁপাত সেৱনৰ সমস্যাটো অলপ পৃথক আৰু জটিলধৰণৰ। আমাৰ দেশত ধঁপাত কেৱল চিগাৰেট-বিড়ি হিচাপেই নহয়; আনধৰণে যেনে— ধোঁৱাবিহীন আৰু চুহি খোৱা, নাকেৰে শুঙি লোৱা (গুট্‌খা, খৈনী, শিখৰ, নসী) ইত্যাদি ধৰণেও সেৱন কৰা হয়। ভাৰতত ১৬ শতিকাৰ পৰাই আৰম্ভ হোৱা ধঁপাত সেৱনৰ বদ্‌অভ্যাসটো বৰ্তমানে সামাজিক, সাংস্কৃতিক পৰম্পৰা হিচাপে ভালেখিনি দলৈ শিপাইছে। ধঁপাত উদ্যোগবোৰে উঠি অহা যুৱ সমাজ আৰু প্ৰাপ্তবয়স্ক লোকক ধঁপাত সেৱনৰ প্ৰতি চূড়ান্তভাৱে নিচাগ্ৰস্ত কৰি তুলিবলৈ বিভিন্ন প্ৰচাৰ আৰু বিজ্ঞাপনৰ কৌশল, সহজলভ্য বিপণন ব্যৱস্থা আদিৰ বাবে চাধা খোৱাৰ জনপ্ৰিয়তা আৰু মাত্ৰা বেছি হৈছে। কমবয়সীয়া ল'ৰা-ছোৱালী (কিশোৰ-কিশোৰী)সকলক এনে কৌশলৰ লক্ষ্য কৰি লোৱাটোও

শেহতীয়াভাৱে পৰিলক্ষিত হৈছে।

ভাৰতত পুৰুষ, মহিলা আৰু শিশুকে ধৰি প্ৰায় ২৫০ মিলিয়ন জনসাধাৰণে ধঁপাত সেৱন কৰে। শুনি আচৰিত হ'ব যে আমাৰ দেশত প্ৰতিদিনে প্ৰায় ৫,৫০০ কিশোৰ-কিশোৰীয়ে নতুনকৈ ধঁপাত সেৱন আৰম্ভ কৰে। এক চৰকাৰী পৰিসংখ্যা মতে শতকৰা ৫৪ জনে বিড়ি, ১৬ জনে চিগাৰেট, বাকী ৩০ শতাংশই নানা প্ৰকাৰৰ ধঁপাত; মলি, চুহি, শুঙি সেৱন কৰে। মহিলা ধঁপাত সেৱনকাৰীও কম নহয়।

বেছিভাগ ধঁপাত সেৱনকাৰী লোকেই ধঁপাতত থকা ক্ষতিকাৰক উপাদানবিলাকৰ বিষয়ে সচেতন নহয়। কিছুমানৰ ভ্ৰান্ত ধাৰণাও আছে। বিড়ি-চিগাৰেটৰ ধোঁৱাত চাৰি হাজাৰবিধতকৈও অধিক ৰসায়নিক পদাৰ্থ থকা বুলি প্ৰমাণিত হৈছে। ইয়াৰেই বেছিভাগেই কেঞ্চাৰ ৰোগৰ কাৰক বুলি জানিব পৰা হৈছে। আনহাতে, ধঁপাত বা চাধাত প্ৰায় ৩০০০বিধ ৰসায়নিক পদাৰ্থ আছে। ইয়াৰ ভিতৰত অতি মৰাত্মক হিচাপে চিনাক্ত কৰা পদাৰ্থকেইবিধ হৈছে— কাৰ্বন মনোক্সাইড, নিকটিন, টাৰ, এচিটন, আৰ্চেনিক আৰু ডিডিটি।




এজন ব্যক্তিয়ে ধূমপান কৰি থকা অৱস্থাত অতি বেছি উষ্ণতাৰ বাবে ধোঁৱাখিনিৰ পৰা বহুতো ভিন ভিন ৰসায়নিক পদাৰ্থৰ সৃষ্টি কৰে। কাৰ্বন মনোক্সাইডে তেজত থকা অক্সিজেন কঢ়িওৱা ক্ষমতা হ্ৰাস কৰে। নিকোটিন নামৰ ৰসায়নবিধে কোকেইন আৰু মৰ্ফিয়াৰ দৰে নিচাগ্ৰস্ত কৰে আৰু ব্যক্তিজন ধঁপাত বা চাধা নিৰ্ভৰশীল হ'বলৈ বাধ্য হয়। ধঁপাতৰ ধোঁৱাত থকা অন্যান্য বিষাক্ত পদাৰ্থবোৰৰ লগতে টাৰ নামৰ ৰসায়নবিধে কেন্সাৰ ৰোগৰ সৃষ্টি কৰে। ধূমপান কৰাজনৰ লগতে পৰোক্ষ ধূমপান কৰা লোকসকলৰ উক্ত মাৰাত্মক ৰসায়নিক পদাৰ্থবিলাক উশাহ-নিশাহৰ জৰিয়তে সেৱন কৰিবলগা হৈছে। যাৰ ফলত মহিলা আৰু শিশুসকল বেছিকৈ ভুগিবলগীয়া হৈছে।

চাধা বা ধঁপাতত থকা নিকটিনেই হৈছে প্ৰধান নিচাজাতীয় উপাদান। ধূমপান কৰাৰ ৭ ছেকেণ্ডৰ ভিতৰতে নিকটিনে মগজুত প্ৰৱেশ কৰেগৈ আৰু লগে লগে বুকুৰ ধপধপনি আৰু ৰক্তচাপ বৃদ্ধি কৰে। চাধা খোৱাৰ লগে লগেই নিকটিন হাওঁফাওঁত প্ৰৱেশ কৰি তাৰ পৰা তেজৰ লগত সমগ্ৰ শৰীৰতে বিয়পি পৰে।

ধঁপাত বা চাধা যি ধৰণেই সেৱন নকৰক কিয়; নিকটিনৰ আসক্তি বা ৰাগী একে সমানেই হ'ব। নিকটিনৰ নিচা এবাৰ আৰম্ভ কৰিলে ইয়াক এৰাবলৈ বৰ টান হৈ পৰে। নিকটিনৰ ভয়াৱহ ক্ষতিকাৰক প্ৰভাৱবোৰ প্ৰকট হ'বলৈ কিছুমান ৰোগীক ১৫ বছৰতকৈ অধিক সময় লাগে। সেইবাবেই হয়তো সাধাৰণ ৰাইজৰ মাজত ইয়াৰ ভয়াৱহতা দেখুৱাই বিশ্বাসত আনিবলৈ টান হয়। যিয়েই নহওক, ধঁপাত বা চাধা খোৱাৰ কুফল সম্পৰ্কে কৰা নতুন গৱেষণাই একেবাৰে ডেকাকালতে যে ব্যক্তিজনৰ কেঞ্চাৰ হ'ব পাৰে, স্নায়ু ৰোগত আক্ৰান্ত হৈ আজীৱন পংগু হ'ব পাৰে, পৰোক্ষভাৱে ধূমপানৰ ফলত পংগু সন্তানৰ জন্ম হ'ব পাৰে— এই কথাবোৰেই স্পষ্টভাৱে ঘোষণা কৰিছে।

**চাধা খোৱাৰ ফলত হোৱা ক্ষতিসমূহ ঃ**

* ভাৰতত প্ৰতিদিনে ৩০০ টাতকৈ বেছি মৃত সন্তান জন্ম হয়; যিবোৰ তেওঁলোকৰ মাকে চাধা নোখোৱা হ'লে জীয়াই থাকিলেহেঁতেন।
* নিকটিন থকা চিগাৰেট খোৱাসকলৰ অভ্যাসটো ১০ মহলীয়া অট্টালিকাৰ পৰিৱৰ্তে ৮ মহলীয়া অট্টালিকাৰপৰা তললৈ জাঁপ মৰাৰ নিচিনা কথা।
* চহৰী আৰু শিক্ষিত ব্যক্তিতকৈ অশিক্ষিত আৰু দৰিদ্ৰ ব্যক্তিয়ে ধঁপাতজাতীয় সামগ্ৰী ব্যৱহাৰ কৰাৰ আশংকা অধিক বেছি।
* ফিল্টাৰ চিগাৰেট বিপদমুক্ত নহয়। ফিল্টাৰে কাৰ্বন বা অন্যান্য ক্ষতিকাৰক গেছক বাধা দিব নোৱাৰে। ফিল্টাৰ চিগাৰেট খোৱাজনৰো হৃদৰোগ আৰু উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাৰ সম্পূৰ্ণ আশংকা আছে। নাওমেন চাধাৰ কথা কওঁ বা লিখো বুলিলে আপুনি শুনি থাকোতে উচ্চ ৰক্ত চাপত ভোগাৰ আশংকা নাথাকিলেও ধঁপাতত থকা চাৰি হাজাৰ বিধ ৰসায়নিক পদাৰ্থৰ কথা যদি বৰ্ণনা কৰিবলৈ হয়; তেন্তে সপ্তকাণ্ড ৰামায়ণ লিখিবলৈ কেইবাগৰাকী বাল্মিকীৰ প্ৰয়োজন হ'ব পাৰে। ধঁপাতত থকা নিকটিন এটোপাল সংগ্ৰহ কৰি যদি যিকোনো লোকৰ শৰীৰত বেজীৰে সুমুৱাই দিয়া হয়; তেন্তে পাঁচ মিনিটৰ ভিতৰত তেওঁৰ মৃত্যু হ'ব পাৰে।
* ধঁপাত বা চাধা খোৱা ব্যক্তিসকল নোখোৱা লোকতকৈ ১৫ বছৰ আগতে স্বৰ্গবাসী হ'ব পাৰে।
* এটা চিগাৰেট সেৱন কৰা মানে ১০ মিনিটকৈ জীৱনৰ আয়ুস কমি যায়।

উপৰোক্ত তথ্যখিনিৰপৰা গ্ৰাম্য বিকাশ মঞ্চৰ স্বেচ্ছাসেৱীসকলে ৰাইজৰ মাজত ধঁপাত তথা ধঁপাতৰপৰা উৎপাদিত বিভিন্ন সামগ্ৰীবোৰৰ বিৰুদ্ধে সজাগতা আনিবলৈ বিভিন্ন কাৰ্যসূচী হাতত ল'ব পাৰো। ধঁপাতমুক্ত সমাজত যিকোনো উন্নয়নমূলক কাম-কাজ কৰিবলৈ বৰ উজু। সমাজৰ সকলো স্তৰত থকা যুৱ মঞ্চ, মাতৃগোট, শিশু বিকাশ সমিতিৰ লগতে বিভিন্ন বিকাশমূলক কামকাজৰ লগত জড়িত থকা সচেতন নাগৰিকসকলক আমি আহ্বান জনাইছো— উঠি অহা নৱপ্ৰজন্মক ধঁপাতৰ কবলৰপৰা ৰক্ষা কৰক। 'চাধা নাওমান মাচ্ছুন' বুলি যেন কোনেও নকওঁ।

(লেখক এগৰাকী সমাজকৰ্মী)



# শিশু অধিকাৰ আৰু আমি

✍ দ্বীপেন কলিতা

**ম**নত হয়তো কেতিয়াবা প্ৰশ্নৰ উদয় হ'ব শিশুনো কোন? কাকনো শিশু বুলি স্বীকৃতি দিব পাৰি? ১৯৮৯ ইং চনৰ ২০ নৱেম্বৰত নিউৱৰ্ক (New work) চহৰত শিশু অধিকাৰৰ ওপৰত এখন আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধি সভা হৈছিল য'ত বিশ্বৰ ১৯০খন দেশে অংশগ্ৰহণ কৰিছিল। (United National Conventions on Child Rights) ৰাষ্ট্ৰসংঘৰ এই প্ৰতিনিধি সভাতে বিভিন্ন দেশৰ প্ৰতিনিধিৰ সৰ্বসন্মতিমৰ্মে শিশুৰ সংজ্ঞা নিৰূপণ কৰে। সেয়ে UNCREৰ মতে ১৮ বছৰৰ তলৰ সকলো ল'ৰা-ছোৱালীকে শিশু বুলি স্বীকৃত প্ৰদান কৰা হয়।

শিশুসকল বহু সময়ত, বিভিন্নক্ষেত্ৰত শোষিত, বঞ্চিত, নিৰ্যাতিত হোৱা দেখা যায় তথা তেওঁলোকৰ চিন্তাধাৰাক, আশা-আকাংক্ষাক আওকাণ কৰা যায়। সেয়ে তেতিয়াৰপৰা বিভিন্ন দেশে শিশু অধিকাৰৰ হকে কাম কৰাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰি শিশু অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত আগ্ৰহী হৈছিল।

UNCREৰ সতে ৰাষ্ট্ৰসংঘৰ প্ৰতিখন দেশে চাৰিটা ক্ষেত্ৰত শিশু অধিকাৰ সুনিশ্চিত কৰিব লাগিব। সেইকেইটা হ'ল—

(ক) জীয়াই থকাৰ অধিকাৰ
(খ) বিকাশৰ অধিকাৰ
(গ) সুৰক্ষাৰ অধিকাৰ
(ঘ) অংশগ্ৰহণৰ অধিকাৰ

কুকুৰ বা মেকুৰীৰ পোৱালী এটাই ইফালে-সিফালে ঘূৰি-পকী বা ৰাস্তাই-পদূলীয়ে পৰি থকা পেলনীয়া বস্তু খাই জীয়াই থাকিব পাৰে। কিন্তু শিশু এটাই প্ৰাপ্তবয়স্ক মানুহ হ'বলৈ বা স্বাভাৱিকভাৱে জীয়াই থাকিবলৈ বহু যত্নৰ প্ৰয়োজন। সেয়ে বহুকেইখন দেশে বিশেষকৈ পাকিস্তান, ইৰাক, আফগানিস্তান, চিৰিয়া আনকি ভাৰতবৰ্ষতো শিশুৰ অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৰ্থতা পৰিলক্ষিত হৈছে। দেশৰ চৰকাৰ তথা ৰাষ্ট্ৰসংঘকো নীৰৱ ভূমিকা লোৱাহে দেখা গৈছে। ভাৰত চৰকাৰে বহুত দেৰিকৈ হ'লেও শিশু অধিকাৰ আইন ২০০৫ ৰূপায়ণ কৰে। এই আইনৰ অধীনত ২০০৭ চনত ৰাষ্ট্ৰীয় শিশু সুৰক্ষা আয়োগ (National Commission for Protection of Child Rights) গঠন কৰে, শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰূপায়ণ হয়, বাল্যবিবাহ আইন ২০০৬ ৰূপায়ণ হয়, আৰু বহু আইন বাৰে বাৰে সংশোধনো হ'ল। সেইদৰে ২০১২ চনত POSCO (Protection of Children from Sexual Offence) ৰূপায়ণ হয় যিয়ে যৌন নিৰ্যাতিত শিশুৰ কাৰণে তাৎক্ষনিক কাৰ্যপন্থা হাতত লোৱাৰ কাৰণে বাধ্য কৰায়।

**গ্ৰাম্য বিকাশ মঞ্চই প্ৰকল্পৰ বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে অংগনবাড়ী কৰ্মী (AWW) তথা সহায়িকা আৰু মাতৃগোটৰ সদস্যাসকলক লৈ বিভিন্ন প্ৰশিক্ষণ দিছে। তদুপৰি ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ পুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰ (Nutriational Rehabilation Centre) সম্পৰ্কেও বহুলোকে জ্ঞাত নাছিল য'ত পুষ্টিহীনতাত ভুগি থকা শিশুক স্বাভাৱিক অৱস্থালৈ অনাৰ যত্ন কৰা হয়।**

কিন্তু বাস্তৱত কিমানদূৰ এই আইনসমূহে তথা গঠন কৰা সমিতিসমূহে শিশুৰ প্ৰতিটো অধিকাৰ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সফল হৈছে। কিমানদূৰ বঞ্চিত তথা নিপীড়িত শিশুৱে ন্যায় পাইছে। নহ'লে আজিও দুষ্টচক্ৰই শিশুসকলকলৈ ৰমৰমীয়া বেহা চলাই আছে। শিশুক কিয় মাছ-পুঠিৰ নিচিনাকৈ বহিঃৰাজ্যলৈ চালান দি আছে? দুষ্টচক্ৰই কিয় শিশুৰ হাতভৰি কাটি পংগু সজাই ভিক্ষাবৃত্তি চলাই আছে? চৰকাৰে তথা আইনে কিয় এই চক্ৰক নিঃশেষ কৰিবপৰা নাই?

বেচৰকাৰী অনুষ্ঠানে শিশু অধিকাৰসমূহ সুনিশ্চিত কৰাৰ প্ৰচেষ্ট অব্যাহত ৰাখিছে। তাৰ ভিতৰতো Child Rights &Youৰ নামো অন্যতম সেইবাবে ভাৰতবৰ্ষৰ কৈলাশ সত্যাৰ্থীয়ে শিশু অধিকাৰৰ বাবে আগবঢ়োৱা সেৱাৰ বাবে শান্তিৰ নৱেল বঁটা পাবলৈ সক্ষম হৈছে। CRY নামৰ নামৰ এই অনুষ্ঠানটোৱে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত স্থানীয় অনুষ্ঠানসমূহৰ সহযোগত শিশুৰ সামগ্ৰীক উন্নয়নৰ বাবে কাম কৰি আহিছে। অসমৰ নলবাৰী জিলাতো গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত ২০১১ ইং চনৰপৰা এই অনুষ্ঠানটোৱে শিশু অধিকাৰ প্ৰকল্প ৰূপায়ন কৰি আহিছে। প্ৰকল্পৰ বিভিন্ন কাৰ্য্যসূচীৰ জৰিয়তে শিশুৰ স্বাস্থ্য, শিক্ষা, বিকাশ তথা সুৰক্ষাৰ ওপৰত বিশেষ নজৰ ৰখা হৈছে। বিশেষকৈ নলবাৰী জিলাৰ বৰভাগ আৰু পূৱ নলবাৰী উন্নয়নখণ্ডৰ একেবাৰে ভিতৰুৱা পিছপৰা ১৮খন গাঁৱত শিশু অধিকাৰ প্ৰকল্প ৰূপায়ণ হৈ আছে। বিগত তিনিবছৰ ধৰি এই প্ৰকল্পৰ জৰিয়তে শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

প্ৰকল্পৰ মুখ্য উদ্দেশ্য হ'ল, শিশু তথা মাতৃৰ মৃত্যুৰ হাৰ ৰোধ কৰা, বাল্যবিবাহৰ নিচিনা সামাজিক ব্যাধি নোহোৱা কৰা, শিশুৰ গুণগত শিক্ষা আৰু স্বাস্থ্যৰ মানদণ্ড উন্নত কৰা। প্ৰকল্পৰ এই গাঁওসমূহত বিভিন্ন কাৰণত শিশু তথা মাতৃৰ মৃত্যু হৈ থাকে। গুণগত শিক্ষা বুলি ক'বলৈ গ'লে একোৱেই নাই। প্ৰকল্পৰ বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰা হৈছে। ইয়াৰ জৰিয়তে দক্ষতা বৃদ্ধিৰ লগত জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। শিশুসকলৰ মাজত বাটৰ নাট Comics, চিত্ৰাংকণ, কুইজ, হাতধোৱা, খেল-ধেমালী আদিৰ জৰিয়তে স্বাস্থ্য সম্পৰ্কে জ্ঞান বঢ়োৱাৰ চেষ্টা কৰা হৈছে। যাতে সাধাৰণভাৱে হ'ব পৰা ৰোগ যেনে— ডায়েৰীয়া, জণ্ডিছ, জ্বৰ, টাইফয়েড, ছালৰ ৰোগ আদিৰপৰা হাত সাৰিব পাৰে। গাঁওসমূহত কম-বেছি পৰিমাণে পুষ্টিহীনতাত ভোগা পৰিলক্ষিত হৈছে। সেয়েহে এই মাৰাত্মক প্ৰতিৰোধক ব্যাধিৰ পৰা শিশুসকলক কেনেকৈ স্বাভাৱিক অৱস্থালৈ আনিব পাৰি তাৰ প্ৰচেষ্টা কৰা হৈছে। সঠিক মাত্ৰাত উপযুক্ত সময়ত পৰিপুষ্টিৰ অভাৱৰ বাবে পুষ্টিহীনতাত ভাগে। শিশুৰ বিকাশত বাধা আহে আৰু মৃত্যুও হ'ব পাৰে। অতিৰিক্ত পুষ্টিদায়ক খাদ্য যোগান ধৰি শিশুটিক স্বাভাৱিক অৱস্থালৈ আনিব পাৰি কিন্তু সৰ্বসাধাৰণৰ মাজত পৰিপুষ্টি সম্পৰ্কে জ্ঞানৰ অভাৱ আৰু শিশুৰ খাদ্য কেনেদৰে প্ৰস্তুত কৰিব লাগে সেই সম্পৰ্কেও জ্ঞাত নহয়। সেয়ে গ্ৰাম্য বিকাশ মঞ্চই প্ৰকল্পৰ বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে অংগনবাড়ী কৰ্মী (AWW) তথা সহায়িকা আৰু মাতৃগোটৰ সদস্যাসকলক লৈ বিভিন্ন প্ৰশিক্ষণ দিছে। তদুপৰি ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ পুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰ (Nutriational Rehabilation Centre) সম্পৰ্কেও বহুলোকে জ্ঞাত নাছিল য'ত পুষ্টিহীনতাত ভুগি থকা শিশুক স্বাভাৱিক অৱস্থালৈ অনাৰ যত্ন কৰা হয়। গ্ৰাম্য বিকাশ মঞ্চই ইয়াৰ সজাগতা বৃদ্ধি কৰি বহু পুষ্টিহীনতাত ভুগি থকা শিশুক স্বাভাৱিক অৱস্থালৈ অনাত সক্ষম হৈছে। ইয়াৰ লগে লগে গ্ৰাম্য বিকাশ মঞ্চই শিশুৰ সম্পূৰ্ণ টিকাকৰণ কৰোৱাৰ ক্ষেত্ৰতো CRY প্ৰকল্পৰ জৰিয়তে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

আকৌ গাঁওসমূহত শিক্ষাৰ অধিকাৰ আইন-২০০৯ (RTE.Act-2009)ৰ মতে গুণগত শিক্ষা ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে সময়ে সময়ে বিভাগীয় কৰ্তৃপক্ষ যেনে— সৰ্বশিক্ষা অভিযান (SSA) BEEO, স্কুল পৰিচালনা সমিতি আদিৰ লগত যৌথ সভাৰ আয়োজন কৰি শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ সফল ৰূপায়ণৰ প্ৰচেষ্টা কৰা হৈছে। সেয়ে বিভিন্ন কাৰ্যসূচীৰ ফলস্বৰূপে Drop-out আৰু বৰ্হি ৰাজ্যলৈ গমন হোৱা শিশুৰ মাত্ৰা ক্ৰমাৎ হ্ৰাস পাইছে।

তদুপৰি CRY প্ৰকল্পৰ বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে ২০১৪-২০১৮ বৰ্ষৰ ভিতৰত গুণগত স্বাস্থ্য সেৱা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰচেষ্টা অব্যাহত ৰাখিছে যাতে প্ৰতিটো শিশু তথা মাতৃয়ে প্ৰাথমিক স্বাস্থ্যসেৱাটো প্ৰাথমিক অধিকাৰ হিচাপে লাভ কৰে (Health Became a fundamental Rights of women & Children) কিয়নো প্ৰাথমিক স্বাস্থ্যসেৱাৰ অভাৱত বহু শিশু তথা মাতৃৰ মৃত্যু হয়।

(লেখক গ্ৰাম্য বিকাশ মঞ্চৰ এগৰাকী স্বেচ্ছাসেৱক)



# শিক্ষা আৰু দৰ্শন

✍ হীৰক জ্যোতি বৰ্মন

শিক্ষা হৈছে এক কৌশল যাক আমি আমাৰ জীৱনত বিভিন্ন সময়ত বিভিন্ন ধৰণে ব্যৱহাৰ কৰো। আজিৰপৰা কেইবাশ বছৰ আগতে বুদ্ধদেৱেও কৈছিল— যি আহিলা আমি সকলোৰে ভালৰ বাবে প্ৰয়োগ কৰো আৰু যিসকলৰ বাবে প্ৰয়োজনীয় তাক আমি বৈধ বুলি মানি লম। উক্ত বাক্য শাৰী আমি শিক্ষাৰ লগত ৰিজাই চালে দেখা যায় যে আমি যিকোনো শিক্ষা বা কৌশল গ্ৰহণ কৰি আনৰ হিতৰ কাৰণে ব্যৱহাৰ কৰিলে তাত কোনো দোষ নাথাকে। আমি এনে কাম কৰা উচিত যিয়ে সৰ্বসাধাৰণৰ উত্তৰণৰ বাবে প্ৰযোজ্য।

দাৰ্শনিকসকলে কয় যে তেওঁলোকে কোনো ব্যক্তিয়ে কৈ যোৱা বা লিখি যোৱা কথা বা কৰ্মক গুৰুত্ব নিদিয়ে। মাত্ৰ তেওঁলোকে গুৰুত্ব দিয়ে যিটো তেওঁলোকৰ মনে বিচাৰে দাৰ্শনিকভাৱে তেওঁলোকে বিশ্লেষণ কৰিহে তেওঁলোকে তেনে সত্য গ্ৰহণ কৰে। উদাহৰণস্বৰূপে মহাত্মা গান্ধীয়ে কৈছে— 'মিছা কথা ক'লে মহাপাপ হয়।' আমি সৰ্বসাধাৰণেও উক্ত কথাশাৰী বেলেগক উদাহৰণ দি কওঁ যে মহাত্মা গান্ধীয়ে কৈছে মিছা কথা ক'লে মহাপাপ হয়। কিন্তু এই কথাষাৰক আমি কেতিয়াও দাৰ্শনিক দৃষ্টিৰে নাচাওঁ। দাৰ্শনিকসকলে ক'ব খোজে যে মহাত্মা গান্ধীয়ে কোৱা কথাখিনি আমি বেলেগক কওঁ কিন্তু মিছা কথা কোৱা মানুহজনে আহি যদিহে সোধে যে আপুনিতো কৈছিল যে মহাত্মা গান্ধীৰ বাক্যশাৰীৰে মিছা কথা ক'লে মহাপাপ হয় কিন্তু মোৰতো মহাপাপ হোৱা নাই। তেতিয়া কিন্তু উক্ত বাক্যশাৰীৰ পৰা আমি নিজকে আঁতৰাই আনি ক'ব পাৰো মইতো কোৱা নাই মহাত্মা গান্ধীয়েহে কৈছিল।

আমি আমাৰ জীৱনত বহু কথা বেলেগৰ উদাহৰণ দি কওঁ য'ত নিজৰ কোনো নিজস্ব নাথাকে বা নিজৰ কোনো ধৰণৰ অৰিহণা নাথাকে। বুদ্ধই কৈছিল, মহাত্মা গান্ধীয়ে কৈছিল বা ৰবীন্দ্ৰনাথে কৈছিল কিন্তু আমি উক্তশাৰীৰ সত্যসত্যতা গভীৰভাৱে অনুভৱ কৰি নাচাওঁ।

সেয়েহে দাৰ্শনিকসকলে কয় যে কিবা এটা কথা মানি লোৱা নোলোৱাৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত নিজৰ।

মানুহে জ্ঞান আহৰণ কৰে পঞ্চ ইন্দ্ৰিয়ৰ জৰিয়তে আৰু তাক আমি চেতনাৰ জৰিয়তে উপলব্ধি কৰো। গছ-গছনিৰো চেতনা আছে। উদাহৰণস্বৰূপে লাজুকীলতা।

বিনা আত্মচেতনাই দুৰ্বুদ্ধি বৃদ্ধি কৰে। প্ৰায়ে আমি দেখো যে দোকানত লিখা থাকে, গ্ৰাহক আমাৰ কাৰণে ভগৱান। যদিহে গ্ৰাহক ভগৱান তেনেহ'লে দোকানীয়ে ভগৱানক ঠগাই। ই কোনো ধৰণৰ আত্মচেতনা হ'ব নোৱাৰে। লগতে দাৰ্শনিকসকলে ক'ব বিচাৰে যে মানুহক কিছু পৰিমাণে হ'লেও অজ্ঞানতাই জীৱনত সুখী কৰায়।

প্ৰায়বোৰ মানুহে স্কুল-কলেজত পঢ়ি থাকোতে মনলৈ ভাব আনে এইবোৰ পঢ়ি থাকিলে আমাৰ কি কামত আহিব বা কি লাভ হ'ব। কিন্তু উক্ত কথাষাৰ যদিহে আমি এনেধৰণে কওঁ আমি ইয়াত শিক্ষা ল'বলৈহে আহিছো। আমি কোনোদিনে ভবা উচিত নহয় যে এই শিক্ষাৰ দ্বাৰা আমি মাত্ৰ পৰীক্ষাত নম্বৰ পাবলৈ বা উত্তীৰ্ণ হ'বলৈ পঢ়ি আছো। উদাহৰণস্বৰূপে কোনোৱে ব্যঞ্জন বনোৱা ক্লাছত নামভৰ্তি কৰাৰ পিছত ভাবে যে এই ক্লাছৰ পৰা মই মোনা ভৰাই খাদ্য লৈ যাম তেতিয়া হ'লে মূৰ্খামী কৰা হ'ব। ব্যঞ্জন বনোৱা শ্ৰেণীত ভবা উচিত যে শ্ৰেণীত যি খাদ্য বনোৱা কলা আদি দিয়া হয় যাতে ভৱিষ্যতে উক্ত দক্ষতাৰ জৰিয়তে প্ৰয়োজনীয় সময়ত ভালদৰে খাদ্য ৰান্ধিব পাৰে।

যদি আপুনি নিবিচাৰে বেলেগে আপোনাক গালি নাপাৰক বা বেয়া নকৰক আপুনিও বেলেগক গালি বা বেয়া নকৰিব। থিক সেইদৰে যদিহে নিবিচাৰে বেলেগ শিক্ষকে আপোনাৰ ল'ৰা-ছোৱালী বা আপোনাৰ মানুহক বেয়া শিক্ষা নিদিয়ক আপুনিও নিদিব।

সত্যম, শিৱম, সুন্দৰমৰ অৰ্থ জ্ঞান, নৈতিকতা, সুন্দৰতা। যদি এই বাক্যশাৰী শিক্ষাৰ উদ্দেশ্য হিচাপে লও তেনেহ'লে তাৰ অৰ্থ হ'ব কলা আৰু সৌন্দৰ্যবোধ ঃ শিক্ষাৰ জৰিয়তে নিজকে প্ৰস্তুত কৰা আৰু তাৰ পৰা আনন্দ লোৱা।

দাৰ্শনিকসকলে কয় যে শিক্ষা পূৰ্ণাংগ হ'বলৈ সেয়ে হৃদয়ঙ্গম হোৱাটো বাঞ্চনীয়। প্ৰায়বোৰ স্কুলত শিক্ষাৰ্থীক বাহিৰত ঠিয় কৰায়, প্ৰখৰ ৰ'দত বিভিন্ন নীতি আদৰ্শ থকা গীত নাটক আদি শিকায় য'ত শিক্ষাক হৃদয়ঙ্গম কৰাৰ সুযোগ নাথাকে।

(লেখক গ্ৰাম্য বিকাশ মঞ্চৰ এজন স্বেচ্ছাসেৱক)




# গ্ৰামাঞ্চলত
# গ্ৰাম্য বিকাশ মঞ্চ

✍ শ্বাহআলম আহমেদ

যি সময়ত গাঁৱৰ সাধাৰণ জনসাধৰণে জীৱিকা আৰু সংস্থাপনৰ ভয়াৱহ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, অপসংস্কৃতিয়ে সামাজিক প্ৰমূল্য গ্ৰাস কৰিবলৈ লৈছে তেনে সময়তে ৰাজ্যখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে স্বেচ্ছসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চই। নগৰৰ পৰা বহু দূৰত এখন গাঁৱত এচাম শিক্ষিত যুৱক-যুৱতীয়ে দিনে নিশাই ঘূৰি ফুৰিছে নিজৰ মানুহখিনিক সুস্থিৰভাৱে আগবঢ়াই নিবলৈ, সমাজক গভীৰ নিৰাশাৰ বিপৰীতে আশাৰ পোহৰ দিবলৈ, জীৱন-জীৱিকা, সম্পদ, সংস্থাপনৰ সুৰক্ষাৰ সপোন ৰচিবলৈ। এনেদৰে সচা মানুহৰ আশাৰ সাপোন বুটলি অতি নিৰ্ভীকভাৱে তেওঁলোক ঘুৰি ফুৰিছে বিশ্বাস আৰু আস্থাৰ পৰিৱেশ ঘুৰাই আনিবলৈ, সামাজিক পৰিৱেশ জাগ্ৰত আৰু শক্তিশালী কৰিবলৈ। সমাজৰ মানৱ মহত্বৰ সৰ্বশ্ৰেষ্ঠ সৌৰভখিনি বিয়পাই গ্ৰামাঞ্চলৰ দৰ্বলতাক শক্তিলৈ, প্ৰত্যাহ্বানক সুবিধালৈ পৰিণত কৰাৰ কৌশল ৰচনাৰে 'জনগণৰ কাৰ্য্যসূচী' প্ৰস্তুত

আৰু বঞ্চিত-নিস্পেষিত মানুহখিনিক সংঘবদ্ধ কৰি 'জনগণৰ কাৰ্য্যসূচী'ৰে সপোনক বাস্তৱ ৰূপ প্ৰদানৰ দিহা কৰিবলৈ আৰু তাৰ জৰিয়তে প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়িবলৈ। এয়া পৰিবৰ্তনৰ বিশাল যাত্ৰা। এই যাত্ৰা আৰম্ভ হৈছে এটা দশক পূৰ্বে, যি সময়ত সমগ্ৰ ৰাজ্যখন, বিশেষকৈ নলবাৰী জিলাত আতংকময় পৰিৱেশে বিৰাজ কৰিছিল, সেই সময়তে কেইজনমান যুৱক-যুৱতীয়ে কৰিছিল নতুন যাত্ৰাৰ সন্ধান আৰু ১৯৯৯ ইং চনৰ ৭ ডিচেম্বৰত জন্ম দিছিল গ্ৰাম্য বিকাশ মঞ্চৰ। সংস্কৃতি, সমাজতত্ব, বাণিজ্য-ব্যৱস্থাপনা, বিজ্ঞান ইত্যাদি বিষয়ৰ এচাম উচ্চ শিক্ষিত (সম্প্ৰতি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা) মিলি হৈছে এখন মঞ্চ, একেই সপোন, একেই আশা, একেই কামনা- মাথোঁ নিজৰ মানুহখিনি আগবাঢ়ি যোৱাত সহায় কৰা। সমাজ পৰিবৰ্তনৰ প্ৰাথমিক ধাৰণা আহৰণৰ বাবে স্বেচ্ছাসেৱী সংগঠন গ্ৰাম্য বিকাশ মঞ্চই অহৰহ চেষ্টা অব্যহত ৰাখিছে। বিভিন্ন ঘাট-প্ৰতিঘাট নেওচি সম্প্ৰতি 'একশ্বন এইড্, 'নেডফি', 'ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (চমুকৈ আৰ.জি.ভি.এন.), জামছেটজী টাটা ট্ৰাষ্ট, 'ইউনিচেফ', 'এন.চি.আৰ.আই), আদিকে ধৰি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বিভিন্ন সংস্থাৰ অৰ্থ সাহাৰ্য্যৰে গ্ৰাম্য বিকাশ মঞ্চ ৰাইজৰ সেৱাত ব্ৰতী হৈ আছে। বিশেষকৈ গ্ৰামাঞ্চলত স্বাস্থ্য আৰু আৰ্থসামাজিক উন্নয়নক লক্ষ্য কৰি আগবাঢ়ি অহা এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে নলবাৰী, বাক্সা, কামৰূপ (গ্ৰাম্য), জিলাৰ বিভিন্ন অঞ্চলত ৰাইজৰ পৰা প্ৰশাংসা লবলৈ সক্ষম হৈছে। উল্লেখ্য যে গৃহ জিলা নলবাৰীৰ উপৰিও বাক্সা আৰু কামৰূপৰ বহুতো বিদ্যালয়ৰ মাধ্যমেৰে দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমন বিষয়ক সজাগতা পাঠ্যক্ৰমত দুৰ্যোগ বিষয়টো অন্তৰ্ভূক্তিকৰণ আৰু দুৰ্যোগৰ সৈতে মোকাবিলা কৰিব পৰাকৈ গ্ৰামাঞ্চলত একোখনকৈ ভাৰসাম্য সমাজ গঢ়িবলৈ বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ কৰি আছে। ইয়াৰ লগতে অনুষ্ঠানটিয়ে বাক্সা জিলাত দীৰ্ঘদিন হৈ থকা মানৱ সৰবৰাহৰ দৰে সমস্যা ৰোধৰ বাবে স্থানীয় লোক সকলৰ জীৱিকা সুনিশ্চিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰি থকা দেখা গৈছে। তদুপৰি জনজাতীয় মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্য 'বাগৰুম্বা উইভিং ছ'চাইটি" জন্ম দি গ্ৰাম্য বিকাশ মঞ্চই নেডফিৰ সহায়েৰে আগবাঢ়িছে। ইয়াৰ লগতে জিলাখনৰ সৰ্বস্বান্ত তথা বানপীড়িত বৰভাগ-বনভাগ অঞ্চলত দুৰ্দশাগ্ৰস্ত পৰিয়ালক জীৱিকাৰ উপায় হিচাপে গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন ধৰণে সহায়ৰ হাত আগবঢ়াই জিলাখনৰ সচেতন লোকৰ ৰা প্ৰশংসা লাভ কৰা দেখা গৈছে। স্বেচ্ছাসেৱী অনুষ্ঠানটিয়ে জিলাখনৰ কৃষি ব্যৱস্থাৰ ওপৰতো গুৰুত্ব দিয়া দেখা গৈছে। ইয়াৰ ভিতৰত কৃষকৰ উপাকৰৰ অৰ্থে ঘগ্ৰাজান আৰু কৈতাজান মুকলি কৰা, সথা জান মুকলি কৰা, লগতে নেমু পুলি ৰোপন, এছ.আৰ.আই পদ্ধতিত খেতিয়কক প্ৰশিক্ষণ দিয়া ব্যৱস্থাৰে ৰাইজৰ মাজত অনুষ্ঠানটো সোমাই পৰিছে। আনকি কৃষকৰ উপকাৰৰ অৰ্থে বাক্সা আৰু নলবাৰী জিলাত পৰিত্যক্ত হৈ থকা জান-জুৰি সমূহ পুনৰ কাৰ্য্যক্ষম কৰাৰ বাবেও গ্ৰাম্য বিকাশ মঞ্চই পদক্ষেপ গ্ৰহণ কৰাত ৰাইজ উৎসাহিত হৈ পৰিছে। তথ্য জনাৰ অধিকাৰ আইন, ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আইনৰ বিষয়ে সজাগ কৰা কাম-কাজ সমূহতো গুৰুত্ব দি আহিছে। জন্ম লগ্নৰে পৰা বঞ্চিত সকলক, বিশেষকৈ শিশু-মহিলা সকলক আৰ্থসামাজিক সৱলীকৰণৰ জৰিয়তে সমাজ পৰিবৰ্তন কৰিব বিচৰা অনুষ্ঠানটো বৰ্তমান প্ৰায় পাঁচ শতাধিক স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱীকাই বিভিন্ন উন্নয়ণমূলক কাৰ্য্যত



প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। গ্ৰাম্য বিকাশ মঞ্চৰ সভাপতি পৃথিভূষণ ডেকা সম্পাদক দিবাকৰ ডেকা লগতে অন্যান্য সকলে দেশ-বিদেশৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সংযোগ স্থাপনেৰে অনুষ্ঠানটিক সফলতাৰ দিশে আগবঢ়াই নিবলৈ চেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে ২০১১ ইং চনৰ পৰাই নলবাৰী জিলাৰ লগতে বাক্সা আৰু কামৰূপ জিলাৰ বিভিন্ন গাঁৱত গ্ৰাম্য বিকাশ মঞ্চই নিৰবচ্ছিন্ন ভাৱে আজিৰ দিনটোলৈ চলাই গৈছে 'শিশু অধিকাৰ প্ৰকল্প'ৰ কাম। উক্ত প্ৰকল্পৰ জৰিয়তে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সঠিক ৰূপায়ন, শিশু বনুৱাকে মূল সুঁতিলৈ উভতাই অনা, শিশু তথা মাতৃৰ স্বাস্থ্যৰ সচেতনতাৰ লগতে প্ৰতিখন গাঁৱঁকে একোখনকৈ শিশু মঞ্চ গঠন কৰি গুণগত শিক্ষা আৰু সামাজিক শিক্ষাৰ পোষকতা কৰি গ্ৰাম্য বিকাশ মঞ্চই ইতিমধ্যে নিজৰ উদ্দেশ্যত সফল হৈছে বহু পৰিমাণে। আশা কৰোঁ এই যাত্ৰা অবিৰত ভাৱে চলি থাকিব। আমাৰ সমাজখনত গ্ৰাম্য বিকাশ মঞ্চ এখন আদৰ্শৰ মঞ্চ হৈ ৰওঁক। যাৰ পোহৰে সমাজৰ আন্ধাৰ নাশ কৰিব, নেদেখাজনক বাট দেখুৱাব, নুবুজাজনক বুজাই দিব আৰু নিৰাশাজনক বিলাই দিব আশাৰ পোহৰ।

(লেখক 'আজিৰ অসম' কাকতৰ নলবাৰীৰ সাংবাদিক আৰু গ্ৰাম্য বিকাশ মঞ্চৰ সাধাৰণ সদস্য)






# কৈলাশ সত্যাৰ্থী, শান্তিৰ ন'বেল আৰু ভ্ৰাম্যমাণ থিয়েটাৰৰ সেই কণমানি কেইজনী...

✍ কমল কিশোৰ হাজৰিকা

শান্তিৰ নবেল বঁটা পোৱাৰ পিছত কৈলাশ সত্যাৰ্থীদেৱে তেখেতৰ প্ৰথম প্ৰতিক্ৰিয়াত এটা কথা কৈছিল যে ভাৰতবৰ্ষৰ বৰ্তমানে শিশু অধিকাৰৰ হকে কাম কৰি থকা প্ৰতিজনৰে কৰ্মই বিশ্বত এক স্বীকৃতি লাভ কৰিলে। কথাটো একেবাৰেই সঁচা। সত্যাৰ্থীৰ দৰে এনে বহু নীৰৱ কৰ্মী আছে যাৰ কৰ্মই ভাৰতবৰ্ষৰ দৰে জনবহুল সমাজ এখনত সাঁচা বহুৱাব পৰা নাই। কাৰণ আমাৰ সমাজত সততেই চকুত নপৰা আৰু সংবাদ প্ৰতিষ্ঠানসমূহে কোনো মচলা বিচাৰি নোপোৱা 'নিষ্পাপ শিশু'সকলৰ হকে কাম কৰে এওঁলোকে। যাৰ বাবে আমাৰ দৰে হয়তো বহুতেই নৱেল বঁটাৰ বাবে নিৰ্বাচিত হোৱাৰ পিছত এটা প্ৰশ্নবোধক আহিছিল— 'কোন এই কৈলাশ সত্যাৰ্থী?' শিশুৰ অধিকাৰৰ হকে কাম কৰা এই মহান ব্যক্তিগৰাকীৰ বাবে এটা এক উচিত স্বীকৃতি। কিন্তু ইয়াৰ পিছত কি হ'ব? আমাৰ দেশ, সমাজ বা ৰাজ্যখনে বাৰু এই শিশু অধিকাৰ সম্পৰ্কত কিমান সচেতন? জ্ঞাত বা অজ্ঞাতেই আমি প্ৰতিজনেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে অৰিহনা যোগাই আহিছো

শিশুৰ অধিকাৰ ভংগ কৰা কিছুমান কাম। এই বিষয়তো আজিৰ সমাজৰ প্ৰতিগৰাকী সুনাগৰিকে ভাবিবৰ হ'ল।

এতিয়া প্ৰশ্ন হয়, এই শিশু অধিকাৰ মানে কি? কেনেকৈ অধিকাৰসমূহ শিশু এটিয়ে উপভোগ কৰে? বা কেতিয়া এই অধিকাৰ ভংগ হ'ব পাৰে? এনে বহু প্ৰশ্নৰ উত্তৰ হয়তো আমাৰ সকলোৰে মনত কেতিয়াবা নহয় কেতিয়াবা উদয় হৈছে। শিশু সকলৰো কিছুমান আধিকাৰ আছে; কিন্তু অধিকাৰসমূহ তেওঁলোকে নিজে সাব্যস্ত কৰিব নোৱাৰে তেওঁলোকক এই অধিকাৰসমূহ পাবলৈ আমি ডাঙৰ সকলেই সহায় তথা সুবিধা কৰি দিব লাগে। তাৰ বাবে আমি ডাঙৰসকলেই ইয়াৰ বাবে সদা সচেতন হৈ থকা প্ৰয়োজন। United Nations Conventions on Child Right (UNCCR) নিৰ্ধাৰিত কৰা শিশুৰ অধিকাৰসমূহক প্ৰধানকৈ চাৰিটা ভাগত বিভক্ত কৰা হয়—

(ক) জীয়াই থকাৰ অধিকাৰ (Right to S urvival)
(খ) বিকাশৰ অধিকাৰ (Right to Development)
(গ) সুৰক্ষাৰ অধিকাৰ (Right to Protection)
(ঘ) অংশগ্ৰহণৰ অধিকাৰ (Right to Participation)

**ফুল কুমলীয়া শিশুটোৱে বাৰু নিজৰ ইচ্ছামতেই ৰাতি দুপৰলৈ থিয়েটাৰ বা মঞ্চত অনুষ্ঠান পৰিবেশন কৰি থাকে নে? তেওঁলোকে থিয়েটাৰত নাটক কৰিবলৈ নিজৰ ইচ্ছামতেই গোটেই বছৰটোৰ বাবে চুক্তিবদ্ধ হয় নে? তেওঁলোকে গোটেই বছৰটো নাটক কৰি ঘূৰি ফুৰোতে 'শিশু' হিচাপে পাবলগীয়া অধিকাৰসমূহ উপভোগ কৰে নে?**

বহলভাৱে ভাগ কৰি লোৱা এই অধিকাৰসমূহৰ ভিতৰতে সামৰি লোৱা হৈছে শিশু এটাৰ স্বাস্থ্য, শিক্ষা, দৈহিক বিকাশ হ'ব পৰা সকলো দিশ। এই দিশসমূহৰ উপযুক্ত পৰিৱেশ, পৰিস্থিতি আৰু সুবিধাসমূহ প্ৰদান কৰাটো পিতৃ-মাতৃ, পৰিয়াল, সমাজ, ৰাইজ তথা চৰকাৰৰ প্ৰধান কৰ্তব্য। শিশু অধিকাৰ সম্পৰ্কীয় কোনো ব্যক্তি বিশেষৰ কিবা আপত্তি থাকিলে ক্ষেত্ৰ অধিকাৰ সম্পন্ন স্থানীয় কৰ্তৃপক্ষই তিনি মাহৰ ভিতৰত অভিযোগৰ বিষয় সম্পৰ্কে সিদ্ধান্তগ্ৰহণ কৰিব। শিশুৰ অধিকাৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাষ্ট্ৰীয় আয়োগ (National Commission for Protection of Child Rights) চমুকৈ NCPCR আৰু ৰাজ্যিক পৰ্যায়ত (State Commission for Protection of Child Rights) চমুকৈ SCPCR-ক শিশুৰ অধিকাৰ সুৰক্ষা সম্পৰ্কে পুনৰীক্ষণ কৰা, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ বাবে শিশুৰ অধিকাৰ সম্পৰ্কীয় অভিযোগসমূহৰ তদন্ত কৰা আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰো ক্ষমতা প্ৰদান কৰিছে। এই অধিকাৰসমূহ সুনিশ্চিত কৰিবলৈকে চৰকাৰ তথা ভাৰতীয় সংবিধানে বিভিন্ন কাৰ্যপন্থা তথা আইন প্ৰণয়ন কৰিছে। শিক্ষাৰ অধিকাৰ আইন, শিশু শ্ৰমিক বিৰোধী আইন, মামণি, মাজনীৰ বিভিন্ন স্বাস্থ্য বিষয়ক আঁচনিৰ মূল লক্ষ্যই হৈছে শিশু অধিকাৰসমূহ সুনিশ্চিত কৰা। এই ক্ষেত্ৰত চৰকাৰে বহুখিনি কৰিছে বুলি ভাবো। কিন্তু আমাৰ সমাজখনে বাৰু এই বিষয়ত কিমান অৱদান আগবঢ়াইছে? এই আঁচনিসমূহৰ সফল ৰূপায়ণৰ বাবে ৰাইজৰ সহযোগিতাও যথেষ্ট পৰিমাণে প্ৰয়োজনীয়। তাৰবাবে আমাক লাগিব এই বিষয়ত সজাগতা।

আমি বাৰু আমাৰ কণমানি শিশুসকলৰ ভৱিষ্যতক লৈ কেতিয়াবা বেছি সংকিত হৈ পৰো নেকি! যাৰ বাবে সেই কণমানি সকলৰ 'শৈশৱ'টোক উপভোগ কৰাৰ পৰা বঞ্চিত কৰি একমাত্ৰ ভৱিষ্যতৰ কেৱল ভয়াবহ প্ৰতিচ্ছৱিখনৰ কথা ভয় দেখুৱাই তেওঁলোকক কিছুমান বুজিব নোৱৰা সপোনৰ বোজা জাপি দিওঁ। আমি সকলোৱে হয়তো অনুভৱ নকৰা এটা সৰু উদাহৰণ আপোনালোকৰ আগত দাঙি ধৰিব খুজিছো। আমাৰ অসমত যিকোনো উৎসৱৰ সমান্তৰালভাৱে চলি থাকে ভ্ৰাম্যমাণ থিয়েটাৰ আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ। এই থিয়েটাৰ আৰু সাংস্কৃতিক



অনুষ্ঠানসমূহত জড়িত থকা সেই শিশু শিল্পী (Professional Child Artistsখিনিৰ কথাহে কোৱা হৈছে)ৰ অভিভাৱকসকললৈ এটি মুকলি প্ৰশ্ন— তেওঁলোকৰ ফুল কুমলীয়া শিশুটোৱে বাৰু নিজৰ ইচ্ছামতেই ৰাতি দুপৰলৈ থিয়েটাৰ বা মঞ্চত অনুষ্ঠান পৰিবেশন কৰি থাকে নে? তেওঁলোকে থিয়েটাৰত নাটক কৰিবলৈ নিজৰ ইচ্ছামতেই গোটেই বছৰটোৰ বাবে চুক্তিবদ্ধ হয় নে? তেওঁলোকে গোটেই বছৰটো নাটক কৰি ঘূৰি ফুৰোতে 'শিশু' হিচাপে পাবলগীয়া অধিকাৰসমূহ উপভোগ কৰে নে? আমি বাৰু সকলোৱে নিজৰ আমোদৰ বাবে সেই শিশুসকলক ব্যৱহাৰ কৰি আছো নেকি? এই প্ৰশ্নকেইটা যদি আমি নিজকে কৰো তেতিয়াহ'লে আমাৰ ওচৰত কিবা উত্তৰ আছে জানো।

এইখিনিতে কৈলাশ সত্যাৰ্থীদেৱে যিটো বিষয়ৰ বাবে শান্তিৰ নবেল বঁটা লাভ কৰিলে সেই বিষয়ে 'শিশু সৰবৰাহ'— সম্পৰ্কে UN convention Against Transnational Crime-2000 শীৰ্ষক কৰ্মশালাত প্ৰস্তুত কৰা UN Prorocol-ত আগবঢ়োৱা সংজ্ঞাটো উল্লেখ কৰিলো। এই প্ৰট'কলৰ ৩নং অনুচ্ছেদত উল্লেখ

কৰা অনুসৰি 'মানৱ সৰবৰাহ' হৈছে কোনো ব্যক্তি বা ব্যক্তিগোটে এক বা একাধিক গোটক বিভিন্ন সময়ত ঠগ, প্ৰৱঞ্চনা, মৃত্যুভয় বা ক্ষমতা অথবা বৃত্তিগত ভয় দেখুৱাই কোনো বৃত্তিত নিয়োজিত কৰিলে, এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ প্ৰব্ৰজিত কৰা, কোনো ঠাইলৈ নিৰ্বাসিত বা স্থানান্তৰ কৰা, অথবা অন্য ঠাইৰ পৰা মানুহক ধৰি আনি কোনো 'শোষণ' কৰোৱা কাৰ্যকে সৰবৰাহ কাৰ্য বুলি ধৰা হ'ব। এই সংজ্ঞাটো প্ৰধানকৈ তিনিটা চৰ্ত আৱদ্ধ কৰা হৈছিল—

(ক) 'শোষণ' শব্দটোৱে যৌন উৎপীড়ন, বাধ্যতামূলক সেৱা বা বলপূৰ্বক সেৱা কাৰ্য, দাসত্ব, বন্ধা শ্ৰম, মানৱ অংগৰ স্থানান্তৰকৰণ, টকাৰ বিনিময়ত যৌনাচাৰ, ভিক্ষা বৃত্তি ইত্যাদি সামৰি লোৱা হৈছে।



মাজেৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সেই শিশুকেইটাই বাৰু নিজৰ ইচ্ছাতেই ভ্ৰমণ কৰি আছে নে? কোনোবাই হয়তো ক'ব পাৰে তাৰ বাবে টকা দিয়া হৈছে! তাৰ মানে আমি মুকলিকে 'শিশু শ্ৰমিক'ক উৎসাহ যোগাই আছো। সাধাৰণতে আমি শিশু শ্ৰমিক বুলিলে প্ৰথমেই মনলৈ পথৰ দাঁতিত বস্তু বিচাৰি থকা শিশুকেইজন বা ফেক্টৰীত বা গেৰেজত কাম কৰা শিশু কেইজনৰ কথা বুজো। কিন্তু এই কণমানি শিশুসকলক বাৰু আমি কি বুলি ভাবিম! সভ্য সমাজত গ্লেমাৰ সৰ্বোচ্চ মানসিকতাৰ বলি হোৱা এই শিশুসকলৰ কথা বাৰু আমি কিমানজনে ভাবো। কৈলাস সত্যাৰ্থীৰ প্ৰচেষ্টা বাৰু কিমান সাৰ্থক হৈছে আমাৰ দেশত!!! শেষত প্ৰখ্যাত আমেৰিকাৰ চিনেমা সমালোচক,




সাধাৰণতে আমি শিশু শ্ৰমিক বুলিলে প্ৰথমেই মনলৈ পথৰ দাঁতিত বস্তু বিচাৰি থকা শিশুকেইজন বা ফেক্টৰীত বা গেৰেজত কাম কৰা শিশু কেইজনৰ কথা বুজো। কিন্তু এই কণমানি শিশুসকলক বাৰু আমি কি বুলি ভাবিম! সভ্য সমাজত গ্লেমাৰ সৰ্বোচ্চ মানসিকতাৰ বলি হোৱা এই শিশুসকলৰ কথা বাৰু আমি কিমানজনে ভাবো। কৈলাস সত্যাৰ্থীৰ প্ৰচেষ্টা বাৰু কিমান সাৰ্থক হৈছে আমাৰ দেশত!!!

(খ) যদিহে ভুক্তভোগীয়ে বা শোষিত ব্যক্তিয়ে এনে কাৰ্যৰ প্ৰতি সন্মতি থকা বা নিজৰ ইচ্ছামতে শোষণ কাৰ্যসমূহ কৰা বুলি কয় তেতিয়া ইয়াক 'সৰবৰাহ' হিচাপে ধৰা নহ'ব।

(গ) ভুক্তভোগী বা শোষিত জন শিশু হয় তেতিয়াহ'লে তেখেতৰ সন্মতি থাকিলেও এই কাৰ্যক 'সৰবৰাহ' হিচাপে ধৰা হ'ব। ইয়াত শিশু মানে ওঠৰ বা ওঠৰ বছৰ বয়সৰ তলৰ ব্যক্তিক ধৰা হ'ব।

এতিয়া আমাক আমোদ-প্ৰমোদ কৰি থকা ভ্ৰাম্যমাণ নাটকৰ সেই শিশুসকলক আমি কি হিচাপে ধৰিম। ৰ'দ, বৰষুণ, ঠাণ্ডা, কুঁৱলিৰ

কবি তথা লেখক জেমছ এগী (James Agee)-ৰ এযাৰ কথাতে সুৰ মিলাই কওঁ— "In every child who is born, under no matter what circumstances, and of no matter what parents, the potenciality of human race is born again and in him, so once more and of each of us, our terrific responsibility towards human life." আহক আমি সকলোৱে এখন এনে সমাজৰ কল্পনা কৰো য'ত ধনী দুখীয়া নিৰ্বিশেষে প্ৰতিজন শিশুৱে নিজৰ অধিকাৰ সাব্যস্ত কৰা সুবিধা লাভ কৰে।

(লেখক গ্ৰাম্য বিকাশ মঞ্চৰ এগৰাকী স্বেচ্ছাসেৱক)



নলবাৰী আৰু বাগছা জিলাৰ চাৰিটা উন্নয়নখণ্ডত 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ দ্বাৰা ৰূপায়িত হৈছে মহিলা কৃষক সবলীকৰণ প্ৰকল্প। এই প্ৰকল্পৰ অধীনত বাগ্চাৰ খেতিপথাৰত কৰ্মৰত মুহূৰ্তত মহিলা কৃষকৰ এক দৃশ্য।




'গ্ৰাম্য বিকাশ মঞ্চ'ৰ দ্বাৰা প্ৰতি বছৰে উদযাপিত হয় বিশ্ব প্ৰতিবন্ধী দিৱসৰ লগতে অন্যান্য ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দিৱস সমূহ, তাৰে এটি দৃশ্য।

ব্যতিক্ৰমী চিন্তাৰে শিক্ষাৰ জগতত ‘গ্ৰাম্য বিকাশ মঞ্চ’ৰ এক নতুন খোজ...





শৈশৱ | SHOISHAV | शैशव

# SHOISHAV

Enlightenment in life starts here

Vill. : Barmurikona, P.O. : Barbari
Dist. : Nalbari, Assam, Pin : 781351